● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

সফল হোৱাটোৱেই সৰ্বশেষ নহয়, ব্যৰ্থতা সৰ্বনাশা নহয়; একেৰাহে আগবাঢ়ি গৈ থকাৰ সাহসহে হিচাপ কৰিবলগীয়া।

উইনষ্টন চাৰ্চিল
*ব্ৰিটিছ ৰাষ্ট্ৰনেতা*



www.dainikagradoot.in

৫ পৰিসংখ্যাতকৈ চাৰি গুণ অধিক ক'ভিড ৰোগীৰ মৃত্যু
১৫ আজি ভাৰত-দক্ষিণ আফ্ৰিকাৰ দ্বিতীয় এদিনীয়া
৪ ভাৰতলৈ মানৱ প্ৰব্ৰজন আৰু পশ্চিমীয়া পণ্ডিতৰ শাস্ত্ৰ ব্যাখ্যা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১০৪তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ৭ মাঘ ১৪২৮ ভাস্কৰাব্দ ২১ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 21 January 2022 মূল্য ঃ ৯.০০ টকা

## অসুস্থ গণতন্ত্ৰ

**দেশ-কাল-সমাজ**

**ড° দীনেশ বৈশ্য**



**কৰ'নাৰ** ঢৌৰ লগে লগে আহিছে নিৰ্বাচনৰ ঢৌ। কৰ'নাৰ সংক্ৰমণ ভয়ানকভাৱে বৃদ্ধি পাইছে যদিও শাসকসকলে কৈ আছে কোনো কাৰণতেই তলাবন্ধ দিয়া নহয়। ধৰ্মীয় অনুষ্ঠান, মেলা, সবাহ, ৰাজনৈতিক সভা ইত্যাদি সকলো বাধাহীনভাৱেই চলি আছে। কেৱল বন্ধ হৈছে শিক্ষানুষ্ঠান। শিক্ষানুষ্ঠান বন্ধ কৰাটোতো এক গভীৰ ৰাজনৈতিক ষড়যন্ত্ৰ লুকাই আছে বুলিও বহুতে কৈছে। প্ৰায় তিনিটা বছৰ দেশত *১০ পৃষ্ঠাত চাওক*

■ দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহক প্ৰতিবেদন দাখিল মুখ্যমন্ত্ৰীদ্বয় শৰ্মা-চাংমাৰ ■ অৰুণাচল-মিজোৰামৰ লগতো একে প্ৰক্ৰিয়াৰে সমস্যা সমাধানৰ প্ৰক্ৰিয়া আৰম্ভ দিছপুৰৰ ■ মেঘালয়ৰ লগত তিনিটা স্থানত সমস্যা সমাধানত জটিলতা

# নগালেণ্ডৰে সীমা সমস্যা সমাধানত জটিলতা

**ষ্টাফ ৰিপ'ৰ্টাৰ**



**গুৱাহাটী, ২০ জানুৱাৰী ঃ** মেঘালয়ৰ সমান্তৰালকৈ একে পদ্ধতিৰে অৰুণাচল আৰু মিজোৰামৰ লগতো সীমা সমস্যা সমাধানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে অসম চৰকাৰে। অৰুণাচলৰ লগত ইতিমধ্যে আলোচনা আৰম্ভ কৰা হৈছে বুলি আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সদৰী কৰে। তাৰ লগতে তেওঁ ইংগিত কৰে যে মেঘালয়ৰ লগত থকা সীমান্তৰ নটা বিবদমান স্থানৰে সমস্যা সমাধান হোৱাৰ পথত। যদিও ছটা স্থানৰহে সমস্যা সমাধানৰ প্ৰক্ৰিয়া প্ৰথম পৰ্যায়ত ৰাজ্য দুখনৰ চৰকাৰে আৰম্ভ কৰিছিল, তাৰ লগতে তিনিটা অতিৰিক্ত স্থানৰো সমস্যা সমাধান হোৱাৰ পথত। অৱশ্যে তিনিটা স্থানৰ সমস্যা সমাধানত কিছু জটিলতা আছে। বকোৰ লাম্পি আৰু কাৰ্বি আংলঙত এই স্থান তিনিটা অৱস্থিত। মুখ্যমন্ত্ৰীয়ে কয়, 'মেঘালয়ৰ লগত যি ১২টা স্থানত বিবাদ চলি আহিছে তাৰে তিনিটাৰ সমস্যা সমাধান হ'বলৈ কিমান দিন লাগিব নাজানো। বছৰো লাগিব পাৰে। স্থানীয় ৰাইজক আমি আস্থাত ল'ব লগিব। তেনেদৰে আগবাঢ়িব লাগিব। কিন্তু নটা স্থানৰ সমস্যা সমাধান হ'ব।' মুখ্যমন্ত্ৰীয়ে লগতে কয় যে মেঘালয়ৰ দৰে অৰুণাচল আৰু মিজোৰামৰ ক্ষেত্ৰতো সমিতি গঠন কৰা হ'ব। দুয়োখন ৰাজ্যৰ লগতো সীমা সমস্যাৰ সমাধান ভালদৰে হ'ব বুলি আশা কৰিলেও নগালেণ্ডৰ লগত জটিলতা থকা বুলি তেওঁ কয়। নগালেণ্ডৰ *১০ পৃষ্ঠাত চাওক*

## প্ৰব্ৰজন, উচ্ছেদ আৰু লৌহপুৰুষ বিষ্ণুৰাম মেধি

৪১ সংখ্যক মৃত্যু দিৱসত সশ্ৰদ্ধ সোঁৱৰণ

**■ ড° হিমন্ত বিশ্ব শৰ্মা**



**অসম** তথা অসমীয়া জাতিৰ ভৱিষ্যৎ সুৰক্ষিত কৰা আৰু মুছলিম লীগৰ 'অসম দখল' অভিযান প্ৰতিহত কৰাৰ ক্ষেত্ৰত জাতিৰ অতি সংকটপূৰ্ণ মুহূৰ্তত সন্মুখৰ পৰা নেতৃত্ব লৈছিল ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ, লৌহ পুৰুষ বিষ্ণুৰাম মেধি আৰু অসম কেশৰী অম্বিকাগিৰি ৰায় চৌধুৰীয়ে। গ্ৰুপিং, দেশ বিভাজন তথা স্বাধীনতাৰ পিছতো অসমৰ জাতীয় জীৱনলৈ নামি অহা গভীৰ সংকট আঁতৰোৱাৰ ক্ষেত্ৰত লোকপ্ৰিয় বৰদলৈৰ হাতত *১০ পৃষ্ঠাত চাওক*

■ ধুমুহা-বৰষুণ, গাজনি-ঢেৰেকণি, শিলাবৃষ্টি হ'ব পাৰে ৰাজ্যত ■ সেমেকা বতৰত ক'ভিডৰ সংক্ৰমণ বৃদ্ধিৰ শংকা ■ সকীয়নি বতৰ বিজ্ঞান কেন্দ্ৰৰ ■ আবেলিৰ বৰষুণে স্তব্ধ কৰিলে জনজীৱন

# পাঁচ দিনত প্ৰকোপ বৃদ্ধি পাব শীতৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ জানুৱাৰী ঃ** শীতৰ সেমেকা বতৰত নামি অহা এজাক চিপচিপীয়া বৰষুণে প্ৰকোপ বৃদ্ধি কৰিলে হাড় কঁপোৱা জাৰৰ। আবেলিৰ ব্যস্ততাৰ মাজতে মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত নামি অহা চিপচিপীয়া বৰষুণজাকে জাৰৰ মাত্ৰা বহুগুণে বৃদ্ধি কৰিলে। এফালে ক'ভিডৰ তাণ্ডৱ, তাৰ মাজতে আকৌ বৰষুণৰ সেমেকা বতৰত বিশেষ প্ৰয়োজন নাথাকিলে ঘৰমুৱা হ'ল ৰাইজ। গুৱাহাটীত হঠাতে যেন স্থবিৰ হৈ পৰিল জনজীৱন। লগতে শংকা ব্যক্ত হ'ল ক'ভিডক লৈ। বৰষুণৰ পৰা সাৰিবলৈ বেগেৰে খোজ দিয়া এনে এজন পথচাৰীয়ে ক'লে, 'ঠাণ্ডা বাঢ়িলে আৰু বাঢ়িব ক'ভিড। চাৰিওপিনে জ্বৰ-কাহৰ প্ৰকোপ বাঢ়িছে। এতিয়া আৰু বাঢ়িব।'

বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি, অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নগালেণ্ড, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠায়ে ঠায়ে প্ৰচণ্ড ধুমুহা, বতাহ, বিজুলী, গাজনি-ঢেৰেকনি, বজ্ৰপাতসহ প্ৰবল বৃষ্টিপাত হোৱাৰ সম্ভাৱনা আছে। উত্তৰ-পূব অসমৰ বিভিন্ন জিলা আৰু মেঘালয়ৰ ঠায়ে ঠায়ে শিলাবৃষ্টি হোৱাৰ সম্ভাৱনা আছে। কাৰ্বি আংলঙৰ *১০ পৃষ্ঠাত চাওক*

## শ্বেৰমান আলী-শশীকান্ত দাসৰ ক্ষেত্ৰত সিদ্ধান্ত ল'বলৈ থমকিছে কংগ্ৰেছ নেতৃত্ব

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ জানুৱাৰী ঃ** কে'বাজনো বিধায়কৰ দল ত্যাগৰ পাছত বিধানসভাত আৰু অধিক শক্তিহীন হ'ব বিচৰা নাই কংগ্ৰেছ। সেইবাবেই মুকলিকৈ দলৰ নীতিৰ বিৰুদ্ধে স্থিতি লোৱা সত্ত্বেও বাঘবৰৰ বিধায়ক *১০ পৃষ্ঠাত চাওক*

## ফলাফলৰ আঁসোৱাহ আঁতৰোৱাৰ দাবী উপাচাৰ্যক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ জানুৱাৰী ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ে ১৬ জানুৱাৰীত স্নাতক তৃতীয় ষাণ্মাসিকৰ ফলাফল ঘোষণাৰ পাছতেই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সৃষ্টি হৈছে ব্যাপক অসন্তুষ্টিৰ। চিবিচিএছ ব্যৱস্থাত অধ্যয়নৰত *১০ পৃষ্ঠাত চাওক*

■ কেৱল মহানগৰতে ১০ দিনত সৰ্বাধিক ১২,৯১১ জন আক্ৰান্ত ■ পুনৰ এদিনতে ৭,৯২৯ আক্ৰান্ত হোৱাৰ বিপৰীতে মৃত্যু ১২ জনৰ

## ৰাজ্যৰ ১৬ জিলাৰ ক'ভিড পৰিস্থিতি অধিক স্পৰ্শকাতৰ, সতৰ্কতা জাৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ জানুৱাৰী ঃ** অসমত ক'ভিডত দৈনিক আক্ৰান্তৰ ঊৰ্ধ্বমুখী গতিৰ ধাৰা আজিও অব্যাহত আছে। ৰাজ্যত আজি ৭,৯২৯ জন সংক্ৰমিতৰ তথ্য পোহৰলৈ আহে। কালিৰ তুলনাত এই সংখ্যা কম হ'লেও আক্ৰান্তৰ হাৰ অধিক। কালিৰ তুলনাত আজি ৩,৩৪০ টা নমুনা কমকৈ পৰীক্ষা কৰা হয় যদিও আক্ৰান্তৰ সংখ্যা অধিক ওলায়। দিনটোত আক্ৰান্তৰ হাৰ ১২.৯২ শতাংশ। কালি এই হাৰ আছিল ১২.৮৯ শতাংশ। ইয়াৰ বিপৰীতে আজি মৃত্যু হয় ১২ জন লোকৰ। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হোৱা সকলৰ ভিতৰত যুৱ বয়সৰ লোকো আছে। লক্ষ্যণীয়ভাৱে এনে লোকৰ মাজত প্ৰতিষেধক নোলোৱা লোকো আছে। *আঠ পৃষ্ঠাত চাওক*

## ৭২ বছৰীয়া বৃদ্ধক হত্যা কৰি পেলাই থৈ গ'ল দুৰ্বৃত্তই

**অগ্ৰদূত বাৰ্তা**

**গৌৰীপুৰ, ২০ জানুৱাৰী ঃ** গৌৰীপুৰ আৰক্ষী থানাৰ অন্তৰ্গত পাণবাৰী-কাউনবাৰী অঞ্চলৰ সৰবৰহী দেৱানী ৭২ বছৰীয়া কোবাত আলীক যোৱা নিশা দুৰ্বৃত্তই নৃশংসভাৱে হত্যা কৰে আলমগঞ্জ সপ্তম খণ্ড গাঁৱত। আজি পুৱা এটি পৰিত্যক্ত বাসগৃহৰ পিছফালে আলীৰ মৃতদেহ প্ৰত্যক্ষ কৰে ঘৰৰ পহৰাৰ দায়িত্বত থকা এগৰাকী মহিলাই। উল্লেখ্য *আঠ পৃষ্ঠাত চাওক*

■ চিকাৰ কৰিবলৈ যাওঁতে ছাংপোৰ পাৰৰ পৰা ধৰি নিয়া বুলি দাবী সাংসদৰ ■ প্ৰত্যাৰ্পণৰ বাবে পিএলএৰে যোগাযোগ ভাৰতীয় সেনাৰ

## পুনৰ অৰুণাচলৰ কিশোৰক অপহৰণ কৰি নিলে চীনা সেনাই

**■ নিউজ ব্যুৰ'**



**নতুন দিল্লী, ২০ জানুৱাৰী ঃ** অৰুণাচল প্ৰদেশৰ পৰা এজন কিশোৰক অপহৰণ কৰি নিলে চীনা সেনাই। ছিয়াং জিলাৰ এখন গাঁৱৰ পৰা ১৭ বছৰীয়া কিশোৰজনক চীনা সেনাই অপহৰণ কৰি নিয়া বুলি অভিযোগ তুলিছে ৰাজ্যখনৰ বিজেপি সাংসদ তাপিৰ গাওৱে। টুইটত এই অভিযোগ কৰি সাংসদজনে সদৰী কৰে যে মিৰাম তাৰ'ন নামৰ কিশোৰজনক যোৱা মঙলবাৰে অপহৰণ কৰি নিয়া হয়। আনহাতে, গাওৱে জনায় যে চীনৰ পিপ'ল্‌ছ লিবাৰেচন আৰ্মিয়ে মিৰামক অপহৰণ কৰি নিলেও তেওঁৰ এজন বন্ধুৱে পলাই সাৰিবলৈ সক্ষম হয়। *১০ পৃষ্ঠাত চাওক*

## দুৰ্ঘটনাত ছাত্ৰীৰ মৃত্যুক লৈ টেঙাখাতত উত্তপ্ত পৰিস্থিতি

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ২০ জানুৱাৰী ঃ** টেঙাখাতত আজি সংঘটিত এক পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। এই দুৰ্ঘটনাত এগৰাকী ছাত্ৰী নিহত হয়। টেঙাখাত আৰক্ষী থানাৰ অন্তৰ্গত যোনতালত এই দুৰ্ঘটনা সংঘটিত হয়। আজি বিয়লি *১০ পৃষ্ঠাত চাওক*




| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২২° | ১৩° |
| ডিব্ৰুগড় | ২৬° | ১১° |
| দিল্লী | ১৭° | ০৯° |
| কলকাতা | ২৪° | ১৩° |
| মুম্বাই | ২৯° | ২২° |
| চেন্নাই | ৩০° | ২২° |
| বাংগালুৰু | ২৭° | ১৫° |
| শ্বিলং | ১৩° | ০৪° |

*২০ জানুৱাৰী, ২০২২*

**১০-১৫ দিন পূৰ্বেই হত্যাৰ সন্দেহ ■ কঁহৰা বনাঞ্চলৰ শিলেখুন্দাত উদ্ধাৰ হ'ল মৃতদেহ**

## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পুনৰ গঁড় হত্যা কৰি খৰ্গ লৈ উধাও চোৰাংচিকাৰী



**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ২০ জানুৱাৰী ঃ** চলিত বৰ্ষৰ আৰম্ভণিতেই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত নিধন হ'ল এটা গঁড়। বছৰটো প্ৰথমটো গঁড় নিধনৰ ঘটনাই উদঙালে ৰাষ্ট্ৰীয় উদ্যানখনৰ নিৰাপত্তাৰ ফোঁপোলা স্বৰূপ। *১০ পৃষ্ঠাত চাওক*

অসম-মেঘালয় সীমা সমস্যা সমাধানৰ প্ৰস্তাৱ

## ৰাজনৈতিক উদ্দেশ্যত লোৱা সিদ্ধান্ত মানি নলওঁ ঃ ৰাইজৰ দলৰ প্ৰতিক্ৰিয়া

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ জানুৱাৰী ঃ** যোৱা ১৮ জানুৱাৰীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানমৰ্মে কইনাধৰাত অনুষ্ঠিত সৰ্বদলীয় সভাখন সম্পূৰ্ণ নাটক আছিল। কেৱল অসমৰ ৰাইজক আভুৱা ভাঁৰিবলৈকে এনে *ছয় পৃষ্ঠাত চাওক*

■ নিতৌ ন ন কৌশল লৈছে চোৰাং চক্ৰই ■ নগাঁৱত জব্দ হ'ল পুনৰ ২৪টাকৈ গৰু

## কুৰিয়াৰ চাৰ্ভিছৰ বাহনত চোৰাং গৰু সৰবৰাহ



**■ আৰক্ষী থানাৰ সন্মুখেদিয়ে পাৰ হৈ যায় কেনেকৈ?**

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/ৰেৱেজীয়া, ২০ জানুৱাৰী ঃ** গো সুৰক্ষা আইনক ৰাজ্যখনত কঠোৰভাৱে বলবৎ কৰাৰ কথা চৰকাৰে বাৰম্বাৰ দোহাৰি অহাৰ সময়তে নগাঁও জিলাৰ মাজেৰেই অবৈধভাৱে গৰু সৰবৰাহ অব্যাহত ৰাখিছে চোৰাং চক্ৰই। এই চক্ৰই নগাঁও জিলাৰ মাজেৰে কে'বাটাও ৰাজ্যিক পথ আৰু চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথক নিৰাপদ কৰিড'ৰৰূপে ব্যৱহাৰ কৰি মেঘালয় হৈ বাংলাদেশলৈ গৰু অবৈধভাৱে সৰবৰাহ কৰি আহিছে। চোৰাং ব্যৱসায়ীসকলে অবৈধভাৱে গৰু সৰবৰাহৰ সময়ত একাধিক জিলাৰ বিভিন্ন আৰক্ষী থানা, আৰক্ষী চকীৰ সন্মুখেৰেই ট্ৰাকে ট্ৰাকে গৰু সৰবৰাহ কৰি থকাটো অতি ৰহস্যজনক বিষয়ৰূপে বিবেচিত হৈছে। প্ৰায় প্ৰতি নিশাই এই চোৰাং ব্যৱসায়ীসকলে বিভিন্ন পথেৰে নিৰ্বিঘ্নে গৰুভৰ্তি ট্ৰাকসমূহ নগাঁও-গুৱাহাটী পথেৰে যোৱাবাট হৈ মেঘালয়লৈ *ছয় পৃষ্ঠাত চাওক*

## দিন-দুপৰতে তিনি লাখ টকা লুট কৃষ্ণাইত

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ২০ জানুৱাৰী ঃ** আজি গোৱালপাৰা জিলাৰ কৃষ্ণাই চহৰত দিন-দুপৰতে চিলনী চোৰে থপিয়াই নিয়ে তিনি লাখ টকাভৰ্তি মোনা। দুপৰীয়া এক বজাত পাখিৰীগুৰিৰ ইশ্ৰাফুল আলম *আঠ পৃষ্ঠাত চাওক*


■ ভাৰতক পুঁজিবাদী ৰাষ্ট্ৰ কৰাৰ প্ৰক্ৰিয়া তীব্ৰতৰ ঃ সাংসদ ৰিপুন বৰা

## মোদীৰ শাসনত পুঁজিপতি অধিক সম্পদশালী, দৰিদ্ৰ অধিক দৰিদ্ৰ হৈছে



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ জানুৱাৰী ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতক পুঁজিবাদী ৰাষ্ট্ৰত পৰিণত কৰাৰ প্ৰক্ৰিয়া চলা বাবেই পুঁজিপতিৰ সংখ্যা বৃদ্ধিৰ লগতে তেওঁলোকৰ সম্পদৰ পৰিমাণো অভাৱনীয় বৃদ্ধি হৈছে বুলি আজি ইয়াত এক সংবাদমেলত মন্তব্য কৰে ৰাজ্যসভাৰ সাংসদ ৰিপুন বৰাই। পুঁজিপতিৰ সংখ্যা বৃদ্ধিৰ বিপৰীতে দেশত দৰিদ্ৰ লোকৰো সংখ্যা বৃদ্ধিয়ে পুঁজিবাদী ৰাষ্ট্ৰৰ নীতিকে *১০ পৃষ্ঠাত চাওক*



ঘৰত সোমাই থকাৰহে জ্বৰ! দুদিনমান ঘূৰি ফুৰিব দিয়ক, বেমাৰ-আজাৰ সকলো ভাল পাই যাব!

**চেঙা তেল**

■ নিৰ্ধাৰণ হ'ল চাৰি জিলাৰ পৰিষদৰ ২১টা সমষ্টিৰ প্ৰাৰ্থীৰ ভাগ্য

## শান্তিপূৰ্ণভাৱেই সম্পন্ন হ'ল ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ ভোটগ্ৰহণ



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাবাট/তিতাবৰ/মেৰাপানী/বিহপুৰীয়া/নাহৰকটীয়া/খুমটাই/লালুক, ২০ জানুৱাৰী ঃ** বিগত এমাহজোৰা উৎকণ্ঠা আৰু উৎসুকতাৰ অৱসান ঘটাই আজি পুৱাৰে পৰা ৰাজ্যৰ চাৰিখন জিলাৰ ২১টা সমষ্টিত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত হয়। পুৱাৰে পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ প্ৰক্ৰিয়া বেলটত হোৱাৰ বাবে একাধিক ভোটকেন্দ্ৰত নিৰ্ধাৰিত সময়ৰ পাছলৈকো *ছয় পৃষ্ঠাত চাওক*

■ মেঘালয়ৰে সীমা বিবাদ নিষ্পত্তিৰ প্ৰসংগতে গাৰো ছাত্ৰ সন্থাৰ আহ্বান অসম চৰকাৰক

## অসমতে থাকিবলৈ আগ্ৰহী, লাগে স্বায়ত্তশাসন

**অগ্ৰদূত বাৰ্তা**

**বকো, ২০ জানুৱাৰী ঃ** অসম-মেঘালয় সীমান্তৱৰ্তী ১২টাকৈ বিবাদমান অঞ্চলৰ ৩৬.৭৯ বৰ্গ কিলোমিটাৰ ভূমি বাটোৱাৰা কৰি দীৰ্ঘদিনীয়া সীমা বিবাদৰ অৱসান ঘটোৱাৰ দিশত আগবাঢ়িছে দুই ৰাজ্যৰ চৰকাৰ। প্ৰথম পৰ্যায়ত ছটা বিদ্যমান অঞ্চল ক্ৰমে ৰাতাচেৰা, বক্লাপাৰা, খানাপাৰা-পিলিংকাটা, হাহিম, গীজাং আৰু তাৰাবাৰী অঞ্চলৰ ভূমি মীমাংসাৰ উদ্যোগ লোৱা হৈছে। *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

গুৱাহাটী, ২১ জানুৱাৰী, ২০২২ শুকুৰবাৰ পৃষ্ঠা তিনি



মঙলদৈত দুৰ্ঘটনাগ্ৰস্ত বাহন, বৃহস্পতিবাৰে।

## নাজিৰাত ড্ৰাগছসহ ধৃত এক

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২০ জানুৱাৰী ঃ** নাজিৰা আদৰ্শ আৰক্ষী থানাৰ অন্তৰ্গত নাজিৰা বৰতল অঞ্চলৰ পৰা নাজিৰা আৰক্ষীয়ে আজি সন্ধিয়া হেৰ'ইনসহ এজন যুৱকক হাতে-লোটে গ্ৰেপ্তাৰ কৰে। বৰতল অঞ্চলৰ পৰা দেবব্ৰত বৰা (২১) নামৰ যুৱকজনক ০.৪০ গ্ৰাম হেৰ'ইনসহ গ্ৰেপ্তাৰ কৰে। ইয়াৰ পাছতেই আৰক্ষীৰ দলটোৱে নাজিৰাৰ আন স্থানত অভিযান চলায়।

# নগাঁৱত সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ জলপানিৰ নামত অনিয়ম

### বহু যোগ্যতা নথকা বিদ্যালয়ৰ তালিকা অনুমোদনৰ নামত ধনৰ লেনদেনৰ অভিযোগ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২০ জানুৱাৰী ঃ** বিগত কেইটামান বৰ্ষ ধৰি সংখ্যালঘু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা প্ৰি-মেট্ৰিক আৰু পোষ্ট মেট্ৰিক জলপানিৰ ধনৰ ক্ষেত্ৰত ৰাজ্যৰ বিভিন্ন ঠাইত কেলেংকাৰি সংঘটিত হৈ আহিছে। বিশেষকৈ নগাঁও জিলাতো বিগত সময়ত এই কেলেংকাৰিৰ লগত জড়িত কে'বাজনো লোক ইতিমধ্যে আৰক্ষীৰ জালত পৰিছে। অৱশ্যে আৰক্ষীয়ে এই কেলেংকাৰিৰ লগত জড়িত একাংশ চৰকাৰী-বিষয়া কৰ্মচাৰী, মধ্যভোগীৰ লগতে একাংশ বেংকৰ চিএইছপিৰ এজেন্ট এতিয়াও আৰক্ষীৰ জালত পৰা নাই। এইদৰে দীৰ্ঘদিন ধৰি সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ জলপানিৰ নামত ব্যাপক কেলেংকাৰি সংঘটিত হোৱাৰ পাছত দুৰ্নীতি-অনিয়ম নাইকিয়া কৰাৰ বাবে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই কঠোৰ নীতি-নিয়ম বান্ধি দিছে। ইয়াৰ মাজতে ২০২১-২০২২ৰ বাবে দিব লগা জলপানিৰ নামত জিলাখনৰ একাংশ বিদ্যালয় কৰ্তৃপক্ষই সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীৰ লগত লগ লাগি ভুৱা ছাত্ৰ-ছাত্ৰী দেখুৱাই জলপানিৰ লাখ লাখ টকা সৰকাই লোৱাৰ কূট-কৌশল ৰচনা কৰাৰ অভিযোগ শেহতীয়াকৈ উত্থাপিত হৈছে। উল্লেখ্য যে উল্লিখিত বৰ্ষৰ প্ৰি-মেট্ৰিক জলপানিৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে কৰিব লগা আবেদনৰ অন্তিম সময়সীমা অতিক্ৰম ছয় পৃষ্ঠাত চাওক

**কৰ'নাৰ বাবে শিক্ষানুষ্ঠান খোলা-বন্ধক লৈ শিক্ষক-অভিভাৱকৰ প্ৰতিক্ৰিয়া**

## কৰ'না ব্যক্তিগত মাধ্যমৰ শিক্ষানুষ্ঠানলৈ নাহে, আহে চৰকাৰী শিক্ষানুষ্ঠানলৈহে

অগ্ৰদূত বাৰ্তা

শালবাৰী, ১৯ জানুৱাৰী ঃ কৰ'না ব্যক্তিগত মাধ্যমৰ শিক্ষানুষ্ঠানলৈ নাহে, আহে চৰকাৰী মাধ্যমৰ শিক্ষানুষ্ঠানলৈহে। ব্যক্তিগত মাধ্যমৰ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী কৰ'নাক্ৰান্ত হওক, চৰকাৰী মাধ্যমৰ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী কৰ'নাক্ৰান্ত নহওক এনে এক বিষয়ক লৈ যেন এতিয়া সৰৱ চৰ্চা আৰম্ভ হৈছে শিক্ষক-অভিভাৱকৰ মাজত। উল্লেখ্য যে ৰাজ্যত ক'ভিড সংক্ৰমণৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি কিছুদিন পূৰ্বে অসম চৰকাৰে পঞ্চম শ্ৰেণীলৈকে সকলো শিক্ষানুষ্ঠান বন্ধ ঘোষণা কৰিছিল। কিন্তু তাৰ পাছতো ৰাজ্যখনৰ ব্যক্তিগত মাধ্যমৰ প্ৰাক- প্ৰাথমিকৰ পৰা শিক্ষানুষ্ঠানৰ শ্ৰেণীসমুহ ক'ভিড এছঅ'পিক উপেক্ষা কৰি অদ্যাপি চলাই গৈ আছে শিক্ষানুষ্ঠান সমূহৰ কৰ্তৃপক্ষই। এই ক্ষেত্ৰত বহুকেইগৰাকী শিক্ষক সংগঠনৰ নেতাই সংবাদ মাধ্যমৰ আগত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে মুখ্যতঃ গাঁৱলীয়া অঞ্চলৰ চৰকাৰী শিক্ষানুষ্ঠানৰ বহু হোজা অভিভাৱকে বুজি উঠে যে নিজৰ শিক্ষানুষ্ঠান বন্ধ কিন্তু ঘৰৰ ওচৰৰে ব্যক্তিগত মাধ্যমৰ শিক্ষানুষ্ঠানত পঢ়োৱা আনটো পৰিয়ালৰ ল'ৰা-ছোৱালী সদায় বিদ্যালয়লৈ অহা-যোৱা কৰে আৰু সেইবাবেই অভিভাৱকে চৰকাৰী শিক্ষানুষ্ঠানৰ শিক্ষকক প্ৰশ্ন কৰে কৰ'না এছঅ'পি কেৱল চৰকাৰী শিক্ষানুষ্ঠানৰ বাবেহে প্ৰযোজ্য নেকি। এনে দিশবোৰৰ বাবেই সম্প্ৰতি হাৰাশাস্তিৰ সন্মুখীন হৈ থকা শিক্ষক সংগঠনৰ নেতাসকলৰ উপৰি চৰকাৰী মাধ্যমৰ শিক্ষানুষ্ঠানৰ শিক্ষকসকলে ৰাজ্য চৰকাৰক উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাই কয় যে ক'ভিড এছঅ'পি অকল চৰকাৰী মাধ্যমৰ শিক্ষানুষ্ঠানৰ বাবে নহয়, ব্যক্তিগত মাধ্যমৰ শিক্ষানুষ্ঠানৰ বাবেও বলৱৎ হোৱা উচিত।

**অনিয়মীয়া দৰমহাৰ সমস্যাৰ নহ'ল সমাধান**

## শিৱসাগৰ জিলাৰ অতিৰিক্ত ঠিকাভিত্তিক শিক্ষক সমিতিৰ আন্দোলনৰ হুংকাৰ

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২০ জানুৱাৰী ঃ** ২০১০ত সম্পূৰ্ণ মেধা ভিত্তিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত নিযুক্তি পোৱা শিক্ষকসকলৰ নিয়মীয়া দৰমহাৰ সমস্যা আজিও সমাধান নহ'ল। নিযুক্তি পোৱাৰ দিন ধৰি একাগ্ৰতা আৰু নিষ্ঠাৰে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰাৰ উপৰি ক'ভিডৰ জটিল পৰিস্থিতিতো কৰ্তব্য পালন কৰা এনেবোৰ শিক্ষকে নিৰ্বাচনৰ সময়তো গধুৰ দায়িত্ব সম্পাদন কৰি আহিছে। অথচ প্ৰতিটো গুৰু দায়িত্ব অতি নিষ্ঠাৰে পালন কৰি অহাৰ পাছতো এইসকল শিক্ষক- শিক্ষয়িত্ৰীয়ে মাহিলি দৰমহা কেইটাৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। উল্লেখ্য যে ভোগালী বিহুৰ পূৰ্বে ৰাজ্য চৰকাৰৰ সমূহ কৰ্মচাৰীয়ে দৰমহা লাভ কৰিলে যদিও শিক্ষা বিভাগৰ দ্বাৰা চৰম প্ৰৱঞ্চিত হৈ দুমাহৰ দৰমহা লাভ নকৰিলে কৰ্তব্যৰত এইসকল শিক্ষক-শিক্ষয়িত্ৰীয়ে। ইয়াৰ উপৰি অন্যান্য জিলাৰ লগতে শিক্ষা বিভাগৰ চৰম গাফিলতিৰ বাবেই শিৱসাগৰ জিলাৰ ঠিকাভিত্তিক শিক্ষকসকলে ছয় পৃষ্ঠাত চাওক



কৃষিমন্ত্ৰী অতুল বৰাই ধান ক্ৰয়ৰ প্ৰমাণ পত্ৰ প্ৰদান কৰিছে, বৃহস্পতিবাৰে।

## তেজপুৰ মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ অনুমোদন ৰাজ্য চৰকাৰৰ

**মহাবিদ্যালয়ত উৎসৱমুখৰ পৰিৱেশ**

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২০ জানুৱাৰী ঃ** তেজপুৰ মহাবিদ্যালয়ত ৰাজ্য চৰকাৰে বিজ্ঞান বিভাগৰ অনুমোদন প্ৰদান কৰাৰ কথা কালি হাফলঙত অনুষ্ঠিত চৰকাৰৰ কেবিনেটে ঘোষণা কৰাৰ পাছতে তেজপুৰস্থিত মহাবিদ্যালয়খনত এক উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰিছে। উল্লেখ্য যে বহুকেইগৰাকী দূৰদৃষ্টিসম্পন্ন শিক্ষানুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত ১৯৬৫ৰ পাঁচ আগষ্টত গঢ় লৈ উঠা মহাবিদ্যালয়খনে ইতিমধ্যে কলা আৰু বাণিজ্য বিভাগৰ জৰিয়তে এখন আগশাৰীৰ মহাবিদ্যালয়লৈ উন্নীত হোৱাৰ পাছত কেবিনেটে মহাবিদ্যালয়খনৰ বিজ্ঞান শাখাৰ অনুমোদন প্ৰদান কৰি এখন পূৰ্ণাংগ মহাবিদ্যালয়ৰ স্বীকৃতি প্ৰদান কৰাত আজি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° জ্যোতি কমল হাজৰিকাই শিক্ষাৰ্থী আৰু শিক্ষক-কৰ্মচাৰীৰ সন্মুখত আনুষ্ঠানিকভাৱে সেই কথা ঘোষণা কৰে। লগে লগে মহাবিদ্যালয়খনত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। ইয়াৰ মাজতে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত অধ্যক্ষ ড° জ্যোতি কমল হাজৰিকাই এই আশাব্যঞ্জক খবৰ ঘোষণা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা ছয় পৃষ্ঠাত চাওক

## নিউ বঙাইগাঁৱত ৰেলৰ চাকৰি দিয়া প্ৰৱঞ্চকক গ্ৰেপ্তাৰ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২০ জানুৱাৰী ঃ** বঙাইগাঁও জিলা সদৰৰ নিকটৱৰ্তী নিউ বঙাইগাঁও উপ-আৰক্ষী চকীৰ অধীনৰ চুঙাপোতা গাঁৱত ৰেল বিভাগত চাকৰি নিযুক্তি দিয়া এজন প্ৰৱঞ্চকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে নিউ বঙাইগাঁও চুঙাপোতা গাঁও নিবাসী জয় কুমাৰ শৰ্মাৰ কন্যাক ৰেলৰ ছুপাৰভাইজৰ পদত চাকৰি দিয়াৰ নামত পূৰ্বে হোৱা কথা মতে, কালি দ্বিতীয় কিস্তিৰ ধন নিবলৈ অহাত পৰিয়ালৰ লোকে চাকৰি পোৱাৰ কোনো নিশ্চয়তা নেদেখি আৰক্ষীক খবৰ দিয়াত নিউ বঙাইগাঁও উপ-আৰক্ষী চকীৰ আৰক্ষীয়ে প্ৰৱঞ্চকজনক আৰক্ষী চকীলৈ লৈ যায়। গুৱাহাটী গণেশগুৰিৰ বুলি পৰিচয় দিয়া প্ৰাঞ্জল মেধি নামৰ যুৱকজনে চুঙাপোতাৰ জয় কুমাৰ শৰ্মাৰ কন্যাক ৰেলত চাকৰি দিয়াৰ নামত তিনিলাখ টকাত বন্দৱস্তি হৈছিল। এই মৰ্মে পাঁচ মাহ পূৰ্বে এক লাখ পাঁচ হেজাৰ টকা যুৱকজনে সংগ্ৰহ কৰিছিল। শৰ্মাই দুখন চেক যোগে প্ৰাঞ্জলক ধন আদায় দিয়া বুলি এজাহাৰত উল্লেখ কৰিছে। ইপিনে, ধৃত যুৱকজনে যুৱতীগৰাকীক ব্যক্তিগত প্ৰতিষ্ঠানত চাকৰিৰ ব্যৱস্থা কৰিব বুলি প্ৰকাশ কৰাৰ লগতে এক লাখ টকা লোৱা বুলি স্বীকাৰ কৰিছে। কালি যুৱতীগৰাকীৰ নথিপত্ৰ নিয়াৰ বাবে তেওঁলোকৰ ঘৰলৈ আহিছিল বুলি তেওঁ কয়। নিউ বঙাইগাঁও উপ-আৰক্ষী চকীৰ আৰক্ষীয়ে ঘটনা সন্দৰ্ভত ইতিমধ্যে যুৱকজনৰ বিৰুদ্ধে এজাহাৰৰ ভিত্তিত এক গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰখাৰ লগতে যুৱকজনক আদালতত হাজিৰ কৰোৱাত আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।



## সৰুচৰাই পৰ্বতীয়া লাইনত অবিৰত ভাগৱত

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ২০ জানুৱাৰী ঃ** যোৰহাট জিলাৰ সৰুচৰাই ঘৰফলীয়া পথৰ কাষৰ পৰ্বতীয়া লাইনৰ নামঘৰত চাহ মজদুৰসকলৰ লগতে স্থানীয় ৰাইজে শ্ৰীমদ্ভাগৱত অবিৰতভাৱে অনুষ্ঠিত কৰিছে। ১৯ জানুৱাৰীৰ পুৱা চন্দ্ৰ শইকীয়াই ধৰ্মধ্বজা উত্তোলন কৰি কাৰ্যসূচীৰ আৰম্ভ কৰাৰ পাছতে স্মৃতি তৰ্পণ কৰে সোমেশ্বৰ নেওগে, ভাগৱত প্ৰতিষ্ঠা কৰে সুৰেশ ঢেকিয়ালে। নামাচাৰ্য দুলাল গোস্বামীৰ লগতে ভকতসকলে নাম-কীৰ্তন কৰাৰ পাছতে অবিৰত ভাগৱত পাঠ আৰম্ভ হয়। শেষৰ দিনা দানবীৰ ৰজা হৰিশ্চন্দ্ৰ ভাওনাত সৰুচৰাই চাহবাগিছা, পৰ্বতীয়া লাইনৰ আৱাসী শিল্পীসকলে অভিনয় কৰিব।

**পৌৰসভাৰ উন্মুক্ত নলা নিৰ্মাণৰ দাবী ঃ পৌৰসভাৰ কৰ্তৃপক্ষক ধিক্কাৰ চহৰবাসীৰ**

## মৰিগাঁৱত পৌৰসভাৰ নলাত পৰি শিশুসহ মহিলা আহত



**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২০ জানুৱাৰী ঃ** মৰিগাঁৱৰ চহৰৰ মাজমজিয়াত থকা পৌৰসভাৰ এটা জৰাজীৰ্ণ কদৰ্যময় উন্মুক্ত নলাত পৰি আজি এগৰাকী মহিলাসহ শিশু আহত হয়। মৰিগাঁও চহৰৰ মাজমজিয়াত থকা পৌৰসভাৰ এটা উন্মুক্ত অসম্পূৰ্ণ নলাত এগৰাকী মহিলাসহ শিশু হঠাৎ সোমাই যায়। পদপথেৰে গৈ থকা অৱস্থাত শিশুসহ মহিলাগৰাকীয়ে নলাটোত সোমাই আহত হয়। স্থানীয় প্ৰত্যক্ষদৰ্শীয়ে তাৎক্ষণিকভাৱে নলাৰ পৰা শিশুসহ মহিলাগৰাকীক উঠাই আনি চিকিৎসাৰ ব্যৱস্থা কৰে। উল্লেখ্য যে মৰিগাঁও পৌৰসভাৰ অঞ্চলত এনেকুৱা ধৰণৰ অসম্পূৰ্ণ নলাত ইয়াৰ পূৰ্বেও বহুকেইজন পথচাৰী আঘাতপ্ৰাপ্ত হোৱাৰ পাছত পৌৰসভা কৰ্তৃপক্ষই এই নলাসমূহ কোনো ধৰণৰ মেৰামতি কৰা নাই। ফলত নিতৌ এনে ধৰণৰ ঘটনা চহৰখনত সংঘটিত হৈ আহিছে। মৰিগাঁও পৌৰসভা কৰ্তৃপক্ষই এই নলাসমূহ কেতিয়ালৈ নিৰ্মাণ সম্পূৰ্ণ কৰি তুলিব, তাক লৈও সন্দিহান হৈ পৰিছে মৰিগাঁওবাসী ৰাইজ। মৰিগাঁও জিলা উপায়ুক্তক চহৰখনৰ মাজমজিয়াত থকা এই পৰিত্যক্ত নলাসমূহৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰি তুলিবলৈ ৰাইজে দাবী জনাইছে।

## ধমধমা সংহত শিশু সেৱা প্ৰকল্পত অংগনৱাড়ী কৰ্মী সহায়িকাৰ ধৰ্ণা

**অগ্ৰদূত বাৰ্তা**

**বাগানপাৰা, ২০ জানুৱাৰী ঃ** বাগ্‌সা জিলাৰ নয়াবস্তিত থকা ধমধমা সংহত শিশু সেৱা প্ৰকল্পৰ দুৰ্নীতিত অতিষ্ঠ হৈ আজি দুই শতাধিক অংগনাৱড়ী কৰ্মী-সহায়িকাই কাৰ্যালয়টোৰ বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যালয়টোৰ চৌহদত অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে দুৰ্নীতিকাৰী বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। উত্থাপিত অভিযোগ মতে, ২০১৪ৰ পৰা ধমধমা সংহত শিশুসেৱা প্ৰকল্পটোৰ অধীনৰ ২১৯ টা অংগনৱাড়ী কেন্দ্ৰলৈ নিয়া খাদ্যৰ পৰিবহণ আৰু ৰন্ধন ব্যয় কৰ্মীসকলে নিজাববীয়াকৈ বহন কৰি আহিছে। কিন্তু উক্ত ব্যয়ৰ সমগ্ৰ ধন কাৰ্যালয়ৰ একাউণ্টত জমা হৈ থকা সত্বেও ধনখিনি আদায় দিয়া নাই। কৰ্মীসকলে দায়িত্বত থকা বিষয়াক বহুবাৰ আবেদন-নিবেদন কৰা সত্বেও তেওঁলোকৰ প্ৰাপ্য ধন আদায় নিদিয়াত আজি কাৰ্যালয়টোৰ বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে 'দুৰ্নীতি বন্ধ কৰক, প্ৰাপ্য যাতায়াত আৰু ৰন্ধন ব্যয় আদায় দিয়ক' আদি শ্ল'গান দিয়ে। প্ৰতিবাদীকাৰীসকলে উল্লেখ কৰা মতে, প্ৰতিটো কেন্দ্ৰকে ২০১৪ৰ পৰা যাতায়াত আৰু ৰন্ধন খৰচ আদায় দিয়া নাই। সম্প্ৰতি এই ধন ছয় পৃষ্ঠাত চাওক

## গহপুৰ মহকুমা প্ৰেছ গীল্ডৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন**



**অগ্ৰদূত বাৰ্তা**

**গহপুৰ, ২০ জানুৱাৰী ঃ** গহপুৰ মহকুমাৰ কাকত আৰু বৈদ্যুতিন মাধ্যমৰ একাংশ সাংবাদিকক লৈ ২০১৪তে গঠন কৰা গহপুৰ মহকুমা প্ৰেছ গীল্ডৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি উদ্‌যাপন কৰা হয়। উল্লেখ্য যে প্ৰতিষ্ঠা কালৰে পৰা গহপুৰ মহকুমাৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ সমস্যাসমূহৰ সংবাদ সৰলভাবে উপস্থাপন কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা ছয় পৃষ্ঠাত চাওক

## বিন্নাকান্দি উন্নয়ন খণ্ডৰ আঁচনিৰ কাম পৰিদৰ্শন মন্ত্ৰী বিমাল বৰাৰ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২০ জানুৱাৰী ঃ** ডিমা হাচাও জিলাৰ সদৰ ঠাই হাফলঙত অনুষ্ঠিত হোৱা ৰাজ্যিক কেবিনেটৰ বৈঠক সমাপ্ত কৰি আজি ওভতাৰ পথত হোজাইৰ নীলবাগানত উপস্থিত হয় অসম চৰকাৰৰ মন্ত্ৰী বিমল বৰা। মন্ত্ৰীগৰাকীয়ে বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত নীলবাগান গাঁও পঞ্চায়তত ৰূপায়ন হোৱা এমজি এনৰেগা, প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত নিৰ্মাণ হোৱা কেইটামান ঘৰ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে স্থানীয় একাংশ লোকৰ লগত মত-বিনিময় কৰি উন্নয়নমূলক কাম-কাজৰ লগতে অৰুণোদয় আঁচনি, বৃদ্ধ পেঞ্চন আদি সন্দৰ্ভত বুজ লয়। ইয়াৰ মাজতে পঞ্চায়তখনত হোৱা উন্নয়নমূলক কাম-কাজৰ ৰেহৰূপ দেখি স্তম্ভিত হৈ পৰে মন্ত্ৰীগৰাকী। আঁচনিৰ কাম সঠিক ৰূপায়ন নোহোৱা দেখি মন্ত্ৰীজনে উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰীৰ ওপৰত সৰৱ হৈ পৰে। পঞ্চায়তখনত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত নিৰ্মাণ ছয় পৃষ্ঠাত চাওক

## বামুন্দী ৰাইজ গয়ৰহৰ ১৮০ বছৰীয়া সভা-গন্ধ উৎসৱৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**

**হাজো, ২০ জানুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বামুন্দী ৰাইজ গয়ৰহৰ ধৰ্মীয় তথা পৰম্পৰাৰ উৎসৱ সভা-গন্ধ আজি সন্ধিয়া সামৰণি পৰে। যোৱা নিশা সভা-গন্ধ উৎসৱ উদ্বোধন কৰে হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই। উল্লেখ্য যে বামুন্দী এখন জনবহুল বৃহত্তৰ গাঁও। ১২শ টাতকৈ অধিক পৰিয়াল আৰু সমসংখ্যক খেলেৰে গঠিত এই গাঁওখনৰ এটা ছয় পৃষ্ঠাত চাওক

## ডিগবৈত বৈ থকা বাহন ভস্মীভূত



**ডিগবৈ, ২০ জানুৱাৰী ঃ** ডিগবৈ তৈলক্ষেত্ৰত বৈ থকা বলেৰ' এখন ভস্মীভূত হয়। উল্লেখ্য যে ডিগবৈ তৈলক্ষেত্ৰৰ অন্তৰ্গত খাৰছাং পইণ্টত বৈ কথা বাহনখন অগ্নিকাণ্ড সংঘটিত হয়। উল্লেখ্য যে অইলৰ কাম-কাজত নিয়োজিত হৈ আছিল বাহনখন। অৱশ্যে অগ্নিকাণ্ডৰ সময়ত বাহনৰ ভিতৰত কোনো লোক নাছিল। বাহনখনৰ পৰা জুই ক্ৰমান্বয়ে বিয়পি ডিগবৈ তৈল শোধনাগাৰৰ এডাল গেছ পৰিবাহী পাইপত সংযোগ হয়। পাছত ডিগবৈ আইঅ'চি আৰু দুলীয়াজান অইলৰ অগ্নিনিৰ্বাপক বাহিনীৰ যৌথ তৎপৰতাত জুই নিৰ্বাপিত হয়।

## বিশ্বনাথৰ মহালক্ষী ওৱাংবস্তিত হোৱা খহনীয়া ৰোধৰ দাবী স্থানীয় ৰাইজৰ



অগ্ৰদূত বাৰ্তা

তেজপুৰ, ২০ জানুৱাৰী ঃ বিগত দীঘলীয়া সময়ত বিশ্বনাথ জিলাৰ আৰু অসম অৰুণাচল সীমান্তৱৰ্তী মহালক্ষী ওৱাংবস্তি ৰাজহ গাঁওখন তীব্ৰ গৰাখহনীয়াৰ কবলত পৰি আহিছে। অৰুণাচলৰ পৰা বৈ অহা থেবাং নৈৰ এক সুঁতিয়ে বিশ্বনাথৰ বিভিন্ন অঞ্চলৰে বৈ আহি ঘিলাধাৰী নৈত মিলিত হৈছে। খৰালি এক জুৰিৰ দৰে শান্ত হৈ থকা এই নৈখনে বাৰিষা ভয়ংকৰ ৰূপ ধাৰণ কৰে। বিশেষকৈ পাহাৰৰ পৰা বৈ অহা পানীৰ সোঁতে বিশ্বনাথৰ নৈ কাষৰীয়া অঞ্চলসমূহত ছয় পৃষ্ঠাত চাওক

## লাহৰীঘাটৰ বোৱালগুৰিত বিধ্বংসী অগ্নিকাণ্ড

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ২০ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত বোৱালগুৰিত আজি পুৱা সংঘটিত অগ্নিকাণ্ডত কে'বাটাও বাসগৃহ ভস্মীভূত হয়। অগ্নিকাণ্ডত আব্দুল ৰশ্বিদ, জাকিৰ হুছেইন, আবুল কাশেম, চামছুল হক, শ্বাজাহান আলী আৰু নশ্বেদ আলীৰ বাসগৃহ ভস্মীভূত হয়। নগদ ধনকে ধৰি ঘৰৰ সকলো সা-সামগ্ৰী আৰু গুৰুত্বপূৰ্ণ নথিপত্ৰ জুইত জাহ যায়। পাছত ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নিৰ্বাপিত কৰে। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ এতিয়ালৈ জানিব পৰা হোৱা নাই।

## ভৱানীপুৰ, শালবাৰী মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তনত উৎফুল্লিত ভৱানীপুৰ সমষ্টিবাসী

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**পাঠশালা/শালবাৰী ২০ জানুৱাৰী ঃ** হাফলঙত অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেটত ভৱানীপুৰ বিধানসভা সমষ্টিৰ ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয় আৰু শালবাৰী মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰি চৰকাৰী ঘোষণা কৰাত উৎফুল্লিত হৈছে ভৱানীপুৰ বিধানসভা সমষ্টিবাসীৰ ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ৭ মাঘ ১৪২৮ ভাস্কৰাব্দ ২১ জানুৱাৰী ২০২২

# অপসংস্কৃতিৰ সুযোগ

এইখন দেশৰ মানুহৰ অতিধৰ্মিতা আৰু জাতপাতৰ কু-সংস্কাৰত সনাতন অন্ধবিশ্বাস আজিও অপৰিবৰ্তিত হিচাপেই ৰৈ গ'ল। সমাজ, সভ্যতা, সংস্কৃতি; আনকি ভালেমান ৰাজ্যৰ ৰাজনীতিতো ধৰ্মান্ধতা আৰু জাতপাতৰ প্ৰাবল্যই এক দীঘলীয়া কালজুৰি সচেতন নাগৰিকক ব্যথিত আৰু লজ্জিত কৰি তুলিছে। তদুপৰি যোৱা দুটা দশকৰ মৌলবাদী আৰু সাম্প্ৰদায়িক ৰাজনীতিৰ উত্থানেও বহুতকে উৎকণ্ঠিত আৰু আতংকিত কৰিছে। সম্প্ৰতি সমগ্ৰ দেশতেই অন্ধবিশ্বাস আৰু ধৰ্মাচাৰ যেন আগতকৈয়ো বেছি পৰিমাণেহে বাঢ়ি যাবলৈ ধৰিছে। য'তে ত'তে ৰাস্তা-ঘাট, বজাৰ, সৰু সৰু পথৰ মূৰ, পদপথ আৰু গছৰ তলত দিনৰ পাছত দিন ধৰি অসংখ্য মন্দিৰ গজি উঠিব লাগিছে। সৰু-ডাঙৰ এই মন্দিৰ বিলাকত মানুহৰ শাৰী আৰু পূজা-পাৰ্বণবোৰো বাঢ়িয়েই গৈ আছে। কুল-গুৰু আৰু পাৰিবাৰিক ইষ্ট-দেৱতাৰ ওচৰত আত্মসমৰ্পণ কৰাটো প্ৰায় সকলোতেই প্ৰচলিত। জ্যোতিষীসকলৰ প্ৰসাৰতা দিনে-নিশাই বাঢ়িবই ধৰিছে। টেলিভিচনৰ কেইবাটাও চেনেল জ্যোতিষী আৰু ভক্তসকলৰ দখললৈ গুচি গৈছে। জনগণৰ মাজত ক্ৰমবৰ্দ্ধমান 'বজাৰ' আছে বুলিয়েই চেনেলবিলাক মুনাফালোভী ব্যৱসায়ীসকলে ব্যৱহাৰ কৰিছে। তাবিজ-কবচ-আঙুঠি পিন্ধি ভাগ্যোন্নতিৰ বাবে কৰা চেষ্টা বহুদূৰ ব্যাপ্ত। বাতৰি কাকতবিলাকৰ ভালেখিনি ঠাই জ্যোতিষীসকলৰ বিজ্ঞাপনে দখল কৰি লৈছে। ওজা-গণকৰ প্ৰসাৰতাও কমিছে বুলি মনত নধৰে। বাল্যবিবাহ এতিয়াও দেশৰ বহু অংশতেই প্ৰচলিত ৰীতি। 'ডাইনী' হত্যা, আনকি সতীদাহো এইখন দেশত আজিও ঘটি আছে। এনেধৰণৰ অপসংস্কৃতিৰ বিৰুদ্ধে জনমত গঠনত কোনোধৰণৰ সৰ্বভাৰতীয় চৰকাৰী উদ্যোগ কেতিয়াও লোৱা দেখিবলৈ পোৱা নাযায়, বৰঞ্চ সৰ্বব্যাপী এই অপসংস্কৃতিৰ সুযোগ লৈ আৰু তাতে ইন্ধন যোগাই কেন্দ্ৰীয় চৰকাৰৰ নীতিয়ে মৌলবাদী আৰু সাম্প্ৰদায়িক ৰাজনীতিক শক্তিশালী কৰি তোলাতহে সচেষ্ট হৈ উঠিছে।

ইউৰোপীয় নৱজাগৰণে সমগ্ৰ ইউৰোপকে উজ্জ্বল পোহৰেৰে আলোকিত কৰি তোলে। বিজ্ঞান প্ৰযুক্তিৰ ন ন উদ্ভাৱনে সমাজক প্ৰাণ-চঞ্চল কৰে। সেই প্ৰভাৱে ভাৰতত এক নৱজাগৰণ সৃষ্টি কৰিবলৈ সক্ষম হ'ব বুলি বহুত আশা কৰিছিল যদিও সি হৈ নুঠিল। অৱশ্যে ইউৰোপৰ আৰ্হিতেই সেই সময়ৰ ব্ৰিটিছ ভাৰতৰ ৰাজধানী কলকাতাত নৱজাগৰণৰ আৰ্হিত কেতবোৰ সংস্কাৰমূলক কাৰ্যৰ ক্ষেত্ৰত অগ্ৰসৰ হয় যদিও সেই নায়কসকলৰ প্ৰত্যেকেই আছিল ভূস্বামী, ধনাঢ্য ব্যক্তি। সেয়ে সাধাৰণ মানুহৰ মাজত তেওঁলোকে বিশেষ প্ৰভাৱ পেলাবলৈ সক্ষম নহ'ল। তদুপৰি এই সংস্কাৰ ৰাজধানী কলকাতাকেন্দ্ৰিক হৈয়েই থাকিল। ১৯১১ লৈকে যিহেতু কলকাতাই ব্ৰিটিছ ভাৰতৰ ৰাজধানী আছিল, সেয়ে মহানগৰীৰ কিছুসংখ্যক জমিদাৰ, পুঁজিপতি, বৃহৎ ব্যৱসায়ী আৰু উচ্চ শিক্ষিত লোকৰ স'তে ইংৰাজ চৰকাৰৰ বিশেষ যোগাযোগ আছিল। ১৪ শতিকাতেই ইউৰোপত আৰম্ভ হোৱা নৱজাগৰণে ১৯ শতিকাতহে কলকাতাত কিছু প্ৰভাৱ পেলাবলৈ সক্ষম হয়। কিন্তু এই নৱজাগৰণৰ নেপথ্যত যিদৰে ইংৰাজ চৰকাৰৰ সমৰ্থন আছিল, তেনেদৰেই প্ৰভাৱো কিছুসংখ্যক লোকৰ মাজতেই সীমাবদ্ধ হৈ আছিল। তাৰ ফলস্বৰূপে ইউৰোপীয় সমাজৰ দৰে ভাৰতৰ নৱজাগৰণে সাৰ্বজনীন প্ৰভাৱ পেলাবলৈ সক্ষম নহ'ল। এই নৱজাগৰণ আমাৰ দেশত সফল হোৱা হ'লে আজিও যিদৰে সমাজ অন্ধবিশ্বাস, সংকীৰ্ণতা, জাতিভেদ আদিত নিমজ্জিত হৈ আছে সেয়া নহ'লহেঁতেন আৰু ভাৰতবৰ্ষই সামাজিক বিকাশৰ দৌৰত উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হ'লহেঁতেন। ১৯ শতিকাৰ নৱজাগৰণ সফল হোৱা হ'লে হয়তো দেশ বিভাজনো এৰাই চলিব পৰা গ'লহেঁতেন আৰু ঐক্যবদ্ধ ভাৰতে বিশ্বত আগৰণুৱাৰ ভূমিকা ল'ব পাৰিলেহেঁতেন।

## খোলা মঞ্চ

# অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট বৰ্তমানেও আছে নে?



**অসমীয়া** ভাষাৰ অস্তিত্বৰ সংকট এতিয়া আৰু নাই বুলিয়ে ভাবো। অসমীয়া ভাষা এতিয়া বিশ্ব মানৰ ভাষা। অসমীয়া সাহিত্যই আকাশ ছুইছে। জগত সভাত অসমীয়া ভাষাই এক নিজস্ব অস্তিত্বৰে জিলিকি আছে। পূৰ্বতে কোব খাই থকা অসমীয়া জাতি এতিয়া সচেতন। কালৰ সোঁতত উটি অহা এচাম অসাধু, সুবিধাবাদী মাজে মাজে টোকৰ মাৰিব নিবিচৰা নহয়, বিচাৰে; কিন্তু অসমত বৰ্তমান তেনে সুবিধাবাদীক প্ৰশ্ৰয় দিয়া নহয়।

ঊনবিংশ শতিকাত অসমৰ স্কুল-আদালতত তথা চৰকাৰীভাৱে অসমীয়া ভাষাৰ ঠাইত বঙলা ভাষা প্ৰচলন হৈছিল। প্ৰায় ৩৬ বছৰ ধৰি চলা এই ভাষিক অৱদমনৰ বিৰুদ্ধে আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদি কৃতবিদ্যসকলে অসমীয়া ভাষাৰ হৃত মৰ্যাদা ঘূৰাই অনাত সফল হৈছিল। খ্ৰীষ্টান মিছনেৰীসকলৰ ভূমিকাও আছিল এই ক্ষেত্ৰত অগ্ৰগণ্য। এইখিনিতে এষাৰ কথা মানিব লাগিব যে ইয়াৰ পাছতো অসমৰ স্কুলতহে অসমীয়া ভাষা চলিল। আদালত বা চৰকাৰী কাম-কাজত অসমীয়া ভাষা প্ৰচলনৰ ব্যৱস্থাকৰণ কোনো ধৰণে নহ'ল বা কৰিব নোৱাৰিলে। এই ক্ষেত্ৰত এইটো কথাও মানিব লাগিব যে অসমৰ দৰে বহুভাষিক ৰাষ্ট্ৰ এখনত নিৰ্দিষ্ট একোটা ভাষাক চলিত ভাষা হিচাপে ৰখাত যথেষ্ট সমস্যা আছে। তথাপি সংযোগী ভাষা হিচাপে অসমীয়া ভাষাৰ বহুল ৰূপত ব্যৱহাৰ হৈছিল আৰু এতিয়াও হৈ আছে বুলি ক'ব লাগিব।

**অঞ্জলিকা চক্ৰৱৰ্তী,** *লেখিকা*

বৰ্তমান অসমৰ বিভিন্ন জাতি-উপজাতিসমূহে নিজ নিজ ভাষা-সাহিত্যৰ প্ৰতি সজাগ হৈ উঠিছে; কিন্তু জনগোষ্ঠীসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ আৰু জাতীয়তাৰ প্ৰতি সচেতনতাই অসমীয়া ভাষাৰ ভাঙোন আনিছে বুলি ক'ব নোৱাৰি।

এতিয়া ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ুওৱাৰ ধুম উঠিছে, ছাইনব'ৰ্ড আদিত অসমীয়াত লিখাতকৈ ইংৰাজী ভাষাত লিখা চখ এটা দেখা যায়। অফিচতো ইংৰাজীৰে প্ৰচলন যদিও অসমীয়া ভাষা চৰ্চা কৰা মনোবৃত্তি এটা অথবা দায়বদ্ধতা তেওঁলোকৰ মনত আছে। শিক্ষাৰ মাধ্যম স্বৰূপে মাতৃভাষাৰ চৰ্চা আৰু অনুশীলনে ভাষাটোক এটা সুন্দৰ গতি দিয়ে। ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰখনো ইয়াৰ পৰা পৃথক। কোনো ধৰণৰ সাহিত্যিক আদান-প্ৰদান নঘটিলে ভাষাৰ প্ৰসাৰ-প্ৰচাৰ নঘটে। পাশ্চাত্যৰ দেশসমূহৰ বা ইংৰাজী ভাষাৰ ব্যাপক প্ৰচাৰ-প্ৰসাৰৰ অন্তৰালতে ভূ-ৰাজনৈতিক কাৰণ জড়িত থাকিলেও সাহিত্যিক অৱদানসমূহৰো গুৰুত্বপূৰ্ণ ভূমিকা আছে। অসমীয়া ভাষা প্ৰচাৰ আৰু প্ৰসাৰৰো এনে সাহিত্যিক অৱদানৰ গুৰুত্ব আছে। অনুবাদৰ যোগেদিও অসমীয়া ভাষাটোৰ প্ৰচাৰৰ লগতে প্ৰসাৰতাও বাঢ়িছে আৰু বাঢ়িব।

বৰ্তমান অসমীয়া মানুহ গোটেই পৃথিৱীতে বিদ্যমান। তেওঁলোকে য'তে আছে তাতে অসমীয়া সমাজ পাতিছে, বিহু পাতিছে, শংকৰ উৎসৱ আদি পাতিছে। ইয়াৰ লগে লগে অসমীয়া সাহিত্যৰো চৰ্চা কৰি গৈছে। তাত তেওঁলোকে অসমীয়া ভাষাৰ আলোচনীও উলিয়াইছে। ভাষা এটা ৰক্ষাৰ ক্ষেত্ৰত ই এটা শুভ লক্ষণ। ইয়াৰ জৰিয়তে তেওঁলোক যি অঞ্চলত আছে, সেই অঞ্চলৰ মানুহৰ মাজতো অসমীয়া ভাষাৰ শুভ প্ৰভাৱ একোটা পেলাব পাৰিছে। ক'বলৈ গ'লে এতিয়া অসমীয়া ভাষাটো কেৱল অসমতে সীমাৱদ্ধ হৈ থকা নাই। ই বিশ্বমুখী হৈছে। গতিকে অসমীয়া ভাষাৰ সংকট কেতিয়াও নহয়। বৰঞ্চ সমালোচনা বা আন ভাষা প্ৰচলনৰ হুংকাৰে ইয়াত ইতিবাচক প্ৰভাৱহে পেলাব।

ফোন ঃ ৯১০১৭৯৯৫৯৫

# আচলতে আৰ্য নামৰ কোনো জনগোষ্ঠীয়েই নাই, আৰ্য এটা সংস্কৃতিহে

# ভাৰতলৈ মানৱ প্ৰব্ৰজন আৰু পশ্চিমীয়া পণ্ডিতৰ শাস্ত্ৰ ব্যাখ্যা

**একোখন ঠাইত প্ৰথমে বসতি কৰিবলৈ লোৱাসকলেই চিৰকালৰ বাবে সেই ঠাইৰ 'মালিক' হৈ থাকিব— এই কথা অবৈজ্ঞানিক আৰু অগ্ৰহণীয়। প্ৰব্ৰজনৰ ঘটনা বোঁৱতী সুঁতিৰ দৰে। আনহাতে, কোনো এখন ঠাইৰ অধিকাৰ কাৰ হাতত থাকিব, সেয়া সময় সাপেক্ষ আৰু আন বহুতো কাৰকৰ ওপৰত নিৰ্ভৰশীল**

## দৃষ্টিপাত



**ড° খৰ্গেশ্বৰ ভূঞা**

সমগ্ৰ পৃথিৱীতে মানৱ প্ৰব্ৰজনৰ পৰিক্ৰমাৰ বৰ্ণনা কৰি শেষত ভাৰতত মানুহৰ আদিম বসতি স্থাপনৰ উল্লেখ পূৰ্বতে কৰা হৈছিল। এচামৰ মতে পৃথিৱীৰ আন বহু ঠাইলৈ হোৱাৰ দৰে মধ্য আফ্ৰিকাৰ পৰা ১০ লাখমান বছৰৰ আগতেই মানুহৰ পূৰ্বপুৰুষ 'হোমো ইৰেক্টাছ'ৰ এটা দল ভাৰতত প্ৰৱেশ কৰিছিল আৰু তাৰ পৰা বিৱৰ্তন ঘটি আদিম পূৰ্ণ মানৱ হোমো ছেপিয়ান্‌ছ ছেপিয়ান্‌ছৰ উদ্ভৱ হৈছিল। একে ধৰণৰ বিৱৰ্তন অন্য ঠাইতো ঘটিছিল। প্ৰত্ন প্ৰস্তৰ যুগত মানৱ বা মানৱেতৰ প্ৰাণীয়ে ব্যৱহাৰ কৰা সঁজুলি উদ্ধাৰ হোৱাৰ পৰা এনে ধাৰণা কৰা হয়। অৱশ্যে এই ধাৰণাত বিভ্ৰান্তিও আছে, কাৰণ হোমো ইৰেক্টাছৰ পৰা পূৰ্ণ মানৱলৈ যাওঁতে মাজত কমেও দহোটা মানৱেতৰ প্ৰজাতিৰ সৃষ্টি হৈছিল, যিবোৰৰ অস্তিত্ব এতিয়া নাই। এই মধ্যৱৰ্তী প্ৰজাতিবোৰৰ জীৱাশ্ম আফ্ৰিকা আৰু আন কিছুমান ঠাইত পোৱা গৈছে যদিও ভাৰতত আৱিষ্কৃত হোৱা নাই। জীৱৰ বিৱৰ্তনৰ দহোটা বা ততোধিক ঢাপ জঁপিয়াব লগা হ'লে সাধাৰণতে একে ধৰণেৰে স্তৰবোৰ বিৱৰ্তিত নহয়। এখন ঠাইৰ পৰা আন এখন ঠাইলৈ যাওঁতে দূৰত্ব কম হ'লে (যেনে নগাঁৱৰ পৰা জাগীৰোডলৈ) একে ১০খন ঠাইৰ মাজেদি বাৰে বাৰে যোৱাৰ সম্ভাৱনা বেছি যদিও দূৰত্ব বেছি হ'লে (যেনে নগাঁৱৰ পৰা দিল্লী) পথৰ সংখ্যা ইমানেই বাঢ়ে যে একে কেইখন ঠাই বাৰে বাৰে অতিক্ৰম কৰাৰ সম্ভাৱনা যথেষ্ট কমি যায়।

ভাৰতত মানৱ বসতিৰ আৰম্ভণি কাল কিছুমানে ৯০ হেজাৰমান আৰু তৃতীয় এচামে ৫০ হেজাৰমান বছৰৰ আগতে বুলি ভাবে। এইবোৰ ভাৱনাক অৱশ্যে অন্ততঃ ৩০ বছৰমানৰ আগলৈকে ভাৰতীয় পণ্ডিতসকলে বৰকৈ গুৰুত্ব দিয়া নাছিল। প্ৰায় প্ৰতিষ্ঠিত ধাৰণাটো আছিল যে ১০ হেজাৰমান বছৰৰ আগৰে পৰা ভাৰতত অনাৰ্যসকলে বাস কৰিছিল। তাৰ পাছত চাৰি হেজাৰমান বছৰৰ আগতে আৰ্যসকল ভাৰতলৈ আহিল আৰু অনুন্নত অনাৰ্যসকলক বশ কৰি আৰ্যসকলেই সৰ্বেসৰ্বা হৈ পৰিল। এনে ধাৰণা সাৰ্বজনীন হোৱাৰ পাছত বিতৰ্ক আৰম্ভ হ'ল তেনেই অৰ্বাচীন কালত যে আৰ্যসকল বহিৰাগত নাছিল, আচলতে আৰ্য নামৰ কোনো জনগোষ্ঠীয়েই নাই, আৰ্য এটা সংস্কৃতিহে ইত্যাদি। এই বিতৰ্কৰ লগত হিন্দু জাতীয়তাবাদৰ গভীৰ সম্পৰ্ক আছে বুলি বহুতেই ভাবে। ইয়াৰ লগত সাঙোৰ খালে প্ৰাচীন শাস্ত্ৰত নথকা আৰু তুলনামূলকভাৱে নতুন শব্দ 'হিন্দু'ৰ; 'হিন্দু-আৰ্যৰ' সনা-পোতোকা হৈ 'ভাৰত ভূমি হিন্দুৰ বাবে' বুলিও ধাৰণা আহিল।

প্ৰতিষ্ঠিত ধাৰণা মতে দ্ৰাবিড়সকলেই হওক বা তথাকথিত অনাৰ্যসকলেই হওক— পূৰ্বৰে পৰা ভাৰততে আছিল, আৰ্য বা তথাকথিত হিন্দুসকল পাছতহে ভাৰতলৈ আহিছিল। সেই হিচাপত অনাৰ্যসকলৰহে অধিকাৰ ভাৰতত বেছি— অসমৰ কথা ক'লে এয়াতো বেছিকৈয়ে সত্য। সেয়েহে তথাকথিত 'আৰ্যৰ ভাৰত আক্ৰমণ' তত্ত্বটো যে মিছা, সেয়া প্ৰমাণ কৰাটো এচামৰ বাবে অতি দৰকাৰী। বৰ্তমানৰ লিখনিসমূহত ক'ব বিচৰা হৈছে যে একোখন ঠাইত প্ৰথমে বসতি কৰিবলৈ লোৱাসকলেই চিৰকালৰ বাবে সেই ঠাইৰ 'মালিক' হৈ থাকিব— এই কথা অবৈজ্ঞানিক আৰু অগ্ৰহণীয়। প্ৰব্ৰজনৰ ঘটনা বোঁৱতী সুঁতিৰ দৰে। আনহাতে, কোনো এখন ঠাইৰ অধিকাৰ কাৰ হাতত থাকিব, সেয়া সময় সাপেক্ষ আৰু আন বহুতো কাৰকৰ ওপৰত নিৰ্ভৰশীল। গতিকে আৰ্য-অনাৰ্য সংঘৰ্ষ, আৰ্যৰ ভাৰত আক্ৰমণ ধৰণৰ কথাবোৰ অনুসন্ধান কৰাৰ বিদ্যায়তনিক তাৎপৰ্য বাৰুকৈয়ে আছে; কিন্তু এইবোৰে কোনো স্থানৰ অধিকাৰ সাব্যস্তত কোনো অৰিহণা নোযোগায়। ভাৰত বুৰঞ্জীৰ প্ৰসংগ আহিছে ভাৰতলৈ মানুহৰ প্ৰব্ৰজনৰ বিচাৰৰ আধাৰতহে।

ভাৰতৰ প্ৰাচীন কাল সম্বন্ধে তিনিটা শব্দ ব্যৱহৃত হয়— বুৰঞ্জী, ইতিহাস আৰু পুৰাণ। ভাৰতীয় প্ৰাচীন শাস্ত্ৰৰ ভঁৰাল অতিকৈ চহকী। আধুনিক ধাৰণাৰ 'ইতিহাস'ৰূপে শাস্ত্ৰবোৰ প্ৰণয়ন নহ'লেও এইবোৰত প্ৰাচীন কাহিনী থাকে, যিবোৰৰ কিছুমান বাস্তৱত ঘটিছিল, আন কিছুমান কাল্পনিক। খ্ৰীঃ পূঃ আঠশ মানৰ পৰা ছশ খ্ৰীষ্টাব্দৰ ভিতৰত ৰচিত পুৰাণবোৰক শাস্ত্ৰকাৰসকলে ইতিহাসৰূপে বিবেচনা কৰিছিল। এইবোৰত লিখা কাহিনীবোৰ পুৰাণ লিখাৰো হেজাৰ/দুহেজাৰ বছৰ বা তাৰো আগতে ঘটিছিল বুলি অনুমান কৰা হয়। অৰ্থাৎ পুৰাণত লিখাবোৰৰে অন্ততঃ কিছুমান ঘটনা এতিয়াৰে পৰা ভাৰতত চাৰি-পাঁচহেজাৰমান বছৰৰ আগতে ঘটিছিল। মহাভাৰতো এখন ইতিহাস, ইয়াক পঞ্চম বেদ বুলিও কোৱা হয়। পুৰাণ, মহাকাব্য আৰু আন প্ৰাচীন শাস্ত্ৰৰ লিখকসকলে কথাবোৰ এনেদৰে বৰ্ণনা কৰে যেন ঘটনাৰ সময়ত তেওঁলোকো ইয়াৰ অংশ আছিল। মহাকাব্য 'ৰামায়ণ'ৰ লেখক বাল্মিকী প্ৰথম ছটা কাণ্ডত নাথাকিলেও সপ্তম বা উত্তৰাকাণ্ড ৰামায়ণত তেওঁ প্ৰত্যক্ষভাৱে উপস্থিত আছিল। অৱশ্যে অৰণ্যকাণ্ডতো এজন বাল্মিকীৰ কথা উল্লেখ আছে। সেইদৰে আনখন মহাকাব্য 'মহাভাৰত'ৰ ৰচক বেদব্যাস আদিৰ পৰা অন্তলৈকে ঘটনাত জড়িত।

পুৰণি কাহিনী বা পুৰাণক 'ইতিহাস' বোলাৰ অৰ্থ হ'ল— 'ইতি হাসঃ— এনেকৈ কোৱা হৈছিল', অৰ্থাৎ মানুহে মুখে মুখে কৈ অহা কাহিনীবোৰেই হ'লগৈ ইতিহাস। তাৰ মানে পুৰাণ, মহাভাৰত আদিয়েও মানুহে কোৱা বা জনশ্ৰুতিৰ আধাৰতে লিখিত ৰূপ লৈ 'ইতিহাস' নাম পাইছিল। অৰ্থাৎ আধুনিক কালৰ বুৰঞ্জী প্ৰস্তুত কৰোতে যেনেকৈ পুৰাতাত্ত্বিক সমল, গুহাচিত্ৰ, প্ৰাচীন কীৰ্তিচিহ্ন আদি নানা সমল বিবেচনা কৰা হয়, প্ৰাচীন কালৰ 'ইতিহাস' ৰচনাত তেনেবোৰ কথা নাছিল। ঢাকা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য আৰু বিখ্যাত বুৰঞ্জীবিদ ড° আৰ চি মজুমদাৰৰ ভাষাত— 'বিভিন্ন মানৱ গোষ্ঠীৰ পাৰম্পৰিক আচৰণ আৰু ব্যৱহাৰিক সমন্বয় সম্পৰ্কে অধ্যয়নকে 'ইতিহাস' আখ্যা দিয়া হৈছে।' ইয়াত শাস্ত্ৰই বুজোৱা 'ইতিহাস' আৰু মজুমদাৰৰ 'ইতিহাস'ৰ মাজত পাৰ্থক্য আছে। মজুমদাৰে পুনৰ কৈছে— 'পোন প্ৰথমে যেতিয়া মানুহে ভাৰতবৰ্ষত বসতি কৰিবলৈ ল'লে— সেই সুদূৰ অতীতৰ পৰাই এই দেশৰ বুৰঞ্জী আৰম্ভ হয় বুলি ক'ব পাৰি।' অৰ্থাৎ মজুমদাৰৰ দৃষ্টিত 'ইতিহাস' আৰু 'বুৰঞ্জী' একেই। ইয়াৰ পাছৰ বাক্যখিনিয়ে ভাৰতৰ ইতিহাসবিদসকলৰ বিংশ শতাব্দীৰ মাজভাগলৈকে বুৰঞ্জী প্ৰণয়নৰ অসহায়তা আৰু বশ্যতা স্বীকাৰৰ দৃষ্টিভংগীৰ আভাস দিয়ে। মজুমদাৰে লিখিছে— 'প্ৰথমে বসতি কৰিবলৈ লোৱা (ভাৰতত) এই মানুহখিনি আদিম জান্তৱ স্তৰৰ পৰাই ক্ৰমবিকাশৰ ফলত এই দেশতে উদ্ভৱ হৈছিল নে দেশান্তৰৰ পৰা ইয়ালৈ পৰ্যটন কৰি আহিছিল— সেই কথা আলোচনা কৰাৰ প্ৰয়োজন নাই। ইতিহাসে ঢুকি নোপোৱা ভাৰতত এই সৰ্বপ্ৰাচীন অধিবাসীসকলে তেওঁলোকৰ ভাৱ, চিন্তা, আশা-আকাংক্ষা আৰু কাৰ্যাৱলী সম্পৰ্কে অনুসন্ধান কৰিবলৈ কোনো প্ৰমাণ ৰাখি থৈ যোৱা নাই।' (বৈদিক যুগ, ১৯৬৮)।



ভাৰতলৈ মানুহ বা মানুহৰ পূৰ্বপুৰুষ আনুমানিক কেতিয়া আহিছিল, সেই বিষয়ে অনুসন্ধান কৰাৰ কোনো আগ্ৰহ বিংশ শতাব্দীৰ অন্ততঃ সপ্তম দশকলৈকে ভাৰতীয় বুৰঞ্জীবিদসকলৰ নাছিল। আনহাতে, ইয়াৰ প্ৰায় এশ বছৰৰ আগতে ডাৰউইনৰ ক্ৰমবিকাশৰ তত্ত্ব আৰু বান্দৰ জাতীয় প্ৰাণীৰ পৰা বিভিন্ন স্তৰ অতিক্ৰমী আধুনিক মানৱ হোৱাৰ কথা জনাৰ পাছত ইউৰোপত প্ৰব্ৰজন সম্পৰ্কীয় যথেষ্ট অধ্যয়ন আগবাঢ়িছিল। ইয়াৰ আধাৰতে বোধহয় পশ্চিমীয়া পণ্ডিতে ইউৰোপ আৰু মধ্য এছিয়াৰ পৰা তুলনামূলকভাৱে উন্নত মানৱ আৰ্যগোষ্ঠী ভাৰতলৈ আহিছিল বুলি তত্ত্ব আগবঢ়াইছিল। ভাৰতীয় মানুহে পূৰ্বতে আছিল বাৰুকৈয়ে বৰ্বৰ, সভ্য আৰ্যই আহি ভাৰতক সভ্যতাৰ জ্ঞান দিলে। ভাৰতীয় প্ৰাচীন শাস্ত্ৰবোৰে এই তত্ত্বত বাধাৰ সৃষ্টি কৰিছিল, কাৰণ ইয়াৰ অসভ্য মানুহে এনে শাস্ত্ৰ লিখা সম্ভৱ নহয়।

পশ্চিমীয়া পণ্ডিতসকলে প্ৰথমৰে পৰাই অৰ্থাৎ ঊনবিংশ শতিকাৰ মাজভাগৰ পৰাই দেখুৱাবৰ যত্ন কৰি আহিছিল যে ভাৰতীয় প্ৰাচীন সাহিত্যবোৰ ইতিহাসৰ দিশৰ পৰা গুৰুত্বহীন দলিল। এওঁলোকে দেখুৱাইছিল যে বেদ, পুৰাণ, মহাকাব্য আদি হৈছে অলৌকিক কাহিনীৰ ভঁৰাল, ইয়াত কোনো ইতিহাস নাই। কিছু ভাৰতীয় পণ্ডিতেও তেওঁলোকৰ লগতে সুৰ মিলাইছিল। প্ৰাচ্য সাহিত্যৰ ৰসগ্ৰাহী তথা গুণগ্ৰাহী বুলি পৰিচিত পাশ্চাত্য পণ্ডিত মেক্সমূলাৰো এই ক্ষেত্ৰত আগৰণুৱা। ১৮৬৬ খ্ৰীঃত তেওঁ নিজৰ পত্নীলৈ লিখিছিল— ' ইয়াৰ পাছত বেদৰ অনুবাদেই বহু পৰিমাণে ভাৰতৰ ভাগ্য নিৰ্ণয় কৰিব। বেদ হৈছে ভাৰতীয়সকলৰ মূল ভেটি আৰু এই ভেঁটিটোত কি আছে দেখুৱাবলৈ তিনি হেজাৰ বছৰ ধৰি এই বেদৰ পৰা যিমানখিনিৰ সৃষ্টি হৈছে, সেই সকলোখিনিকে মূলৰে স'তে উল্লেখ কৰাই হৈছে একমাত্ৰ পথ।' তেওঁ উদ্দেশ্য প্ৰণোদিতভাৱেই বেদৰ বিকৃত অনুবাদ তথা মতলবী টিকা প্ৰস্তুত কৰি উলিয়াইছিল যাতে বেদবোৰ অবিশ্বাস্য কাহিনীৰ ভঁৰাল হিচাপেই প্ৰতীয়মান হয়। মেক্সমূলাৰৰ মতে বেদৰ বেছিভাগ সূক্তই শিশুমতীয়াৰ চূড়ান্ত আৰু আমনিদায়ক— Large number of Vedic hymns are Childish in the extreme, tedious low common place.'

মেক্সমূলাৰৰ ধাৰণা মতে পৃথিৱীৰ ধৰ্মগ্ৰন্থবোৰৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ হৈছে বাইবেলৰ নিউ টেষ্টামেন্ট, তাৰ পাছত ক্ৰমে কোৰান, বাইবেলৰ ওল্ড টেষ্টামেন্ট, বৌদ্ধৰ ত্ৰিপিটক, বেদ আৰু আবেস্তা। ভাৰতৰ প্ৰাচীন গ্ৰন্থ (ওপৰত উল্লিখিতবোৰৰ ভিতৰত সবাতোকৈ প্ৰাচীন) বেদ যদিও অফুৰন্ত জ্ঞানৰ ভাণ্ডাৰ, এইজন পণ্ডিতৰ দৃষ্টিত বেদৰ স্থান পঞ্চমহে। ভাৰতীয় ব্ৰিটিছ চৰকাৰৰ অৰ্থ সাহায্যপুষ্ট বহু পাশ্চাত্য সংস্কৃত বিশেষজ্ঞ যেনে জৰ্জ ভুলাৰ, মনিয়েৰ উইলিয়ামছ, ৰডল্‌ফ হৰ্ণেল, জি চি থিবট আদিয়ে সংস্কৃত সাহিত্যৰ এনে ধৰণে ব্যাখ্যা কৰিবলৈ লৈছিল যে সাধাৰণ মানুহৰ লগতে ভাৰতীয় পণ্ডিতসকলেও এইবোৰ সাহিত্যক অলৌকিক কাহিনীৰ ভঁৰাল হিচাপেই বিবেচনা কৰি কেৱল সাহিত্যিক মূল্য নিৰূপণ কৰাতেই ব্যস্ত আছিল। বেদ আৰু অন্যান্য শাস্ত্ৰৰ কাহিনীৰ অবাস্তৱ বুলিলেও বৈদিক বা আৰ্য-সংস্কৃতিৰ লগত ইউৰোপীয় সংস্কৃতিৰ আত্মিক যোগাযোগ দেখুৱাবলৈ তেওঁলোকে কাৰ্পণ্য কৰা নাছিল, যাতে আৰ্যসকল ইউৰোপৰ পৰা আহি ভাৰতৰ সংস্কৃতি নিৰ্মাণ কৰা বুলি প্ৰমাণ কৰিব পাৰি।

*ফোন ঃ ৮১৩৫৮৩৫২১৯*

# আত্মহত্যাৰ প্ৰৱণতা বাঢ়িছে কিয়?

**বৰ্তমান** আমাৰ সমাজ জীৱনত আত্মহত্যাৰ প্ৰৱণতা অভাৱনীয় হাৰত বৃদ্ধি পাবলৈ ধৰিছে। পুৱা বাতৰি কাকতখনত চকু ফুৰালেই দেখিবলৈ পোৱা যায় ৰাজ্যখনত দ্ৰুতগতিত বৃদ্ধি পোৱা ধৰ্ষণ, নাৰী নিৰ্যাতন, হত্যা, লুণ্ঠনৰ লেখীয়াকৈ আত্মহত্যাৰ বা-বাতৰিৰ ঘটনা। বৰ্তমান যুৱ প্ৰজন্মৰ মাজত এই প্ৰৱণতা অধিক বৃদ্ধি পাইছে। সুখ-দুখ, হাঁহি-কান্দোন, জ্বালা-যন্ত্ৰণাৰ সংমিশ্ৰণতে মানৱ জীৱন। জীৱন সুখ-দুখৰ সমষ্টি। এটা আনটোৰ পৰিপূৰক।

জীৱনৰ আন এটা নাম সংগ্ৰাম। গতিকে সংগ্ৰামৰ ভয়ত নিজৰ অমূল্য জীৱন বিসৰ্জন দি এই পৃথিৱীৰ পৰা পলোৱাৰ কোনো কাৰণ নাই। বাস্তৱৰ সন্মুখীন হ'ব নোৱাৰা মানসিকভাৱে দুৰ্বল, নিৰাশাবাদী তথা হতাশগ্ৰস্ত লোকেহে আত্মহনৰ পথ বাছি লয়। বিভিন্ন কাৰণত মানুহে আত্মহত্যাৰ পথ বাছি লয় যদিও অনুধাৱন কৰি চালে হতাশা-নিৰাশা, সন্তানৰ ওপৰত পিতৃ-মাতৃ তথা অভিভাৱকৰ অত্যধিক মানসিক চাপ, প্ৰেমত বিফলতা, নিঃসংগতা, হীনমন্যতা, ঋণৰ বোজা, অধিক আৱেগ প্ৰৱণতা, ঘৰুৱা দ্বন্দ্ব-খৰিয়াল আৰু আৰ্থিক দূৰৱস্থা আদি কাৰণতে ঘাইকৈ সমাজত আত্মহত্যাৰ ঘটনা সংঘটিত হোৱাৰ কাৰণ বুলি ক'ব পাৰি। বিগত কেইদিনমানৰ ভিতৰত ৰাজ্যখনৰ চুকে-কোণে কে'বাটাও আত্মহত্যা সংঘটিত হোৱাৰ ঘটনা সংবাদ মাধ্যমত প্ৰকাশ পাইছে আৰু এতিয়া এই অতি স্পৰ্শকাতৰ বিষয়টোৱে সমাজৰ একাংশ সচেতন তথা বিবেকবান ব্যক্তিক বৰ্তমান যুগ বিজ্ঞান-প্ৰযুক্তিৰ যুগ। বিজ্ঞান প্ৰযুক্তিৰ ন ন আৱিষ্কাৰৰ ভিতৰত মানৱ সমাজলৈ ম'বাইল ফোন হ'ল এক উল্লেখযোগ্য উপহাৰ। কিন্তু এই ম'বাইল ফোনৰ অপব্যৱহাৰৰ ফলতে বৰ্তমান সমাজৰ একাংশ বিপথগামী উদণ্ড যুৱক-যুৱতীয়ে ছ'চিয়েল মিডিয়াত মচগুল হৈ হিতাহিত জ্ঞান-বুদ্ধি হেৰুৱাই একোটা মূল্যবান জীৱন বলিদান দিয়াৰো উদাহৰণ আছে। বৰ্তমান তীব্ৰ প্ৰতিযোগিতাৰ যুগ। যান্ত্ৰিকতাৰ যুগ। যান্ত্ৰিকতাৰ ধামখুমীয়াত ফেৰ মাৰিবলৈ গৈ আমাৰ সমাজৰ সৰহভাগ অভিভাৱকে নিজৰ সন্তানক পৰীক্ষাত বেছি নম্বৰ পাবলৈ, ভাল ফলাফল লাভ কৰিবলৈ অত্যধিক হেঁচা প্ৰয়োগ কৰে আৰু অভিভাৱকে বিচৰা ধৰণে সন্তানে যদি পৰীক্ষাৰ ফলাফল ভাল কৰিব নোৱাৰে তেতিয়া সিহঁতে হতাশা-নিৰাশাত ভোগে, আত্মবিশ্বাস হেৰুৱায় আৰু আত্মহত্যাৰ পথ বাছি লৈ জীৱনৰ পৰিসমাপ্তি ঘটায়। সকলো ব্যক্তিৰে চিন্তা-



ভাৱনা, বুদ্ধি-বৃত্তি সমান নহয়; কোনোবাজন উচ্চ বুদ্ধিৰ, কোনোবা হয়তো মধ্যমীয়া অথবা নিম্ন বুদ্ধিৰ। সেয়ে প্ৰতিগৰাকী সন্তানৰ পিতৃ-মাতৃয়ে তথা অভিভাৱকে নিজৰ সন্তানৰ বিশেষ গুণটো সতৰ্কতাৰে অনুধাৱন কৰি সন্তানৰ ইচ্ছা অথবা অভিৰুচি অনুযায়ী সেই দিশত অগ্ৰসৰ হোৱাত সন্তানক উৎসাহ-উদ্দীপনা তথা সহায়-সহযোগ কৰাটো উচিত। কাৰণ সকলো মানুহ সকলো কামৰ বাবে উপযুক্ত নহ'লেও কিন্তু যিকোনো কামৰ এটা নহয় এটাৰ বাবে উপযুক্ত।

পৰীক্ষাৰ ফলাফলত অসন্তুষ্ট হৈ পিতৃ-মাতৃয়ে কেতিয়াবা সন্তানক ককৰ্থনা অথবা গালি-শপনি পাৰিলে বুলিয়ে সন্তানে আত্মহত্যাৰ পথ বাছি লোৱাটো মুঠেই সমৰ্থনযোগ্য বা যুক্তি সংগত কথা নহয়। ঠিক তেনেদৰে পিতৃ-মাতৃ তথা অভিভাৱকসকলেও সন্তানক আনতকৈ পঢ়া-শুনাত আগবঢ়াই নিয়াৰ প্ৰতিযোগিতাত নামি সন্তানক পঢ়া- শুনাৰ ক্ষেত্ৰত অধিক হেঁচা প্ৰয়োগ কৰাটো সমীচীন নহয়। যিহেতু আত্মহত্যাৰ প্ৰৱণতা ঘাইকৈ মানসিক চাপৰ পৰাই উদ্ভৱ হয়; গতিকে এনে ক্ষেত্ৰত প্ৰতিগৰাকী অভিভাৱকে যথেষ্ট সচেতনতা অৱলম্বন কৰাটো অতি দৰকাৰ। আমাৰ দেশত তথা সমাজত দৰিদ্ৰতাৰ বাবেও বহুলোক আত্মহত্যা কৰিছে আৰু এতিয়াও এই অবাঞ্ছিত, মৰ্মান্তিক ঘটনা সমাজত ঘটিয়ে আছে। আৰ্থিক দৈন্যৰ বাবে নিজৰ ঘৰখনক পোহপাল দিবলৈ সমৰ্থ নহৈ য'ৰ-ত'ৰ পৰা বিভিন্ন ধৰণে ধাৰ-ঋণ লয় আৰু সময়ত সেই ঋণৰ বোজা সহিব নোৱাৰি আত্মহননৰ পথ বাছি লয়। ইফালে, বয়সিয়াল লোকসকলৰ ক্ষেত্ৰতো এনেকুৱা অবাঞ্ছিত ঘটনা সংঘটিত হোৱা দেখিবলৈ পোৱা যায়। বাৰ্ধক্য মানৱ জীৱনৰ পৰিহাস নহয়; ই মানৱ জীৱনৰ অতি বাস্তৱ আৰু অন্তিম তথা শেষ পৰ্যায়। জীৱনৰ বিয়লি বেলাত নিঃসংগতাই লগ ধৰা বয়সিয়াল লোকসকল যদিহে পুত্ৰ-বোৱাৰীৰ দ্বাৰা চূড়ান্তভাৱে অৱহেলিত, অপমানিত, অনাদৃত হৈ পৰে তেতিয়া এইসকল লোকে দুখ-বেজাৰ সহ্য কৰিব নোৱাৰি জীৱনৰ ওপৰত আস্থা হেৰুৱাই উপায়হীন হৈ আত্মহননৰ পথ বাছি লয়। বাৰ্ধক্যসকলোৰে বাবে অনাকাংক্ষিত যদিও ইয়াৰ পৰা কোনেও সাৰি যাব নোৱাৰে। গতিকে আজি যিসকল পুত্ৰ-বোৱাৰীয়ে নিজৰ পিতৃ-মাতৃক বৃদ্ধাৱস্থাত প্ৰতিপালন, পৰিচৰ্যা কৰাৰ সলনি শাৰীৰিক মানসিক আতিশয্য চলাই আত্মহত্যাৰ দৰে পৈশাচিক পথ অৱলম্বন কৰিবলৈ বাধ্য কৰাইছে তেওঁলোকেও যে এদিন তেনে এটা অৱস্থাৰ সন্মুখীন হ'ব লাগিব সেই কথা এবাৰ ভাবি চোৱা উচিত।

শেষত কওঁ আত্মহত্যা কৰাটো মহাপাপ, ই এক পৈশাচিক স্পৃহা, নিৰাশাবাদী মনৰ পৰিচায়ক। সকলো সময়তে আশাবাদী মন এটা লৈ জীৱনৰ ঘাত-প্ৰতিঘাতবোৰ অতিক্ৰম কৰি আগুৱাই যাব পৰাটোৱে জ্ঞানীজনৰ কাম। অন্যথা এই পৃথিৱীত মানুহ হৈ জন্ম লাভ কৰাৰ সাৰ্থকতাই বা ক'ত?

**কুলেন বৰ্মন**
ফোন ঃ ৯৪৩৫৩৩৮৪১৯

# অসমীয়া থলুৱা ভাষা-সাহিত্যৰ সমস্যা ক'ত?

**অসমীয়া** ভাষা, অসমৰ সকলো থলুৱা জাতি-জনগোষ্ঠীৰ প্ৰধান ভাষা। অসমীয়া ভাষাৰ বিকাশ নহ'লে অসমীয়া থলুৱা জাতি-জনগোষ্ঠীসমূহৰ ভাষাসমূহেও গা কৰি উঠিব নোৱাৰে। অসমৰ সকলোবোৰ সৰু-বৰ ভাষা-উপভাষা-দোৱান আদিৰ চিনাক্ত কৰা, সেই ভাষা-ভাষীৰ সংখ্যা নিৰ্ধাৰণ কৰা, সেই ভাষাত লিখিত সাহিত্যৰ নিৰ্ধাৰণ কৰা, থলুৱা ভাষাৰ বিজ্ঞানসন্মত গৱেষণাৰ ব্যৱস্থা, এনেবোৰ গৱেষণাৰ দায়িত্ব চৰকাৰ, বিশ্ববিদ্যালয়, সাহিত্য সভা অনুষ্ঠান আদিয়ে লোৱা উচিত।

অসমৰ থলুৱা ভাষা-সাহিত্যৰ বিকাশৰ বাস্তৱ সমস্যাক অতিক্ৰম কৰিবলৈ হ'লে সমাজখনক গঢ় দি থলুৱা ভাষাৰ পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰিব লাগিব। সাম্প্ৰতিক সময়ত পাঠকৰ সংখ্যা যথেষ্ট কম। ভৱিষ্যতৰ দিনবোৰত অসমীয়া ভাষা ৰক্ষাৰ বাবে লেখক আৰু পঢ়ুৱৈৰ সংখ্যা বঢ়াব লাগিব। অসমীয়া ভাষা থলুৱা ভাষা-গোষ্ঠীৰ উমৈহতীয়া ভাষা। অসমৰ ভাষাসমূহৰ নিজ নিজ বিশেষত্ব আছে, বৈচিত্ৰ্য আছে, নিজ নিজ গৌৰৱময় প্ৰাচীনতা আছে। বাৰে বৰণীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ মাজেদিয়ে আমি অসমীয়া জাতিয়ে দেশৰ ঐক্য আৰু সংহতি বিচাৰি পাওঁ। অসমীয়া ভাষাৰ জনগোষ্ঠীসমূহৰ বিষয়বস্তুৱে প্ৰকৃত স্থান লাভ কৰিব লাগে। জনজাতীয় জীৱন অসমীয়া সাহিত্য-সংস্কৃতিত সুপ্ৰতিষ্ঠিত আৰু প্ৰতিফলন হ'ব লাগে। থলুৱা ভাষাৰ বিকাশৰ অৰ্থে যাতে পৰিৱেশ এটা সৃষ্টি কৰিব পৰা হয়, সেইবাবে আলোচনা, প্ৰকাশ মাধ্যম, অনুবাদ, গ্ৰন্থ সম্পাদনা আদিত অধিক গুৰুত্ব দিয়া উচিত।

**নয়নজ্যোতি বৈশ্য**
হেঙেৰাবাৰী, গুৱাহাটী, ফোন ঃ ৯১০১২৪৩১৮৪

# হিয়াৰ মাজত জ্বলে

## অভিমত

**আই** আৰু পিতা, মহা আৰু মাহী, পেহা আৰু পেহী, জেঠা আৰু জেঠী, খুড়া আৰু খুড়ী এইবোৰ নিকট আত্মীক সম্পৰ্কৰ লোক, যিসকলৰ লগত সম্পৰ্কৰ বান্ধোন অতি নিবিড়। কাৰো লগত কাৰো এৰা-এৰি নাই। কাৰো অভাৱ কোনেও সহিব নোৱাৰে। সেই কাৰণে বান্ধোনৰ মাজত থাকি সকলোৱে নিজৰ-নিজৰ অস্তিত্ব বজাই ৰাখে। বহুদিন কাকো কোনেও নেদেখিলে তেওঁলোকৰ মাজত উৎকণ্ঠাৰ সৃষ্টি হয়। উৎকণ্ঠা প্ৰশমিত কৰিবলৈ যোৱা-অহা চলে। আগতে প্ৰত্যেকে প্ৰত্যেকৰ ঘৰলৈ সঘনে যোৱা-অহা কৰিছিল, খোৱা-লোৱা কৰিছিল, মনৰ কথা পাতিছিল, দিয়া-লোৱা চলিছিল। সম্পৰ্কৰ গুৰুত্ব উপলব্ধিয়ে সম্পৰ্কৰ স্থায়িত্ব আৰু প্ৰসাৰে এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছিল।

মৰম-স্নেহৰ বন্যা বিধৌত হৈছিল। মহা-মাহী, পেহা-পেহীৰ সতি-সন্ততিৰ মাজত আপোনত্বৰ গভীৰতা শিপাই গৈছিল। আজি এই প্ৰতিচ্ছবিখন প্ৰায় হেৰাই যোৱাৰ পথত। কাৰণ সম্পৰ্কৰ উপলব্ধিৰেহে সম্পৰ্কৰ মাজত টান অব্যাহত থাকে। যিটো আজি উপলব্ধিৰ বাহিৰ হোৱা বুলিয়ে ক'ব পাৰি। আজিৰ প্ৰজন্মৰ মাজত সম্পৰ্কৰ গুৰুত্ব হ্ৰাস পাই আহিল। যোৱা-অহা, দিয়া-লোৱা, উঠা-বহা, খোৱা-বোৱা প্ৰায় নহয় বাবে সম্পৰ্কৰ বান্ধোন শিথিল হ'বলৈ ধৰিলে। আমি প্ৰায় কোনেও সম্পৰ্ক ৰক্ষাৰ কথা নভবা যেন লাগে। যোৱা-অহা কৰা বাধ্যত পৰিহে হয়, সিও ক্ষন্তেকীয়া।

এই ক্ষন্তেকীয়া উপস্থিতিয়ে সম্পৰ্কৰ বান্ধোন মজবুত হোৱাৰ অন্তৰায়। ইয়াৰ পৰাই আমাৰ সমাজ-জীৱনতো সম্পৰ্কৰ বান্ধোন শিথিল হ'বলৈ বাধ্য কিয় নহ'ব!

উৎসতে অভাৱ ঘটিল যেতিয়া, তাক বৃহৎ সমাজখনত আমি আশা কৰিলেও পাম কেনেকৈ? আমাৰ আশাবোৰ ভেঁটিহীন হ'ল যেতিয়া, নিৰাশাই বিস্তাৰ লাভ কৰাটো স্বভাৱসিদ্ধ। সেই কাৰণে বাহিৰত কিয় ঘৰখনতে অপ্ৰীতিকৰ কাৰ্য সংঘটিত হোৱা বৃদ্ধি পাই আহিব লাগিছে। এতিয়া অস্বাভাৱিকবোৰেই স্বাভাৱিক নহ'ল জানো?

**কেশৱ শৰ্মা**
ফোন ঃ ৯৪০১৮৭৯৪০৮



## যোগীৰ বিৰুদ্ধে গোৰখপুৰত প্ৰতিদ্বন্দ্বিতা কৰিব ভীম আৰ্মিৰ মুৰব্বীয়ে

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২০ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ আসন্ন নিৰ্বাচনত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ বিৰুদ্ধে গোৰখপুৰ সদৰ সমষ্টিত প্ৰাৰ্থী হিচাপে থিয় দিব ভীম আৰ্মিৰ মুৰব্বী চন্দ্ৰশেখৰ আজাদে। দলিত সম্প্ৰদায়ৰ নেতাজনে আজি লক্ষ্ণৌত এই কথা ঘোষণা কৰে। ভীম আৰ্মিৰ মুৰব্বীয়ে গঠন কৰা আজাদ সমাজ পাৰ্টিয়ে আজি বিধানসভাৰ নিৰ্বাচনৰ বাবে দলৰ এখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। এই তালিকাত আজাদৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখ্য যে ৪০৩ বিধানসভা সমষ্টিৰ বাবে উত্তৰ প্ৰদেশৰ সাতটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

## ছৌদি আৰবৰ পাছত এইবাৰ ছাহাৰা মৰুভূমিত প্ৰবল তুষাৰপাত



নিউজ ব্যুৰ', এলজিয়ৰ্চ, ২০ জানুৱাৰী ঃ আফ্ৰিকাৰ ছাহাৰা মৰুভূমিৰ প্ৰৱেশদ্বাৰ হিচাপে পৰিচিত আলজেৰিয়াৰ আইন ছফেৰাৰ মৰুভূমিত সম্প্ৰতি প্ৰবল তুষাৰপাত অব্যাহত আছে। ছাহাৰা মৰুভূমিত বিগত ৪২ বছৰত পঞ্চমবাৰৰ বাবে শীতত এইদৰে তুষাৰপাত হৈছে। বিগত ছবছৰত ছাহাৰা মৰুভূমিত শীতকালত চতুৰ্থবাৰ তুষাৰপাতৰ ঘটনা প্ৰত্যক্ষ হ'ল। ইয়াৰ পূৰ্বে ১৯৭৯ত ছাহাৰা মৰুভূমিত প্ৰথম তুষাৰপাত প্ৰত্যক্ষ হৈছিল। পৰৱৰ্তী সময়ত ২০১৬, ২০১৮ আৰু ২০২১ বৰ্ষতো ছাহাৰাত অভিলেখ হাৰত তুষাৰপাত হৈছিল। যোৱা মঙলবাৰে হোৱা ধাৰাসাৰ তুষাৰপাতৰ পাছত বিশ্বৰ সবাতোকৈ উষ্ণ মৰুভূমি অঞ্চলটোৰ তাপমাত্ৰা মাইনাছ দুই ডিগ্ৰী ছেলচিয়াছলৈকে হ্ৰাস পাইছিল। উল্লেখ্য যে গ্ৰীষ্ম কালত ছাহাৰা মৰুভূমিৰ তাপমাত্ৰা ৫৮ ডিগ্ৰী ছেলচিয়াছলৈকে বৃদ্ধি পায়।

## বিশ্বত পুনৰ কৰ'নাৰ সংক্ৰমণ বৃদ্ধি, এদিনতে সংক্ৰমিত ৩৪.৬১ লাখ

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২০ জানুৱাৰী ঃ** পুনৰ বিশ্বত ক'ভিড-১৯ৰ সংক্ৰমণে ঊৰ্ধমুখী গতি লাভ কৰিছে। যোৱা ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত নতুনকৈ ক'ভিডত সংক্ৰমিত হ'ল ৩৪.৬১ লাখ লোক। বিগত এদিনত বিশ্বত ১৮.৫৮ লাখ ক'ভিড ৰোগী সুস্থ হ'ল। ইফালে, বিশ্বৰ বিভিন্ন দেশত কৰ'নাত আক্ৰান্ত হোৱা ৮,৮৩২ জন ৰোগীয়ে বিগত ২৪ ঘণ্টাত প্ৰাণ হেৰুৱালে। সংক্ৰমণৰ ক্ষেত্ৰত ৭.১০ লাখ দৈনিক আক্ৰান্তৰে শীৰ্ষত আছে আমেৰিকা। সংক্ৰমণত দ্বিতীয় স্থানত থকা ফ্ৰান্সত ২৪ ঘণ্টাত নতুনকৈ ক'ভিডত আক্ৰান্ত হ'ল ৪.৩৬ লাখ লোক। ইফালে, ৩.১৭ লাখ ৰোগীৰে ক'ভিডৰ সংক্ৰমণত বিশ্বৰ ভিতৰত তৃতীয় স্থানত আছে ভাৰত। আমেৰিকাত ২৪ ঘণ্টাত ২,৩৭৪ জন ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱালে। ইফালে, ভাৰতত ক'ভিডে বিগত এদিনত ৪৯১ জন লোকৰ প্ৰাণ কাঢ়িলে। বিশ্বত সম্প্ৰতি ৬.০৭ কোটি সক্ৰিয় ক'ভিড ৰোগী আছে। কেৱল আমেৰিকাতে আছে ২.৫ কোটি সক্ৰিয় কৰ'না আক্ৰান্ত। কৰ'নাৰ সমগ্ৰ পৰ্বটোত বিশ্বত বৰ্তমানলৈকে ৩৩.৯২ কোটি লোক সংক্ৰমিত হ'ল। এই সকল কৰ'না আক্ৰান্তৰ ২৭.২৮ কোটি ইতিমধ্যে সুস্থ হৈ উঠিছে। আনহাতে, বিশ্বৰ বিভিন্ন দেশত বৃহস্পতিবাৰলৈকে ক'ভিডত প্ৰাণ হেৰুৱালে মুঠ ৫৫.৮৩ লাখ লোকে।



## দিল্লী সাম্প্ৰদায়িক সংঘৰ্ষৰ গোচৰত প্ৰথমজন দোষীক পাঁচ বছৰৰ কাৰাদণ্ড



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ জানুৱাৰী ঃ** দিল্লীৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ গোচৰত আজি কড়কড়ুমা আদালতে প্ৰথমজন দোষীক শাস্তি বিহিলে। আদালতে দীনেশ যাদৱ নামৰ এজন অভিযুক্তক দিল্লীৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ ঘটনাত দোষী সাব্যস্ত কৰি পাঁচ বছৰৰ কাৰাদণ্ডৰ ৰায় দিলে। দীনেশক এগৰাকী মহিলাৰ ঘৰত লুটপাত কৰা আৰু অগ্নিসংযোগ কৰাৰ গোচৰত আদালতে দোষী সাব্যস্ত কৰিছিল। দুগৰাকী আৰক্ষীয়ে এই গোচৰত দীনেশৰ বিৰুদ্ধে সাক্ষী দি তেওঁক সাম্প্ৰদায়িক হিংসাত জড়িত থকা বুলি আদালতত দাবী কৰিছিল।

### ব্ৰিটেইনৰ প্ৰতিষ্ঠিত বিজ্ঞান পত্ৰিকা 'নেচাৰ'ত গৱেষণামূলক প্ৰতিবেদনত ক'ভিডত মৃত্যুৰ প্ৰসংগত চাঞ্চল্যকৰ তথ্য

# চৰকাৰী পৰিসংখ্যাতকৈ বিশ্বত চাৰি গুণ অধিক ক'ভিড ৰোগীৰ মৃত্যু

**নিউজ ব্যুৰ' নতুন দিল্লী, ২০ জানুৱাৰী ঃ** ২০১৯ত বিশ্বত বিয়পি পৰা কৰ'না মহামাৰীৰ ফলত মৃত্যু হোৱা লোকৰ প্ৰকৃত সংখ্যা চৰকাৰী পৰিসংখ্যাৰ তুলনাত কমেও দুইৰ পৰা চাৰিগুণ অধিক হ'ব। ব্ৰিটেইনৰ প্ৰতিষ্ঠিত বিজ্ঞান পত্ৰিকা 'নেচাৰ'ত এক গৱেষণামূলক প্ৰতিবেদনত এইদৰে ক'ভিডত মৃত্যুৰ প্ৰসংগত চাঞ্চল্যকৰ তথ্য প্ৰকাশ পাইছে। চৰকাৰী পৰিসংখ্যা অনুসৰি বিশ্বত ক'ভিড-১৯ মহামাৰীৰ আগমনৰ পাছত এতিয়ালৈকে ৫৫ লাখৰো অধিক লোকৰ মৃত্যু হ'ল। 'নেচাৰ' প্ৰতিবেদনত গৱেষকে দাবী কৰা অনুসৰি বিশ্বৰ বিভিন্ন দেশত বৰ্তমানলৈকে ক'ভিডত প্ৰাণ হেৰুওৱা লোকৰ প্ৰকৃত সংখ্যাটো চৰকাৰীভাৱে ঘোষণা কৰা পৰিসংখ্যাতকৈ কে'বাগুণ অধিক। ক'ভিডৰ সংক্ৰমণ প্ৰথম চিনাক্ত হোৱাৰ পাছৰে পৰা বিশ্বৰ বিভিন্ন দেশে আন্তৰ্জাতিক বদনামৰ শংকাত এই মহামাৰীত মৃত্যু হোৱা লোকৰ প্ৰকৃত পৰিসংখ্যা প্ৰকাশৰ পৰা বিৰত থকা বুলি এক



অভিযোগ উত্থাপিত হৈ আহিছে। 'নেচাৰ'ত প্ৰকাশিত প্ৰতিবেদনত গৱেষকে 'দ্য ইক'নমিষ্ট' পত্ৰিকাত উল্লেখ কৰা পদ্ধতি আৰু পৰিসংখ্যাৰ আধাৰত দাবী কৰি কৈছে যে প্ৰকৃততে বিগত দুবছৰত বিশ্বৰ বিভিন্ন দেশত কৰ'না মহামাৰী প্ৰাণ হানি ঘটা লোকৰ সংখ্যা চৰকাৰীভাৱে প্ৰকাশিত পৰিসংখ্যাতকৈ দুইৰ পৰা চাৰিগুণ অধিক হ'ব। বিশ্বৰ বহু দেশে বদনামৰ শংকাতে ক'ভিডত মৃত্যুৰ প্ৰকৃত পৰিসংখ্যা গোপনে ৰাখিছে বুলি বিজ্ঞান গৱেষণামূলক পত্ৰিকাখনৰ প্ৰতিবেদনত দাবী কৰা হৈছে। 'নেচাৰ'ত গৱেষকে লগতে কৈছে যে অতিমাৰীৰ পৰ্বটোত এতিয়ালৈকে এনে বহু লোকৰ কৰ'নাত মৃত্যু হৈছে যিসকলৰ ক'ভিড পৰীক্ষণ সম্পন্ন কৰা হোৱা নাছিল। অৰ্থাৎ মৃত এইসকল লোকৰ কৰ'নাৰ পৰীক্ষণ সম্পন্ন কৰিলে তেওঁলোকৰ মৃত্যুও ক'ভিডত মৃতকৰ পৰিসংখ্যাৰ অন্তৰ্ভুক্ত হ'লহেঁতেন। বিজ্ঞান পত্ৰিকাখনত লগতে কোৱা হৈছে যে বিশ্বৰ দৰিদ্ৰ দেশসমূহত কৰ'নাত প্ৰকৃততে মৃত্যুৰ সংখ্যা ২০ গুণলৈকে অধিক হোৱাৰ সম্ভাৱনা আছে। ৰাছিয়াত ২০২১ৰ বৰ্ষলৈকে কৰ'নাত তিনি লাখ লোকৰ মৃত্যু হোৱা বুলি চৰকাৰী পৰিসংখ্যাত উল্লেখ কৰা হৈছে যদিও 'নেচাৰ'ৰ মতে দেশখনত ক'ভিডৰ মৃতকৰ সংখ্যা ১০ লাখৰো অধিক হোৱাৰ সম্ভাৱনা আছে। ভাৰত আৰু চীনসহ এশখনৰো অধিক ৰাষ্ট্ৰই কৰ'নাত অতিৰিক্ত মৃত্যুৰ তথ্য ৰাজহুৱা কৰা নাই বুলি 'নেচাৰ'ত গৱেষকে দাবী কৰিছে। ভাৰতত চৰকাৰী পৰিসংখ্যা অনুসৰি কৰ'নাত ৪.৮৭ লাখ লোকৰ মৃত্যু হ'ল। কিন্তু 'নেচাৰ'ৰ প্ৰতিবেদনত দাবী কৰা অনুসৰি ভাৰতত প্ৰকৃততে ৫০ লাখৰো অধিক লোকৰ কৰ'নাত মৃত্যু হৈছে। একেদৰে চীনে দেশখনত ৪,৬০০ জন লোক কৰ'নাত মৃত্যু হোৱা বুলি দাবী কৰিলেও প্ৰকৃততে দেশখনত ৭.৫০ লাখৰো অধিক ক'ভিড ৰোগীৰ মৃত্যু হৈছে বুলি বিজ্ঞান পত্ৰিকাখনত উল্লেখ কৰা হৈছে।



## শ্ৰীনগৰত সেনাৰ তালাচীত লস্কৰৰ সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ২০ জানুৱাৰী ঃ** কাশ্মীৰত প্ৰবল তুষাৰপাত আৰু বৃষ্টিপাতক নেওচি নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। এনে অভিযানৰ অধীনত নিৰাপত্তা বাহিনীয়ে আজি বীৰবাৰ জিলাৰ বডগামৰ চাডুৰাত তালাচী চলোৱাৰ সময়ত লস্কৰ ই তৈবাৰ এজন সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰে। নিৰাপত্তা বাহিনীয়ে তালাচী চলোৱাৰ সময়ত লস্কৰৰ সদস্যজনৰ পৰা এটা পিষ্টল আৰু দুটা মেগজিন জব্দ কৰে। ধৃত ব্যক্তিজনে মাত্ৰ তিনি সপ্তাহ পূৰ্বে লস্কৰ ই তৈবাত যোগদান কৰিছিল। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, গোপন সূত্ৰৰ জৰিয়তে লাভ কৰা তথ্যৰ ভিত্তিত উক্ত অঞ্চলত সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিৰাপত্তা বাহিনীয়ে ব্যাপক তালাচী অব্যাহত ৰাখিছে।



## ব্ৰিটেইনত ক'ভিড বিধি প্ৰত্যাহাৰ, মাস্ক পৰিধানো বাধ্যতামূলক নহয়

**নিউজ ব্যুৰ', লণ্ডন, ২০ জানুৱাৰী ঃ** কৰ'না সংক্ৰান্ত সকলো বিধি নিষেধ প্ৰত্যাহাৰ ঘোষণা কৰিলে ব্ৰিটেইনে। ব্ৰিটিছ প্ৰধানমন্ত্ৰী বৰিছ জনছনে এই কথা ঘোষণা কৰি কয় যে ইতিমধ্যে অ'মিক্ৰনৰ আতংকই শীৰ্ষত আৰোহণ কৰিলে আৰু সেয়েহে যোৱা মাহত ক'ভিড প্ৰতিৰোধৰ বাবে যিকোনো বিধি নিষেধ চৰকাৰে জাৰি কৰিছিল সেয়া চলিত সপ্তাহৰ মধ্য ভাগৰ পৰাই প্ৰত্যাহাৰ কৰা হ'ল। চলিত সপ্তাহৰ পৰাই ব্ৰিটেইনবাসীয়ে মাস্ক পৰিধান কৰাটো বাধ্যতামূলক নহ'ব। তদুপৰি দেশখনত নৈশ ক্লাব, পানশালা আদিত প্ৰৱেশৰ ক্ষেত্ৰতো ক'ভিড পাছ প্ৰদৰ্শন কৰাটো প্ৰয়োজন নহ'ব।

## মেধা আৰু সংৰক্ষণ বিৰোধমূলক নহয় ঃ নীটত অ' বি চিৰ সংৰক্ষণ বাহাল

**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ জানুৱাৰী ঃ** অনগ্ৰসৰ শ্ৰেণীৰ বাবে সংৰক্ষণৰ অৰ্থ মেধাৰ হকে বিৰোধিতা কৰা নহয়। নীটৰ সংৰক্ষণ বিষয়ক গোচৰত এইদৰে মত প্ৰকাশ কৰিলে উচ্চতম ন্যায়ালয়ে। সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় আৰু এ এছ ব'পান্নাৰ বিচাৰপীঠে আজি নীটৰ সংৰক্ষণৰ সন্দৰ্ভত উত্থাপিত এক গোচৰত এইদৰে ৰায়দান কৰে। বিচাৰপীঠখনে জনোৱা অনুসৰি ৰাজ্যৰ চৰকাৰী চিকিৎসা শিক্ষানুষ্ঠানত নামভৰ্তিৰ ক্ষেত্ৰত নীটৰ সৰ্বভাৰতীয় কোটাৰ অধীনত অন্যান্য অনগ্ৰসৰ শ্ৰেণী (অ' বি চি)ৰ বাবে যি ২৭ শতাংশ সংৰক্ষণৰ ব্যৱস্থা আছিল, সেয়া বাহাল থাকিব। ন্যায়াধীশদ্বয়ৰ বিচাৰপীঠে এইদৰে কয়, 'প্ৰতিযোগিতামূলক পৰীক্ষাসমূহে অৰ্থনৈতিক বা সামাজিক সুবিধাক প্ৰতিফলিত নকৰে। সংবিধানৰ অনুচ্ছেদ ১৫ (৪) আৰু ১৫ (৫)-এ প্ৰকৃত সমতাৰ কথা দাঙি ধৰিছিল। যোগ্যতা সামাজিকভাৱে প্ৰাসংগিক হোৱা উচিত। সংৰক্ষণৰ অৰ্থ যোগ্যতা বা মেধাৰ স'তে বিৰোধিতা কৰা নহয়।' উল্লেখ্য যে ভাৰতৰ মেডিকেল শিক্ষানুষ্ঠানসমূহৰ ১৫ শতাংশ আসন সৰ্বভাৰতীয় কোটাৰ অধীনত (এ আই কিউ)ৰ আছে। অৰ্থনৈতিকভাৱে দুৰ্বল (ই ডব্লিউ এছ) শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নীটত উত্তীৰ্ণ হ'লেও ১০ শতাংশ এ আই কিউ আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, ২৭ শতাংশ আসন অ' বি চিৰ বাবে সংৰক্ষণ আছে। অনুসূচিত জাতি-জনজাতি আৰু পি ডব্লিউ শ্ৰেণীৰ প্ৰাৰ্থীৰ



সংৰক্ষণৰ বাহিৰত এই বিশেষ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ পূৰ্বে সংৰক্ষণক লৈ সৃষ্টি হোৱা আইনী জটিলতাৰ পৰিপ্ৰেক্ষিতত চলিত বৰ্ষৰ নীট কাউন্সেলিং স্থগিত ৰখা হৈছে। উচ্চতম ন্যায়ালয়ে অ' বি চিৰ ২৭ শতাংশ আৰু ই ডব্লিউ এছৰ ১০ শতাংশ আসন সংৰক্ষণ বাহাল ৰাখি নীট কাউন্সেলিং আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছিল। সেই অনুসৰি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা মতে, অহা ১৯ ফেব্ৰুৱাৰীৰ পৰা নীট ইউ জিৰ কাউন্সেলিং আৰম্ভ হ'ব। ইয়াৰ মাজতে আজি উচ্চতম ন্যায়ালয়ে এই গোচৰৰ ৰায় দি ক'লে যে সৰ্বভাৰতীয় কোটাত অ' বি চিৰ বাবে ২৭ শতাংশ সংৰক্ষণ বাহাল থাকিব।



## কংগ্ৰেছৰ 'প'ষ্টাৰ গাৰ্ল' প্ৰিয়ংকাৰ বিজেপিত যোগদান

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২০ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশ কংগ্ৰেছত পুনৰ অঘটন সংঘটিত হ'ল। কংগ্ৰেছৰ 'প'ষ্টাৰ গাৰ্ল' হিচাপে পৰিচিত হোৱা প্ৰিয়ংকা মৌৰ্যই বিজেপিত যোগদান কৰিলে। 'লড়কী হু, লড় সকতি হু' শীৰ্ষক কংগ্ৰেছৰ অভিযানত প'ষ্টাৰত স্থান লাভ কৰা প্ৰিয়ংকাই এইদৰে হঠাতে কংগ্ৰেছ ত্যাগ কৰি বিজেপিৰ সদস্য পদ গ্ৰহণ কৰাটো কংগ্ৰেছৰ বাবে এক মোক্ষম আঘাত হিচাপে পৰিচিত হৈছে। উল্লেখ্য যে কংগ্ৰেছৰ টিকট লাভৰ পৰা বঞ্চিত হোৱাৰ পাছতে দলৰ টিকট বিতৰণত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ প্ৰিয়ংকাই উত্থাপন কৰিছিল। বিজেপিত যোগদান কৰি আজি প্ৰিয়ংকাই কয়, 'লড়কী হু, লড় সকতি হু এটা কংগ্ৰেছৰ শ্ল'গান আছিল। কিন্তু কংগ্ৰেছে মোক যুঁজ দিয়াৰ সুযোগ নিদিলে। কংগ্ৰেছ প্ৰকৃততে হৈছে মহিলা আৰু অন্যান্য পিছ পৰা সম্প্ৰদায় (অ' বি চি)ৰ বিৰোধী।'

## বাইডেনে ক'লে 'আফগানিস্তানত সেনা প্ৰত্যাহাৰৰ বাবে ক্ষমা নিবিচাৰো'

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২০ জানুৱাৰী ঃ** আফগানিস্তানৰ পৰা আমেৰিকাৰ সেনা বাহিনীৰ প্ৰত্যাহাৰৰ প্ৰসংগত নিজৰ মতামত স্পষ্ট কৰিলে মাৰ্কিন ৰাষ্ট্ৰপতি জ' বাইডেনে। এই প্ৰসংগত মন্তব্য কৰি বাইডেনে কয়, 'আফগানিস্তানৰ পৰা ২০ বছৰৰ পাছত সহজে মাৰ্কিন সেনাক উভতাই অনাটো সহজ নাছিল।



একাধিকবাৰ এনে প্ৰচেষ্টা গ্ৰহণ কৰিও সফল হ'ব পৰা নাছিল আৰু আমি অৱশেষত যি সিদ্ধান্ত ল'লো তাৰ বাবে ক্ষমাপ্ৰাৰ্থী নহওঁ।' উল্লেখ্য যে যোৱা বছৰৰ আগষ্টৰ পৰা আমেৰিকাই আফগানিস্তানত মাৰ্কিন সেনা প্ৰত্যাহাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। মাৰ্কিন সেনাৰ প্ৰস্থানৰ পাছতে আফগানিস্তানত তালিবানে পুনৰ ক্ষমতা দখল কৰে। আফগানিস্তানৰ সাম্প্ৰতিক অশান্ত জৰ্জৰ পৰিস্থিতিৰ বাবে আমেৰিকা জগৰীয়া নহয় বুলিও বাইডেনে দাবী কৰে।

## উত্তৰ প্ৰদেশৰ নিৰ্বাচনৰ বাবে কংগ্ৰেছৰ প্ৰাৰ্থীৰ দ্বিতীয় তালিকা প্ৰকাশ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২০ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ নিৰ্বাচনৰ বাবে কংগ্ৰেছে প্ৰাৰ্থীৰ দ্বিতীয়খন তালিকা আজি প্ৰকাশ কৰিলে। কংগ্ৰেছৰ দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা মুঠ ৪১ জন প্ৰাৰ্থীৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে। এইসকল প্ৰাৰ্থীৰ মাজত ১৬ গৰাকী মহিলা প্ৰাৰ্থী আছে। উল্লেখ্য যে কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভদ্ৰাই উত্তৰ প্ৰদেশৰ নিৰ্বাচনত দলে ৪০ শতাংশ টিকট মহিলা প্ৰাৰ্থীক দিব বুলি পূৰ্বে ঘোষণা কৰিছিল। এই প্ৰতিশ্ৰুতি ৰক্ষা কৰি কংগ্ৰেছে প্ৰথম তালিকাত ১২৫ প্ৰাৰ্থীক দলৰ টিকট দিছিল আৰু ইয়াৰে ৫০ গৰাকী মহিলা প্ৰাৰ্থী আছিল। ইফালে, কংগ্ৰেছৰ বিধায়ক অদিতি সিঙে আজি দলৰ প্ৰাথমিক সদস্যৰ পদ ত্যাগ কৰে। অদিতিয়ে দলৰ সভানেত্ৰী ছোনিয়া গান্ধীলৈ পত্ৰ লিখি বিধায়ক পদৰ পৰা ইস্তফা দিয়াৰ কথা ঘোষণা কৰে।

## উত্তৰাখণ্ড বিধানসভাৰ বাবে বিজেপিৰ প্ৰথম প্ৰাৰ্থীৰ তালিকা ঘোষণা



**নিউজ ব্যুৰ', ডেৰাডুন, ২০ জানুৱাৰী ঃ** উত্তৰাখণ্ড বিধানসভাৰ নিৰ্বাচনৰ বাবে আজি বিজেপিয়ে প্ৰাৰ্থীৰ প্ৰথমখন তালিকা ঘোষণা কৰে। বিজেপিৰ প্ৰথম তালিকাত ৰাজ্যখনত ৫৯ সমষ্টিত প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰা হ'ল। উত্তৰাখণ্ডৰ বিজেপিৰ প্ৰভাৰী প্ৰহ্লাদ যোশীয়ে আজি সাংবাদিকৰ আগত দলৰ প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামিয়ে খতিমা সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। বিজেপিয়ে ৰাজ্যখনৰ বাকী থকা ১১ টা সমষ্টিৰ প্ৰাৰ্থীৰ তালিকা অচিৰে ঘোষণা কৰিব। বিজেপিয়ে ৫৯ সমষ্টিত পাঁচগৰাকী মহিলাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

# উত্তৰ প্ৰদেশৰ পূৰ্বৰ বিধানসভাৰ নিৰ্বাচনত প্ৰচাৰত সৰ্বাধিক ধন ব্যয় সমাজবাদী দলৰ

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২০ জানুৱাৰী ঃ** নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ এক সীমা নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰি দিয়ে। প্ৰাৰ্থীসকলে এই সীমাৰ ভিতৰত নিৰ্বাচনত ধন ব্যয় কৰিব পাৰে। অৱশ্যে সকলো প্ৰাৰ্থীয়ে সম্পূৰ্ণ ধন নিৰ্বাচনৰ প্ৰচাৰত ব্যয় নকৰে। ২০১২ আৰু ২০১৭ৰ উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনৰ তথ্য বিশ্লেষণ কৰিলে স্পষ্ট হয় যে নিৰ্বাচনত ধন দিয়াৰ ক্ষেত্ৰত ৰাজ্যখনত সমাজবাদী পাৰ্টিৰ প্ৰাৰ্থীসকলে শীৰ্ষস্থান লাভ কৰিছে। ২০১২ৰ নিৰ্বাচনত সমাজবাদী পাৰ্টিৰ প্ৰাৰ্থী ৰঘুৰাজ সিং শাকয়াই ইটাৱা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল আৰু তেওঁৰ প্ৰচাৰত ব্যয় কৰিছিল ২০.৬৩ লাখ টকা। আনহাতে, একেটা নিৰ্বাচনত প্ৰচাৰত দ্বিতীয় সৰ্বাধিক ১৮.৪৪ লাখ টকা ব্যয় কৰিছিল সমাজবাদী পাৰ্টিৰ প্ৰাৰ্থী সুখদেৱী বৰ্মাই। আনহাতে, নিৰ্বাচনী প্ৰচাৰত ধন ব্যয়ত তৃতীয় স্থানত থকা পুৰানপুৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থী প্ৰীতম ৰামে ব্যয় কৰিছিল ১৫.২৬ লাখ টকা। উক্ত বৰ্ষত সবাতোকৈ কম ধন ব্যয় কৰি জয়লাভ



কৰা প্ৰাৰ্থীৰ মাজত আছিল সমাজবাদী পাৰ্টিৰ নাৰদ, বহুজন সমাজ পাৰ্টিৰ সুৰজপাল সিং আৰু নিৰ্দলীয় প্ৰাৰ্থী ৰুবি প্ৰসাদ। বলিয়ানগৰৰ প্ৰাৰ্থী নাৰদে ২০১২ত নিৰ্বাচনী প্ৰচাৰত ব্যয় কৰিছিল মাত্ৰ ২৪ হেজাৰ টকা। আনহাতে, ফতেহপুৰ ছিক্ৰিৰ প্ৰাৰ্থী সুৰজপালে ৩৬ হেজাৰ আৰু ৰুবী প্ৰসাদে ১.৪৩ লাখ টকা ব্যয় কৰা বুলি দাবী কৰিছিল। ২০১৭ৰ নিৰ্বাচনত সমাজবাদী পাৰ্টিৰ প্ৰাৰ্থী ৰাম গোবিন্দ চৌধুৰীয়ে প্ৰচাৰত ব্যয় কৰিছিল সৰ্বাধিক ২৪.৯০ লাখ টকা। সমাজবাদী পাৰ্টিৰ প্ৰাৰ্থী অম্বৰীশ সিং পুস্কৰে দ্বিতীয় সৰ্বাধিক ২৪.৪২ লাখ টকা নিৰ্বাচনৰ প্ৰচাৰত উক্ত বৰ্ষত ব্যয় কৰিছিল। নিৰ্বাচনী ব্যয়ৰ ক্ষেত্ৰত তৃতীয় স্থানত থকা বিজেপিৰ প্ৰাৰ্থী ব্ৰীজ ভূষণে ব্যয় কৰিছিল ২৪.৩৭ লাখ টকা। এই তিনিজন প্ৰাৰ্থীয়ে ২০১৭ৰ নিৰ্বাচনত জয়লাভ কৰিছিল। আনহাতে, একেটা নিৰ্বাচনত বিজেপিৰ নীলকণ্ঠ তিৱাৰীয়ে ২.৮৪ লাখ টকা, সমাজবাদী পাৰ্টিৰ আলমবড়িয়ে ৩.২৮ লাখ টকা আৰু বহুজন সমাজ পাৰ্টিৰ সুষমাই ৪.০৯ লাখ টকা ব্যয় কৰি জয়লাভ কৰিছিল। বিধানসভাৰ নিৰ্বাচনত ৰাজ্যখনত সেই সময়ত এজন প্ৰাৰ্থীয়ে ২৮ লাখ টকা ব্যয় কৰিব পাৰিছিল। অৱশ্যে যোৱা বছৰত নিৰ্বাচন আয়োগে প্ৰাৰ্থীৰ ব্যয়ৰ পৰিমাণ সৰ্বাধিক ৩০.৮ লাখ টকালৈ বৃদ্ধি কৰে।

## মহাৰাষ্ট্ৰত সোমবাৰৰ পৰা পুনৰ মুকলি হ'ব বিদ্যালয়





**নিউজ ব্যুৰ', মুম্বাই, ২০ জানুৱাৰী ঃ** কৰ'নাৰ ব্যাপক সংক্ৰমণ অব্যাহত থকাৰ মাজতে ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষানুষ্ঠানসমূহ পুনৰ মুকলি কৰি দিয়াৰ সিদ্ধান্ত ল'লে মহাৰাষ্ট্ৰ চৰকাৰে। অহা সোমবাৰৰ পৰা ৰাজ্যখনৰ প্ৰাক প্ৰাথমিকৰ পৰা দ্বাদশ শ্ৰেণীলৈকে সকলোবোৰ শিক্ষানুষ্ঠান পুনৰ মুকলি কৰা হ'ব। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেয়ে বিদ্যালয়সমূহ পুনৰ খোলাৰ বাবে শিক্ষাবিভাগে প্ৰেৰণ কৰা প্ৰস্তাৱত অনুমোদন জনালে। উল্লেখ্য যে বুধবাৰে ৰাজ্যখনত ৪৩,৬৯৭ জন ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল আৰু মঙলবাৰৰ তুলনাত কৰ'নাৰ সংক্ৰমণ মহাৰাষ্ট্ৰত বুধবাৰে ১১ শতাংশ বৃদ্ধি পালে।

## গোৱাত বিজেপিৰ ৩৪ প্ৰাৰ্থীৰ তালিকা ঘোষণা, টিকট নাপালে পাৰিকাৰৰ পুত্ৰই

**নিউজ ব্যুৰ', পানাজি, ২০ জানুৱাৰী ঃ** গোৱাৰ বিধানসভাৰ ৪০ সমষ্টিৰ ৩৪ টাৰ বাবে আজি প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিলে বিজেপিয়ে। ৩৪ প্ৰাৰ্থীৰ মাজত বিজেপিয়ে নজন সংখ্যালঘুক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। পানাজি সমষ্টিত গোৱাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত মনোহৰ পাৰিকাৰৰ পুত্ৰ উৎপল পাৰিকাৰে বিজেপিৰ টিকট বিচাৰিছিল যদিও দলে তেওঁক টিকটৰ পৰা বঞ্চিত কৰিলে। পানাজি সমষ্টিত বিজেপিয়ে বৰ্তমানৰ বিধায়ক এণ্টাচিয়' মঞ্চেৰাটেক প্ৰাৰ্থিত্ব প্ৰদান কৰিলে। পাৰিকাৰ পুত্ৰক টিকট প্ৰদানৰ সন্দৰ্ভত মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফড়নবিচে মন্তব্য কৰি কয়, 'উৎপল পাৰিকাৰক দুটা সমষ্টিৰ বিকল্প দিয়া হৈছিল। কিন্তু ইয়াৰে এটা সমষ্টি তেওঁ প্ৰত্যাখ্যান কৰিলে। দ্বিতীয়টো বিকল্পৰ সন্দৰ্ভত তেওঁক সিদ্ধান্ত ল'বলৈ কোৱা হৈছে। উৎপল বিজেপি পৰিয়ালৰ সদস্য। তেওঁক সন্মত কৰাবলৈ আমি চেষ্টা অব্যাহত ৰাখিছো।'

### পাৰিকাৰৰ পুত্ৰক আপৰ টিকটত প্ৰতিদ্বন্দ্বিতাৰ প্ৰস্তাৱ কেজৰিৱালৰ





**নিউজ ব্যুৰ', পানাজি, ২০ জানুৱাৰী ঃ** গোৱাৰ বিধানসভাৰ নিৰ্বাচনত বিজেপিয়ে ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মনোহৰ পাৰিকাৰৰ পুত্ৰ উৎপল পাৰিকাৰক দলৰ টিকট লাভৰ পৰা বঞ্চিত কৰাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে আম আদমী পাৰ্টি (আপ)য়ে। আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে আজি বিজেপিক কটাক্ষ কৰি টুইটাৰত কয়, 'বিজেপিয়ে পাৰিকাৰ পৰিয়ালৰ স'তে যি অন্যায় কৰিলে সেয়া প্ৰত্যক্ষ কৰি গোৱাবাসীয়ে বহুত দুখ অনুভৱ কৰিছে। মই সদায় মনোহৰ পাৰিকাৰজীক সন্মান কৰি আহিছো। যদি উৎপলে আম আদমী পাৰ্টিত যোগদান কৰে আৰু আপৰ টিকটত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে তেন্তে মই তেওঁক স্বাগতম জনাম।'



## দিল্লীত ২৪ ঘণ্টাত ৩৫ কৰ'না ৰোগীৰ মৃত্যু

**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ জানুৱাৰী ঃ** দেশৰ ৰাজধানী দিল্লীত কৰ'নাৰ আতংক অব্যাহত আছে। যোৱা ২৪ ঘণ্টাত দিল্লীত নতুনকৈ ১৩,৭৮৫ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। ৰাজধানী চহৰখনত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে পুনৰ ৩৫ জন লোকৰ এদিনত প্ৰাণ কাঢ়িলে। বৰ্তমানে দিল্লীত ৭৫,২৮২ জন সক্ৰিয় ক'ভিড ৰোগী আছে। দিল্লীত বৰ্তমানলৈকে ১৭,৪৭,৯৬৬ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। এতিয়ালৈকে দেশৰ ৰাজধানী চহৰখনত ২৫,৪৬০ জন ক'ভিড ৰোগীৰ প্ৰাণ কাঢ়িলে এই ভাইৰাছৰ সংক্ৰমণে। সম্প্ৰতি দিল্লীত কৰ'নাৰ সংক্ৰমণৰ হাৰ হৈছে ২৩.৮৬ শতাংশ।



## ৰাজ্য চৰকাৰে ১৪ বছৰেও সম্পূৰ্ণ কৰিব নোৱাৰিলে কেন্দ্ৰীয় চৰকাৰৰ আঁচনি

# মুখ্যমন্ত্ৰী মহোদয়, গুৱাহাটী মহানগৰৰ নাগৰিকে খোৱাপানী পাব কেতিয়া ?

দৃষ্টিপাত



অদীপ কুমাৰ ফুকন

২০১৮ত তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ঘোষণা কৰিছিল, ২০১৯ৰ অক্টোবৰ মাহত গুৱাহাটী মহানগৰবাসীয়ে খোৱাপানী পাব। ২০১৯ত গুৱাহাটী মহানগৰৰ বিশেষ দায়িত্বত থকা পূব গুৱাহাটী সমষ্টিৰ বিধায়কগৰাকীয়ে ক'লে— ২০২১ৰ নৱেম্বৰত মহানগৰত পানী যোগানৰ প্ৰকল্প সম্পূৰ্ণ হ'ব। ২০২১ৰ ২৪ ডিচেম্বৰত গুৱাহাটী উন্নয়ন মন্ত্ৰী অশোক সিংহলে বিধানসভাৰ মজিয়াত ক'লে— গুৱাহাটী মহানগৰীৰ চাৰিখন বৃহৎ পানী যোগান আঁচনি সম্পূৰ্ণ হ'বলৈ এতিয়াও বহু সময় বাকী। ২০২১ৰ ১৮ নৱেম্বৰত গুৱাহাটীৰ এক অনুষ্ঠানত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহলে অহা আঢ়ৈ বছৰৰ আগত মহানগৰবাসীৰ খোৱাপানী সমস্যা কোনোপধ্যে সমাধান নহয় বুলি স্বীকাৰ কৰিলে। মন্ত্ৰী সিংহলে স্পষ্টভাৱে কয়— "খোৱাপানীৰ প্ৰকল্প আঢ়ৈ বছৰত সম্পূৰ্ণ হ'ব।" অৰ্থাৎ ২০২৪ চনৰ আগতে গুৱাহাটীৰ খোৱাপানী সমস্যা সমাধান হোৱাৰ আশা নাই। মুখ্যমন্ত্ৰী মহোদয়লৈ আমাৰ মুকলি প্ৰশ্ন— গুৱাহাটী মহানগৰবাসীয়ে খোৱাপানী কেতিয়া পাব?

২০০২ চনৰ এপ্ৰিলত ৰাষ্ট্ৰীয় জল পৰিকল্পনা ঘোষণা কৰিছিল কেন্দ্ৰীয় জল সম্পদ বিভাগে। ২০০৪ চনৰ মে' মাহত প্ৰতিজন ভাৰতীয়ই খোৱাপানী পোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰে আঁচনি গ্ৰহণ কৰিছিল। একাদশ পঞ্চবাৰ্ষিক (২০০৭-২০১২) পৰিকল্পনাত দেশৰ নগৰ অঞ্চলত ২০১১-১২ বিত্তীয় বৰ্ষৰ ভিতৰত ১০০ শতাংশ খোৱাপানী লাভ কৰাৰ নিশ্চিত আঁচনি গ্ৰহণ কৰা হৈছিল। দেশৰ অন্যান্য প্ৰান্তৰ নগৰ অঞ্চলত এই ব্যৱস্থা কাৰ্যকৰী কৰা হ'ল। দিনটোৰ ২৪ ঘণ্টাই বিশুদ্ধ খোৱাপানী পোৱা উড়িশাৰ পুৰী চহৰ দেশৰ প্ৰথমখন চহৰ হ'ল। অতি দুৰ্ভাগ্যজনক আৰু লজ্জাজনকভাৱে উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ মহানগৰ বুলি পৰিচিত গুৱাহাটী মহানগৰত আজিও মাত্ৰ ৩০ শতাংশ লোকেহে পানী লাভ কৰে; তাকো দিনটোৰ ২-৩ ঘণ্টাৰ বাবে। ১০০ শতাংশ লোকে খোৱাপানী লাভ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ২০০৪ চনতে গ্ৰহণ কৰা আঁচনি আজি ১৮ বছৰে গুৱাহাটী মহানগৰত তথা অসমত কাৰ্যকৰী কৰা নহ'ল। বহুকেইখন চৰকাৰ আহিল, বহু প্ৰতিশ্ৰুতি ঘোষণা কৰিলে, বহু কোটি ৰাজহুৱা ধন ব্যয় কৰা হ'ল, কিন্তু মহানগৰবাসীয়ে পানী নাপালে। গুৱাহাটী মহানগৰৰ মাজেৰে বিশাল ব্ৰহ্মপুত্ৰই অহৰহ পানী কঢ়িয়াই থকাৰ পিছতো মহানগৰবাসীক পানী যোগান ধৰিব নোৱাৰাটো চৰকাৰৰ চূড়ান্ত অকৰ্মণ্যতাৰ পৰিচয়ক।

গুৱাহাটী মহানগৰবাসীক পানী যোগান ধৰাৰ বাবে ১৪ বছৰৰ আগতে ২০০৮ চনৰ পৰা চাৰিখন আঁচনি আৰম্ভ কৰা হৈছিল। চাৰিখন আঁচনিৰ পৰিচালনাৰ বাবে ২০০৯ চনত গুৱাহাটী মহানগৰ পানী যোগান আৰু পয় প্ৰণালী পৰিষদ তথা জল বোৰ্ড গঠন কৰা হ'ল। ২০০৮ চনৰ ২৭ নৱেম্বৰত জাপান চৰকাৰে Japan International Co-Operation Agency তথা জাইকাৰ জৰিয়তে গুৱাহাটী মহানগৰত পানী যোগান প্ৰকল্প কৰাৰ বাবে চুক্তিবদ্ধ হৈছিল। বুজাবুজি চুক্তিত জাইকাই স্পষ্ট কৰি দিছিল যে পানী যোগান প্ৰকল্পৰ তদাৰক আৰু ভৱিষ্যৎ পৰিচালনাৰ বাবে এজন আইএএছ বিষয়াৰ নেতৃত্বত এখন কৰ্তৃত্বশীল বোৰ্ড গঠন কৰিব লাগিব। ৰাজ্য চৰকাৰে ২০০৯ চনত জল বোৰ্ড গঠন কৰি দিলে যদিও জাইকাৰ লগত কৰা বুজাবুজি চুক্তি অনুসৰি জল বোৰ্ডখনৰ আভ্যন্তৰীণ পৰিচালনা ব্যৱস্থা পূৰ্ণাংগ কৰা নহ'ল। জাইকাৰ পৰা ঋণ হিচাপে গ্ৰহণ কৰা বৃহৎ পৰিমাণৰ পুঁজিৰ এক সময় নিৰ্ধাৰিত কাৰ্যসূচীৰ প্ৰকল্প সম্পূৰ্ণ কৰাত ৰাজ্য চৰকাৰে কোনো গুৰুত্ব দিয়া নাই। ১০ বছৰত জল বোৰ্ডৰ পৰিচালন সঞ্চালক পদত ৭জনকৈ নতুন নতুন ব্যক্তিক দায়িত্ব দিয়া হ'ল। এইসকল বিষয়া জবাবদিহি নোহোৱাৰ বাবে জল বোৰ্ডত অনিয়ম, লুণ্ঠন আৰু অবাবত অৰ্থ ব্যয় আদি তুংগত উঠিছে। শেহতীয়াভাৱে ৰাজ্য চৰকাৰে বিভাগীয় মন্ত্ৰী অশোক সিংহলৰ পৰামৰ্শত তামিলনাডুৰ পৰা এগৰাকী মেকানিকেল ইঞ্জিনিয়াৰক মাহে ৪ লাখতকৈ অধিক দৰমহা দি জল বোৰ্ডৰ পৰিচালন সঞ্চালক পদত নিয়োগ কৰিছে। এই বিষয়টোক লৈয়ো এতিয়া বিতৰ্কৰ সৃষ্টি হৈছে।

মহানগৰবাসীক পানী যোগানৰ সম্পূৰ্ণ দায়িত্ব পালন কৰাৰ বাবে জল বোৰ্ডত বিভিন্ন স্তৰত কিমানজন বিষয়া-কৰ্মচাৰীৰ প্ৰয়োজন হ'ব তাৰ বাবে Intitutional Capacity Development Consultant (ICDC)ৰ পৰা প্ৰায় ১ কোটি টকাৰ বিনিময়ত প্ৰতিবেদন প্ৰস্তুত কৰিছিল। সেই প্ৰতিবেদন ৰহস্যজনকভাৱে কাৰ্যকৰী কৰা নহ'ল। বিভাগীয় মন্ত্ৰীলৈ আমাৰ দুটামান মুকলি প্ৰশ্ন— জাইকাৰ লগত কৰা বুজাবুজি চুক্তি আৰু জল বোৰ্ডৰ আইন অনুসৰি জল বোৰ্ডে Water Regulatory Authority গঠন কৰিব লাগে। Water Regulatory authority-এ সকলো বিষয়ৰ ওপৰত চকু ৰখাৰ লগতে পানীৰ মূল্য নিৰূপণ আদি বিষয়সমূহ স্থিৰ কৰিব লাগে। এই অতি গুৰুত্বপূৰ্ণ ব্যৱস্থাটো কৰা হ'লনে? মহানগৰবাসীৰ পানী যোগান ব্যৱস্থাৰ লগতে জল বোৰ্ডৰ কাম-কাজৰ ওপৰত নিৰীক্ষণ ৰখাৰ বাবে মুখ্য সচিবক অধ্যক্ষ হিচাপে লৈ State Level Steering Committee এখন থাকিব লাগে। চৰকাৰৰ বিভিন্ন বিভাগৰ ৯জন মুৰব্বী এই কমিটিখনৰ সদস্য। তিনি মাহৰ অন্তৰে অন্তৰে বৈঠক হ'বলগা এই কমিটিখনৰ বৈঠক নিয়মমতে হৈছেনে? বিষয়সমূহ এইবাবেই উত্থাপন কৰাৰ কাৰণটো হ'ল, ইতিমধ্যে এটা দুষ্টচক্ৰই মহানগৰবাসীক পানী যোগান ধৰিব বিচৰা প্ৰকল্প চাৰিখন লৈ বিভিন্ন দুৰ্নীতি কৰাৰ অভিযোগ উঠিছে। অলেখ অনিয়ম আৰু বিসংগতিৰে জল বোৰ্ড পৰিচালিত হৈ অহাৰ পিছতো ৰাজ্য চৰকাৰে কোনো গুৰুত্ব নিদিয়াৰ উদ্দেশ্য কি? মুখ্যমন্ত্ৰী মহোদয়— জাইকাৰ সহযোগত দক্ষিণ-মধ্য গুৱাহাটী পানী যোগান আঁচনি আৰু উত্তৰ গুৱাহাটী পানী যোগান আঁচনি ২০১৬ চনতে সম্পূৰ্ণ হ'ব লাগিছিল। দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান আঁচনি ২০১০ চনত আৰু দক্ষিণ-পূব গুৱাহাটী পানী যোগান আঁচনি ২০১৪ চনতে আৰম্ভ কৰা। বিধানসভাৰ মজিয়াত আঁচনি চাৰিখনৰ শতাংশ অনুসৰি অগ্ৰগতিহে প্ৰকাশ পায়। কংগ্ৰেছৰ কাৰ্যকাল গ'ল, বিজেপি চৰকাৰৰ প্ৰথমটো কাৰ্যকাল গ'ল, আপোনাৰ চৰকাৰৰ কাৰ্যকালৰ কেতিয়া মহানগৰবাসীয়ে খোৱাপানী লাভ কৰিব ৰাজহুৱাভাৱে জনাব নেকি? পানীৰ বাবে আবেদন কৰা মহানগৰৰ প্ৰতি ঘৰৰ পৰা জল বোৰ্ডে ইতিমধ্যেই পাইপ সংযোগৰ বাবদ এক বৃহৎ অংকৰ মাচুল সংগ্ৰহ কৰিছে। সেৱামূলক কাৰ্যত পূৰ্বৰ চৰকাৰতকৈ আপোনাৰ চৰকাৰে অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। খোৱাপানীৰ বাবে মহানগৰবাসীয়ে ২২ বছৰ অপেক্ষা কৰিবলগা দিশটোক আপুনি নিশ্চয় গুৰুত্ব দিব। এছিয়ান ডেভেলপমেণ্ট বেংকৰ ঋণ, জাইকাৰ ঋণ, কেন্দ্ৰীয় চৰকাৰৰ INNURM-ৰ অনুদান লৈ আৰম্ভ কৰা গুৱাহাটী মহানগৰৰ চাৰিখন পানী যোগান আঁচনি তৎকালে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীক অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিবলৈ আহ্বান জনালোঁ।

মুখ্যমন্ত্ৰীৰ দৃষ্টিকাৰ্ষণ কৰি আমি এই অভিযোগ উত্থাপন কৰিব বিচাৰোঁ যে মহানগৰখনৰ অনাময় তথা শৌচাগাৰ ব্যৱস্থাক মহানগৰ কৰ্তৃপক্ষই কোনো গুৰুত্ব দিয়া নাই। নাগৰিকৰ ঘৰৰ পৰা পৌৰ নিগমৰ লগতে ব্যক্তিগত প্ৰতিষ্ঠানৰ বাহনৰ জৰিয়তে কঢ়িয়াই নিয়া শৌচাগাৰৰ অপৰিস্কাৰ সামগ্ৰীসমূহ পেলাবৰ বাবে নিৰ্দিষ্ট ব্যৱস্থা নাই। সন্দেহজনক স্থানত এনে সামগ্ৰীসমূহ পেলোৱাৰ অভিযোগ আছে। আমি জনাত জাইকাই অসম চৰকাৰক এই ক্ষেত্ৰতো পুঁজিৰ সহযোগ আগবঢ়াইছিল, সেই বৃহৎ অংকৰ পুঁজি অব্যৱহৃত হৈ পৰি আছে। মহানগৰবাসীৰ বাবে ই এক গুৰুত্বপূৰ্ণ সমস্যা। খোৱাপানী আৰু অনাময় ব্যৱস্থা সম্পূৰ্ণ নহ'লে গুৱাহাটী মহানগৰক স্মাৰ্ট চিটি কৰাৰ বিষয়টো অসম্পূৰ্ণ হৈ থাকিব।

*ফোন- ৯৭০৭০২৪৬১২*

# বুঢ়া-আতাই মাধৱদেৱৰ সংগত ধৰ্ম ধৰা সন্দৰ্ভত

ড° খনীন চৌধুৰী

**বুঢ়া** আতাৰ পিতৃ বীৰসাদৰ। উপৰি পুৰুষ আছিল শিৱসাগৰ জিলাৰ খানা-খখৰাৰ। তাত সমস্ত হেৰুৱাই বীৰপাক্ষ গুচি আহে তাঁতিকুছিলৈ- বৰপেটাৰ ছয়কুৰি তাঁতী থকা ঠাই সেয়া। বৰ্তমান বৰপেটাৰ ন-হাটী তেওঁৰ ঘৰ-ভিঠা। জন্মতে তেওঁৰ নাম 'গোপাল'। কলিতাকুলত জন্ম। শৈশৱত খোজ কঢ়াৰ সময়ত নানান অংগী-ভংগী কৰিছিল, ঢোকনত ভৰ দি। সেয়ে পিতামহ বীৰপাক্ষই গোপালক মাতে 'বুঢ়াআতা' বুলি। শিশু কালতেই পিতৃ-মাতৃক হেৰুৱায়। 'সনাতন-কাইথ'ৰ পঢ়াশালিত বিদ্যা-শিক্ষা পিছলৈ ইচ্ছাকুছিৰ শ্ৰী হৰি মিশ্ৰৰ ওচৰত ধৰ্ম লভিবলৈ বুলি যায়। তালৈ অহা-যোৱা কৰি থাকোঁতেই নানজনৰ সংগ লভে।

বুঢ়া-আতাৰ বিবাহ হোৱাৰ বেছ কিছু দিন পিছৰ কথা সেয়া। হৰি-মিশ্ৰৰ ঘৰত শাস্ত্ৰ পঢ়ি আছে। এনেদৰে দিন গৈ আছে, অধ্যয়নৰ যাত্ৰা-পথত ছাত্ৰৰ মনত এক শংকা আহি পৰিল। মন্‌থৈ গাঁৱৰ নাৰায়ণদাস ঠাকুৰ আতাৰ ঘৰত ভক্তি-গান পৰিৱেশন কৰাৰ সময়ত নাৰায়ণদাস ঠাকুৰ আতাই এটা পদৰ ৰচকৰ নাম জানিবলৈ ইচ্ছা কৰাত গোপাল-তাঁতী উত্তৰ দিবলৈ অপাৰগ হয়, আৰু উভতি আহি গুৰু হৰি মিশ্ৰৰ পৰা এই বিষয়ে জানিবলৈ আগ্ৰহ প্ৰকাশ কৰে।

গুৰুক অৱগত কৰিলে। গুৰু উপদেশ পালে— "বিশিষ্ট-গুৰু"ৰ ওচৰলৈ যাবলৈ। তেহে সঁচা-জ্ঞানৰ অধিকাৰী হ'ব সিজনা। গুৰুক সেয়ে সোধা হ'ল—বিশিষ্ট গুৰু বা কোনজন গুৰুৰ উপদেশ বিচাৰিলে বুঢ়া-আতা পুৰুযে। কথা শুনি গুৰু হৰি মিশ্ৰই বোলে "তুমি সুন্দৰীত থকা মাধৱৰ ওচৰলৈ যোৱাগৈ- তোমাৰ সন্দেহ নিৰসন কৰিবলৈ বুলি। সেইজনেহে এই সংসাৰ তৰিব পাৰে তথা তোমাৰ সন্দেহ আঁতৰাব পাৰে। তোমাৰ পদৰ বিচাৰ সেইজনাইহে কৰিব পাৰিব। সেইজনা উদাসীন জীৱন যাপন কৰি থকা মহান। আমি গৃহবাসী— এক অপূৰ্ণ জীৱন-যাপন কৰি ৰৈছোঁ। তুমি ভালকৈয়ে জানা সেয়া কেনে অপূৰ্ণ



জীৱন আমাৰ। আমাৰ ওচৰত 'বিশিষ্ট-গুৰু'ৰ কথা নাথাকে যে। সেয়েহে তেনে এজনলৈ মই বাট দেখুৱাইছোঁ। তুমি সেইজনাৰ ওচৰলৈ গৈয়েই শৰণ লোৱা গৈ যোৱা। পলম নকৰিবা শীঘ্ৰেই তেওঁৰ ওচৰলৈ যোৱাগৈ।' কথা শুনি গোপাল-আতা সংগীসকলক লৈ সুন্দৰীলৈ আহিল মাধৱদেৱৰ ওচৰলৈ। মাধৱৰ ওচৰ পাই সংগী-সহিতে মাধৱক ওচৰলৈ আঠুলৈ সেৱা কৰিলে। মাধৱ সন্তুষ্ট হ'ল- ভক্তি দেখি। গোপালক সুধিলে মাধৱদেৱে কি কাৰণতনো তেওঁৰ ওচৰলৈ আহিল? 'মোৰ শুনিব মন গৈছে- কোৱাচোন'। মাধৱৰ কথা শুনি বুঢ়া-আতাই মাধৱক হাতযোৰ কৰি ক'বলৈ লাগিল, 'বাপ, মোক কৃপা দৃষ্টি কৰি এটা কথা ক'ব লাগে। 'বিশিষ্ট-গুৰু'নো কেনে তাক মই শুনিব খোজো। কি লক্ষণৰে বা অধিকাৰী হৈ থাকে তেনে এজন গুৰু। মোক একো ভাণ্ড নকৰাকৈ কওকচোন? মোৰ গুৰু হৰি মিশ্ৰই পঠিয়াইছে সেই কথাকে জানিবলৈ আপোনাৰ ওচৰলৈ।' তেতিয়া জ্ঞানী-গুণী মাধৱে ক'বলৈ ধৰিলে— এই কথা জানিবলৈ হ'লে বা শুনিবলৈ হ'লে তুমি পূৰ্বৰ গুৰুক তেজিব লাগিব। প্ৰকৃতাৰ্থত সেই পূৰ্ব-গুৰু এৰিলেহে আমি সেই জ্ঞান দিব পাৰিম তোমাক। এনে কথা শুনি বুঢ়া-আতাই ক'বলৈ ধৰিলে— তেওঁ সঁচাকৈয়ে এই জ্ঞান পাব খুজিছে আৰু তাৰ বাবে তেওঁ আগৰ গুৰুক এৰিবলৈকো সাজু জ্ঞান লাভৰ খাতিৰত। আৰু সঁচা কৰিয়েই তেওঁৰ ওচৰত শৰণ ল'বলৈ সাজু। বুঢ়া-আতাৰ মুখত এই কথা শুনি- মাধৱদেৱে ক'লে— 'তেনে ঠিক আছে। তোমালোকে প্ৰত্যেকে নিজৰ পূৰ্বৰ গুৰুৰ নাম একোটা আঁহতৰ পাতত লিখা আৰু তাক একোটা গুলী কৰি পুৰি ছাঁই কৰা, আৰু সেইসমূহ প্ৰতিজনেই গিলা আৰু পিছত উগাৰ-কাঢ়ি উলিয়াই দিয়া। বুঢ়া-আতাই সংগী সমন্বিতে তেনে কাৰ্য কৰি গ'ল হয়, পিছে মাধৱ গুৰু সন্তুষ্ট নহ'ল,-বিশ্বাস নহ'ল সঁচাকে গুৰু ত্যজিলে নে নাই । তেতিয়া পুনৰ ক'লে আৰু তেনে এক সদৃশ কৰ্ম কৰিবলৈ। এইবাৰ তেওঁলোকে কৰিবলগীয়াখিনি হৈছে-প্ৰতিজনে গুৰুৰ নাম লিখিব হাতেৰে আৰু সেই নাম ভৰিৰে মোহাৰিব লাগিব। আৰু তেতিয়াহে মাধৱে বিশ্বাস কৰিব।

আতাৰ বাহিৰে সকলোৱেই নাম লিখি ভৰিৰে মচিলে হয়, পিছে আতাই নাম লিখি উঠি দেখোন হাতেৰেহে মচে। কাণ্ড দেখি মাধৱে ক'লে, আতাক 'তুমি তেনে গুৰুক নেৰা। তুমি ছল কৰি মোক ভাণ্ডিবালৈহে আহিছা।' তেতিয়া আতাই ক'ব লাগিল, 'বাপ, আমি গুৰুক এৰিছোঁ, পিছে ব্ৰহ্মাক্ষৰ বুলি মই সেই আখৰ ভৰিৰে মচিব নোৱাৰোঁ। তদুপৰি মোৰ পূৰ্বৰ গুৰুৱে আপোনাকেই গুৰু আঙুলিয়াই পঠিয়াইছে দেখোন । তেনে ই কেনে কথা?' আতাৰ কথা শুনি মাধৱদেৱে প্ৰশংসা কৰি আতাক সাধু-সাধু বুলিলে আৰু ক'লে, 'তেনে শুনা বাৰু বিশিষ্ট গুৰুৰ লক্ষণ কেনে। এইটোৱেই সকলো শাস্ত্ৰৰ-মাজৰ মূল। ইয়াৰেই সংসাৰৰ নিকাৰ তৰিব পাৰি। এই বুলি মাধৱে আতা বিদ্যমানে ক'বলৈ লাগিল বিশিষ্ট গুৰুৰ কথা:

যিজনে নিজৰ উত্তম কল্যাণ সাধিব খোজে, তেনেজনে প্ৰথমে নিজৰ গুৰুক সন্মান কৰিব।

যিজন গুৰুৱে শাস্ত্ৰ জানে আৰু কৃষ্ণৰ ভকত হৈ থাকে তেনে গুৰুহে উপদেশ দিবৰ উপযুক্তজন।

শাস্ত্ৰ নজনাজন পণ্ডিত নহয় আৰু তেনে গুৰু উপদেশ দিয়াৰ লায়ক নহয়।

আনহাতে যিজন পণ্ডিত হ'লেও যদি ভকত নহয়, তেনে গুৰুৰ শিষ্যত উপদেশ দিবলৈ উপযুক্তজন নহয় ।

বিশিষ্ট গুৰুজনে পূৰ্ণ ব্ৰহ্ম কৃষ্ণক মনত লৈ ভক্তি কৰি ৰ'ব আৰু হৃদয়ত তেওঁৰেই সাধনা কৰি থাকিব।

সকলোতে বিষ্ণু বুদ্ধি মহাজ্ঞান কৰিব।

গুৰুৰ চৰণত ভক্তি কেতিয়াও নুগুচে আৰু বিষ্ণুৰেই সুকীৰ্তি অবিৰত গাই ৰয়। তেনেজন বিশিষ্ট গুৰুৰ সেৱাহে কৰিবা তুমি। তেনে গুৰুসেৱাহে তৰিবলৈ যোগ্য আৰু ইয়াকেই মই তোমাক ক'লো। তেনে লোকেহে তোমাৰ সকলো সন্দেহ নিৰসন কৰি তোমাক তৰাৰ পথ দেখুৱাবৰ যোগ্যজন বিবেচিত হয়।

# মৰম স্নেহ আৰু যোগ্যতানুসৰি সন্মান জীৱনৰ চালিকা শক্তি

ৰীণা বিশ্বাস

**যন্ত্ৰ** এটাৰ চালিকা শক্তি হৈছে ইন্ধন। ইন্ধন অবিহনে যন্ত্ৰৰ কোনো মহত্ব নাথাকে। আমি ভাবোঁ, পৃথিৱীত ঈশ্বৰে প্ৰাণীৰ সৃষ্টি কৰি প্ৰতিটো প্ৰাণীৰ দেহাতে যি যন্ত্ৰ স্থাপন কৰিলে তাৰ আৰ্হি আৰু আলমতেই মানুহে বিভিন্ন যন্ত্ৰ-পাতিবোৰ সৃষ্টি কৰিবলৈ প্ৰেৰণা পাইছে। সেইফালৰ পৰা চাবলৈ গ'লে, প্ৰাণী যেতিয়া চলি ফুৰি জীয়াই থাকে তেতিয়া তাক চলাই ফুৰা যন্ত্ৰটোক জীৱন যন্ত্ৰ আৰু যি চালিকা শক্তি অৰ্থাৎ ইন্ধনৰ দ্বাৰা এই জীৱন যন্ত্ৰ সুচাৰুৰূপে পৰিচালিত হয়, তাক জীৱন তন্ত্ৰ বুলিও ক'ব পাৰি। যন্ত্ৰ চালিত ইঞ্জিন এটাই যেনেকৈ তেল-মবিল (ইংৰাজীত যাক লুব্ৰিকেণ্ট বুলি কোৱা হয়) আদিৰ যথাযথ ব্যৱহাৰৰ দ্বাৰা সুচাৰুৰূপে কাম কৰে, ঠিক সেই দৰে প্ৰত্যেক প্ৰাণীৰ জীৱন তন্ত্ৰও শুদ্ধ পৰিবেশ, উষ্ম সহচৰ্য, সৎ ব্যৱহাৰ আৰু সঁচা মৰম- চেনেহৰ দ্বাৰা সুপৰিচালিত হয়। ঈশ্বৰে কোনো প্ৰাণীকে অকলশৰীয়াকৈ জীয়াই থাকিবলৈ সৃষ্টি কৰা নাই। সেয়ে হ'বলা ইতৰ প্ৰাণীকুলৰ মাজতো পাৰস্পৰিক সাদৃশ্য থকা জাতি আৰু প্ৰজাতি থাকে। সকলো প্ৰাণীয়েই নিজৰ প্ৰজাতি অথবা কুলৰ আনসকলৰ লগত একগোট হৈ জীয়াই থাকে। জীৱনৰ স্বল্পম্যাদী সময়খিনি যাতে পৰস্পৰক সহায়-সহযোগ কৰি, বিপদে-আপদে একগোট হৈ আপদ-বিপদ মোকাবিলা কৰি নিজৰ লগতে সকলোৰে প্ৰাণ ৰক্ষা কৰিব পাৰে তাৰ কাৰণেই মাউখে উটি জীৱন নিৰ্বাহ কৰাৰ সকলোৱে পক্ষপাতি।

পৃথিৱীত মানুহ জীৱ শ্ৰেষ্ঠ প্ৰাণী। মানুহৰ মাজত প্ৰকাশিকা শক্তি প্ৰদান কৰি ঈশ্বৰে কিজানি সমগ্ৰ ইতৰ প্ৰাণীৰ ওপৰত নিজৰ প্ৰতিপত্তি স্থাপন কৰিবলৈ মানুহক বাট উলিয়াই দিছে। সেয়েহে মানুহে ইচ্ছা কৰিলে মৰম-স্নেহ আৰু শাসনৰ দ্বাৰা প্ৰকাণ্ড জন্তুকো নিজৰ আয়ত্বলৈ আনিব পাৰে। কিন্তু মানুহৰ পৰা মৰম-স্নেহ আৰু নিৰাপত্তা নাপালে কোনো জন্তুও মানুহৰ লগত সহমৰ্ম্মিতাৰে জীয়াই থাকিব নোৱাৰে। পৃথিৱীত কিজানি একমাত্ৰ মানুহেই মৰম-স্নেহ, ভালপোৱা, বিতৃষ্ণা আদি ভাষাৰে প্ৰকাশ কৰিব পাৰে। সেয়েহে একমাত্ৰ মানুহেই মৰমৰ বিভিন্ন শব্দ প্ৰয়োগেৰে বনৰীয়া জীৱ-জন্তুকো ঘৰচীয়া কৰি কিছুমানক মানুহৰ দৰে মাত-কথা শিকাবলৈ সক্ষম হয়। প্ৰথম অৱস্থাত কৃষক পৰিয়ালে খেতি-খোলাৰ বাবে গৰু পুহিছিল। গাই গৰু, বলধ গৰু, ছাগলী, মেকুৰী, কুকুৰ, হাঁহ, পাৰ, কুকুৰা আদিৰে নদন-বদন একোটা অসমীয়া কৃষক পৰিয়াল। সেয়েহে প্ৰত্যেক অসমীয়া কৃষক পৰিয়ালে ঘৰচীয়া জীৱ-জন্তু আদিৰ স'তে সহাৱস্থান কৰি জীৱন নিৰ্বাহ কৰে। খেতিয়কে অতি মৰমেৰে বলধ হালক ৰঙাই, বগাই আৰু খীৰতি গাইগৰু জনীক কলী, বগী আদি নামেৰে নামাকৰণ কৰি যেন নিজৰেই পেটৰ পোৱালি তেনেকৈ মৰম-স্নেহ কৰে। সেই মৰম- স্নেহত পমি বলধ গৰু-গাই গৰুবোৰেও যেন পুৰা মুকলি কৰি দিলেও গধূলিনিজে নিজেই আহি নিজৰ ঘৰৰ গোহালিত সোমায়হি। খেতিৰ ভৰপক বতৰত বতাহ-বৰষুণকো নেওচি গৃহস্থৰ লগত পথাৰত হাল বোৱা কামত নিয়োজিত হয়। বৰ্তমান অৱশ্যে এনেকুৱা অসমীয়া কৃষক পৰিয়ালৰ সংখ্যা দিনক দিনে কমি আহিছে। তথাপি ঘৰচীয়া জীৱ-জন্তুক মৰম-স্নেহেৰে নিজৰে ঘৰতেই পোহাৰ চানেকি বিচাৰিলে অসমীয়া কৃষক পৰিয়ালৰ নাম প্ৰথমেই ল'ব লাগিব। যিবোৰ চাৰিঠেঙীয়া জন্তু মানুহে নিজৰ হিতৰ বাবে ঘৰচীয়া কৰি পোহে আৰু সিহঁতৰ লগত সহাৱস্থান কৰে তাৰ মূল আধাৰেই হৈছে মৰম-স্নেহ। মৰম-স্নেহ, নিৰাপত্তা আৰু অভয় নাপালে কোনো জন্তুৱেই গৃহস্থৰ আজ্ঞাবাহী হৈ গৃহস্থৰ স'তে নাথাকে।

মৰম-স্নেহ, নিৰাপত্তা আৰু উপযুক্ত সন্মান এই শব্দবোৰ আমাৰ জীৱনৰ আটাইতকৈ সূক্ষ্ম অনুভূতি আৰু পাৰস্পৰিক নিৰ্ভৰশীলতাৰ আচল চাবি-কাঠি। দেশ-কাল ভেদে প্ৰত্যেক পৰিয়ালৰ পৰা আৰম্ভ কৰি চৌদিশে মৰম-স্নেহ, নিৰাপত্তা আৰু উপযুক্ত সন্মান বিয়পি আছে। কাহানিও তাৰ মূল অৰ্থৰ অলপো হেৰফেৰ নহয়। আমি যদি নিজকে এই অপাৰ বিশ্বব্ৰহ্মাণ্ডৰ এটা অতি ক্ষুদ্ৰ কণিকা বুলিও গণ্য কৰোঁ, তাৰ আঁৰতো আমাৰ মনত কাৰোবাৰ মৰম-স্নেহ আৰু ভক্তি ভাবৰ বিশ্বাস আছে। এই মৰম-স্নেহ আৰু বিশ্বাসক সমল হিচাপে লৈ আমি আজীৱন জীয়াই থকাৰ শক্তি আহৰণ কৰোঁ। মৰম-স্নেহ, বিশ্বাস, নিৰাপত্তা আৰু যথোপযুক্ত সন্মান প্ৰথমে আমাৰ প্ৰত্যেক পৰিয়ালতে আৰম্ভ হয়। তাৰ পৰা একাদিক্ৰমে ই সমাজ, দেশ আৰু পৃথিৱীলৈ বিয়পি পৰে। আমি সকলোৱে ইয়াৰ মাজেদিয়েই পৃথিৱীত আমাৰ নিজ নিজ অস্তিত্ব, অৱস্থিতি আৰু প্ৰয়োজনীতা অনুভৱ কৰিব পাৰোঁ। মৰ্যাদা আৰু আত্মবিশ্বাসৰ বিমূৰ্ত ধাৰণাই আমাক মানসিকভাৱে সবল আৰু সুঠাম কৰি ৰাখে। পৰিয়াল আৰু সমাজেই সভ্যতাৰ শিখৰত অৱগাহন কৰাৰ মূল সোণালী পথ। কাৰণ পৰিয়াল পাতি বাস কৰাৰ পিছতেই মানৱ সভ্যতা দোপতদোপে বিকাশৰ দিশে আগবাঢ়ি বৰ্তমানৰ অৱস্থা পাইছে। পৰিয়ালৰ পৰাই প্ৰথমে মৰম-স্নেহ, মান-সন্মান আৰু এজনে আনজনৰ প্ৰতি সহসৰ্ম্মিতাৰ জ্ঞান আহৰণ কৰে।

নিজ নিজ পৰিয়ালত সন্তান সকলক তেওঁলোকৰ পিতৃ-মাতৃ, ককাক-আইতাক আদিয়ে মৰম-স্নেহ আৰু আদৰ্শ অনুশাসনেৰে ডাঙৰ-দীঘল কৰিবলৈ প্ৰয়াস কৰে। এই প্ৰথা সাৰ্বজনীন। সন্তান সকল ক্ৰমে ডাঙৰ হৈ অৰ্জন কৰা যোগ্যতা অনুসৰি তেওঁলোকক পৰিয়ালৰ সকলোৱে মৰম-স্নেহ কৰাৰ উপৰি সন্মান প্ৰদৰ্শন কৰে। পৰিয়ালৰ পৰা পোৱা মৰম-স্নেহ আৰু উপযুক্ত সন্মানে তেওঁ লোকক জীৱনৰ বাটত আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগায়। জীৱনটোক উপযুক্তভাৱে চলাই নিবলৈ পৰিয়ালৰ প্ৰতিজন সদস্যৰেই মৰম-স্নেহ আৰু যোগ্যতানুসৰি সন্মানৰ প্ৰয়োজন হয় । ভাৰতীয় পুৰুষ প্ৰধান সমাজত নাৰীৰ মৰ্যাদা পৰিয়ালৰ অন্তৰ্ভাগৰ পৰাই আৰম্ভ হয়। সন্তান জন্ম দি সন্তান সকলক সুশিক্ষা আৰু আদৰ্শৰে ডাঙৰ-দীঘল কৰাত পৰিয়ালত নাৰী গৰাকীৰ ভূমিকা আখৰেৰে লিখি বুজাই দিব নোৱাৰি। জীৱিকা অৰ্জন কৰি পৰিয়ালৰ ভৰণ-পোষণ দিয়াৰ মাত্ৰানুসৰি পৰিয়ালৰ পুৰুষজনক সকলোৱে মান-সম্ভ্ৰম আৰু ভয়-ভক্তি কৰি চলাৰ নিয়ম ভাৰতীয় আদৰ্শ পৰিয়ালৰ লক্ষণ। একে আষাৰে ক'বলৈ গ'লে, যুগ যুগ ধৰি ভাৰতীয় পুৰুষ প্ৰধান পৰিয়ালত গুৰিয়াল ব্যক্তিজনক আদৰ-সন্মান আৰু ভয়-ভক্তিৰে তেওঁৰ ব্যক্তিত্বক উচ্চ আসন প্ৰদান কৰাৰ প্ৰথা চলি আহিছে । পৰিয়ালৰ সকলো সদস্যৰ পৰা পোৱা ভৰসা, বিশ্বাস আৰু যোগাত্মক আচৰণে পৰিয়ালৰ মুখ্য মানুহজনক আত্মবিশ্বাসী হ'বলৈ একপ্ৰকাৰ জীৱনীশক্তি প্ৰদান কৰে। সকলোৱে তেওঁৰ ওপৰত কৰা যোগাত্মক ভৰসাই পৰিয়ালৰ সকলোৱে ভৱিষ্যত স্থিৰ কৰিবলৈ যিকোনো কষ্ট স্বীকাৰ কৰি নিজৰ কৰ্তব্যত আগবাঢ়ি যাবলৈ তেওঁক সাহস আৰু শক্তি প্ৰদান কৰে।

সেয়েহে পৰিয়ালৰ গুৰিয়াল ব্যক্তিজনক তেওঁৰ সন্তানে পৃথিৱীৰ সকলোতকৈ শক্তিশালী মানুহ বুলি ভবাৰ লগতে তেওঁৰ পত্নীৰ বাবে ঘৰৰ পুৰুষজনেই সকলো আশা-ভৰসাৰ স্থল হৈ পৰে। ঠিক সেইদৰে বৃদ্ধ পিতৃ-মাতৃয়েও এটা বয়সত পৰিয়ালৰ মুৰব্বীৰ ভূমিকা গ্ৰহণ কৰা পুত্ৰক বাকীছোৱা জীৱনৰ আশ্ৰয় স্থল বুলি ভাবি নিৰ্ভয়ে জীয়াই থাকিব পাৰে।

এইদৰেই পৰিয়ালৰ পৰা পোৱা ভৰসা আৰু যোগাত্মক শক্তিয়ে যেনেকৈ পুৰুষ প্ৰধান পৰিয়ালৰ ঘাই পুৰুষজনক সদায় পৰিয়ালৰ শক্তিশালী ব্যক্তি হ'বলৈ সহায় কৰে, ঠিক সেইদৰে পৰিয়ালৰ সকলো পৰিকল্পনাত মুখ্য আৰু বিশেষ ভূমিকা লোৱা মহিলাগৰাকীয়েও যদি পৰিয়ালৰ অন্যান্য সদস্যৰ পৰা তেনে ইতিবাচক ব্যৱহাৰ, আত্মবিশ্বাস আৰু ভৰসা পায় তেন্তে প্ৰতিগৰাকী মহিলায়ো পুৰুষৰ সমানেই যিকোনো কামত আগবাঢ়ি যাবলৈ সামৰ্থ্য ৰাখিব পাৰে। স্বল্পাৰ্থত, বিশেষকৈ আমাৰ ভাৰতীয় পৰিয়াল ব্যৱস্থাত জন্মৰ পিছৰে পৰাই ছোৱালী এজনীক ঘৰৰ আন সদস্যই দুৰ্বল আৰু অবলা বুলি গণ্য কৰে আৰু মহিলা বুলিয়েই তেওঁলোক বহুতো ক্ষেত্ৰত হকা-বধাৰ সন্মুখীন হ'বলগীয়া হয়। ভাৰতীয় সমাজত মহিলা সকলক প্ৰধানকৈ ঘৰ-সংসাৰৰ কাম-কাজৰ বাবেই উপযুক্ত বুলি বিশ্বাস আৰু গণ্য কৰা হয়। বহুতো পৰিয়ালত উচ্চ শিক্ষিত মহিলাসকলেও কেৱল ঘৰুৱা কাম-কাজতেই ব্যস্ত থাকিব লগা হোৱা হেতুকে তেওঁলোকক পুৰুষৰ সমান মৰ্যাদাৰ চকুৰে চোৱা নহয়। কেৱল মহিলা হৈ জন্মগ্ৰহণ কৰা বুলিয়েই উচ্চ শিক্ষাৰে শিক্ষিত হ'লেও, মহিলা এগৰাকীক উপযুক্ত আৰু প্ৰাপ্য সন্মানৰ পৰা বঞ্চিত কৰাটো উচিত নহয়। এই ক্ষেত্ৰত পৰিয়ালৰ প্ৰতিজন লোক সামান্যতমো সচেতন নহ'লে মহিলাগৰাকীৰ মানসিক শক্তি দিনক-দিনে লাঘৱ হ'বলৈ ধৰে; আৰু তাৰ ফলত মহিলাগৰাকীয়ে এটা সময়ত ঘৰৰ চাৰিবেৰৰ পৰা ওলাই গৈ কোনো দায়িত্ব পূৰ্ণ কামত পাৰদৰ্শিতা দেখুৱাবলৈ অপাৰগ বৰ্তমান আধুনিক যুগত ভাৰতীয় সমাজত একোগৰাকী বিদুষী মহিলাই স্থান ভেদে কিছু কিছু পৰিয়ালত আন সদস্যৰ পৰা পুৰুষৰ সম-মৰ্যাদা পাইছে যদিও সেয়া বহুত বেছি পুৰণি কথা নহয়। ১৯৩০ত ডিব্ৰুগড়ৰ বালিকা স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী আৰু ছাত্ৰী সকলৰ নিমন্ত্ৰণ ক্ৰমে বেজবৰুৱাই ডিব্ৰুগড়লৈ আহি সভা এখনত উপস্থিত হৈ ডিব্ৰুগড়ৰ অসমীয়া তিৰোতা সকলৰ সবল স্থিতি দেখি মনত সন্তুষ্টি লাভ কৰিছিল বুলি তেওঁৰ নাতিদীৰ্ঘ প্ৰবন্ধ 'মোৰ মাতৃমুখ দৰ্শন'ত প্ৰকাশ কৰিছে।



মনস্তাত্বিকভাৱে চিন্তা কৰিলে ক'ব পাৰি যে জন্মৰ পৰা অথবা জ্ঞান হোৱা দিনৰে পৰা পৰিয়ালৰ সদস্য সকলৰ পৰাই নাৰী সকলে বিশ্বাস আৰু যোগাত্মক প্ৰেৰণা নোপোৱা বাবেই মহিলা সকলৰ মনৰ আন্ত:গাঁথনি আৰু আত্মবিশ্বাস লেহুকা হয়। ফলত বৰ্তমান বিজ্ঞান প্ৰযুক্তিৰ আকাশলংঘী অগ্ৰগতিৰ সময়তো ভাৰতীয় সমাজত পুৰুষৰ তুলনাত সৰ্বাধিক মহিলাই ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ থাকি পৰিয়ালৰ ঘৰুৱা কামতেই আত্মনিয়োগ কৰি জীৱন পাত কৰে। আধুনিকতাৰ পৰশত বৰ্তমান কিছুমান মহিলাই ঘৰৰ চাৰিবেৰৰ মাজৰ পৰা ওলাই গৈ বিভিন্ন বিভাগত অংশগ্ৰহণ কৰি সেৱা আগবঢ়াই আছে যদিও সেয়া চমকপ্ৰদ আৰু বিস্তীৰ্ণ নহয়। সেয়েহে ভাৰতীয় নতুন শিক্ষা নীতিৰ কথা ক'বলৈ গৈ মহাত্মা গান্ধীয়ে কৈছিল, 'এগৰাকী নাৰীক শিক্ষা দিয়া, তেন্তে এটা পৰিয়ালক শিক্ষা দিয়া হ'ব।' গান্ধীজীয়ে সমাজৰ প্ৰায় অৰ্ধেক জনসংখ্যাক প্ৰতিনিধিত্ব কৰা মহিলাসকলৰ বাবে সেই তাহানিতে যি উক্তি ব্যক্ত কৰিছিল তাৰ আঁৰত বোধহয় এই কথাষাৰেই লুকাই আছে যে জন্মৰ পৰাই যদি এটি কন্যা শিশুৱে পৰিয়ালৰ পৰা সম-মৰ্যাদা, উৎসাহ আৰু যোগাত্মক আচৰণ লাভ কৰে তেনেহ'লে এটা সময়ত আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয় আহৰণ কৰি সমাজৰ যিকোনো কামৰ ক্ষেত্ৰতে আগবাঢ়ি যাবলৈ মহিলা সকলে কুণ্ঠাবোধ নকৰে । পাশ্চাত্য সমাজত নাৰী-পুৰুষৰ স্থান প্ৰায় সমান হোৱা হেতুকে পাশ্চাত্যৰ উন্নত সমাজ ব্যৱস্থাৰ লগত ভাৰতীয় সমাজ ব্যৱস্থাৰ আকাশ-পাতাল পাৰ্থক্য বিদ্যমান।

নাৰী হওক অথবা পুৰুষ, ব্যক্তি এগৰাকী শাৰীৰিকভাৱে কিমান শক্তিশালী সেই কথাই জীৱনত বহুত বেছি প্ৰভাৱ পেলাব নোৱাৰে, কাৰণ বিশেষ প্ৰয়োজন নহ'লে বৰ্তমান আধুনিক যুগৰ শিক্ষিত মানুহে শাৰীৰিক শক্তি প্ৰদৰ্শন কৰি কোনো বিশেষ কাম সমাধান কৰিব লগা নহয়। আধুনিক বিজ্ঞান-প্ৰযুক্তিৰ সাফল্যই বৰ্তমান যিকোনো বলে নোৱৰা কাম নিমিষতে সহজে কৰিব পৰাকৈ বিভিন্ন অত্যাধুনিক যন্ত্ৰ-পাতি সৃষ্টি কৰি মানুহক সক্ষম কৰি তুলিছে। আমি মানিবই লাগিব যে মানসিক শক্তি জীৱনযন্ত্ৰৰ আধাৰ স্বৰূপ। সেয়ে নাৰী-পুৰুষ উভয়ৰে শাৰীৰিক শক্তিৰ তুলনাত মানসিক শক্তিৰ প্ৰয়োজন অধিক। শিক্ষা আৰু সংস্কাৰে মানসিক শক্তি বৃদ্ধি কৰে যদিও পৰিয়ালত পৰস্পৰৰ প্ৰতি কৰা বিশ্বাস, আস্থা, সম-মৰ্যাদা, মৰম-স্নেহ, সন্মান আদিয়েও মানসিক শক্তি বৃদ্ধি কৰাত সহায় কৰে। সেয়েহে পুৰুষ-মহিলা উভয়ে পৰিয়ালৰ সদস্য সকলৰ পৰা সম-মৰ্যাদা পালে এগৰাকী মহিলায়ো পুৰুষৰ সমান যিকোনো কামত কৃতকাৰ্য হ'ব পাৰে। কোৱা হয় এগৰাকী নাৰীয়ে তিনিবাৰ জন্ম গ্ৰহণ কৰে। প্ৰথমবাৰ মাতৃ গৰ্ভৰ পৰা, দ্বিতীয়বাৰ বিবাহৰ পিছত স্বামী গৃহত প্ৰৱেশ কৰি আৰু তৃতীয়বাৰ সন্তান জন্ম দিওঁতে। গতিকে দেখা যায় যে এগৰাকী নাৰী কায়িকভাৱে প্ৰকৃতিৰ নিয়ম অনুসৰি এবাৰেই ভূমিষ্ঠ হয়; কিন্তু মানসিকভাৱে তেওঁ আৰু দুবাৰ জন্ম লাভ কৰে। মানসিকভাৱে শক্তিশালী নাৰীসকলক যদি পৰিয়ালৰ পৰাই উপযুক্ত সন্মান, মৰম-স্নেহ আৰু মৰ্যাদা প্ৰদান কৰা হয় তেন্তে পৃথিৱীত এনেকুৱা কোনো কামেই বোধহয় নাই, য'ত নাৰীয়ে পুৰুষৰ সমান কৃতকাৰ্যতাৰে আগবাঢ়ি যাব নোৱাৰিব। আধুনিক শিক্ষা আৰু প্ৰযুক্তিবিদ্যাৰ উত্তম বিকাশৰ সময়ত এনেবোৰ ব্যাখ্যাই চকুত চাট মাৰি ধৰিব নোৱাৰিলেও, বহুতো শিক্ষিত পৰিয়ালত এতিয়াও নাৰীক কোমল আৰু যিকোনো পৰিস্থিতিৰ বাবে উপযুক্ত বুলি গণ্য কৰা নহয়। মহিলা সকলে পৰিয়ালৰ অগ্ৰজসকলৰ পৰা সৰুৰে পৰাই এনে ব্যৱহাৰৰ সন্মুখীন হোৱাৰ ফলত তেওঁলোকৰ মানসিক শক্তিৰ ওপৰত আওপকীয়াকৈ কু-প্ৰভাৱ পৰে। সেয়ে সৰহ সংখ্যক মহিলাই এতিয়াও যিকোনো কামৰ বাবে প্ৰথমে নিজৰ ওপৰত ভৰসা কৰাৰ সলনি ঘৰৰ পুৰুষ সকলৰ ওপৰত বেছিকৈ ভৰসা কৰে। কিন্তু ই উচিত কথা নহয় । নাৰী হওক বা পুৰুষ, লিংগ ভেদে শৈশৱ কালৰ পৰাই প্ৰতিটো শিশুৱে পৰিয়ালৰ সকলো সদস্যৰ পৰা সম-মৰ্যাদাপূৰ্ণ মৰম-স্নেহ আৰু যোগ্যতানুসৰি সন্মান লাভ কৰিব লাগে । কাৰণ মৰম-স্নেহ আৰু প্ৰাপ্য সন্মানেই হৈছে জীৱনৰ চালিকা শক্তি ।

ফোন ৭০০২৭৩৪৯৬২



ঠেঙাল স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে ভোট দাতাৰ শাৰি, তিতাবৰত বৃহস্পতিবাৰ।

# ৭২ বছৰীয়া বৃদ্ধক হত্যা কৰি পেলাই থৈ

*এক পৃষ্ঠাৰ পৰা* যে ঘটনা সংঘটিত হোৱা বাসগৃহটোৰ গৰাকী ছাহজাহান আলী কৰ্মসূত্ৰে সপৰিয়ালে গুৱাহাটীত বাস কৰে। যোৱা নিশা দেৱানী আলীক এই গৃহতে কোনো দুৰ্বৃত্তই হত্যা কৰি পাছত মৃতদেহ চোতালৰ পৰা চোঁচৰাই নি পিছফালে পেলাই দিয়া বুলি সন্দেহ কৰিছে প্ৰত্যক্ষদৰ্শীয়ে। এই হত্যাকাণ্ডক তীব্ৰ ভাষাৰে গৰিহণা দি অপৰাধীক শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী জনাইছে স্থানীয় দল-সংগঠনে। আজি পুৱা ঘটনাস্থলীত আৰক্ষী-দণ্ডাধীশ উপস্থিত হৈ আলীৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# দিন-দুপৰতে তিনি লাখ টকা লুট কৃষ্ণাইত

*এক পৃষ্ঠাৰ পৰা* নামৰ চুপাৰি ব্যৱসায়ীজনে এছবিআইৰ কৃষ্ণাই শাখাৰ পৰা তিনি লাখ টকা সংগ্ৰহ কৰে। তেওঁ এখন মোনাত টকাখিনি লৈ কৃষ্ণাই বজাৰৰ মূল পথেৰে নিজৰ কৰ্মস্থলীলৈ আগবঢ়াৰ সময়তে মটৰ চাইকেলত অহা দুজন যুৱকে ইশ্ৰাফুলৰ হাতৰ পৰা টকাৰ মোনাখন থপিয়াই উধাও হয়।


# ৰাজ্যৰ ১৬ জিলাৰ ক'ভিড পৰিস্থিতি অধিক

*এক পৃষ্ঠাৰ পৰা* আজিৰ আক্ৰান্তসকলৰ ভিতৰৰ ১,৭১৬ জন হ'ল কামৰূপ মহানগৰৰ। ইয়াৰ পাছতে ডিব্ৰুগড়ত ৪৮৬ জন, কামৰূপত ৪২৪ জন আৰু কাছাৰত ৪২২ জন আক্ৰান্ত হয়। প্ৰসংগক্ৰমে উল্লেখ্য যে উল্লিখিত জিলা কেইখনৰ লগতে যোৰহাট জিলাৰ পৰিস্থিতি অধিক স্পৰ্শকাতৰ বুলি স্বাস্থ্য বিভাগে সতৰ্কতা জাৰি কৰিছে। তদুপৰি অধিক স্পৰ্শকাতৰ জিলাৰ তালিকাত তিনিচুকীয়া, বৰপেটা, শিৱসাগৰ, ধুবুৰী, কৰিমগঞ্জ, লখিমপুৰ, ধেমাজি, নগাঁও, দৰং, শোণিতপুৰ, গোৱালপাৰা, গোলাঘাটক অন্তৰ্ভুক্ত কৰা হৈছে। অৱশ্যে মাজুলী আৰু কাৰ্বি আংলং আৰু ডিমা হাছাওৰ বাদে আন জিলাকেইখনৰো পৰিস্থিতি উদ্বেগজনক। কাৰণ প্ৰতিখন জিলাত আক্ৰান্তৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি হৈছে। যোৱা ১০ দিনত কামৰূপ মহানগৰ জিলাত সৰ্বাধিক ১২,৯১১ জন লোক আক্ৰান্ত হয়। ইয়াৰ পাছতে কাছাৰত ৩,০৬২, ডিব্ৰুগড়ত ৩,০৫৩, যোৰহাটত ২,৭৭১, কামৰূপত ২,২৬২, তিনিচুকীয়াত ২,১৮৫, নগাঁৱত ১,৫৮৯, বৰপেটাত ১,৪৫৮, শোণিতপুৰত ১,৪২৩, গোলাঘাটত ১,৪১৪, শিৱসাগৰত ১,২৮৫, ধুবুৰীত ১,২৫৫, কৰিমগঞ্জত ১,২৩৯, লখিমপুৰত ১,২২১, ধেমাজিত ১,০৭৬ আৰু গোৱালপাৰাত ১,০০১ জন লোক আক্ৰান্ত হয়।

আজি যোৰহাট আৰু নগাঁৱত দুজনকৈ ক'ভিড ৰোগীৰ মৃত্যু হয়। এজনকৈ ৰোগীৰ মৃত্যু হোৱা জিলাকেইখন হ'ল বঙাইগাঁও, কাছাৰ, ধেমাজি, গোৱালপাৰা, কামৰূপ, নলবাৰী, শোণিতপুৰ আৰু তিনিচুকীয়া।

### ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কৰ'নাৰ ভয়াৰহ সংক্ৰমণ ঃ তিনি হাইস্কুল সাতদিনলৈ বন্ধ

**ডিব্ৰুগড়ৰ বিশেষ সংবাদদাতা ঃ** ডিব্ৰুগড়ত ক'ভিড-১৯ৰ ভয়ংকৰ সংক্ৰমণত শংকিত হৈ পৰিছে ডিব্ৰুগড়বাসী।



ডিব্ৰুগড় জিলাত বিগত দিনকেইটাত ব্যাপক হাৰত সংক্ৰমণ বৃদ্ধি পাইছে। জিলাখনৰ বৌদ্ধিক পীঠস্থান ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অৰ্ধশতাধিক শিক্ষক-কৰ্মচাৰী ক'ভিড পজিটিভ হোৱাত সমগ্ৰ বিশ্ববিদ্যালয়ৰ চৌহদৰ আবাসীৰ মাজত আতংকৰ সৃষ্টি হৈছে। ক'ভিড সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি বিগত সপ্তাহত বিশ্ববিদ্যালয়ৰ আঠটাকৈ ছাত্ৰ-ছাত্ৰী নিবাস ২১ জানুৱাৰীলৈ বন্ধ ৰখাৰ লগতে বিশ্ববিদ্যালয়ৰ সকলো বিভাগৰে পাঠদান বন্ধ ৰখাৰ কথা কৰ্তৃপক্ষই ঘোষণা কৰিছিল যদিও কাৰ্যালয়ৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াৰ বিষয়ে জাননী জাৰি কৰিছিল। লগতে ২১ জানুৱাৰীত সকলো ছাত্ৰ-ছাত্ৰীক বিশ্ববিদ্যালয়ত উপস্থিত হ'বলৈ নিৰ্দেশ জাৰি কৰাৰ পাছতে হঠাৎ ২১৮জন শিক্ষক-কৰ্মচাৰীৰ ভিতৰত ৫৯জনৰ দেহত ক'ভিড ধৰা পৰাত সকলো হতবাক হৈ পৰে। আনহাতে, ডিব্ৰুগড়ৰ জিলা সত্ৰ ন্যায়াধীশ আদালতৰ দণ্ডাধীশৰ লগতে ৪৫জন কৰ্মচাৰী-অধিবক্তা ক'ভিডত আক্ৰান্ত হৈছে। ইফালে, ডিব্ৰুগড়ৰ চেঁচুঘাট শিলপোতা সংযুক্ত হাইস্কুল, মদাৰখাট গাৰ্লছ হাইস্কুল আৰু তিনঠেঙীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুলক মাইক্ৰ'-কন্টেইনমেন্ট জ'ন ঘোষণা কৰি সাতদিনলৈ পাঠদান বন্ধ ঘোষণা কৰিছে বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে। আজি জিলাখনত মুঠ ৪৬৬জন পজিটিভ হয়।

### নগাঁৱত চাৰি দিনতে চিনাক্ত ১,০৯৭জন ক'ভিড পজিটিভ

**নগাঁৱৰ বিশেষ সংবাদদাতা ঃ** ক'ভিডৰ তৃতীয়টো লহৰে আতংকময় পৰিস্থিতিৰ সৃষ্টি কৰিছে নগাঁও জিলাত। জিলাখনত শেহতীয়াকৈ অতি উদ্বেগজনকভাৱে বৃদ্ধি পাইছে ক'ভিড আক্ৰান্তৰ সংখ্যা। বিগত চাৰিটা দিনতে জিলাখনত ১,০৯৭জন লোক ক'ভিডত আক্ৰান্ত হোৱা বুলি নিশ্চিত কৰা হৈছে। জিলা স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি, জিলাখনত যোৱা ১৭ জানুৱাৰীত ২৮৮জন, ১৮ জানুৱাৰীত ২৮৬জন, ১৯জানুৱাৰীত ৩০৬জন আৰু আজি ২৭৭জন লোকৰ দেহত ক'ভিড-১৯ৰ অৱস্থিতি ধৰা পেলোৱা হয়। শেহতীয়াকৈ জিলাখনত ক'ভিডত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰাত উদ্বিগ্ন হৈ পৰিছে জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগ। জিলাখনত ক'ভিডৰ ভয়াৱহতাৰ পৰিপ্ৰেক্ষিতত নগাঁও জিলা প্ৰশাসনে এটা ৱেবছাইটসহ জিলা ক'ভিড নিয়ন্ত্ৰণ কক্ষ মুকলি কৰাৰ লগতে টেলিমেডিচিন সেৱাও মুকলি কৰিছে। ইয়াৰ পাছতো জিলাখনৰ প্ৰায় নৱৈ শতাংশ লোকেই ব্যাপক হাৰত ক'ভিড বিধি উলংঘা কৰি আহিছে।

### বঙাইগাঁৱত দুদিনত দুজন আক্ৰান্তৰ মৃত্যু

**বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ' ঃ** বঙাইগাঁও জিলাত একেৰাহে দুটা দিনত দুজন ক'ভিড আক্ৰান্তৰ মৃত্যু হয়। কালি জিলাখনৰ অভয়াপুৰী চহৰৰ এছ এছ ৰোডৰ বাসিন্দা হিতেন্দ্ৰ নাৰায়ণ দাস (৪৯)ৰ মৃত্যু হৈছিল। আজি বঙাইগাঁও সদৰ চহৰৰ খাৰিজা দোলাইগাঁৱৰ মোনা বালা ৰবিদাস (৫৬)ৰ বঙাইগাঁও অসামৰিক চিকিৎসালয়ত মৃত্যু হয়। আজি জিলাখনত মুঠ ১০৮জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। পহিলা জানুৱাৰীৰ পৰা জিলাখনত এই পৰ্যন্ত ৮১০জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৪৪জন সুস্থ হোৱাৰ বিপৰীতে সম্প্ৰতি সক্ৰিয় ৰোগী আছে ৫৮৮জন।

### নলবাৰীত উদ্বেগজনকভাৱে বৃদ্ধি ক'ভিড ঃ ১৮২জন আক্ৰান্ত

**নলবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাত সম্প্ৰতি উদ্বেগজনকভাৱে বৃদ্ধি হৈছে ক'ভিড-১৯। আজি জিলাখনৰ বিভিন্ন প্ৰান্তত ১৮২জনৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ ধৰা পৰে। জিলাখনত ক'ভিদডৰ তৃতীয় ঢৌত এই পৰ্যন্ত ৯৯০জন লোক আক্ৰান্ত হৈছে। আজি জিলাখনৰ চামতাত ১২জন, ঘগ্ৰাপাৰত ৩০জন, কমাৰকুছিত ২১জন, মুকালমুৱাত ২৯জন, টিহুত ১৪জন আৰু নলবাৰী চহৰত ৭৬জন আক্ৰান্ত হয়।

### বৰাজোল ছোৱালী হাইস্কুলৰ পাঁচ শিক্ষক আক্ৰান্ত

**ঘগ্ৰাপাৰৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বৰাজোল ছোৱালী হাইস্কুলৰ পাঁচ শিক্ষক ক'ভিডত আক্ৰান্ত হোৱাত ছাত্ৰীসকলৰ অভিভাৱকৰ মাজত এক হাহাকাৰ পৰিৱেশৰ সৃষ্টি হৈছে। শিক্ষানুষ্ঠানখনৰ দুজন বিজ্ঞান শিক্ষক শ্যাম চৰণ কলিতা আৰু বিপুল কলিতা আক্ৰান্ত হোৱাৰ খবৰ পায়েই বিদ্যালয়খনৰ প্ৰধান শিক্ষক নৃপেন ডেকাই স্বাস্থ্য বিভাগক আৰু বিভাগীয় মুৰব্বী বিষয়াক অৱগত কৰে। স্বাস্থ্য বিভাগৰ দল উপস্থিত হৈ শিক্ষকসকলৰ ৰেপিড এণ্টিজেন পৰীক্ষা কৰাত জ্যেষ্ঠ সহকাৰী শিক্ষক অশোক কুমাৰ শৰ্মা, মনীষা মেধিৰ লগতে আৰবী শিক্ষক ছৈয়দ আব্দুল হাকিমৰ দেহত ক'ভিডৰ উপস্থিতি ধৰা পৰে।

### টুকুৰা মধ্য ইংৰাজী বিদ্যালয়ত তিনিজন আক্ৰান্ত

**কৃষ্ণাইৰ অগ্ৰদূত বাৰ্তা ঃ** গোৱালপাৰা জিলাতো ক্ৰমান্বয়ে বাঢ়িবলৈ লৈছে কৰ'না আক্ৰান্তৰ সংখ্যা। ইতিমধ্যে বহু কেইখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক- শিক্ষয়িত্ৰী তথা কৰ্মচাৰী আক্ৰান্ত হৈছে ক'ৰনাৰ নৱতম ঢৌত। শেহতীয়াকৈ জিলাখনৰ মাটিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত টুকুৰা মধ্য ইংৰাজী বিদ্যালয়ৰ তিনিজন শিক্ষক কৰ্মচাৰী আক্ৰান্ত হৈছে। তেওঁলোক হৈছে পাৰ্থপ্ৰতীম চক্ৰৱৰ্তী, মধুস্মিতা ডেকা আৰু চেলিনা বিবি। স্বাস্থ্যঞ্জয় বিভাগে ইতিমধ্যে তিনিও গৰাকীৰে কভিড পজেটিভ বুলি ঘোষণা কৰিছে।

### ওদালগুৰিত ১৩৭জন ক'ভিড পজিটিভ

**ওদালগুৰিৰ বিশেষ সংবাদদাতা ঃ** কভিডৰ তৃতীয় ঢৌত ওদালগুৰি জিলাতো ধাৰাবাহিকভাৱে বৃদ্ধি পাইছে ক'ভিডৰ সংক্ৰমণ। আজি জিলাখনত ১৩৭জন ক'ভিড ৰোগী চিনাক্ত হয়। আজি জিলাখনত ১১৪৮জন লোকক পৰীক্ষা কৰা হৈছিল। আক্ৰান্তৰ হাৰ হৈছে ১১.৯৩ শতাংশ। আজি পৰ্যন্ত ক'ভিডৰ তৃতীয় ঢৌত ৬৫০ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ভিতৰত ৫১০ জন ৰোগী সক্ৰিয় হৈ আছে।

### হোজাইত কক্সভিড আক্ৰান্ত সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি

**হোজাইৰ অগ্ৰদূত বাৰ্তা ঃ** হোজাইত অতি উদ্বেগজনকভাৱে বৃদ্ধি পাইছে ক'ভিড আক্ৰান্তৰ সংখ্যা। আজি জিলাখনত মুঠ ৮৬জন লোক ক'ভিডত আক্ৰান্ত হোৱা বুলি নিশ্চিত কৰা হৈছে। জিলা স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি, আজিৰ দিনটোত জিলাখনত ৬০৬জনৰ ৰেপিড এন্টিজেন আৰু ৪০জন লোকৰ আৰটিপিচিআৰ পৰীক্ষা কৰোৱা হৈছিল। জিলাখনত সম্প্ৰতি ৬১৬জন সক্ৰিয় ৰোগী আছে । ক'ভিডৰ তৃতীয় লহৰত আজিলৈকে হোজাইত ১,১৫১জন লোক আক্ৰান্ত হয়।

### শুৱালকুছি গণেশ দাস হাইস্কুলৰ ছয় শিক্ষক-শিক্ষয়িত্ৰী আক্ৰান্ত

**শুৱালকুছিৰ অগ্ৰদূতবাৰ্তা ঃ** ক'ভিডৰ তৃতীয় ঢৌৱে বস্ত্ৰনগৰী শুৱালকুছিকো স্পৰ্শ কৰিছে। আজি শুৱালকুছিত ২২জন লোকৰ দেহত ক'ভিড পজিটিভ ধৰা পৰে। ইয়াৰ ভিতৰত গণেশ দাস হাইস্কুলৰ ছয় শিক্ষক-শিক্ষয়িত্ৰীও আছে । তেওঁলোক হ'ল পিংকি মহন্ত, অনিমা ডেকা, পৰমেশ্বৰ দাস, নন্দন বিহাৰী কাকতি, দয়াময় দাস, ৰাতুল চন্দ্ৰ কলিতা। ইয়াৰ উপৰি আন আক্ৰান্তসকল হ'ল কুমাৰপাৰাৰ ৰঞ্জু কুমাৰী দাস, ৰাজগড়ৰ খুচী দাস, ৰীতা দাস, সঞ্চিতা দাস, দিপালী কলিতা, আদাবৈৰ পদুমী দাস, জানৰপাৰৰ দিলীপ কলিতা, কাঞ্চননগৰৰ ৰাজীৱ লোচন চৌধুৰী, বৰলাহৰ ঈষাৰাণী কলিতা, গোল্ডন চ'কৰ চন্দন বড়ো, ললিতা মহন্ত, নাক্তাদলৰ দলি মেধি, বাথানৰ তপন দাস, তৰুলতা বৈশ্য, আই বি ৰোডৰ শৰৎ চন্দ্ৰ ভৰালী আৰু মাটিপৰ্বতৰ শিৱ প্ৰসাদ শৰ্মা।

# মৰিগাঁৱত অবৈধ বালিৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ

## নিষেধাজ্ঞাৰ সত্তেও বন আইন উলংঘা কৰি ১৫টাকৈ স্থানত মেচিন বহুৱাই বালি মাফিয়াৰ তাণ্ডৱ, ধৰমতুলত বালি মাফিয়াৰ বিৰুদ্ধে মহিলাৰ ৰণচণ্ডী ৰূপ ঃ বালি কঢ়িয়াই অনা গাড়ী ট্ৰাক আবদ্ধ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২০ জানুৱাৰী ঃ** উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞাৰ পাছতো সম্পূৰ্ণৰূপে বন আইন উলংঘা কৰি মৰিগাঁও জিলাৰ ধৰমতুল আৰু মৰিগাঁও বন আঞ্চলিক কাৰ্যালয়ৰ অধীনত ১৫টাকৈ স্থানত সকলো নীতি-নিয়ম জলাঞ্জলি দি ৰাজনৈতিক ছত্ৰছায়াত কোনোধৰণৰ গুৰু গোসাঁই নামানি একাংশ বালি মাফিয়াই মৰিগাঁও জিলাত অবৈধভাৱে চলাই আহিছে বালিৰ খননকাৰ্য। জিলাখনৰ কলং, কপিলী আৰু কিলিং নৈত ১০-১২টাকৈ মেচিন বহুৱাই দীৰ্ঘদিন ধৰি এই অবৈধ বালি মহল চলাই অহাৰ পাছতো উৰ্ধতন কৰ্তৃপক্ষই এই বিষয়ত কোনোধৰণৰ গুৰুত্ব সহকাৰে নোলোৱাত জিলাখনৰ বিভিন্ন মহলত অসন্তুষ্টিৰ সৃষ্টি হৈছে। মৰিগাঁও জিলাৰ আঁহতগুৰি, ধৰমতুল, আমলি ঘাট, মাটি পৰ্বত, চোনোৰাবৰীৰ লগতে জাগী-ভকতগাওঁ, বহা, ঠেংভঙা, দিপৰাঙলৈকে এই কলং, কপিলী আৰু কিলিং নৈৰ বুকুত ১৫টাৰো অধিক স্থানত একাংশ বালি মাফিয়াই ব্যাপক হাৰত মেচিন বহুৱাই অবৈধভাৱে বালি উঠাই লুণ্ঠন চলাই অহাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰতিদিনে শ শ গাড়ীৰে কে'বাটাও পক্ষক 'মেনেজ' কৰি দীৰ্ঘকাল ধৰি জিলাখনত অবৈধ বালিৰ ৰমৰমীয়া ব্যৱসায় চলাই অহাৰ ফলত ধ্বংস হৈছে বাটপথ। ইয়াৰ প্ৰতিবাদত কালি ধৰমতুল বন আঞ্চলিক



বিভাগৰ তত্বাৱধানত চলি থকা মান্তাবৰী আৰু চোনাৰোবৰীত কে'বা শতাধিক মহিলাই বালি মাফিয়াৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰি বালি কঢ়িয়াই অনা গাড়ী, ট্ৰাক আবদ্ধ কৰে। মান্তাবৰী আৰু চোনাৰোবৰীত বালি মাফিয়াই চলাই অহাৰ অবৈধ কাৰ্য বন্ধ নকৰিলে ভৱিষ্যতে ভয়াৱহ আন্দোলন গঢ়ি তুলিব বুলিও সকিয়নি দিয়ে মহিলাসকলে। ইপিনে, জিলাখনৰ ভকতগাঁৱৰ পৰা ঠেংভঙা দিপৰাঙলৈকে ছয়-সাতটাৰো অধিক স্থানত কলং নৈৰ বালি অবৈধভাৱে একাংশ বালি মাফিয়াই এই অবৈধ কাৰ্য চলাই অহাৰো গুৰুত্বৰ অভিযোগ উত্থাপিত হৈছে। ইয়াৰ বিৰুদ্ধে জাগীৰোডৰ ঠেংভঙাৰ প্ৰতিবাদী ৰাইজে মায়ং ৰাজহ চক্ৰ বিষয়া আৰু মৰিগাঁও উপায়ুক্তৰ ওচৰত যোৱা ২০ ডিচেম্বৰত এই কাৰ্য বন্ধ কৰিবলৈ দাবী পত্ৰ প্ৰেৰণ কৰিছিল যদিও আজি পৰ্যন্ত এই অবৈধ কাৰ্য চলিয়েই থাকিল।

# হাফলং চৰকাৰী মহাবিদ্যালয়ৰ নতুন আন্তঃগাঁথনি উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে



ষ্টাফ ৰিপৰ্টাৰ

**গুৱাহাটী, ২০ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি হাফলং চৰকাৰী মহাবিদ্যালয়ৰ নৱনিৰ্মিত কলা খণ্ড, প্ৰেক্ষাগৃহ আৰু ল'ৰাৰ ছাত্ৰাৱাস ভৱন উদ্বোধন কৰে। ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি আৰু এন এল চি পি আৰৰ অধীনত সৰ্বমুঠ ১৫.৩৫ কোটি টকা ব্যয় সাপেক্ষে এই নতুন আন্তঃগাঁথনি নিৰ্মাণ কৰা হৈছে। এই আন্তঃগাঁথনিয়ে ডিমাহাছাও জিলাৰ শৈক্ষিক পৰিৱেশ আৰু অধিক উন্নত কৰিব বুলি আশা কৰা হৈছে।

দুই বছৰৰ ভিতৰত সম্পূৰ্ণ হ'বলগীয়া মহাবিদ্যালয়খনৰ নতুন বিজ্ঞান খণ্ড নিৰ্মাণৰ বাবে অসম চৰকাৰে ১০ কোটি টকা প্ৰদান কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচাক মহাবিদ্যালয়খনৰ দ্বিতীয় চৌহদৰ বাবে ভূমি চিনাক্ত কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে মহাবিদ্যালয়খনত সকলো বিষয়তে স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ পৰিকল্পনা আছে।

উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদ আৰু মহাবিদ্যালয় কৰ্তৃপক্ষক শিক্ষানুষ্ঠানখনত অসমীয়া কথন পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ আহ্বান জনাই কয় যে এই পাঠ্যক্ৰমে সমগ্ৰ ৰাজ্যখনতে কাম কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক প্ৰভূত পৰিমাণে সহায়ক হৈ উঠিব। ইয়ে নিয়োগৰ ক্ষেত্ৰতো অধিক পথ প্ৰশস্ত কৰি তুলিব।

অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচা, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বিধায়ক নন্দিতা গাৰ্লোচা, ডিমা হাছাও জিলাৰ উপায়ুক্ত নাজৰিন আহমেদ, হাফলং চৰকাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ মধুমিতা দাওলাগোপু প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে কেইবা দশক পুৰণি নামঘৰ দৰ্শন কৰে আৰু সেৱা আগবঢ়ায়। তেওঁ ভক্ত বৃন্দৰ সৈতেও মত-বিনিময় কৰে আৰু ইয়াৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে পৰিচালনা সমিতিয়ে জনোৱা দাবীসমূহ সহানুভূতিৰে বিবেচনা কৰাৰ আশ্বাস প্ৰদান কৰে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে হাফলঙত থকা ৰামকৃষ্ণ সেৱা সমিতি দৰ্শন কৰে আৰু সেৱা আগবঢ়ায়। তেওঁ ভক্ত বৃন্দৰ সৈতে মত-বিনিময় কৰাৰ লগতে সমিতিয়ে অব্যাহত ৰখা কাম-কাজৰ বুজ লয়। তেখেতে সমিতিয়ে সন্মুখীন হোৱা বিভিন্ন বিষয়সমূহৰ সম্পৰ্কতো বাৰ্তালাপ কৰে। মুখ্যমন্ত্ৰীয়ে এই প্ৰতিষ্ঠানৰ আন্তঃগাঁঠনি শক্তিশালী কৰাৰ বাবে ৰাজ্য চৰকাৰে সম্ভৱপৰ প্ৰয়োজনীয় সহযোগিতা আগবঢ়াব বুলিও প্ৰতিশ্ৰুতি প্ৰদান কৰে।

এই দৰ্শনৰ সময়ত বন মন্ত্ৰী পৰিমল শুক্লবৈদ্য, জল সম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচা, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং উপস্থিত থাকে।

# চিৰাঙৰ বাসুগাঁও মহাবিদ্যালয়ত নতুনকৈ বিজ্ঞান শাখাৰ মুকলিৰ ঘোষণা মুখ্যমন্ত্ৰীৰ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২০ জানুৱাৰী ঃ** দীৰ্ঘদিনৰ দাবী পূৰণ কৰি বাসুগাঁও মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ মুকলি কৰাৰ কথা কালি হাফলঙত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ পাছতেই বৃহত্তৰ বাসুগাঁও অঞ্চলৰ ৰাইজৰ মাজত এক আনন্দৰ জোৱাৰ উঠা পৰিলক্ষিত হয়। সামাজিক মাধ্যমত বিভিন্নজনে এই সুখবৰ শ্বেয়াৰ কৰা দেখিবলৈ পোৱা যায়। কালি হাফলঙত কেবিনেট বৈঠক অনুষ্ঠিত হোৱাৰ পাছত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ ১০খন মহাবিদ্যালয়ৰ লগতে বাসুগাঁও মহাবিদ্যালয়ত চলিত বৰ্ষৰ পৰাই নতুনকৈ বিজ্ঞান শাখাত পাঠদান আৰম্ভ কৰাৰ ঘোষণাৰ পাছত আজি পুৱাৰ পৰাই বাসুগাঁও মহাবিদ্যালয়ত উৎসৱ মুখৰ পৰিৱেশ বিৰাজ কৰে। বাসুগাঁও মহাবিদ্যালয় পৰিচালনা সমিতিৰ পৰামৰ্শ অনুযায়ী মহাবিদ্যালয়ৰ অধ্যক্ষ ৰণেন্দ্ৰ মুছাহাৰীৰ উদ্যোগত বাসুগাঁও মহাবিদ্যালয়ত আজি এখন ধন্যবাদ আৰু কৃতজ্ঞতা অনুষ্ঠানৰ আয়োজন কৰে। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আজিৰ এই ধন্যবাদ আৰু কৃতজ্ঞতা অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে ১৩ নম্বৰ চিৰাং পৰিষদীয় সমষ্টিৰ এমচিএলএ বি, ছাউৰাইগ্ৰা ওৰফে অমৰ বসুমতাৰী আৰু মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য তথা বৰ্তমান ছালাকাটি পৰিষদীয় সমষ্টিৰ এমচিএলএ দেৱহাছাং বসুমতাৰী। তদুপৰি অনুষ্ঠানত বাসুগাঁও নগৰ সমিতিৰ প্ৰাক্তন সভাপতি ক্ৰমে সুভাষ বসুমতাৰী, সৌমেন বসুমতাৰী, বিশিষ্ট সমাজকৰ্মী পবিত্ৰ কুমাৰ ৰায় আদি কৰি এবছু, আছু, আক্ৰাছু, সদৌ অসম বেঙ্গলী যুৱ ছাত্ৰ ফেডাৰেছনৰ নেতৃবৰ্গ উপস্থিত থাকে। আজিৰ এই অনুষ্ঠানত উপস্থিত অতিথিৰসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষীসকলে বাসুগাঁও মহাবিদ্যালয়ত বিজ্ঞান শাখা মুকলি কৰাৰ ঘোষণা কৰাৰ বাবে দীঘলীয়া পাঁচ মিনিট সময় হাত চাপৰি বজাই মুখ্যমন্ত্ৰী ড° শৰ্মাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। সামান্তৰালভাৱে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ জয়ধ্বনি দিয়ে। ইমান দিনে বাসুগাঁৱত বিজ্ঞান শাখাত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ সুবিধা নাছিল। যিসকল ছাত্ৰ-ছাত্ৰীয়ে বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় নাইবা নেতাজী সুভাষ বিদ্যানিকেতন উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিক পৰ্যন্ত অধ্যয়ন কৰি উৰ্ত্তীণ হৈ পৰৱৰ্তী সময়ত বিজ্ঞান শাখাত স্নাতকোত্তৰ অধ্যয়ন কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে বঙাইগাঁও নাইবা কোকৰাঝাৰলৈ ঢাপলি মেলিব লগা হৈছিল। ফলত বহু সময়ত দেখা গৈছিল দুখীয়া দৰিদ্ৰ ঘৰৰ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে প্ৰবল ইচ্ছা সত্ত্বেও বিজ্ঞান শাখাত অধ্যয়নৰ পৰা বঞ্চিত হ'ব লগাত পৰিছে। এতিয়া বাসুগাঁও মহাবিদ্যালয়ত বিজ্ঞান শাখাত পাঠদান প্ৰক্ৰিয়া আৰম্ভ হ'ব তেনেক্ষেত্ৰত বৃহত্তৰ বাসুগাঁও অঞ্চলৰ আৰ্থিক দিশত দুৰ্বল ঘৰৰ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান শাখাত অধ্যয়ন কৰাৰ পৰা বঞ্চিত নহ'ব বুলি ভাষন প্ৰসংগত উল্লেখ কৰে আৰু বাসুগাঁও মহাবিদ্যালয়ত নতুনকৈ বিজ্ঞান শাখা মুকলি কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা চিদলী বিধানসভা সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীৰ প্ৰয়াসক শলাগ লয়।



ক'ভিড সংক্ৰমণৰ আতংকে কৃষ্ণাইৰ বিদ্যালয়ত, বৃহস্পতিবাৰে।

# মঙলদৈত খাৰৈত বাগৰিত তীব্ৰবেগী ট্ৰেভেলাৰ

## এজন নিহত, আহত সাত

বিশেষ সংবাদদাতা

**মঙলদৈ, ২০ জানুৱাৰী ঃ** দৰং জিলাৰ মঙলদৈ চহৰৰ নিকটৱৰ্তী দলিবাৰীত সংঘটিত এক পথ দুৰ্ঘটনাত আজি এজন লোকৰ মৃত্যু হয়। কাহিলিপুৱাতে সংঘটিত এই দুৰ্ঘটনাত আন সাতজন লোক আহত হয়। প্ৰাপ্ত তথ্য অনুসৰি, জলেশ্বৰৰ পৰা ঢেকিয়াজুলি অভিমুখে তীব্ৰবেগত গৈ থকা এএছ-০১ কেচি-১৫১১ নম্বৰৰ ট্ৰেভেলাৰখনে পুৱা প্ৰায় ৪-৩০ বজাত দলিবাৰিত নিয়ন্ত্ৰণ হেৰুৱাই ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত থকা খাৰৈত সোমাই পৰে। ফলত আব্দুল কৰিম নামৰ এজন যাত্ৰী থিতাতে নিহত হয়। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় লোকৰ সহযোগত হতাহতসকলক উদ্ধাৰ কৰে। আহতসকলক চিকিৎসাৰ ব্যৱস্থা কৰাৰ লগতে আৰক্ষীয়ে নিহত লোকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# কৃষক নেতাক আক্ৰমণৰ অভিযোগ ঃ গোচৰ ৰুজু

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২০ জানুৱাৰী ঃ** কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ কেন্দ্ৰীয় সভাপতি প্ৰশান্ত বৈশ্যক আক্ৰমণ কৰা বুলি বৈশ্যই অভিযোগ উত্থাপন কৰাৰ লগতে এই সন্দৰ্ভত তেওঁ ঢেকিয়াজুলি থানাত এজাহাৰ দাখিল কৰিছে। ঘটনা সন্দৰ্ভত কৃষক শ্ৰমিক নেতা বৈশ্যই অভিযোগ কৰা অনুসৰি আজি পুৱা প্ৰায় 8.30 বজাত বৈশ্যই ৰিজ'নেল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষাৰ্থীক লৈ ঢেকিয়াজুলি অভিমুখে গৈ থকা অৱস্থাত কেইজনমান যুৱকে বৈশ্যক পূৰ্ব পৰিকল্পিতভাৱে ধিৰাইমাজুলী চেণ্টাৰত এ এছ-12 এ চি-8575 নম্বৰৰ এখন অট'ৰিক্সাৰে আগভেটি ধৰে। অভিযোগ মতে, দলটোৰ নেতৃত্বত থকা মঃ জালাল উদ্দিন আৰু আমিৰ আলীয়ে অকস্মাৎ বৈশ্যৰ ওপৰত আক্ৰমণ চলায়। তেনে অৱস্থাত আক্ৰান্ত বৈশ্যই ফোনযোগে আৰক্ষীৰ সহায় ল'ব বিচৰাত আক্ৰমণকাৰীদ্বয়ে বৈশ্যৰ হাতত থকা ম'বাইল ফোনটো কাঢ়ি ভাঙি চূৰমাৰ কৰে। বৈশ্যক বিভিন্ন অশ্লীল ভাষাৰে গালি-গালাজো পাৰে আক্ৰমণকাৰীয়ে। উল্লেখ্য যে বিভিন্ন বিষয়ত সোচ্চাৰ কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ নেতাজনক আক্ৰমণকাৰী দুয়োজন লোকে প্ৰাণনাশৰো ভাবুকি দিয়ে বুলিও এজাহাৰত উল্লেখ কৰা হৈছে। অভিযোগ অনুসৰি, এই চক্ৰটোৱে বিগত 30 ডিচেম্বৰতো বৈশ্যক আক্ৰমণৰ চেষ্টা চলাইছিল। সেইবাৰো বৈশ্যই এই আক্ৰমণকাৰী চক্ৰটোৰ বিৰুদ্ধে শিঙৰী আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছিল যদিও অভিযুক্তৰ বিৰুদ্ধে আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ নকৰাত পূৰ্ব পৰিকল্পিতভাৱে আজি আকৌ বৈশ্যৰ ওপৰত আক্ৰমণ চলায়। বৈশ্যই ন্যায় বিচাৰি এইবাৰ ঢেকিয়াজুলি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ঘটনা সন্দৰ্ভত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিৰ কাৰ্যকৰী সভাপতি জাহেদ আলী, সম্পাদক নৰেশ হাজৰিকা, যুটীয়া সম্পাদক অমৰ বৰ্মন, শোণিতপুৰ জিলাৰ সভাপতি পোনাৰাম বসুমতাৰী, যুটীয়া সম্পাদক ধনকান্ত সৎনামী, প্ৰদীপ দাস, সংগঠনটোৰ ভগ্নী সংগঠন নাৰী সুৰক্ষা সংগ্ৰাম সমিতিৰ সভানেত্ৰী তৰু গগৈৰ লগতে কাৰ্যকৰী সভানেত্ৰী ৰেখা তাঁতীয়ে উচ্চ পৰ্যায়ৰ তদন্ত কৰি দোষীক শাস্তিৰ দাবী জনাইছে।

# বঙাইগাঁৱৰ নৱনিযুক্ত শিক্ষা বিষয়াক শিক্ষক সমাজৰ আদৰণি

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২০ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ নৱনিযুক্ত শিক্ষা বিষয়া জ্যোৎস্নাৰাণী বৰ্মনে জিলাখনৰ শিক্ষা বিষয়াৰূপে দায়িত্ব গ্ৰহণ কৰাৰ পাছতে আজি শিক্ষক সমাজে বিষয়াগৰাকীক আদৰণি জনায়। বঙাইগাঁও জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সভাপতি, সম্পাদক আৰু ৰাজ্যিক প্ৰতিনিধি সমন্বিতে প্ৰতিনিধি দল এটাই বিষয়াগৰাকীয়ে দায়িত্ব গ্ৰহণ কৰা বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যালয়ত উপস্থিত হৈ ফুলাম গামোছাৰে সম্ভাষণ যাচে। জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সম্পাদক নন্দেশ্বৰ গোস্বামীয়ে এই কথা কয়। ইপিনে, জিলাখনৰ উচ্চ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক শিক্ষকসকলেও জিলা প্ৰাথমিক শিক্ষা বিষয়াৰূপে নিযুক্ত জ্যোৎস্নাৰাণী বৰ্মনক আদৰণি জনাইছে। উল্লেখ্য যে যোৱা পৰহি বৰ্মনে জিলা প্ৰাথমিক শিক্ষা বিষয়াৰূপে যোগদান কৰাৰ সমান্তৰালভাৱে ভাৰপ্ৰাপ্ত বিদ্যালয়সমূহৰ পৰিদৰ্শকৰূপেও দুয়োটা কাৰ্যালয়ৰ দায়িত্ব গ্ৰহণ কৰে।

# সদৌ অসম মুখি জাতীয় সন্মিলনৰ ৮১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**চামতা, ২০ জানুৱাৰী ঃ** সদৌ অসম মুখি সম্প্ৰদায় জাতীয় সন্মিলনৰ ৮১ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে বলোৱাৰ শ্ৰীশ্ৰী হৰি মন্দিৰ প্ৰাংগণত পালন কৰা হয়। পুৱা আঠ বজাত স্বচ্চ অভিযানেৰে প্ৰতিষ্ঠা দিৱসৰ আৰম্ভ কৰা হয়। পাছত সন্মিলনৰ পতাকা উত্তোলন, বন্তী প্ৰজ্বলন আৰু আলোচনাচক্ৰ অনুষ্ঠিত হয়। অৰবিন্দ দাসৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা চক্ৰখনত উদ্দেশ্য বাখ্যা কৰে কেন্দ্ৰীয় সমিতিৰ সম্পাদক মাধৱ দাসে। আলোচনা চক্ৰত অংশগ্ৰহণ কৰে কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ৰমনী মোহন দাস, তেখেতে কয় যে মুখি সম্প্ৰদয়টো অতি প্ৰাচীন সম্প্ৰদায়। পূৰ্বতে এই লোকসকলে নৈ, বিল জলাশয় আৰু সমুদ্ৰৰ পৰা শামুক সংগ্ৰহেৰে চুন তৈয়াৰ কৰি সেইবোৰ বজাৰত বিক্ৰী কৰি পৰিয়াল চলাইছিল। মুখি লোকসকল আৰ্থিক, শিক্ষা আদি দিশত পিছপৰা থকাটো চৰকাৰৰ সদিচ্ছাৰ অভাৱ বুলি উল্লেখ কৰে। সকলো মুখিসকল অন্যান্য পিছপৰা। গতিকে জনগোষ্ঠী উন্নয়নৰ বাবে এখন উন্নয়ন পৰিষদ গঠন কৰাৰ দাবী জনায়। উপস্থিত থাকে বাণীকান্ত দাস, ৰখো দাস, অৰবিন্দ দাস, যাদৱ দাস, নৰকান্ত দাস, গোপাল দাস, জয়চৰণ দাসে মুখি লোকৰ উন্নয়নৰ বাবে ভাষণ আগবঢ়ায়।

# চৰকাৰৰ নিৰ্দেশ উলংঘা কৰি মৰিগাঁৱত ক'ভিডৰ

## কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ স্থিতিক লৈ বিপাঙত মৰিগাঁৱৰ জনসাধাৰণ

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২০ জানুৱাৰী ঃ** 'কোনো ব্যক্তিক ইচ্ছাৰ বিপৰীতে টিকাকৰণ কৰিব নোৱাৰিব আৰু ক'ভিড প্ৰতিষেধক বাধ্যতামূলক নহয়। লগতে প্ৰতিষেধক ল'বলৈ কাকো বাধ্য কৰিব নোৱাৰিব। এই শপতনামা কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ত দাখিল কৰে। কিন্তু এই কেন্দ্ৰীয় চৰকাৰৰ এই নিৰ্দেশনাৰ বিপৰীতে কেইদিনমানৰ পূৰ্বে ৰাজ্য চৰকাৰে সকলো চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানত দুটা ক'ভিড প্ৰতিষেধক লোৱা কৰ্মচাৰীৰ লগতে আন ব্যক্তিয়েও দুটা ক'ভিড প্ৰতিষেধক লৈহে চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ত প্ৰৱেশ কৰিব পাৰিব। সেই অনুসৰি ব্যৱসায়িক প্ৰতিষ্ঠানসমূহতো দুটা প্ৰতিষেধক লোৱা সকলেহে প্ৰৱেশ কৰিব পাৰিব বুলি মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়কে ধৰি জিলাখনৰ চৰকাৰী-বেচৰকাৰী কাৰ্যালয়সমূহত এই জাননী জাৰি কৰা হৈছিল। তদুপৰি মৰিগাঁও জিলা প্ৰশাসনৰ পৰাও এই নিৰ্দেশনা অনুভাষ যোগে ধাৰাবাহিকভাৱে প্ৰচাৰ চলাই আহিছিল। এতিয়া প্ৰশ্ন হয় ক'ভিডৰ এই জটিল পৰিস্থিতিত দুখন চৰকাৰৰ দুটা নিৰ্দেশনাই সৰ্বসাধাৰণ লোকক স্তম্ভিত কৰি তুলিছে। ৰাইজে প্ৰশ্ন তুলিছে— তেওঁলোকে কাৰ নিৰ্দেশনা মানি চলিব। ইপিনে, কেন্দ্ৰীয় চৰকাৰৰ এই নিৰ্দেশনাৰ পাছতো মৰিগাঁও চহৰত যোৱা ১৭ জানুৱাৰীত অনুভাষ যন্ত্ৰযোগে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা উলংঘা কৰি ৰাজ্য চৰকাৰৰ নিৰ্দেশনা পালন কৰিবলৈ সজাগতা সৃষ্টি কৰাৰ বাবে প্ৰচাৰ চলায়। এই কাৰ্যক লৈ মৰিগাঁৱত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কৰ'নাৰ এই ভয়াবহ সময়ত আতংকিত হৈ থকা মৰিগাঁও জিলাবাসীয়ে দুয়োখন চৰকাৰৰ দুটা স্থিতিক লৈ বিপাঙত পৰাও পৰিলক্ষিত হৈছে। তাৎপৰ্যপূৰ্ণ বিষয় যে কেন্দ্ৰীয় চৰকাৰে এই প্ৰতিষেধক লোৱা নোলোৱা সন্দৰ্ভত কোনো ধৰণৰ এছঅ'পি জাৰি নকৰাৰ পাছতো ৰাজ্য চৰকাৰে জিলাসমূহত কেন্দ্ৰীয় চৰকাৰৰ বিপৰীত স্থিতিয়ে নিৰ্দেশনা দিয়াক লৈ মৰিগাঁৱত তুমুল জোঁকাৰণিৰ সৃষ্টি হৈছে।

# জিনজিয়াত মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ ষষ্ঠদশ দ্বিবাৰ্ষিক অধিবেশন

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২০ জানুৱাৰী ঃ** আজি বিহালীৰ জিনজিয়া মহাবীৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিশ্বনাথ জিলা মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ ষষ্ঠদশ দ্বিবাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়। উক্ত অধিবেশনত মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ সভাপতি প্ৰদীপ শৰ্মাই পতাকা উত্তোলন কৰাৰ লগতে ছহিদ তৰ্পণ কৰে সম্পাদক প্ৰশান্ত মহন্তই। ইয়াৰ পাছতে কৃতী শিক্ষকসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে, আজি এই অধিবেশনত ২১টা প্ৰতিনিধি গোটে অংশগ্ৰহণ কৰাৰ উপৰি অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অৱসৰী সম্বৰ্ধনা জনোৱা হয়। তদুপৰি মূল সভাত বিদ্যালয়সমূহৰ শিক্ষক-কৰ্মচাৰীসকলৰ বিভিন্ন সমস্যাৰ লগতে প্ৰতিনিধিসকলে পুৰণি কমিটী ভংগ কৰি ২০২২-২৩ৰ নতুন সমিতি গঠন কৰা হ'ব।

# দমদমা সাহিত্য সভাৰ শিল্পী দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২০ জানুৱাৰী ঃ** দমদমা সাহিত্য সভাই আজি শিল্পী দিৱস ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অনুষ্টুপীয়াকৈ উদ্‌যাপন কৰে। অনুষ্ঠানটোৰ পতাকা উত্তোলন কৰে দমদমা সাহিত্য সভাৰ উপ-সভাপতি ফণীধৰ মালাকাৰে। আনহাতে, জ্যোতিপ্ৰসাদৰ প্ৰতিকৃতিত মাল্যাৰ্পণ তথা বন্তি প্ৰজ্বলন কৰে গৃহ নিৰ্মাণ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি ধৰণী কলিতাই। দমদমা সাহিত্য সভাৰ সম্পাদক মুনিন্দ্ৰ মহন্তই অনুষ্ঠানটোত আঁত ধৰে।

কামপীঠ সাংস্কৃতিক গোষ্ঠীৰ সৌজন্যত শিল্পী দিৱস-গ্ৰন্থ উন্মোচনী সভা

# আমি আমাৰ জীৱনক দুখীয়া কৰি গৈ আছো ঃ ড° কলিতা



**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২০ জানুৱাৰী ঃ** 'আমি আমাৰ জীৱনক দুখীয়া কৰি গৈ আছো। বৰ্তমানৰ পৰিস্থিতিয়ে আমাক বাধ্য কৰাইছে।' এই মন্তব্য পুঠিমাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নিত্যানন্দ কলিতাৰ। কামপীঠত কামপীঠ সাংস্কৃতিক গোষ্ঠীৰ সৌজন্যত আয়োজিত শিল্পী দিৱস আৰু গ্ৰন্থ উন্মোচনী সভাত গ্ৰন্থ উন্মোচকৰূপে উপস্থিত থাকি তেওঁ এইদৰে কয়। উল্লেখ্য যে বৰেণ্য নামৰ গ্ৰন্থখন উন্মোচন কৰি শিক্ষাবিদজনে কয় যে আজিৰ মানুহ ব্যক্তিকেন্দ্ৰিক নিজৰ সতি-সন্ততি তথা পৰিয়ালৰ উন্নয়নৰ আলোচনা বেছি কৰে। কৃষ্টিক যেতিয়া ৰূপত প্ৰকাশ কৰে সেয়াই সংস্কৃতি। আমাৰ সংস্কৃতি বৰ্তমান লুপ্ত হোৱাৰ দিশত আজিৰ প্ৰজন্ম অন্য সংস্কৃতিৰ দিশত ধাৱমান ৰূপান্তৰে সমাজৰ পৰিৱৰ্তন আনে। তেওঁ পুনৰ কয় যে এতিয়াৰ মানুহ বিজ্ঞ কিন্তু অজ্ঞ। কাৰণ সন্তানক প্ৰকৃত সংস্কৃতিৰ জ্ঞান দিব পৰা নাই। ফলত বৰ্তমান দৃষ্টিত হয়তো পুৰণিকলীয়া হ'ব পাৰে পিতৃ-মাতৃ। বৰভাগ জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি দ্বীজেন কাকতিৰ সভাপতিত্বত কামপীঠ বাকৰি প্ৰাংগণত পুৱা ১১ বজাত অনুষ্ঠিত সভাত আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতাই কয় যে জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া থলুৱা গীত-মাতৰ সুৰসমূহ তেওঁৰ গীতত সন্নিবিষ্ট কৰিলি। তেওঁ পশ্চিমীয়া সংস্কৃতিৰো সুৰ সন্নিবিষ্ট কৰিছিল পাৰিছিল। সেইবাবে তেওঁক ৰূপান্তৰৰ শিল্পী বুলি অভিহিত কৰিছিল। জ্যোতিপ্ৰসাদ আগৰৱালা যুগে যুগে অসমৰ ৰাইজৰ মাজত জীৱিত হৈ থাকিব। তেওঁৰ লেখাৰ পৰ্যালোচনা কৰাটো আমাৰ বাবে সম্ভৱ নহয়। তেওঁ স্বাধীনতা আন্দোলনত এজন আন্দোলনকাৰী হিচাপে কাৰাবাসো খাতিব লগা হৈছিল। সভাত আন এজন বক্তা প্ৰবীণ দাসে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৃষ্টিৰাজিৰ ওপৰত বিশ্লেষণ কৰে। আনহাতে, সভাত সমাজকৰ্মী শৰৎ চন্দ্ৰ কলিতাই আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। কামপীঠ সাংস্কৃতিক গোষ্ঠীৰ সভাপতি গগন চন্দ্ৰ কলিতাই আঁতধৰা সভাখনত ১৯৪৭ৰ আগত জন্মগ্ৰহণ কৰা বিশিষ্ট ব্যক্তিসকলৰ পৰিয়ালৰ সদস্যক গামোচাৰে সম্বৰ্ধনা জনায়। আনহাতে, সভাত যোগেন ওজাৰ ওজাপালি প্ৰদৰ্শন, কমলা দেৱীৰ জ্যোতি সংগীত আৰু শৰৎ লহকৰৰ কৌতুক অভিনয়ে পৰিৱেশ জীপাল কৰি তোলে। সভাৰ আগতে পতাকা উত্তোলন, বৃক্ষৰোপণ আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কাৰ্যসূচী ৰূপায়িত কৰা হয়।

# ফকিৰাগ্ৰামত সাহিত্য সভাৰ জ্যোতি দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**ফকিৰাগ্ৰাম, ২০ জানুৱাৰী ঃ** অসম সাহিত্য সভাৰ কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত আৰু ফকিৰাগ্ৰাম শাখা সাহিত্য সভাৰ সহযোগত যোৱা ১৭ জানুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে ফকিৰাগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত জ্যোতি দিৱস উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা সাহিত্য সভাৰ পতাকা উত্তোলন কৰে জিলা সভাপতি খনিন্দ্ৰ চন্দ্ৰ ৰায়ে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে কোকৰাঝাৰ জিলাৰ প্ৰাক্তন সভাপতি ড° পৰেশ চন্দ্ৰ ৰায়ে। এই অনুষ্ঠানতে জ্যোতি সংগীত, নৃত্য-গীত প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ লগতে এখন মুকলি সভাও অনুষ্ঠিত হয়। উপস্থিত থাকে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ৰাতুল ডেকা, নজমূল হক, আলহাচ শ্বৰীফ হাছান আৰু মনোৰঞ্জন ৰায় আদি।



*চামগুৰিত বিপদসংকুলভাৱে খৰি সংগ্ৰহ, বৃহস্পতিবাৰে।*

# ঘিলাধাৰীৰ বৰজানত গ্ৰাম্য পুথিভঁৰালৰ আধাৰশিলা স্থাপন

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২০ জানুৱাৰী ঃ** গোলাঘাট জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যালয়ৰ অন্তৰ্গত বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত পূৰ্বৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক তথা অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত জিলা শিক্ষা বিষয়া শোভন চন্দ্ৰ বৰদলৈৰ মাতৃ স্বৰ্ণ প্ৰভা দেৱীৰ সোঁৱৰণত এটা গ্ৰাম্য পুথিভঁৰালৰ আধাৰশিলা ক'ভিড বিধি পালন কৰি কালি স্থাপন কৰা হয়। বন্তি প্ৰজ্বলন, নাম-প্ৰসংগ আৰু কীৰ্তন পাঠৰ পাছত আধাৰশিলা স্থাপনৰ দ্বাৰ মুকলি কৰে শিক্ষাবিদ শোভন চন্দ্ৰ বৰদলৈয়ে। তেওঁ পুথিভঁৰালটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী তথা গ্ৰন্থপ্ৰেমীসকলৰ শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত অভাৱনীয় সহায়ক হ'ব বুলি কয়। আধাৰশিলা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক যাদৱ চন্দ্ৰ ফুকন, প্ৰাক্তন শিক্ষক ভৱেন শইকীয়া, প্ৰধান শিক্ষয়িত্ৰী সবিতা গগৈ, প্ৰাক্তন শিক্ষয়িত্ৰী শৈল্যবালা কাকতি, সাংবাদিক জয়ন্ত হাজৰিকা, পাৰ্থপ্ৰতিম শইকীয়া প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। কাৰ্যসূচীৰ আঁত ধৰে জ্যেষ্ঠ শিক্ষক সুৰেন বৰাই।

# অৱসৰপ্ৰাপ্ত সেনা বিষয়াৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২০ জানুৱাৰী ঃ** তামুলপুৰ মহকুমা সদৰৰ বাৰেইগাঁও নিবাসী সেনা বিষয়া বিশিষ্ট সমাজকৰ্মী বানেশ্বৰ ৰাভা (৬৪)ৰ যোৱা নিশা মৃত্যু হয়। উচ্চ ৰক্তচাপত আক্ৰান্ত ৰাভাই কালি ষ্ট্ৰ'কত আক্ৰান্ত হোৱাত তেওঁৰ মৃত্যু হয়। তামুলপুৰ আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ উপদেষ্টা ৰাভাৰ মৃত্যুৰ খবৰ পোৱাৰ পাছত গুণমুগ্ধই তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু তিনিগৰাকী কন্যা এৰি যায়। ইফালে তামুলপুৰ আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাই ৰাভাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

# গন্ধিয়াত শ্ৰীশ্ৰীকান্দেনী আইৰ সভা মহোৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**চামতা, ২০ জানুৱাৰী ঃ** নলবাৰী জিলাৰ জ্যোতিষ চৰ্চাৰ প্ৰাণকেন্দ্ৰ গন্ধিয়াৰ শ্ৰীশ্ৰী কান্দেনী আইৰ বাৰ্ষিক সভা মহোৎসৱ অহা ২১ জানুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। ২১ জানুৱাৰীৰ পুৱা পাঁচ বজাত ঊষা কীৰ্তন, সাত বজাত স্বচ্ছ অভিযান, আঠ বজাত বৃক্ষৰোপণ কৰিব সভা পৰিচালনা সমিতিৰ সভাপতি দ্বিতীশ শৰ্মাই । আনহাতে নবজাত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব গন্ধিয়া গাঁও উন্নয়ন সমিতিৰ সম্পাদক প্ৰণৱ শৰ্মাই। পুৱা ১০ বজাত শিশুসকলৰ মাজত খেল-ধেমালি প্ৰতিযোগিতা, ১১ বজাত কুইজ প্ৰতিযোগিতা, এক বজাত শ্ৰীশ্ৰীকান্দেনী আইৰ বিগ্ৰহ পৰিভ্ৰমণ আৰু শোভাযাত্ৰা, আবেলি দুই বজাত মঞ্চ উদ্বোধন কৰিব বেলশৰ আৰক্ষী বিষয়া লিকুমনি শৰ্মাই। ২-৩০ বজাত সম্বৰ্ধনা আৰু চা-চিনাকি পৰ্ব অনুষ্ঠান, চাৰি বজাত বন্তি প্ৰজ্বলন কৰিব পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়া অৰ্পনা শৰ্মাই। আবেলি পাঁচ বজাত অকণিৰ অনুষ্ঠাত ৬-৩০, নৃত্য প্ৰতিযোগিতা, ৭-৩০ ত মিনি থিয়েটাৰে নাট প্ৰদৰ্শন কৰে। অহা ২২ জানুৱাৰীত ৯-৩০ত বিষ্ণুপূজা আৰু হোম-যজ্ঞ, দিনৰে ১-৩০ বজাত কামৰূপীয়া ঢুলীয়া সাংস্কৃতিক দল কেইটাৰ ঢুলীয়া প্ৰদৰ্শন আৰু নিশা ৭-৩০ ত মা মনসা পুতলা থিয়েটাৰে পুতলা নাট প্ৰদৰ্শন কৰিব। ইফালে অহা ২৩ জানুৱাৰীৰ আবেলি এক বজাত আয়তীৰ নাম-প্ৰসংগ অনুষ্ঠিত হ'ব।

# পথৰ কাষত উন্মুক্ত ট্ৰেন্সফৰ্মাৰ, হাবি-জংঘলেৰে আবৰি থকাৰ পাছতো কৰ্তৃপক্ষ



**অগ্ৰদূত বাৰ্তা**

**লাদহৈগড়, ২০ জানুৱাৰী ঃ** উজনি অসম বিদ্যুৎ বিতৰক কোম্পানীৰ অধীনস্থ কাকজান বিদ্যুৎ উপ-সংমণ্ডলৰ অন্তৰ্গত বিদ্যুৎ পৰিবাহী ট্ৰেন্সফৰ্মাৰ নিৰাপত্তাৰ বাবে চাৰিবেৰা নিদিয়া বাবে গ্ৰাহকসকলে বিপদ ঘনীভূতৰ আশাংকা কৰিছে। তদুপৰি ট্ৰেন্সফৰ্মাৰ হাবি-জংঘলেৰে আবৰি থকাৰ পাছতো কৰ্তৃপক্ষ নীৰৱ দৰ্শক হৈ থকাত গ্ৰাহক ৰাইজ ক্ষুব্ধ হৈছে। কাকজান বিদ্যুৎ উপ-সংমণ্ডলৰ অন্তৰ্গত অঞ্চলত উন্নত প্ৰযুক্তিৰ কেৱল ব্যৱহাৰ নকৰি আওপুৰণি ধাতৱ তাঁৰৰ যোগেদি বিদ্যুৎ যোগান ধৰাত বিদ্যুৎ যোগান ব্যাহত হয়। কাকজান বিদ্যুৎ উপ-সংমণ্ডল এই সমস্যাৰ সমাধান কৰাত উজনি অসম বিদ্যুৎ বিতৰক কোম্পানীয়ে কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ বাবে ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে।

# পাঠশালাত শিল্পী দিৱস পালন

**পাটাছাৰকুছি, ২০ জানুৱাৰী ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে পাঠশালা শিক্ষাপীঠ আদৰ্শ বুনিয়াদী হাইস্কুলতো যোৱা ১৭ জানুৱাৰীত শিল্পী দিৱস পালন কৰা হয়। এই উদ্দেশ্যে পুৱা সুন্দৰৰ সাধক, গণশিল্পী, যুগদ্ৰষ্টা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি বক্তব্য ৰাখে বিদ্যালয়ৰ প্ৰধান শিক্ষক উৎপল বৰকাকতিয়ে। বিদ্যালয়ৰ শিক্ষক নন্দ দুলাল চৌধুৰীয়ে সঞ্চালন কৰা অনুষ্ঠানত শিক্ষক পুতুল তালুকদাৰ, শিক্ষয়িত্ৰী সবিতা দেৱীস কণমানি ছাত্ৰী জ্যোতিষ্মান ৰয়ে আগৰৱালাক সুঁৱৰি ভাষণ প্ৰদান কৰে। বাদ্যযন্ত্ৰী শিল্পী ক্ৰমে প্ৰাণজিৎ দাস আৰু দীপক কলিতাৰ সহযোগত মাজে মাজে জ্যোতি সংগীত পৰিৱেশন কৰাও হয়।

# গৰৈমাৰীত জিকেএছ প্ৰেছ ক্লাবৰ উদ্যোগত কৰ'না সজাগতা

**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ২০ জানুৱাৰী ঃ** গৰৈমাৰী-কালাতলী-সোণতলী চমুকৈ জিকেএছ প্ৰেছ ক্লাবৰ উদ্যোগত গৰৈমাৰী বজাৰত কালি সজাগতা অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কৰ'না অতিমাৰী ৰোধৰ লগতে সঘনাই সংঘটিত দুৰ্ঘটনা ৰোধৰ উদ্দেশ্যে মটৰ চাইকেলৰ চালক-আৰোহীয়ে যাতে হেলমেট পৰিধান কৰে তাৰ বাবে গৰৈমাৰী চাৰিআলি চ'ক বজাৰত জিকেএছ প্ৰেছ ক্লাবে সজাগতা অভিযান চলায়। গৰৈমাৰী-কালাতলী-সোণতলী চমুকৈ জিকেএছ প্ৰেছ ক্লাবৰ উদ্যোগত গৰৈমাৰী বজাৰ প্ৰাংগণত অনুষ্ঠিত সজাগতা অভিযান কাৰ্যসূচী আৰম্ভ কৰে গৰৈমাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অৰূপ বিৰকমীয়াই। তেওঁ কৰ'নাৰ ভয়াবহতা আৰু দুৰ্ঘটনাৰ পৰা নিজকে সুৰক্ষিত কৰিবলৈ মটৰ চাইকেল চালক-আৰোহীক হেলমেট পৰিধান কৰিবলৈ আহ্বান জনায়। আনহাতে, গৰৈমাৰী আৰক্ষী চকীৰ সহকাৰী উপ-পৰিদৰ্শক মনোৱাৰ ৰহমান উপস্থিত থাকি সজাগতা অভিযানৰ লগত সংগতি ৰাখি গৰৈমাৰী অঞ্চলত হেলমেটহীন মটৰ চাইকেল চালকসকলক চকলেট প্ৰদান কৰি পৰৱৰ্তী সময়ত হেলমেট পৰিধান কৰিবলৈ আহ্বান জনায়। ইপিনে সজাগতা অভিযানত জিকেএছ প্ৰেছ ক্লাবৰ তৰফৰ পৰা পথচাৰীসকলৰ মাজত বিনামূলীয়াকৈ সহস্ৰাধিক মাস্ক বিতৰণ কৰা হয়।

# বিশ্বনাথত ৰাষ্ট্ৰীয় যুৱ দিৱস

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২০ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে বিশ্বনাথ জিলাতো কালি জিলা যুৱ মৰ্চাৰ উদ্যোগত উদ্‌যাপন কৰা হয় ৰাষ্ট্ৰীয় যুৱ দিৱস। বিশ্বনাথ জিলা যুৱ মৰ্চাৰ সভাপতি দেৱজিৎ বৰাৰ নেতৃত্বত জিলাখনৰ যুৱ মৰ্চাৰ বিভিন্ন বিষয়ববাত থকা মৰ্চাৰ নেতা-কৰ্মীসকলে বিশ্বনাথ নগৰত একত্ৰিত হৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে। বিশ্বনাথ অসামৰিক চিকিৎসালয়ত যুৱ মৰ্চাৰ নেতা কৰ্মীসকলে ৰোগীসকলৰ খবৰ লৈ তেওঁলোকক কেঁচা ফলমূল প্ৰদান কৰে।

# গোসাঁইগাঁও জিলা কৰ্মচাৰী পৰিষদৰ অধিবেশন সম্পন্ন ঃ নতুন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ২০ জানুৱাৰী ঃ** গোসাঁইগাঁও জিলা কৰ্মচাৰী পৰিষদৰ ২৩ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশন অলপতে দিনজোৰা কাৰ্যসূচীৰে গোসাঁইগাঁও প্ৰেছ ক্লাবত অনুষ্ঠিত হয়। আগবেলাৰ অধিবেশনৰ বিভিন্ন কাৰ্যসূচীসমূহ ক্ৰমে পতাকা উত্তোলন, স্মৃতি তৰ্পণ, প্ৰতিনিধি পঞ্জীয়ন আদি ৰূপায়ণ কৰা হয়। বিয়লি গোসাঁইগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি মহেশ্বৰ ব্ৰহ্মৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰে জিলা কৰ্মচাৰী পৰিষদৰ উপদেষ্টা নিৰ্মল পালে। তেওঁ সংগঠনটোৰ জন্মৰ ইতিহাস সম্পৰ্কে মুকলি অধিবেশন উন্মোচন কৰা বুলি ঘোষণা কৰে। মুকলি সভাত গোসাঁইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক জিৰন বসুমতাৰীয়ে কয় যে কৰ্মচাৰীসকল চৰকাৰৰ অবিচ্ছেদ্য অংগ। কৰ্মচাৰীসকল অবিহনে চৰকাৰখন অসাৰ। অসমৰ মুখ্যমন্ত্ৰীয়ে সকলো দল-সংগঠনক লৈ এখন সুস্থ সবল ৰাজ্য গঠন কৰাৰ এক সুপৰিকল্পিতভাৱে কাম কৰাৰ প্ৰয়াস কৰিছে। তেনে ক্ষেত্ৰত অন্যান্য সকলৰ লগতে কৰ্মচাৰীসকলৰো সহযোগিতা লাগিব বুলি বিধায়কজনে সদৰী কৰে। সভাত উপস্থিত থাকে কোকৰাঝাৰ জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি অশোক কুমাৰ মহন্তই কৰ্মচাৰীসকলৰ সমস্যাৰাজি সম্পৰ্কত তথ্য সম্বলিত ভাষণ প্ৰদান কৰে আৰু সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত কৰ্মচাৰী পৰিষদে ইতিবাচক ভূমিকা লৈ আগন্তুক দিনত আগবাঢ়ি যাব বুলি মত পোষণ কৰে। কৰ্মচাৰী পৰিষদৰ যিকোনো কাৰ্যসূচীত কৰ্মচাৰীসকলক স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰি কাৰ্যসূচীসমূহ সাফল্যমণ্ডিত কৰি তোলাৰ বাবে যত্নপৰ হ'লেহে কৰ্মচাৰীসকলৰ সমস্যাসমূহ সমাধান হোৱাত সহজ হ'ব বুলি মন্তব্য কৰে। কৰ্মচাৰীসকলে নিজৰ কৰ্মসংস্কৃতিৰ প্ৰতি বিশেষভাৱে সজাগ হ'লেহে কৰ্মচাৰী পৰিষদৰ সাংগঠনিক ভেটি মজবত হ'ব বুলিও তেওঁ ভাষণত দোহাৰে। মুকলি অধিবেশনৰ পূৰ্বে অনুষ্ঠিত প্ৰতিনিধি সভাৰ জৰিয়তে গোসাঁইগাঁও জিলা কৰ্মচাৰী পৰিষদৰ পুৰণি সমিতিখন ভংগ কৰি ছানাৰাম ব্ৰহ্মক সভাপতি আৰু ৰাজকুমাৰ বসুমতাৰীক সাধাৰণ সম্পাদক হিচাপে লৈ গোসাঁইগাঁও জিলা কৰ্মচাৰী পৰিষদৰ পৰৱৰ্তী কাৰ্যকালৰ বাবে নতুন সমিতিখন গঠন কৰা হয়।

# ৰঙিয়াৰ ৰাজপথত উদণ্ড মটৰ চাইকেল চালকৰ তাণ্ডৱ, নিহত পথচাৰী

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ২০ জানুৱাৰী ঃ** ৰঙিয়াৰ তুলসীবাৰীত এজন উদণ্ড মটৰ চাইকেল চালকৰ বাবে অকালতে প্ৰাণ হেৰুৱালে এজন পথচাৰীয়ে। স্থানীয় ৰাইজে উল্লেখ কৰা মতে, যোৱা নিশা ৰঙিয়া তুলসীবাৰীৰ ব্যৱসায়ী, সৰবৰহী যুৱক, সমাজকৰ্মী জনপ্ৰিয় যোগ প্ৰশিক্ষক কাৰ্তিক দেৱনাথে ভাৰত ভূটান আন্তঃৰাষ্ট্ৰীয় পথেৰে ঘৰলৈ গৈ থকাৰ সময়তে এজন উদণ্ড মটৰ চাইকেল চালকে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষেৰে গৈ থকা দেৱনাথক খুন্দিওৱাত দেৱনাথ গুৰুতৰভাৱে আহত হয়। তেওঁক প্ৰথমতে ৰঙিয়াৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও আঘাত গুৰুতৰ হোৱাত চিকিৎসকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণৰ পাছত আধাবাটতে তেওঁৰ মৃত্যু হয়। ইপিনে, মটৰ চাইকেল চালকজনেও আহত হৈ চিকিৎসাধীন হ'ব লগা হয়। আৰক্ষীয়ে দুৰ্ঘটনাস্থলীৰ পৰা এম এল-০৫ এইছ- ২৬২৩ নম্বৰৰ মটৰ চাইকেলখন উদ্ধাৰ কৰি তুলসীবাৰী আৰক্ষী চকীলৈ আনে।

# যাতায়াতত যাতনা ভুগিছে ৰংবংবাসীয়ে


## আঁচনি ভুল ঃ নিৰ্মাণ নহ'ল পথৰ মাজ অংশ নুমলীগড় শোধনাগাৰলৈ নিৰ্মাণৰ আহ্বান



**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ২০ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ মৰঙি মৌজাৰ অন্তৰ্গত নুমলীগড় শোধনাগাৰ লিমিটেডৰ নাতি-দূৰৈত অৱস্থিত ৰংবং অঞ্চলৰ ৰাইজে যুগে যুগে যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিবলগীয়া হৈছে। অঞ্চলটোৰ কালিয়নি নৈৰ শিল-বালি, কেঁচা চাহপাতৰ এক সুনাম আছে। ইয়াৰ পৰা প্ৰতি বছৰে বহু লক্ষাধিক টকাৰ কৰ ৰাজকোষলৈ যায়। কিন্তু, ৰাইজে বহু আবেদন-নিবদেন কৰিও যাতায়াতৰ ক্ষেত্ৰত আজিও সুফল লাভ নকৰিলে। ইয়াৰ পৰিণতি স্বৰূপে বৰ্তমানেও অঞ্চলটোৰ আটাইতকৈ পুৰণি তথা ব্যস্ত পথ ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পংকা চাৰিআলি ৰংবং সংযোগী পথটো সম্পূৰ্ণকৈ নিৰ্মাণ সম্ভৱ হৈ নুঠিল। উল্লেখ্য যে লোকনিৰ্মাণ বিভাগৰ অধীনত থকা পথটো ৰাইজৰ আহ্বানৰ প্ৰতি লক্ষ্য ৰাখি যোৱা কেইবছৰমান পূৰ্বে নিৰ্মাণৰ ব্যৱস্থা কৰা হয় যদিও ভুল আঁচনিৰ ফলশ্ৰুতিত পথটোৰ মাজ অংশত প্ৰায় এক কিলোমিটাৰ অংশ নিৰ্মাণ কৰা নহ'ল। পংকা চাৰিআলিৰ পৰা ১.৪ কিলোমিটাৰ আৰু সিফালে বকিয়াল সংযোগী পথৰ পৰা পাঁচ কিলোমিটাৰ পথহে পকীকৰণ কৰা হয়। ফলত অঞ্চলটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পথ হোৱা সত্ত্বেও পংকা চাৰিআলিৰ পৰা ৰংবঙৰ মাজেৰে যোৱা সাত কিলোমিটাৰ পথটোৰ মাজৰ প্ৰায় এক কিলোমিটাৰ অংশ পকীকৰণ নোহোৱাৰ ফলত আজিও যমৰ যাতনা ভুগিব লগা হৈছে সৰ্বসাধাৰণ ৰাইজে। ৰংবঙৰ বৰতল নামঘৰৰ পৰা বকিয়াল পথ সংযোগী পথলৈ বাকী থকা অংশতেই আছে নাহৰজান প্ৰাথমিক বিদ্যালয় আৰু নাহৰজান খেলপথাৰখন। কিন্তু, পথৰ মাজভাগত থকা পুখুৰী সদৃশ গাঁতৰ বাবে যাতায়াত অসম্ভৱ হৈছে। বাৰিষা বৰষুণৰ পানী উপচি পৰাৰ লগে লগতে বোকাময় হৈ পৰে পথটো। ইয়াৰ ফলত সৰ্বসাধাৰণ ৰাইজৰ লগতে কণ কণ ছাত্ৰ-ছাত্ৰী আৰু ক্ৰীড়াপ্ৰেমী ৰাইজেও যাতায়াতৰ ক্ষেত্ৰত বহু কষ্ট স্বীকাৰ কৰিব লগা হৈছে। যিহেতু, নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষই বিভিন্ন সময়ত অঞ্চলটোৰ উন্নয়ন সাধনৰ বাবে বহুতো আঁচনি গ্ৰহণ কৰি আহিছে। সেয়েহে এন আৰ এলৰ পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰতে অৱস্থিত উক্ত পথটো অতি শীঘ্ৰে পকীকৰণৰ ব্যৱস্থা কৰি উপকৃত কৰিবলৈ ৰাইজে আহ্বান জনাইছে।

# লোকসংগীতৰ সাধক গজেন নাথ-ব্যাসৰ ওজা ভৱেন ডেকাক আছুৰ সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ২০ জানুৱাৰী ঃ** শিল্পী দিৱস উপলক্ষে যোৱা ১৭ জানুৱাৰীত দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাই দেওমৰনৈ অঞ্চলৰ দুজন লোকশিল্পীক সম্বৰ্ধনা জ্ঞাপন কৰে। লোকসংগীত আৰু চিয়াগীতৰ সাধক গজেন নাথ আৰু ব্যাসৰ ওজা ভৱেন ডেকাক নিজা বাসগৃহত ফুলাম গামোচা, গ্ৰন্থ আৰু এখন সম্বৰ্ধনা পত্ৰৰে সন্মান জনোৱা হয়। লোকশিল্পীদ্বয়ে বিভিন্ন অৰ্থনৈতিক সমস্যাৰ মাজেৰে সাংস্কৃতিক ক্ষেত্ৰত আগবঢ়াই অহা কৰ্মই নতুন প্ৰজন্মক উৎসাহিত কৰি আহিছে। দুয়োজন শিল্পীয়ে যথেষ্ট সংগ্ৰামৰ মাজেৰে জীৱন অতিবাহিত কৰি আহিছে। সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সাহিত্য সম্পাদক অপূৰ্ব শৰ্মাই কয় যে জীৱন সংগ্ৰাম আৰু জাতীয় স্বাভিমান ৰক্ষা কৰি ৰূপান্তৰৰ দিশে আগবাঢ়িবলৈ শিল্পী সত্তাই সদায় আমাৰ দৰে নৱ প্ৰজন্মক প্ৰেৰণা দি আহিছে। কাৰ্যসূচীত উপস্থিত থাকে আঞ্চলিক সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি চিণ্টু নাথ, ভাৰপ্ৰাপ্ত সম্পাদক সীমান্ত চহৰীয়া, সহকাৰী সম্পাদক ৰিদিপ ডেকা, মৃগাংক চলিহা, চাণক্য ডেকা আদি। কাৰ্যসূচী ৰূপায়ণৰ বাবে দেওমৰনৈ আঞ্চলিক সমিতিক ধন্যবাদ জ্ঞাপন কৰে আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া আৰু সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা কৰুণা বৰুৱাই।

# ছয়গাঁৱৰ মহাবীৰ পথাৰত হেৰ'ইনসহ মহিলা ধৃত



**ছয়গাঁও, ২০ জানুৱাৰী ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও আৰক্ষী থানাৰ জোৰশিমলু পহৰা চকীৰ অন্তৰ্গত মহাবীৰ পথাৰত নিশা ছয়গাঁও আৰক্ষীয়ে আটক কৰে এগৰাকী মহিলা ড্ৰাগছ সৰবৰাহকাৰীক। গৰৈমাৰী, জোৰশিমলু অঞ্চলত দীৰ্ঘদিন ধৰি ড্ৰাগছৰ ৰমৰমীয়া বেহা চলিছে। আৰক্ষীয়ে মহাবীৰ পথাৰৰ জামাল উদ্দিন আহমেদৰ পত্নী নুৰ জাহান বেগমৰ ঘৰৰ পৰা উদ্ধাৰ কৰে ১৩.০২ গ্ৰাম হেৰ'ইন। আৰক্ষীয়ে আজি তেওঁক আদালতত হাজিৰ কৰাত আদালতে জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰে।

# লক্ষীপুৰত ৭০ বিঘা ভূমিৰ আফিং খেতি ধ্বংস

**অগ্ৰদূত বাৰ্তা**
**লক্ষীপুৰ, ২০ জানুৱাৰী ঃ** পুনৰ আফিম (আফিং) খেতিৰ বিৰুদ্ধে আজি আৰক্ষীৰ এটা বৃহৎ দলে চৰাঞ্চলত চলালে তীব্ৰ অভিযান। হেক্টৰে হেক্টৰে কৰিবলৈ লোৱা আফিং খেতিবোৰ সম্পূৰ্ণভাৱে কাটি ধ্বংস কৰিলে আৰক্ষীয়ে ।

গোৱালপাৰাৰ লক্ষীপুৰ থানাৰ অন্তৰ্গত চুনাৰীৰ জাইকুৰা চৰত এচাম অসাধুৱে ৭০ বিঘা ভূমি সামৰি কৰিবলৈ লৈছিল আফিং খেতি। সংগোপনে কৰা এই খেতি সন্দৰ্ভত অৰক্ষীয়ে খবৰ পাই আজি অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণাল ডেকাৰ নেতৃত্বত আৰু লক্ষীপুৰ আৰক্ষী বিষয়া ভীমকান্ত পেগুৰ সহযোগত এটি বৃহৎ আৰক্ষী আৰু অৰ্ধসামৰিক জোৱানৰ দলে মিলি যন্ত্ৰচালিত নাৱৰে ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ জাইকুৰা চৰত উপস্থিত হয়। অতিকৈ দুৰ্গম জাইকুৰা চৰত এই মাৰাত্মক নিচাযুক্ত আফিং খেতি দেখি অভিযানকাৰীয়ে প্ৰথমতে আচম্বিত হয় । পাছত বিস্তৃত আফিং খেতি এফালৰ পৰা কাটি সম্পূৰ্ণৰূপে ধ্বংস কৰি দিয়ে ।

উল্লেখ্য যে চৰাঞ্চলসমূহত একাংশ অসাধু লোকে বহু বছৰৰ পৰাই অবৈধভাৱে কৰি আহিছে আফিং খেতি । আনকি, বিগত ৩০ ডিচেম্বৰত জিলা আৰক্ষী অধীক্ষকৰ নিৰ্দেশনাত চুনাৰীৰ লতিবাৰী, বামুণেৰ আলগা, শিয়ালমাৰী আৰু চোলাকুৰা আদি চৰাঞ্চলসমূহত বিঘাই বিঘাই কৰা আফিং খেতি ট্ৰেক্টৰেৰে কৰিছিল ধ্বংস । সমাজখনক ধ্বংসৰ পথলৈ নিয়া মাৰাত্মক নিচাযুক্ত এই আফিং খেতিৰ বিৰুদ্ধে আৰক্ষীয়ে সময়ে সময়ে চলাইছিল অভিযান। বিঘাই বিঘাই ধ্বংসও কৰিছিল আফিং খেতি। তৎসত্বেও বিভিন্ন চৰাঞ্চলত আজিও অব্যাহত আছে এই আফিম আফিং খেতিৰ কু-প্ৰচেষ্টা। শেহতীয়াকৈ জাইকুৰা চৰত আফিং খেতিৰ উমান পাই আজি জিলা আৰক্ষী অধীক্ষকৰ নিৰ্দেশনাত পুনৰ এই আফিং খেতিৰ বিৰুদ্ধে ল'লে কঠোৰ পদক্ষেপ। অভিযানকাৰীয়ে গোটেই দিন ৭০ বিঘা ভূমিৰ আফিং খেতি সম্পূৰ্ণভাৱে কাটি ধ্বংস কৰি পেলায়। আনহাতে, এই আফিং খেতি সন্দৰ্ভত অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণাল ডেকাই সাংবাদিকৰ আগত কয় যে লতিবাৰী চৰ-চাপৰিৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদকৰ দায়িত্বত থকা জব্বৰ আৰু চন্দ্ৰ শেখৰ ত্ৰিপাঠী নামৰ লোকদ্বয় প্ৰত্যক্ষভাৱে জড়িত আছে। অৱশ্যে ইয়াৰে চন্দ্ৰশেখৰ ত্ৰিপাঠীয়ে কেইদিনমান আগতে আফিং খেতিৰ বিৰুদ্ধে প্ৰশাসনে কোনো ব্যৱস্থা নল'বৰ বাবে লক্ষীপুৰ ৰাজহ চক্ৰ বিষয়াক এক লাখ ৯৫ হেজাৰ টকা কাৰ্যালয়ত উৎকোচ দিয়াৰ চেষ্টা কৰিছিল । ফলত , তেওঁক উৎকোচ দিয়াৰ অপৰাধত লগে লগে আৰক্ষীয়ে হাতে-লোটে ধৰি আটক কৰিছিল। আনহাতে, এই সমগ্ৰ কু-কাৰ্যৰ লগত জড়িত পলাতক অভিযুক্ত জব্বৰক বিচাৰি আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। আৰক্ষী প্ৰশাসনে আফিং খেতিৰ বিৰুদ্ধে চলাই যোৱা এনে ধাৰাবাহিক পদক্ষেপক শলাগ লৈছে অঞ্চলবাসীয়ে।

# চাপৰত ১২ টা চোৰাং গৰু জব্দঃ দুজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**চাপৰ, ২০ জানুৱাৰী ঃ** ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে ধুবুৰী জিলাতো গৰুৰ চোৰাং বেহা অব্যাহত আছে। ন ন কৌশলেৰে ছিণ্ডিকেট চক্ৰই ধুবুৰী জিলাৰ মাজেৰে বাংলাদেশলৈ সৰবৰাহ কৰি আছে চোৰাং গৰু। যোৱা নিশা চাপৰ আৰক্ষীয়ে চান্দৰডিঙা পাহাৰৰ শিলডাংগা গাঁৱত অভিযান চলাই খেদি খেদি ১২ টা চোৰাং গৰু জব্দ কৰাৰ লগতে এই ব্যৱসায়ৰ লগত জড়িত দুজন লোকক আটক কৰি থানালৈ আনে। এক গোপন সূত্ৰৰ পম খেদি চাপৰ থানাৰ নৱ নিযুক্ত ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জিত কাকতিৰ নেতৃত্বত আৰক্ষী আৰু অৰ্ধ-সামৰিক বাহিনীৰ দল এটাই উল্লিখিত স্থানত অভিযান চলাই গৰুকেইটা জব্দ কৰে। যন্ত্ৰচালিত নাৱৰে ব্ৰহ্মপুত্ৰ নদীয়েদি বাংলাদেশলৈ সৰবৰাহ কৰাৰ বাবেই গৰুকেইটা শিলডাংগালৈ অনা হৈছিল বুলি সন্দেহ কৰা হৈছে। উক্ত চোৰাং ব্যৱসায়ৰ লগত জড়িত থকাৰ অভিযোগত চাপৰ আৰক্ষীয়ে গোৱালপাৰা জিলাৰ পঞ্চৰত্ন থানাৰ অন্তৰ্গত হেলেংগা চৰৰ ফজল হকৰ পুত্ৰ হুছেইন আলীক আৰু চৈয়দ আলীৰ পুত্ৰ আজিদুল শ্বেখ (২২)ক গ্ৰেপ্তাৰ কৰিছে। চাপৰ আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৩৭৯/৪১১ ধাৰাৰ লগতে আসাম কেটল প্ৰিজাৰ্ভেচন এক্ট (২০২১)ৰ ১৩ নম্বৰ ধাৰা মৰ্মে এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে আৰু অভিযুক্তদ্বয়ক আজি বিয়লি বিলাসীপাৰা আদালতৰ জৰিয়তে ধুবুৰী জেললৈ প্ৰেৰণ কৰিছে। জব্দকৃত গৰু কেইটাক কাইলৈ ইয়াৰে ৰঙামাটিত থকা গোশালাত গতাই দিয়া হ'ব বুলি চাপৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কাকতিয়ে জানিবলৈ দিছে।

# জন্মশতবৰ্ষত শৈক্ষিক প্ৰশাসক নগেন্দ্ৰনাথ শৰ্মাক সশ্ৰদ্ধ সোঁৱৰণ

**বিশেষ সংবাদদাতা**
**পাঠশালা, ২০ জানুৱাৰী ঃ** ঐতিহ্যমণ্ডিত বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ, চাৰিটা দশকৰো অধিক কাল এইখন শিক্ষানুষ্ঠানত শিক্ষাৰ্থী আৰু শিক্ষকৰূপে জীৱন কটোৱা বজালীৰ শৈক্ষিক প্ৰশাসক, ক্ৰীড়াবিদ, বজালী ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি, অভিনেতা, মুক্তিযুঁজাৰু, প্ৰাক্তন খেলুৱৈ নগেন্দ্ৰনাথ শৰ্মাৰ জন্মশতবৰ্ষ উপলক্ষে ক'ভিডকালীন পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এক স্মৃতি শ্ৰদ্ধা অনুষ্ঠান যোৱা ১৫ জানুৱাৰীত অনুষ্ঠিত হয়। উল্লেখ্য যে এইজন শৈক্ষিক প্ৰশাসক সমগ্ৰ অঞ্চলটোত নগেন বিএছচিৰূপে পৰিচিত আছিল। এই উদ্দেশ্যে বিদ্যালয়খনৰ যি স্থানত শৰ্মাক সৎকাৰ কৰা হৈছিল সেই পুণ্যভূমিত বন্তি প্ৰজ্বলনেৰে শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ তথা শৰ্মাৰ ছাত্ৰ সঞ্জীৱ তালুকদাৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। তেওঁৰ জ্যেষ্ঠ পুত্ৰ কন্দৰ্প কুমাৰ শৰ্মাই আঁত ধৰা উক্ত অনুষ্ঠানত অধ্যক্ষ তালুকদাৰে আশা ব্যক্ত কৰি কয় যে এনে এজন দক্ষ আৰু প্ৰকৃত দ্ৰোণাচাৰ্যৰ সুকীৰ্তি সংৰক্ষণ হ'লে আজিৰ প্ৰজন্মই ভালেমান কথাই শিকিব পাৰিব। অনুষ্ঠানত বৰুণ দাসো উপস্থিত থাকে।

# ভেৰুৱাত গ্ৰন্থ সম্ভাৰ প্ৰদান অনুষ্ঠানৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**
**দুনী, ২০ জানুৱাৰী ঃ** দৰঙৰ অগ্ৰণী শিক্ষানুষ্ঠান ভেৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম প্ৰাক্তন সতীৰ্থ সমাৰোহ ২০১৯ৰ উদ্‌যাপন সমিতিৰ উদ্যোগত কালি বিদ্যালয় প্ৰাংগণত গ্ৰন্থ সম্ভাৰ প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি সিদিনা পুৱা ক্ৰমে সামূহিক চাফাই, বন্তি প্ৰজ্বলন, পতাকা উত্তোলন, ছহিদ তৰ্পণ, স্মৃতিচাৰণ, গছপুলি ৰোপণ, তোৰণ উন্মোচনৰ পাছত দুপৰীয়া গ্ৰন্থ সম্ভাৰ প্ৰদান সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক মনোৰঞ্জন শৰ্মাই উদ্বোধন কৰা সভাৰ আঁত ধৰে কাৰ্যালয় সহায়ক দিলীপ ডেকাই। উক্ত সভাত অৱসৰী শিক্ষক অনন্ত দেৱশৰ্মা, দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বীৰেন কলিতা, প্ৰাক্তন ছাত্ৰ ডাঃ নৱ কুমাৰ দাস প্ৰমুখ্যে কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সম্পৰ্কে ভাষণ আগবঢ়ায়। উক্ত সভাতে বিদ্যালয়ৰ 'ৱেব ছাইট' উন্মোচন কৰে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ মৃণাল চক্ৰৱৰ্তীয়ে। উল্লেখ্য যে ২০১৯ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ভেৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম প্ৰাক্তন সতীৰ্থ সমাৰোহৰ প্ৰধান সম্পাদক পংকজ কুমাৰ ডেকাৰ নেতৃত্বত ৰাহি হোৱা মুঠ ১,১৪,২৯৭ টকাৰে গ্ৰন্থ আৰু গ্ৰন্থ সংৰক্ষণৰ আচবাব ক্ৰয় কৰি বিদ্যালয় কৰ্তৃপক্ষক প্ৰদান কৰে।

# তিনিদিনে সন্ধানহীন ৰামদিয়াৰ ব্যৱসায়ী

**অগ্ৰদূত বাৰ্তা**
**হাজো, ২০ জানুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়া দলোপাৰা নিবাসী খনিন্দ্ৰ ঠাকুৰীয়া ওৰফে পলু যোৱা তিনিদিন ধৰি সন্ধানহীন হৈ আছে। হাজো অঞ্চলৰ লগতে ভিন্ন প্ৰান্তৰ বজাৰত শাক-পাচলিৰ বীজ, পুলি আদি বিক্ৰী কৰে। অইন দিনাৰ দৰে চাইকেলখন লৈ পুৱা সাত বজাত বজাৰলৈ ওলাই যোৱাৰ পৰা সন্ধানহীন হৈ আছে। পৰিয়ালৰ লোকে ভিন্ন স্থানত বিচাৰ খোচাৰ কৰিছে যদিও অদ্যপি কোনো সন্ধান লাভ কৰা নাই। জানিব পৰা মতে তেওঁ মানসিকভাৱে কিছু অসুস্থ।

# অৱসৰপ্ৰাপ্ত বিষয়া গজেন ডেকাৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২০ জানুৱাৰী ঃ** নলবাৰী চহৰৰ মালিকুছি নিবাসী তথা বন বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া গজেন ডেকা (৮২)ৰ যোৱা নিশা নিজ গৃহত মৃত্যু হয়। একশৰণ নাম ধৰ্মত বিশ্বাসী গজেন ডেকা বিগত কিছুমাহৰ পৰা ৰোগাক্ৰান্ত হৈ আছিল। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে জিলা শংকৰদেৱ সংঘৰ বিষয়ববীয়া তথা গুণমুগ্ধসকলৰ উপৰি বিজেপিৰ নলবাৰী জিলা সমিতিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, টাউন মণ্ডলৰ সভানেত্ৰী অজিতা বৰ্মন, বড়িগোগ বনভাগ মণ্ডল সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, পূব নলবাৰী মণ্ডল সভাপতি পুতুল কলিতা, বিভিন্ন মৰ্চাৰ বিষয়ববীয়াসহ দলীয় নেতা-কৰ্মীয়ে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁৰ বিয়োগত সাংসদ তথা বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, নলবাৰী উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ বনদ্বীপ ডেকা আদিয়ে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি দুজন পুত্ৰ, দুগৰাকী কন্যাক এৰি যায়।

# ইনামুল হুছেইনৰ মৃত্যু

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২০ জানুৱাৰী ঃ** নাজিৰা নগৰৰ সমীপৰ বালিঘাটৰ নিবাসী, অ' এন জি চিৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, সৰবৰহী ব্যক্তি ইনামুল হুছেইন ওৰফে পুতলা (৮২)ৰ যোৱা নিশা মৃত্যু হয়। তেওঁ উচ্চ ৰক্তচাপ আৰু হৃদৰোগত আক্ৰান্ত হোৱাত অ' এন জি চিৰ চিকিৎসালয়লৈ নিয়ে যদিও তাতে তেওঁৰ মৃত্যু হয়। আজি বিয়লি বালিঘাট জানাজা গৃহত জানাজা সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ আৰু দুগৰাকী কন্যা এৰি যায়।

# ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত ৰচনা প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ২০ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় যুৱ দিৱসৰ স'তে সংগতি ৰাখি ভাৰতীয় জনতা যুৱ মৰ্চাই আয়োজন কৰে 'সেৱা সপ্তাহ'। সেৱা সপ্তাহত গ্ৰহণ কৰিছে বিভিন্ন কাৰ্যসূচী। ইয়াৰে অংশৰূপে আজি মুছলপুৰস্থিত শংকৰদেৱ শিশু নিকেতনত জিলা যুৱ মৰ্চাৰ কৰ্মকৰ্তাসকলে আয়োজন কৰে স্বামী বিবেকানন্দৰ জীৱন আৰু কৃতিত্ব' শীৰ্ষক ৰচনা প্ৰতিযোগিতা। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ নিকেতনৰ নৱম শ্ৰেণীৰ ছাত্ৰ প্ৰাচুৰ্য তালুকদাৰ আৰু দ্বিতীয় পুৰস্কাৰ দশম শ্ৰেণীৰ ছাত্ৰী তৰালী ডেকাই লাভ কৰে। উল্লেখ্য যে থিতাতেই বাগ্‌সা জিলা বিজেপিৰ সভাপতি শৰৎ শৰ্মাই বঁটাও বিতৰণ কৰে। প্ৰতিযোগিতাখন পৰিচালনা কৰা নিকেতনৰ আচাৰ্য ক্ৰমে সুৱল কলিতা, জুনুকা কলিতা, নিৰদা দাস, ৰহিলা ব্ৰহ্ম, দিলীপ বায়ন আৰু জিন্টুমণি দাসক সম্বৰ্ধনা জ্ঞাপন কৰে।

# নকাৰী মজলীয়া বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন

## অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক বিদায় সম্ভাষণ

**অগ্ৰদূত বাৰ্তা**
**টেঙাখাত, ২০ জানুৱাৰী ঃ** নকাৰী মজলীয়া বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আজি অনুষ্টুপীয়াকৈ পালন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা ৰংৰঙী চেতনা শাখা সাহিত্য সভাৰ সভাপতি বিদ্যাধৰ ফুকনে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক ভূপেন কুমাৰ বৰুৱাই। সভাত বিশিষ্ট অতিথিৰূপে পানীতোলা প্ৰাথমিক শিক্ষা খণ্ডৰ শিক্ষা বিষয়া কুলদীপ তালুকদাৰ, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কুশলতা গগৈ আৰু অৱসৰপ্ৰাপ্ত শিক্ষক জয়ন্ত গগৈয়ে বিদ্যালয়খনৰ সৰ্বাংগীণ উন্নতি কামনা কৰে। উক্ত সভাত বিদ্যালয়খনৰ পৰা অৱসৰ গ্ৰহণ কৰা কে'বাজনো অৱসৰপ্ৰাপ্ত শিক্ষকে অংশগ্ৰহণ কৰে। সভাখনত বিদ্যালয়খনৰ পৰা অলপতে অৱসৰ গ্ৰহণ কৰা প্ৰধান শিক্ষয়িত্ৰী তথা ৰাজ্যিক কৃতী শিক্ষয়িত্ৰী বঁটাপ্ৰাপক কুশলতা গগৈ আৰু সহকাৰী শিক্ষক জয়ন্ত গগৈক বিদায় সম্ভাষণ জনোৱা হয়। প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি প্ৰতি বছৰে প্ৰদান কৰি অহা কেপ্টেইন যোগাধৰ বৰুৱা ছাত্ৰ বৃত্তি ন্যাসৰ দ্বাৰা গণিত বিষয়ত সৰ্বোচ্চ নম্বৰ পোৱা বিদ্যালয়খনৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী লুনা ফুকন আৰু ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা ষষ্ঠ শ্ৰেণীৰ ৰিয়া লিকচনক এই বছৰ বঁটা প্ৰদান কৰা হয়। অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ পোৱা অষ্টম শ্ৰেণীৰ ছাত্ৰী শিৰাষিতা গগৈক সমাজসেৱিকা আইৰাণী মেচে আগবঢ়োৱা চলন্ত বঁটা আৰু অসম চৰকাৰৰ শিক্ষা বিভাগৰ ডেপুটি সঞ্চালক দেৱজ্যোতি গগৈয়ে আগবঢ়োৱা বঁটা সুন্দৰ হাতৰ আখৰৰ বা অষ্টম শ্ৰেণীৰ ছাত্ৰী সোণামিকা ফুকনক প্ৰদান কৰা হয়। অনুষ্ঠানসমূহৰ আঁত ধৰে প্ৰধান শিক্ষক ভূপেন বৰুৱাই।

# ভাওৰাগুৰীৰ পাটিয়ালপাৰাত পথ নিৰ্মাণত দুৰ্নীতিৰ অভিযোগ



**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২০ জানুৱাৰী ঃ** গোসাঁইগাঁও মহকুমা বিটিচিৰ ছয় নম্বৰ কচুগাঁও পৰিষদীয় সমষ্টিৰ অন্তৰ্গত পাটিয়ালপাৰা-আহমেদপুৰ গাঁৱত পথ নিৰ্মাণত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। গাঁওখনৰ গড়কাপ্টানী পথৰ পৰা মাজেৰগাঁও মছজিদলৈকে যোৱা পথটো নিৰ্মাণত ঠিকাদাৰে অৰ্ধনিৰ্মিত কৰি আবণ্টিত ধন আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। দুই লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া পথটোত শিল-বালি দিব লাগিছিল যদিও ঠিকাদাৰ হাচেম আলীয়ে অকল কিছু বালি দি অৰ্ধনিৰ্মিত কৰি কাম সামৰে। ফলত ৰাইজৰ যাতায়াতত ব্যাঘাত জন্মিছে। অকল বালি দিয়াৰ বাবে বতাহ দিলেই বালিৰ বাসিন্দাসকলৰ ঘৰ ভৰি পৰে বুলি ৰাইজে অভিযোগ কৰিছে। সামান্য কাম কৰি সকলো ধন আত্মসাৎ কৰা ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক ৰাইজে দাবী জনাইছে।

# দিহানাম প্ৰতিযোগিতা স্থগিত

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২০ জানুৱাৰী ঃ** উত্তৰ লখিমপুৰ চেতিয়া গাঁও সম্প্ৰীতি মহিলা মঞ্চৰ উদ্যোগত পাঁচ নম্বৰ ৱাৰ্ডৰ চেতিয়া গাঁও ৰংগমঞ্চত আয়োজিত দিহানাম প্ৰতিযোগিতাৰ তাৰিখ পিছুৱাই দিয়া হৈছে। উল্লেখ্য যে অহা ২২ জানুৱাৰীত অনুষ্ঠিতব্য গাঁওখনৰ বয়োজ্যেষ্ঠ ললিত চন্দ্ৰ গগৈৰ মৃত্যু হোৱাত প্ৰতিযোগিতাখন অহা পাঁচ ফেব্ৰুৱাৰীলৈ পিছুৱাই দিয়া বুলি আয়োজক মণ্ডলীয়ে সদৰী কৰিছে।

# ভানু দেৱীৰ মৃত্যু

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২০ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাৰ শেনচোৱা গাঁৱৰ নিবাসী সমাজসেৱিকা, ধৰ্মপ্ৰাণা মহিলা ভানু দেৱী (৪৯) ৰ আজি পুৱতি নিশা নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণ মৃত্যু হয়। বয়োজ্যেষ্ঠা মহিলা গৰাকীৰ মৃত্যুত বৃহত্তৰ কোঁৱৰপুৰ মৌজাটোতে শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেখেতে দুগৰাকী পুত্ৰ আৰু এগৰাকী জীক ইহ সংসাৰত এৰি যায়। আজি বিয়লি বহু গুণমুগ্ধৰ উপস্থিতিত শিৱসাগৰ নগৰৰ থানামুখ শান্তিবন শ্মশানত তেখেতৰ শেষকৃত্য সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে।

# দৰা আৰু মাতৃসহ কুৰিজনে ৰক্তদান কৰিলে বিবাহ থলীতে

## মঙলদৈৰ এখন ব্যতিক্ৰমী বিয়া

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ২০ জানুৱাৰী ঃ** মঙলদৈৰ এখন ব্যতিক্ৰমী বিয়াই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। বিয়াৰ দিনাই ৰূপায়িত হ'ল এক ব্যতিক্ৰমী কাৰ্যসূচী। 'ৰক্তদান মহান দান' শ্ল'গানৰে বিবাহস্থলীতে অনুষ্ঠিত হ'ল ৰক্তদান শিবিৰ। মঙলদৈৰ ৰামহৰিৰ ছন্দোৱালপাৰা গাঁৱৰ



যুৱক খনিন্দ্ৰ ডেকাৰ আজি বিবাহৰ দিনাই ৰক্তদান কৰে। বিয়াৰ ঘৰত অনুষ্ঠিত উক্ত শিবিৰটো আৰম্ভ কৰে দৰাৰ মাতৃগৰাকীয়ে। লগতে সংগ দিয়ে ৰক্তদানৰ স'তে জড়িত ইউনিটি দ্য ব্লাড ড'নৰ নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ সদস্য আৰু ৰামহৰি যুৱ মঞ্চৰ সদস্যসকলে উক্ত ৰক্তদান শিবিৰত ২০ গৰাকীয়ে ৰক্তদান কৰে। উল্লেখ্য যে খন্দ্ৰি এজন নিয়মীয়া ৰক্তদাতা পৰিচিত।

# ক'ভিডৰ বাবে ৰাজ্যিক লোক আদালত স্থগিত

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ২০ জানুৱাৰী ঃ** হোজাই জিলা আৰু সত্ৰ ন্যায়াধীশ তথা জিলা আইন সেৱা প্ৰাধিকৰণ তৰফৰ পৰা জনোৱা মতে, সাম্প্ৰতিক ক'ভিড-১৯ সংক্ৰমণ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অহা ২২ জানুৱাৰীত হোজাই জিলা সদৰ শংকৰদেৱ নগৰত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক লোক আদালত পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত স্থগিত ৰখা হৈছে।

NO.DPS/PTG(E)34/2021/7

**NOTICE INVITING E-tender**

The Director of Printing & Stationery, Assam, Guwahati-21 invites tenders in 2 (Two) bid system (Technical & Financial) from firms/suppliers registered under the Directorate of Printing & Stationery for supply of different varieties of paper to the Paper Stores of the Directorate of Printing & Stationery, Assam, Guwahati-21 & Assam Govt. Branch Press, Jorhat by entering into a Rate Contract for one year from the date of signing.

The details of the tender will be available in the website https://www.assamtenders.gov.in from 20/01/2022 (2:00 PM). Bid is to be submitted through online and the hard copies of the technical Bid only to be submitted to the Director, Printing & Stationery, Assam, Guwahati-21 before closing date of E-tender.

Sd/-
Director
Printing & Stationery, Assam,
Guwahati-21

Janasanyog/C/10844/21

**জাননী**

ইয়াৰ দ্বাৰা সমূহ দৰংবাসীকে জনোৱা হয় যে ৰাজ্যত ক্ৰমাৎ বৰ্ধিত হাৰত ক'ভিড-১৯ৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি অসম ৰাজ্যিক আইনসেৱা প্ৰাধিকাৰীৰ নিৰ্দেশ অনুসৰি দৰং জিলা আইনসেৱা প্ৰাধিকাৰীৰ উদ্যোগত দৰং জিলাৰ ন্যায়িক আদালত চৌহদত অহা ২২-০১-২০২২ তাৰিখে অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক লোক আদালত অনিৰ্দিষ্ট সময়লৈ স্থগিত কৰা হৈছে। উক্ত ৰাজ্যিক লোক আদালতত উপস্থিত হোৱাৰ বাবে নোটিশ/চমন/জাননী লাভ কৰা ব্যক্তিসকলক অহা ২২-০১-২০২২ তাৰিখে আদালতত উপস্থিত থকাৰ পৰা বিৰত থাকিবলৈ অনুৰোধ জনোৱা হ'ল।

নিৰ্দেশক্ৰমে,
সচিব, দৰং জিলা আইন সেৱা প্ৰাধিকাৰী,
দৰং, মঙলদৈ

Janasanyog/D/13756/21



*ক'ভিডৰ বাবে শিক্ষানুষ্ঠান বন্ধ।*

# জ্যেষ্ঠ নাগৰিক সন্মিলনক স্বীকৃতি প্ৰদান

**অগ্ৰদূত বাৰ্তা**
**চিনামৰা, ২০ জানুৱাৰী ঃ** দক্ষিণ যোৰহাটৰ জালুকনিবাৰীৰ জ্যেষ্ঠ নাগৰিকসকলক একেখন পতাকাৰ তলত সমবেত কৰি অঞ্চলটোৰ বিভিন্ন সামাজিক-সাংস্কৃতিক উন্নতিৰ হকে কাম কৰাৰ উদ্দেশ্যে অলপতে গঠন হোৱা জালুকনিবাৰী জ্যেষ্ঠ নাগৰিক সন্মিলনক অসম জ্যেষ্ঠ নাগৰিক সন্মিলনে স্বীকৃতি দিয়াত বৃহত্তৰ অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিকসকলে সন্তুষ্টি প্ৰকাশ কৰিছে। অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি মনোজ শৰ্মা আৰু প্ৰধান সম্পাদক বানেশ্বৰ খাউণ্ডে এক পত্ৰযোগে শাখাটোক স্বীকৃতি প্ৰদান কৰে। উল্লেখ' যে শাখাটোৰ সভাপতি প্ৰশান্ত হাজৰিকা আৰু সম্পাদক বীৰেন মহন্ত নিৰ্বাচিত হৈছে। ২০০৩ৰ ১০ এপ্ৰিলত স্থাপিত অসম জ্যেষ্ঠ নাগৰিক সন্মিলনত ১৮ বছৰৰ বিৰতিত জালুকনিবাৰী জ্যেষ্ঠ নাগৰিক সন্মিলন গঠন হোৱা কাৰ্য ইতিবাচক পদক্ষেপ ৰাইজে মত পোষণ কৰিছে।

# মঙ্গলদৈত ঐতিহাসিক পথৰুঘাট ৰণ বিষয়ক আলোচনা চক্ৰৰ আয়োজন

## আছু, বাৰ্তাজীৱি সংঘ-পথৰুঘাট নাগৰিক সমাজৰ যৌথ উদ্যোগত

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ২০ জানুৱাৰী ঃ** ১৮৯৪ৰ ২৮ জানুৱাৰীত বৃটিছৰ শোষণ আৰু বঞ্চনাৰ প্ৰতিবাদ কৰিবলৈ গৈ দৰং জিলাৰ পথৰুঘাটত নিৰিহ কৃষক ছহিদ হৈছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত কৃষক বিদ্ৰোহৰূপে চিহ্নিত উক্ত ঐতিহাসিক পথৰুঘাট আজিও অৱহেলিত। পঞ্জাৱৰ জালিয়নাৱাগ হত্যাকাণ্ড আৰু চিপাহী বিদ্ৰোহ ঘটনাতকৈ পথৰুঘাট ৰণ গুৰুত্বপূৰ্ণ যদিও ইয়াক কেন্দ্ৰীয় চৰকাৰে তথা অসম চৰকাৰে গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। দেশৰ জনসাধাৰণে কিয় অসমৰে বহু লোকে আজিও এই ঘটনাৰ বিষয়ে নাজানে। এই ঐতিহাসিক পথৰুঘাট ৰণৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে দৰং জিলা বাৰ্তাজিৱি সংঘ আৰু দৰং জিলা আছুৱে গুৰুত্ব দি আহিছে। বিগত বৰ্ষসমূহৰ দৰে এইবেলিও অহা ২৭ জানুৱাৰীত দৰং জিলা বাৰ্তাজিৱি সংঘ, সদৌ দৰং জিলা ছাত্ৰ সন্থা আৰু পথৰুঘাট নাগৰিক সমাজৰ উদ্যোগত এখনি আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। মঙ্গলদৈ প্ৰেছ ক্লাবত অনুষ্ঠিত হ'বলগীয়া ঐতিহাসিক পথৰুঘাট ৰণ আৰু ইয়াৰ গুৰুত্ব শীৰ্ষক আলোচনাচক্ৰখন সঞ্চালনা কৰিব অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা পথৰুঘাট নাগৰিক সমাজৰ সভাপতি কুলেন্দ্ৰ নাথ ডেকাই। গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি মনোজ কুমাৰ নাথে উদ্বোধন কৰিবলগীয়া আলোচনা চক্ৰখনত মুখ্য আলোচকৰূপে অংশগ্ৰহণ কৰিব আমাৰ অসমৰ কাৰ্যবাহী সম্পাদক গৌতম শৰ্মা, বিশিষ্ট সাহিত্যিক ড° অমৰেন্দ্ৰ নাৰায়ণ দেব আৰু আছুৰ উপদেষ্টা উদ্দীপজ্যোতি গগৈয়ে। আনহাতে, বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা আৰু আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা আৰু অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক চহিৰ ভূএগই। সভাত সন্মানীয় অতিথি অংশগ্ৰহণ কৰিব আছুৰ কেন্দ্ৰীয় বিত্ত সম্পাদক খনিন্দ্ৰ ৰাজবংশী, যুৱ ছাত্ৰ পৰিষদৰ উপ-সভাপতি ভৰেশ কাকতি, অসম বাৰ্তাজিৱি সংঘৰ সাধাৰণ সম্পাদক মুকুট ৰাজ শৰ্মা, দৰং জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকা, মঙলদৈ প্ৰেছ ক্লাবৰ সভাপতি মদন বৰুৱা আৰু উপদেষ্টা আব্দুল খালেকে। উক্ত অনুষ্ঠানত ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে বাৰ্তাজিৱি সংঘৰ সভাপতি লক্ষ্যধৰ শইকীয়া আৰু সম্পাদক লক্ষীনন্দন কলিতা, দৰং আছুৰ সভাপতি পৰাগ চহৰীয়া, সাধাৰণ সম্পাদক সত্যৰঞ্জন ডেকা আৰু পথৰুঘাট নাগৰিক সমাজৰ সম্পাদক বদৰুল জামানে।

No. TECH- 05/SE(B)/E-Tender/2021-22/11, Dated Kokrajhar the 20/01/2022.

**Tender No. 502 of 2021-22**

**PRESS NOTICE INVITING TENDER**

The Superintending Engineer, PWD Building Circle, Kokrajhar on behalf of Governor of Assam invites bids from approved and eligible Contractors registered with Public Works Department (Building), Assam/Contractors registered with Bodoland Territorial Council in the category of Class-I (A,B&C) & Class-II for 2 (two) Nos. of works for bids amounting to Rs.61,04,137.00 (approx) (Rupees Sixty one lakh four thousand one hundred thirty seven) only.

Details may be seen at website http://assamtenders.gov.in and also in the office of the undersigned during office hours.

Sd/-
Superintending Engineer, PWD
Kokrajhar Bldg Circle, Kokrajhar

IPR(BTC)-668/2021

# কুঁড়ুখ (ওৰাওঁ) সংঘৰ প্ৰতিষ্ঠা দিৱসৰ অভ্যৰ্থনা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ২০ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা মহকুমাৰ লাখ মানমৌ পথাৰ প্ৰাথমিক বিদ্যালয় খেলপথাৰ প্ৰাংগণত অহা ২০২২ৰ ১৪ ফেব্ৰুৱাৰীত অসম প্ৰদেশ কুঁড়ুখ (ওৰাওঁ) সংঘৰ প্ৰতিষ্ঠা দিৱসটি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই উদ্দেশ্যে যোৱা ১১ জানুৱাৰীত লাখ মানমৌ পথাৰ আঞ্চলিক সমিতিৰ সভাপতি দুলন ওৰাঙৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত কৰি প্ৰতিষ্ঠা দিৱসটো সুকলমে উদ্‌যাপন কৰিবলৈ এখনি উদ্‌যাপন সমিতি গঠন কৰা হয়। ওৰাওঁ সংঘৰ মানমৌ পথাৰ আঞ্চলিক সমিতিৰ উপদেষ্টা প্ৰকাশ ওৰাওঁয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সংঘৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সদস্য সুনীল ওৰাওঁৰে উপস্থিত থাকি পাৰৈ, নিংগাম মাকুমকিল্লা, মতাবিল আদি অঞ্চলৰ লোকৰ লগতে মানমৌ অঞ্চলৰ ৰাইজৰ সহযোগিতা কামনা কৰে। প্ৰতিষ্ঠা দিৱসটি সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে প্ৰকাশ ওৰাওঁ সভাপতি, ৰাজীৱ কিষাণক কাৰ্যকৰী সভাপতি, দুলেশ্বৰ ওৰাওঁ সম্পাদক, কৃষ্ণ ওৰাওঁ সহকাৰী সম্পাদক, পুকুল ওৰাওঁক কোষাধ্যক্ষৰূপে লৈ এখনি অভ্যৰ্থনা সমিতি গঠন কৰা হয়।

# অমৰজ্যোতি ক্লাবৰ সোণালী জয়ন্তীৰ অনুষ্ঠান স্থগিত

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২০ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ বৃহত্তৰ ফৰকাটিং অঞ্চলৰ শিক্ষা, সাহিত্য, সংস্কৃতি আৰু ক্ৰীড়া প্ৰসাৰৰ অন্যতম ঐতিহ্যমণ্ডিত অনুষ্ঠান ফৰকাটিং অমৰজ্যোতি ক্লাবৰ চলিত মাহৰ ২৬ আৰু ২৭ জানুৱাৰীত আয়োজন কৰা সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান সাময়িকভাৱে স্থগিত ৰখা হৈছে। উদ্‌যাপন সমিতিৰ সভাপতি দুগ্ধ দত্ত আৰু সম্পাদক প্ৰাণজিত শইকীয়াই জনায় যে দেশৰ ক'ভিড পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সমিতিয়ে এক জৰুৰী সভাৰ যোগে এই সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে, ২৬ জানুৱাৰীত ক'ভিড বিধি ৰক্ষা কৰি ৰাষ্ট্ৰীয় পতাকা, স্মৃতি তৰ্পণ আৰু ন-পুৰণি সতীৰ্থসকলৰ মিলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

# ডিব্ৰুগড়ৰ-কাছাৰৰ বাগিচাৰ ভূমি অধিগ্ৰহণৰ প্ৰতিবাদ

## অসম মজুৰি শ্ৰমিক ইউনিয়ন আৰু ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদ

**গুৱাহাটী, ২০ জানুৱাৰী ঃ** সম মজুৰি শ্ৰমিক ইউনিয়ন আৰু ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ কেন্দ্ৰীয় সমিতিয়ে আজি বিবৃতিত উল্লেখ কৰে ডিব্ৰুগড় জিলাত এটা চাহ যাদুঘৰ পতাৰ নামত চাহ বাগিচাৰ 2.66 একৰ মাটি অধিগ্ৰহণৰ পাছত এতিয়া দুঃখবৰ আহিছে বৰাক উপত্যকাৰ পৰা। এক আন্তৰ্জাতিক বিমানকোঠ গঢ়াৰ নামত তাৰ ডলু, লালবাগ আৰু মইনাগড় চাহ বাগিচাৰ 873 একৰ (প্ৰায় 2600 বিঘা) মাটি অধিগ্ৰহণ কৰিবলৈ লোৱা হৈছে। তাৰ বাবে মালিকপক্ষক কোটি কোটি টকাৰ ক্ষতিপূৰণ দিয়া হ'ব। কিন্তু তাৰ বিপৰীতে চাহ শ্ৰমিক আৰু চাহ গছ উচ্ছেদ কৰা হ'ব। অসম মজুৰি শ্ৰমিক ইউনিয়নৰ সভাপতি বিপুল হাজৰিকা আৰু কাৰ্যকৰী সভাপতি কৃষ্ণকান্ত গগৈৰ লগতে ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ সভাপতি ৰবচন মুণ্ডা আৰু সম্পাদক ৰতন হেমব্ৰমে এক বিবৃতিত আমোলা-পুঁজিপতি-দালাল-ৰাজনীতিবিদ-অভিজাতৰ আন্তৰ্জাতিক বিমান-বিলাস-বিনোদনৰ স্বাৰ্থত আদিবাসী চাহমজদুৰ তথা চাহ উদ্যোগ ধ্বংসকাৰী এই পৰিকল্পনাৰ ঘোৰতৰ বিৰোধিতা কৰিছে আৰু ইয়াৰ বিৰুদ্ধে কেৱল আদিবাসী-চাহ মজদুৰ সংগঠনবোৰেই নহয়, সমগ্ৰ গণতান্ত্ৰিক, প্ৰগতিশীল, সাম্ৰাজ্যবাদী-বিশ্বায়ন বিৰোধী ব্যক্তি আৰু সংগঠনে ইয়াৰ বিৰুদ্ধে ঐক্যবদ্ধ প্ৰতিৰোধ গঢ়ি তোলা দৰকাৰ।

**অসম চাহ নিগমৰ ১৫ বাগিচা ব্যক্তিগতকৰণ বা লিজৰ বিৰুদ্ধে প্ৰতিবাদ দুই সংগঠনৰ**

একেটা বিবৃতিতে সংগঠন দুটাই বৰাক-ব্ৰহ্মপুত্ৰ দুয়োটা উপত্যকাতে অৱস্থিত অসম চাহ নিগমৰ 15 খন বাগিচাৰ 15 ÎÎÃহেজাৰ শ্ৰমিকে 15 বছৰৰো অধিককাল বেচন নোপোৱা, ভৱিষ্যনিধিৰ 144 কোটি টকা অনাদায় হৈ থকা, দীৰ্ঘকাল ধৰি আন বাগিচাতকৈ কম মজুৰি পোৱা (**বৰাকত চিৰকালেই ব্ৰহ্মপুত্ৰৰ তুলনাত কম!**) আদি দীৰ্ঘকালীন সমস্যাৰ ওপৰত গেলাতে টেঙা দি পাঁচদশকত নিগমৰ 740 কোটি টকা লোকচান কৰোৱা হৈছে। নিগমৰ দায়িত্বপ্ৰাপ্ত চৰকাৰী ৰাজনীতিবিদ আৰু আমোলাসকল লোকচানৰ (নে আত্মসাৎকৰণ?)ৰ বাবে পোনপটীয়াকৈ দায়ী।

কিন্তু সেই দায়িত্ব শিৰ পাতি লোৱাৰ বিপৰীতে এতিয়া এইসমূহ বাগিচা চাহগছ আৰু চাহ মজদুৰৰে স'তে (জীৱজন্তু বা গোলামহে যেনিবা!) ব্যক্তিগত মালিকক লিজত দিবলৈ ওলাইছে।

ইউনিয়ন আৰু পৰিষদৰ নেতৃত্বই এই চক্ৰান্তৰ ঘোৰ বিৰোধিতা কৰি কয়, 'অসম চাহনিগমৰ শ্ৰমিকৰ প্ৰায় দুই দশকৰ অনাদায় ৰেছন, পি এফ আৰু কমকৈ দিয়া মজুৰিৰ বাবদ প্ৰায় 500 কোটি টকা চৰকাৰে শ্ৰমিকক আদায় দিয়ক।'

চৰকাৰ-ৰাজনীতিবিদ-আমোলাৰ অৱহেলা-অপদাৰ্থতা-আত্মসাতৰ ফলত হোৱা লোকচানৰ দায়িত্ব তেওঁলোকেই ল'ব লাগিব; শ্ৰমিকে ল'ব নোৱাৰে। কিন্তু তাৰ বিপৰীতে চৰকাৰে যদি বক্তিগতকৰণÛ লিজত দিয়াৰ কথা ভাবে, তেনেহ'লে তাৰ প্ৰবল বিৰোধিতা হ'ব। হাজৰিকা-গগৈ আৰু মুণ্ডা-হেমব্ৰমে চৰকাৰে চলাব নোৱাৰিলে অসম চাহ নিগমৰ বাগিচাসমূহ শ্ৰমিকৰ সমবায়ক গতাই দিবৰ বাবেও মুকলি আহ্বান জনায়।

# ডিগবৈত হেলমেট পৰিধান নকৰা মটৰ চাইকেল চালকৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান



**ডিগবৈ, ২০ জানুৱাৰী ঃ** পথ দুৰ্ঘটনা প্ৰতিৰোধ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৰক্ষী ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে তৈলনগৰী ডিগবৈ চহৰতো আৰক্ষী প্ৰশাসনৰ দ্বাৰা তৎপৰতাৰে অভিযান চলোৱা হৈছে। সন্ধিয়া হ'লেই তৈলনগৰী ডিগবৈ চহৰৰ প্ৰাণকেন্দ্ৰ স্বৰূপ চাৰিআলি পুলিচ পইণ্টত ডিগবৈ আৰক্ষী প্ৰশাসনৰ দ্বাৰা অভিযান চলোৱা হৈছে। হেলমেট পৰিধান নকৰা মটৰ চাইকেল চালক আৰু আৰোহীৰ বিৰুদ্ধে কালিও ডিগবৈ থানাৰ সহ-পৰিদৰ্শক নুৰুতাজ আলিৰ নেতৃত্বত এটা দলে অভিযান চলায়। অভিযানত হেলমেট পৰিধান নকৰা ১১জন মটৰ চাইকেল চালকক জৰিমনা বিহে। উল্লেখ্য যে একাংশ উদণ্ড মটৰ চাইকেল চালকৰ উৎপাতে দীৰ্ঘদিনৰ পৰা ডিগবৈ চহৰত এক অৰাজকতা পৰিৱেশ সৃষ্টি কৰি আহিছিল।

# লখিমপুৰৰ ক'ভিডত আক্ৰান্তৰ হাৰ ৯.৮৩ শতাংশ

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২০ জানুৱাৰী ঃ** লখিমপুৰ জিলাৰ ক'ভিড কেয়াৰ চেণ্টাৰৰ তথ্য মতে, যোৱা দুদিনত জিলাখনৰ ক'ভিড-১৯ৰ পজিটিভ হাৰ ৯.৪৮৩ শতাংশ। ইয়াৰে ভিতৰত ২৬ জন ৫০ৰ ঊৰ্ধ্বৰ ৰোগীক চিনাক্ত কৰা হৈছে। ইয়াৰ বিপৰীতে জিলাখনৰ বিভিন্ন অঞ্চলৰ চিকিৎসালয়ত ৬,৮৬০ জনক ক'ভিড পৰীক্ষা কৰা হৈছে। উল্লেখ যে জিলাখনত ক'ভিড-১৯ ক্ৰমাৎ বৃদ্ধি হৈ থকা বাবে ক'ভিড ৰোগীসকলৰ চিকিৎসা তথা যতনৰ ক্ষেত্ৰত সহায় হ'ব পৰাকৈ লখিমপুৰ জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য সমিতি লখিমপুৰৰ তৰফৰ পৰা এটি টেলিফোন নম্বৰ প্ৰদান কৰিছে। ক'ভিড ৰোগীসকলৰ যিকোনো সমস্যা সম্পৰ্কীয় বিষয়ৰ বাবে ০৩৭৫২-২৪৪২৭২ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।



*তিতাবৰত ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ নিৰ্বাচনত ভোটাৰৰ শাৰী, বৃহস্পতিবাৰে।*

# লোকগীতত প্ৰকাশ পায় হৃদয়ৰ অনুভূতিৰ শব্দৰ স্পন্দন ঃ ড° মহন্ত

## মঞ্চ সৰুপেটাৰ ৰাষ্ট্ৰীয় নাট সমাৰোহ

বিশেষ সংবাদদাতা

**পাঠশালা, ২০ জানুৱাৰী ঃ** 'অসমীয়া লোকগীত হৈছে অসমৰ মানুহৰ গীত। লোকগীত লোক সমাজৰেই সৃষ্টি। গাঁৱৰ চহা জীৱনক লৈ সৃষ্টি হৈছে লোকগীত। লোকগীতত প্ৰকাশ পায় লোক জীৱনৰ হৃদয়ৰ অনুভূতিবোৰৰ আলংকাৰিক আৰু শব্দৰ স্পন্দন। গাঁৱৰ চহা জীৱনৰ মাজত সৃষ্টি হোৱা অসমীয়া লোকগীতে নগৰীয়াবোৰৰো হৃদয় চুবলৈ সক্ষম হৈছে।' এইদৰে কয় বিশিষ্ট সাহিত্যিক তথা অসমীয়া লোকসংস্কৃতিৰ গৱেষক, প্ৰাক্তন অধ্যাপক ড° অমিয়া মহন্তই। আজি সৰুপেটাত অনুষ্ঠিত হৈ থকা মঞ্চ সৰুপেটাৰ ৰূপালী জয়ন্তী বৰ্ষৰ ৰাষ্ট্ৰীয় নাট সমাৰোহত হোৱা সদৌ অসম ভিত্তিত ৰামেশ্বৰ পাঠক সোঁৱৰণী কামৰূপী লোকগীত প্ৰতিযোগিতা আৰু লোকগীতৰ সন্মিলন উদ্বোধন কৰি দিয়া ভাষণত ড° অমিয়া মহন্তই অসমীয়া লোকগীতৰ জন্মদাতা যোগেশ ভড়ালী, প্ৰখ্যাত লোকগীতৰ শিল্পী গোকুল পাঠক, ৰামেশ্বৰ পাঠকৰ সান্নিধ্য লাভ কৰাৰ এক স্মৃতি ৰোমন্থন কৰে। উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে আদৰণি সমিতিৰ মুখ্য সম্পাদক কাৰ্তিক পাঠকে। উল্লেখ্য যে প্ৰতিযোগিতা উদ্বোধনৰ প্ৰাকমুহূৰ্তত ড° অমিয়া মহন্তই প্ৰয়াত কামৰূপী লোকগীতৰ সম্ৰাট ৰামেশ্বৰ পাঠকৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। উল্লেখ্য যে অসমৰ ভিন্ন প্ৰান্তৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা কামৰূপী লোকগীত প্ৰতিযোগিতাত ভৱানীপুৰৰ কহৰাৰ চৰনমা য়াচমিনা ৰহমানে প্ৰথম পুৰস্কাৰ দীননাথ পাঠক সোঁৱৰণী বঁটা লাভ কৰে। কৈঠালকুছিৰ ভূধৰ হালৈয়ে দ্বিতীয় পুৰস্কাৰ কনকলাল স্বৰ্গীয়াৰী সোঁৱৰণী বঁটা লাভ কৰে। নলবাৰীৰ জাজিয়াপাৰাৰ জুমি দাসে তৃতীয় পুৰস্কাৰ জ্যোতিষ তালুকদাৰ সোঁৱৰণী বঁটা লাভ কৰে। উল্লেখ্য যে লোকগীতৰ সন্মিলন আৰু আলোচনাচক্ৰত প্ৰখ্যাত লোকগীতৰ শিল্পী-সাধক তথা গৱেষক ডম্বৰুধৰ পাঠক, বসন্ত পাটগিৰি, নকুল দাস পাঠক আৰু হৰেকৃষ্ণ তালুকদাৰে লোকগীতৰ ওপৰত বক্তৃতা প্ৰদান কৰাৰ লগতে আকৰ্ষণীয়ভাৱে লোকগীত পৰিবেশন কৰে।

# বৰপেটাৰ কয়াকুছি গাঁৱত লোমহৰ্ষক হত্যাকাণ্ড

## পৰকীয়া প্ৰেমৰ বাবে বোৱাৰীয়ে লাঠিৰে কোবাই হত্যা কৰিলে শাহুমাক

অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ২০ জানুৱাৰী ঃ** বৰপেটাৰ জিলাৰ কয়াকুছি আৰক্ষী চকীৰ অন্তৰ্গত কয়াকুছি গাঁৱত পৰকীয়া প্ৰেমৰ বাবে বোৱাৰীয়ে লাঠিৰে কোবাই শাহুক হত্যা কৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কয়াকুছি গাঁৱৰ ৰেজ্জাক আলীৰ মাতৃ ছকিনা খাতুন(৬৫)ক তেওঁৰ পত্নী শ্বাহিদা খাতুনে(২৫) হত্যা কৰিছে বুলি ৰেজ্জাকে ইতিমধ্যে কয়াকুছি আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ কৰা মতে, আজি পুৱা ৯.৩০ বজাত ঘৰত কোনো নথকাত ৰেজ্জাৰ মাতৃ ছাকিনাক তেওঁৰ পত্নী শ্বাহিদা বেগমে কাঠৰ বাটাম আৰু গছৰ চোকা ঠানিৰে মূৰত হানি খুঁচি কোবাই মূৰৰ বিভিন্ন ঠাইত গুৰুতৰ আহত কৰে। ইয়াৰ ফলত ছাকিনাৰ তৎক্ষণাত মৃত্যু হয় বুলি এজাহাৰত উল্লেখ কৰিছে। অইন দিনৰ দৰে আজি পুৱা ৰেজ্জাকে কয়াকুছি বজাৰত দোকান কৰিবলৈ আহে। আলীয়ে দোকান খোলাৰ অলপ পাছত ১০ বজাত তেওঁৰ পত্নীয়ে ফোন কৰি জনায় যে তেওঁৰ মাতৃৰে বিছনাৰ পৰা পৰি মৃত্যু হৈছে। ঘৰলৈ উভতি আহি তেওঁ মাতৃক তেজেৰে লুতুৰি পুতুৰি হৈ থকা প্ৰত্যক্ষ কৰে। ৰাইজে ৰেজ্জাকৰ পত্নী শ্বাহিদাক জেৰা কৰাত নিজেই হত্যা কৰা বুলি ৰাইজৰ আগত স্বীকাৰ কৰে। কেৱল স্বীকাৰ কৰাই নহয় যি ডোখৰ কাঠৰ টুকুৰা আৰু গছৰ চোকা ঠানিৰে কোবাই হত্যা কৰিছিল সেয়া উলিয়াই দিবলৈ বাধ্য হয়। পাছত কয়াকুছি আৰক্ষী চকীৰ পৰা যোৱা আৰক্ষীয়ে আটক কৰি থানালৈ আনে। ৰাইজ তথা পৰিয়ালৰ লোকে সন্দেহ কৰা মতে, পৰকীয়া প্ৰেমৰ ঘটনাক গাপ দিয়াৰ বাবে নিজ শাশুৱেকক হত্যা কৰিছে। আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে।

# ৰহা উন্নয়ন সমিতিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা

## সামগ্ৰিক উন্নয়নৰ বাবে শীঘ্ৰে মুখ্যমন্ত্ৰীক প্ৰদান কৰিব স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা

**ৰহা, ২০ জানুৱাৰী ঃ** নগাঁও জিলাৰ মধ্যস্থল তথা ইতিহাস প্ৰসিদ্ধ ৰহাৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি গঠিত হোৱা 'ৰহা উন্নয়ন সমিতিৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আজি অনুষ্ঠিত হয়। ৰহা আঞ্চলিক সাংবাদিক সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত ৰহা উন্নয়ন পৰিষদৰ সভাপতি তথা ৰহা পৌৰসভাৰ প্ৰাক্তন সভাপতি ধ্ৰুৱ দাসৰ সঞ্চালনাত হোৱা বৰ্ধিত কাৰ্যনিৰ্বাহক সভাখনত কে'বাটাও গুৰুত্বপূৰ্ণ দিশ আলোচনা কৰা হয়। সাধাৰণ সম্পাদক প্ৰহ্লাদ কুমাৰ মছৰঙে উদ্দেশ্য ব্যাখ্যা কৰি বৃহত্তৰ ৰহা অঞ্চলৰ সামগ্ৰিক উন্নয়নৰ বাবে সামাজিক দায়বদ্ধতাৰে আৰ্থসামাজিক, সাংস্কৃতিক, শৈক্ষিক, স্বাস্থ্য, ক্ৰীড়া আদিৰ সামগ্ৰিক চিন্তনেৰে গঠন হোৱা ৰহা উন্নয়ন সমিতিয়ে কাম কৰিব বুলি কয়। ৰহা আঞ্চলিক সাংবাদিক সন্থা, ৰহা আঞ্চলিক ছাত্ৰ সন্থা, ৰহা আঞ্চলিক অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ৰহা আঞ্চলিক তিৱা ছাত্ৰ সন্থা, ৰহা আঞ্চলিক মানৱ অধিকাৰ সংগ্ৰাম সমিতি আদি অৰাজনৈতিক সংগঠনৰ প্ৰতিনিধিসকলৰ লগতে ৰহাৰ বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাখনত বিস্তৃতভাৱে বহুকেইটা দিশত পৰ্যালোচনা কৰা হয়। উক্ত সভাত সৰ্বসন্মতিক্ৰমে ৰহাত সৰ্বভাৰতীয় আয়ুৰ্বেদিক চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান চমুকৈ 'আয়ুষ' স্থাপন, ৰহা মহাবিদ্যালয়ত স্থায়ীভাৱে বিজ্ঞান আৰু বাণিজ্য শাখা স্থাপন, ৰহা ৰণথলীত স্থিত সামূহিক চিকিৎসালয়ক এশখন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণ, বৃহত্তৰ ৰহা ক্ৰীড়া ক্ষেত্ৰৰ উন্নয়নৰ বাবে সকলো সুবিধাযুক্ত এখন ষ্টেডিয়াম স্থাপন আৰু ৰহাত উন্নত মানৰ এটি সাংস্কৃতিক প্ৰকল্প স্থাপনৰ বাবে চৰকাৰৰ ওচৰত আবেদন জনাবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। উক্ত সভাত শীঘ্ৰেই ৰহাৰ স্থানীয় বিধায়ক, অভিভাৱক মন্ত্ৰীক সাক্ষাৎ কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰীকো সাক্ষাৎ কৰি ৰহাৰ সামগ্ৰিক উন্নয়নৰ বাবে স্মাৰকপত্ৰ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি স্থানীয় বিধায়ক শশীকান্ত দাসক ৰহা উন্নয়ন সমিতিৰ মুখ্য উপদেষ্টাৰূপেও নিৰ্বাচিত কৰে।

# আমগুৰিৰ গেৰেজত ৰহস্যজনক মৃত্যু নগা লোকৰ ঃ প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ২০ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ আমগুৰিত গাড়ীৰ খুন্দাত নগালেণ্ডৰ এজন ব্যক্তি ৰহস্যজনকভাৱে মৃত্যু হোৱা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আমগুৰি পৌৰসভাৰ পাঁচ নম্বৰ ৱাৰ্ডত অৱস্থিত পায়েং গেৰেজত নগালেণ্ডৰ লানুট টেমচু নামৰ এজন ব্যক্তি গাড়ীৰ খুন্দাত নিহত হয়। মোককচুং জিলাৰ ইমচিং কিমুং বস্তিৰ লানুট টেমচু (৪০) নামৰ ব্যক্তিজনে পায়েং গেৰেজত গাড়ী মেৰামতি কৰি থকা অৱস্থাত ৰহস্যজনকভাৱে মৃত্যুক সাবটি লয়। উল্লেখ্য যে এ এছ-০৪ বি চি-৫০০৩ নম্বৰৰ টাটা ডিআই গাড়ীখনে নগালেণ্ডৰ ব্যক্তিজনক খুন্দিওৱাৰ ফলত ব্যক্তিজন গুৰুতৰভাৱে আহত হয়। আহত ব্যক্তিজনক তৎক্ষণাত আমগুৰিৰ সামূহিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ইফালে, ঘটনা সংঘটিত হোৱাৰ পাছতে পায়েং গেৰেজ বন্ধ কৰি কৰ্মচাৰীসকল পলায়ন কৰে। পাছত আমগুৰি আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখন জব্দ কৰে আৰু মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# বিএইছবি মহাবিদ্যালয়ত বিজ্ঞান শাখা নোহোৱাত খেদ প্ৰকাশ মহাবিদ্যালয় কৰ্তৃপক্ষৰ

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ২০ জানুৱাৰী ঃ** আজি সৰুপেটাৰ বিএইছবি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ এখন সভাই ৰাজ্য চৰকাৰে ভৱানীপুৰ বিধানসভা সমষ্টিৰ দুখনকৈ মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰিবলৈ লোৱা সিদ্ধান্তক আদৰণি জনায়। ইতিমধ্যে কে'বাবাৰো প্ৰতিশ্ৰুতি দিয়াৰ পাছতো সৰুপেটাৰ বিএইছবি মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলাৰ বাবে ব্যৱস্থা গ্ৰহণ নকৰা কথাটোত সভাই অত্যন্ত দুখ প্ৰকাশ কৰে। অসম আন্দোলনৰ প্ৰথম ছহিদ খৰ্গেশ্বৰ তালুকদাৰে অধ্যয়ন কৰা মহাবিদ্যালয় হিচাপে বিএইছবি মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰা হ'ব বুলি ২০১৭ৰ ১০ ডিচেম্বৰত ছহিদজনৰ মৃত্যু দিৱসত তেওঁৰ গাঁৱতেই তদানীন্তন শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিশ্ৰুতি দিছিল। ২০১৮ত চৰকাৰে ৫০ খন মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু এই তালিকাত বিএইছবি মহাবিদ্যালয়ৰ নামো আছিল। তাৰ পাছত চৰকাৰে আন আন মহাবিদ্যালয়ৰ লগতে বিএইছবি মহাবিদ্যালয়কো ১০ লাখ টকাৰ অনুদান দিছিল বিজ্ঞানৰ পৰীক্ষাগাৰৰ বাবে আৰু এই ধনৰ সদ্ব্যৱহাৰৰ প্ৰমাণপত্ৰ উচ্চ শিক্ষা সঞ্চালকালয়ত যথা সময়ত জমা দিয়া হৈছিল। পুনৰ ৰাজ্য চৰকাৰে বিএইছবি মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ভৱন নিৰ্মাণৰ বাবে আনটাইড ফাণ্ডৰ অধীনত বৰপেটা জিলাৰ উপায়ুক্তলৈ ২৫ লাখ টকাৰ অনুদান মুকলি কৰি দিছিল আৰু এই টকাখিনি বৰপেটা জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ তত্ত্বাৱধানত ব্যয় কৰা হৈছিল। যোৱা উপ-নিৰ্বাচনৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পুনৰ বিএইছবি মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তনৰ প্ৰতিশ্ৰুতি দিয়াৰ পাছতো এই মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তন নোহোৱাত বিএইছবি মহাবিদ্যালয় আশাহত হৈ পৰিছে। সেয়ে এই মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰাৰ কথাটো পুনৰ বিবেচনা কৰিবলৈ মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী আৰু ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰক অনুৰোধ জনাবলৈ আজিৰ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

# শিশুৰ হাতত উপযোগী গ্ৰন্থ তুলি দিয়াটো অভিভাৱকৰ দায়িত্ব

## তেজপুৰত শিশু কবিতা পুথি মা দেউতা-'হেৰি' উন্মোচন

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২০ জানুৱাৰী ঃ** 'অসমীয়া শিশু সাহিত্য কাৰ বাবে ৰচনা কৰিব। দিনে দিনে অসমীয়া মাধ্যমৰ বিদ্যালয় সমূহতচোন ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাবলৈ লৈছে। তেনেস্থলত অসমীয়া শিশু সাহিত্য কোনে পঢ়িব। পাছত ভাবিলো সেয়া হ'লেও পৰিৱেশ সলনি হ'ব। অভিভাৱকসকলে শিশুৰ মাতৃভাষাৰ প্ৰাসংগিকতা অনুভৱ কৰিব। তাতে বৰ্তমান কৰ'নাকালীন জটিল পৰিৱেশত চাৰিবেৰৰ মাজত আৱদ্ধ হৈ পৰা শিশুসকলৰ বাবে একোখন শিশু উপযোগী গ্ৰন্থই তেওঁলোকৰ মানসিক শ্ৰীবৃদ্ধিত সহায়ক হ'ব। এনে চিন্তাৰেই শিশুৰ এই ফুলনিখনত এটা ফুলৰ পুলি ৰুলো। শিশুসকলৰ এখন নিজস্ব জগত থাকে। সেই জগতৰ লগতে বাস্তৱৰ পৰিচয় কৰি দিবলৈ শিশু সাহিত্যৰ আৱশ্যক আছে আৰু এটি শিশুৰ বৌদ্ধিক বিকাশৰ বাবে তেওঁলোকক সাধু বা শিশু উপযোগী গ্ৰন্থ পঢ়িবলৈ দিব লাগে। কাৰণ তেতিয়া প্ৰতিটো অজান বিষয় আৰু বস্তুক লৈ শিশুৱে প্ৰশ্ন কৰে।' তেজপুৰস্থিত শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সভাকক্ষত আজি উন্মোচিত এখন শিশু গ্ৰন্থ মা-দেউতা আৰু 'হেৰি'ৰ স্ৰষ্টা প্ৰদীপ বৰাই এইদৰে কয়। উল্লেখ্য যে বৰাই ৰচনা কৰা আৰু ১৯৯২ৰ পৰাই শিশু তথা কিশোৰ-কিশোৰীৰ আলোচনী সঁফুৰা, মৌচাক আৰু মুকুতাত প্ৰকাশিত মুঠ ৫৩টা সৰস আৰু বাৰ্তাবাহক কবিতাৰ শিশু গ্ৰন্থখন আজি উন্মোচন কৰা হয়। প্ৰবীণ লেখক তথা গল্পকাৰ মাণিক বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত



সভাখনত আকৰ্ষণীয় প্ৰচ্ছদ তথা প্ৰতিটো কবিতাৰ স'তে একোখন ছবি থকা পুথিখন উন্মোচন কৰে সাংবাদিক পুলক কুমাৰ ডেকাই। পুথিখন উন্মোচন কৰি ডেকাই কয় যে বিভিন্ন আকৰ্ষণীয় বিষয় সামৰি বৰাই ৰচনা কৰা এই শিশু কবিতাসমূহ প্ৰকৃততে একোটা মিঠা পদ্য। প্ৰাঞ্জল ভাষাত আৰু শিশুৰ মনস্তত্ত্ব অনুধাৱন কৰি ৰচনা কৰা পদ্যসমূহ দীৰ্ঘকাললৈ মনত ৰয় বুলিও তেওঁ কয়। তদুপৰি শিশু উপযোগী সাহিত্য সৃষ্টি কঠিন কাম বুলি অভিহিত কৰি ডেকাই এইখন শিশু গ্ৰন্থৰ স্ৰষ্টা বৰাক নেদেখিলে কোনো পাঠকে এই পদ্যসমূহ এজন অৱসৰপ্ৰাপ্ত ব্যক্তিয়ে ৰচনা কৰা বুলি ক'ব নোৱাৰে বুলিও কয়। আনহাতে, গ্ৰন্থ উন্মোচনী সভাখনত নিমন্ত্ৰিত অতিথিৰূপে অংশ লৈ অকণিৰ সাহিত্য সভাৰ সভাপতি পংকজ বৰুৱাই অসমীয়া শিশু সাহিত্যত নতুন সৃষ্টিৰ আৱশ্যকতা দোহাৰি কয় যে বৰাৰ এই গ্ৰন্থখনে এক নতুন আশা উজ্জীৱিত কৰিছে। শিশুসকলক উপযোগী শিশু গ্ৰন্থ তুলি দিয়াটো অভিভাৱকৰ দায়িত্ব বুলি উল্লেখ কৰি বৰুৱাই লগতে কয় যে অসম সাহিত্য সভা তথা অকণিৰ সাহিত্য সভাই এইক্ষেত্ৰত গুৰুত্ব দি আহিছে। শেহতীয়াকৈ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ শিশু সাহিত্য ইংৰাজী ভাষালৈ অনুবাদ কৰি অসমীয়া শিশু সাহিত্যক বিশ্বমুখী কৰাৰ বিষয়েও তেওঁ প্ৰকাশ কৰে। সভাখনৰ আন এগৰাকী বিশিষ্ট অতিথি ভবেন্দ্ৰনাথ শইকীয়াই শিশু গ্ৰন্থখনৰ ৰচক বৰাৰ শিশু কবিতা সদায়েই আকৰ্ষণীয় বুলি উল্লেখ কৰি লগতে কয় যে বৰাৰ শিশু কবিতা কেৱল ছন্দোবদ্ধই নহয় শিশুৰ বাবে থাকিবলগীয়া সুন্দৰ একোটা কাহিনীৰে নীতিশিক্ষাও উপলব্ধ। এইগৰাকী শিশু সাহিত্যিকৰ পৰা ভৱিষ্যতে আৰু অধিক শিশু ৰচনা আশা কৰে শইকীয়াই। সাংবাদিক অৰূপ কলিতাই আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাখনত সভাপতিৰ আসনৰ পৰা গল্পকাৰ মাণিক বৰাই অসমীয়া কবিতা আৰু পদ্যৰ ভাগ তথা শিশু সাহিত্যৰ বিষয়ে প্ৰকাশ কৰি কয় যে যিকোনো সুন্দৰ শিশু সাহিত্য কেৱল শিশুৱেই নহয় জ্যেষ্ঠসকলেও পঢ়া উচিত। শিশু সাহিত্য পঢ়াৰ পাছতে জ্যেষ্ঠজনৰ মনো শিশুৰ দৰে উজ্জীৱিত হৈ পৰে বুলি তেওঁ কয়। বৰাৰ শিশু কবিতা যিসমূহ আলোচনীত প্ৰকাশ পাইছে তাৰ পৰাই এই কবিতাসমূহৰ মানৰ বিষয়ে সহজেই ধাৰণা কৰিব পাৰি বুলি মন্তব্য কৰি সভাৰ সভাপতিজনে এইখন গ্ৰন্থই শিশুসকলৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হ'ব বুলি আশা ব্যক্ত কৰে।

# আজিৰে পৰা চিৰাঙৰ উলুবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২০ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনী মহকুমাৰ উলুবাৰীস্থিত উলুবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ ২১ জানুৱাৰীৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। উক্ত উৎসৱৰ কাৰ্যসূচী অনুসৰি কাইলৈ পুৱা আঠ বজাত বন্তি প্ৰজ্বলন কৰিব উলুবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক বাবুৰাম বসুমতাৰীয়ে। স্মৃতি তৰ্পণ কৰিব উলুবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক সন্তোষ খাকলাৰীয়ে। ইয়াৰ পাছতে অনুষ্ঠিত হ'ব ক্ৰমে 'ক' শাখাত পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ আৰু 'খ' শাখাত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ চিত্ৰাংকন প্ৰতিযোগিতা। ফকিৰাগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সন্তোলা বসুমতাৰীৰ সঞ্চালনাত অনুষ্ঠিত হ'ব প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সন্মিলন আৰু উলুবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক শিক্ষয়িত্ৰীসকলৰ সম্বৰ্ধনা অনুষ্ঠান। দিনৰ দুই বজাত অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান। ২২ জানুৱাৰী পুৱা ন বজাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব বিজনীৰ প্ৰাক্তন বিধায়ক কমলসিং নাৰ্জাৰীয়ে। ইপিনে, পুৱা ১০ বজাত 'শৈক্ষিক উত্তৰণত শিক্ষক আৰু সমাজৰ ভূমিকা' শীৰ্ষক এখন আলোচনাচক্ৰ সঞ্চালনা কৰিব বিজনী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ইন্দ্ৰজিৎ ব্ৰহ্মই। উক্ত আলোচনাচক্ৰত সমল ব্যক্তিৰূপে উপস্থিত থাকিব গোসাঁইগাঁও বি.এড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অজিত বড়ো আৰু বঙাইগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কৰুণাকান্ত ৰায়ে। আলোচনা চক্ৰত অংশগ্ৰহণ কৰিব ক্ৰমে অভয়াপুৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ধীৰেণ শৰ্মা, বিজনী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° গৌগৌম ব্ৰহ্ম কছাৰী, কোকৰাঝাৰ কন্যা মহাবিদ্যালয়ৰ বড়ো মাতৃভাষাৰ মুৰব্বী অধ্যাপিকা মণিকা গয়াৰী। বিয়লি অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান। অহা ২৩ জানুৱাৰীৰ পুৱা ন বজাত সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰিব বিটিচিৰ সচিব নৰেন চন্দ্ৰ বসুমতাৰীয়ে। দুপৰীয়া ১২ বজাত সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি খৰ্গেশ্বৰ মুছাহাৰীৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা। উক্ত সভা উদ্বোধন কৰিব বিজনীৰ বিধায়ক অজয় কুমাৰ ৰয়ে। মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকিব বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব মন্ত্ৰী ইউজি ব্ৰহ্ম। আনহাতে, নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকিব সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, বি. কে.ডব্লিউ. এ.চি ডেপুটী চিফ ৰোমিও পি নাৰ্জাৰী। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব চিৰাং জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বিজয় বৈষ্ণৱ, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথ, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়োসহ অন্যান্য অতিথিবৃন্দ। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিটিআৰৰ পাৰিষদ প্ৰদীপ কুমাৰ বায়নে।

# আখৰাৰ প্ৰাক্তন ছাত্ৰ নেতা নীলমণি বৰ্মনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**টিহু, ২০ জানুৱাৰী ঃ** টিহু মহকুমাৰ অন্তৰ্গত আখৰা গাঁও নিবাসী প্ৰাক্তন ছাত্ৰ নেতা তথা অ'বিবি শিক্ষক নীলমণি বৰ্মন (৪৯)ৰ আজি পুৱা সাত বজাত নিজ বাসগৃহত মৃত্যু হয়। অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ স'তে জড়িত বৰ্মনৰ মৃত্যুৰ খবৰ বিয়পি পৰাত গুণমুগ্ধসকল তেওঁৰ বাসগৃহত উপস্থিত হৈ ক'ভিড নীতি-নিয়ম পালন কৰি নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বৰ্মনৰ মৃত্যুত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থা, পূব নামবৰভাগ আঞ্চলিক ছাত্ৰ সন্থা, পূব নামবৰভাগ ৰাজহুৱা সভা মহোৎসৱ সমিতি, পূব নামবৰভাগ উন্নয়ন সমিতি, নলবাৰী জিলা অ'বিবি শিক্ষক সন্থা আদিকে ধৰি বিভিন্ন সংগঠন-অনুষ্ঠানে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ একমাত্ৰ ভ্ৰাতৃ-ভাইবোৱাৰী, ভতিজা-ভতিজীক এৰি যায়।



# জনকল্যাণমূলক আঁচনিৰ হিতাধিকাৰীক সাক্ষাৎ মন্ত্ৰী দাসৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২০ জানুৱাৰী ঃ** ডিমা হাছাও জিলাৰ সদৰ চহৰ হাফলঙত কালি অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট বৈঠকত অংশগ্ৰহণ কৰি আজি অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে ওভতনি যাত্ৰাত নগাঁৱত উপস্থিত হয়। তেওঁ নগাঁৱত উপস্থিত হৈ জিলা উপায়ুক্তৰ সভাকক্ষত অনুষ্ঠিত এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি জিলা পৰিষদৰ অন্তৰ্গত চলি থকা বিভিন্ন আঁচনি বিশেষকৈ মহাত্মা গান্ধী এনৰেগা, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ সন্দৰ্ভত বুজ লয়। এই বৈঠকতে মন্ত্ৰীজনে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা জিলাখনত চলি থকা জল-জীৱন মিছনৰ আঁচনিসমূহৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিষয়াসকলৰ লগত মত-বিনিময় কৰে। বৈঠকত মন্ত্ৰীজনে জিলা পৰিষদৰ দ্বাৰা চলি থকা আঁচনিসমূহৰ পৰা যোগ্য হিতাধিকাৰী যাতে বঞ্চিত নহয় তাৰ ওপৰত বিভাগীয় বিষয়াসকলক চোকা দৃষ্টি ৰাখিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীজনে লগতে মহিলা সৱলীকৰণ আৰু জিলাখনৰ আত্মসহায়ক গোটসমূহক অধিক সক্ৰিয় কৰাত গুৰুত্ব আৰোপ কৰে। বৈঠকৰ আৰম্ভণিতে মন্ত্ৰীজনে অৰুণোদয় আঁচনি, ইন্দিৰা মিৰি বিধৱা পেঞ্চন আঁচনি, অটল অমৃত অভিযান আদি আঁচনিৰ হিতাধিকাৰীসকলক সাক্ষাৎ কৰে। আজিৰ এই বৈঠকত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, জিলা উপায়ুক্ত নিসৰ্গ হিৱৰে, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অৰূপ কুমাৰ শৰ্মা প্ৰমুখ্যে জিলা প্ৰশাসন আৰু পৰ্যালোচনাত ভাগ লোৱা বিভিন্ন বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

# নুমলীগড়ত নাহৰফুটুকী হত্যা ঃ আহত চাৰি শ্ৰমিক



**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ২০ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ বকিয়াল খণ্ড বন কাৰ্যালয়ৰ অধীনস্থ বকিয়াল-চলাবিল অঞ্চলত আজি এটা নাহৰফুটুকীয়ে চাৰিজনকৈ লোকক আক্ৰমণ কৰাৰ পাছত নাহৰফুটুকীটো হত্যা কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এখন ব্যক্তিগত চাহ বাগিচাত কলম কাটি থকা অৱস্থাত চাৰিজন শ্ৰমিকক এটা নাহৰফুটুকীয়ে অতৰ্কিতে আক্ৰমণ চলাই আহত কৰে। ইয়াৰ মাজতে হাতে হাতে কলম কটাৰী লৈ থকা শ্ৰমিকসকলে বাঘটোৰ ওপৰতো আক্ৰমণ চলায় আৰু বাঘটোক হত্যা কৰে। পাছত শ্ৰমিক কেইজনে আত্মৰক্ষাৰ বাবে ওলোটাই নাহৰফুটুকী বাঘটোক কলম কটা কটাৰীৰে ঘপিয়াই হত্যা কৰা বুলি প্ৰকাশ কৰে। ইপিনে, ঘটনাস্থলীত ৰহস্যজনকভাৱে অতি গোপনে বন বিভাগৰ লোক উপস্থিত হৈ মৰুণোত্তৰ পৰীক্ষাৰ বাবে নাহৰফুটুকী বাঘটোৰ মৃতদেহ গোলাঘাট জিলা বন কাৰ্যালয়লৈ প্ৰেৰণ কৰে বুলিও অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে নাহৰফুটুকীৰ আক্ৰমণত আহত লোককেইজন ধনীৰাম চৰেং, দীপক লাকৰা, ৰামেশ্বৰ বাস্কে আৰু আন এজনক গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে।

# ড্ৰাগছসহ গ্ৰেপ্তাৰ এক



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২০ জানুৱাৰী ঃ** তেজপুৰ সদৰ ৰআৰক্ষী থানাৰ অধীনস্থ বৰঘাট আৰক্ষীয়ে কালি জীয়াভৰলী নৈৰ পাৰৰ কুৰকানিত এজন ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে কুৰকানিৰ আলাউদ্দিন নামৰ লোকজনৰ পুত্ৰ কামাল উদ্দিন (৩০)ক গ্ৰেপ্তাৰ কৰে। ধৃত যুৱকজনৰ পৰা আৰক্ষীয়ে দুটা ড্ৰাগছভৰ্তি প্লাষ্টিকৰ কণ্টেইনাৰ উদ্ধাৰ কৰে।

# অনুষ্টুপীয়াকৈ অনুষ্ঠিত ঐতিহাসিক জোনবিল মেলা

## দেওৰজাৰ 'জোনবিল' আৰু 'দৰবাৰ' নামেৰে দুখন গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**জাগীৰোড, ২০ জানুৱাৰী ঃ** আজিৰে পৰা অনুষ্টুপীয়াকৈ আৰম্ভ হৈছে ঐতিহাসিক জোনবিল মেলা। পুৱাই গোভা দেওৰজা চাৰিভাই দেওশাল শিৱ মন্দিৰত মাংগলিক পূজা-অৰ্চনাৰ পাছতে আৰম্ভ হয় জোনবিল মেলাৰ। ইয়াৰ পাছতে গোভা ৰজা দীপসিং দেওৰজাই দ্বিতীয় কাৰ্যসূচীৰূপে মেলা স্থলীত পতাকা উত্তোলন কৰে। অনুষ্টুপীয়াকৈ ক'ভিড নিয়ম মানি অনুষ্ঠিত এই মেলা স্থলীতে ৰজা দীপসিং দেওৰজাই 'জোনবিল' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে। একেদৰে 'দৰবাৰ' নামৰ আন এখন গ্ৰন্থও উন্মোচন কৰা হয়। অৱশ্যে এইবেলি মেলাত নাই কোনো বিশেষ কাৰ্যসূচী। ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে এইবেলি অনুষ্টুপীয়াকৈ আয়োজন কৰা হৈছে এই মেলা। কেৱল পৰম্পৰা ৰক্ষাৰ বাবে কাইলৈ নিয়মমাফিকভাৱে অনুষ্ঠিত হ'ব বিনিময় প্ৰথা। সমান্তৰালভাৱে জোনবিলত সমূহীয়া মাছ মৰা হ'ব। পৰম্পৰা ৰক্ষা কৰি আজিও গোভা ৰজাই জোনবিলৰ পাৰত ভোজভাত খায়। এইবাৰৰ জোনবিল মেলাত সকলো বাণিজ্যিক আৰু সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰিছে মেলা পৰিচালনা সমিতিয়ে।

# নুমলীগড়ত বন্যহস্তীৰ উপদ্ৰৱৰ পৰা পৰিত্ৰাণ বিচাৰি পূজা-অৰ্চনা ৰাইজৰ



**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ২০ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ বকিয়াল খণ্ড বন কাৰ্যালয়ৰ অধীনস্থ এক বৃহত্তৰ অঞ্চলৰ ৰাইজে সম্প্ৰতি বন্যহস্তীৰ উপদ্ৰৱত উজাগৰী নিশা কটাবলগীয়া হৈছে। ইয়াকে লৈ বৃহত্তৰ অঞ্চলটোৰ এনআৰএলৰ সমীপৱৰ্তী বিষ্ণুপুৰৰ ভুক্তভোগী ৰাইজে আজি পূজা-অৰ্চনাৰে হাতীৰ উপদ্ৰৱৰ পৰা পৰিত্ৰাণ পাবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। ৰাইজে উল্লেখ কৰা মতে, বহুদিন ধৰি বৃহৎ অঞ্চলত বন্যহস্তীৰ বাবে ৰাইজে উজাগৰী নিশা পাৰ কৰিছে। ৰাইজৰ বাৰী, ঘৰ ক্ষতি কৰাত বিপদৰ সন্মুখীন হৈছে। নিশা বনৰীয়া হাতীৰ ভয়ত গাঁৱৰ পথেৰে পাৰ হোৱাটো বিপজ্জনক হৈছে। খাদ্যৰ সন্ধানত জনাঞ্চলত সন্ত্ৰাস চলোৱা হাতীৰ উপদ্ৰৱৰ পৰা পৰিত্ৰাণ বিচাৰি ৰাইজে আয়োজন কৰিছে পূজা। ধূপ-নৈবদ্য, শৰাই আগবঢ়াই সকলোৱে প্ৰাৰ্থনা কৰি অঞ্চলটোৰ ৰাইজক ক্ষতি নকৰিবলৈ ৰাইজ এনেদৰে শৰণাপন্ন হৈছে।

# কাইলৈৰ পৰা শিৱসাগৰ জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ ত্ৰিবাৰ্ষিক অধিবেশন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২০ জানুৱাৰী ঃ** শিৱসাগৰ জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ ত্ৰি-বাৰ্ষিক অধিবেশন হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু হাঁহচৰাবাসী ৰাইজৰ সহযোগত অহা 22 জানুৱাৰীত দিনজোৱা কাৰ্যসূচীৰে হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত কৰিবলৈ ব্যাপক আয়োজন কৰিছে। সমাজৰ উত্তৰণ তথা সভ্যতাৰ নিৰ্মাণত গ্ৰন্থ বা পুথিৰ অৱদান অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হোৱাত গ্ৰন্থৰ মাজত সঞ্চিত হৈ থকা অমোঘ শক্তিক সাৰথি কৰিয়েই এই অধিবেশনখনি অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। উক্ত দিনা পুৱা পৰিৱেশ নিকাৰণেৰে আৰম্ভ কৰিব বিচৰা অনুষ্ঠানটিৰ পুৱা 8-30 বজাত পতাকা উত্তোলন কৰিব জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি ব্ৰজেন ফুকনে। ইয়াৰ পাছত স্মৃতি তৰ্পণ, বৃক্ষৰোপণ, প্ৰতিনিধি আৰু বিষয়বাছনি সভা অনুষ্ঠিত কৰাৰ লগতে দিনৰ ১০ বজাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু পত্ৰলেখা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইয়াৰ উপৰি অধিবেশনস্থলীত বিজ্ঞান প্ৰদৰ্শনী আৰু গ্ৰন্থমেলা অনুষ্ঠিত হ'ব।

উক্ত দিনা দিনৰ 11 বজাত অনুষ্ঠিত হ'ব মুকলি সভা। ব্ৰজেন ফুকনৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগা মুকলি সভাত উপস্থিত থাকিব নাজিৰা সমষ্টিৰ বিধায়ক দেবব্ৰত শইকীয়া, শিৱসাগৰ আৰু সোণাৰি সমষ্টিৰ বিধায়ক ক্ৰমে অখিল গগৈ আৰু ধৰ্মেশ্বৰ কোঁৱৰ। ইয়াৰ উপৰি উক্ত মুকলি সভাত জিলা উপায়ুক্ত মেঘনিধি দাহাল, অতিৰিক্ত উপায়ুক্ত সব্যসাচী কাশ্যপ, অতিৰিক্ত আৰক্ষী অধীক্ষক ডাঃ দেৱজিত নাথ, সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি প্ৰতাপ হাজৰিকা উপস্থিত থকাৰ লগতে জিলা শিক্ষা বিষয়া কমলজ্যোতি গগৈয়ে স্মৃতিগ্ৰন্থ উন্মোচন কৰিব। উক্ত অনুষ্ঠানত গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰিব। উল্লেখ্য যে গ্ৰাম্য পুথিভঁৰাল সন্থাৰ অধিবেশনৰ লগত সংগতি ৰাখি উদ্যোক্তাসকলে অনুষ্ঠিত কৰা সদৌ অসম ভিত্তিত প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফলসমূহ ঘোষণা কৰা হৈছে। সেই অনুসৰি শিৱসাগৰৰ আৰ্যভট্ট ছিনিয়ৰ ছেকেণ্ডেৰী স্কুল কৌস্তভ বৰঠাকুৰে দ্বিতীয় স্থান আৰু শুৱালকুছি বুদজান মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিতামণি দাসে তৃতীয় স্থান অধিকাৰ কৰে। প্ৰতিযোগিতাত প্ৰথম স্থান বিবেচিত কৰা নহ'ল বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।



*তেজপুৰ মহাবিদ্যালয়ত বিজ্ঞান শাখা মুকলিৰ কেবিনেটৰ সিদ্ধান্তত উৎফুল্লিত শিক্ষাৰ্থী, বৃহস্পতিবাৰে।*

# ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী শংকৰ মন্দিৰ প্ৰতিষ্ঠা দিৱস

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২০ জানুৱাৰী ঃ** তেজপুৰৰ সাংস্কৃতিক আৰু সামাজিক উন্নয়নৰ ক্ষেত্ৰত বিগত ৯১ বছৰে অনবদ্য বৰঙণি আগবঢ়াই অহা তথা ১৯৩০ত স্থাপিত শ্ৰীশ্ৰী শংকৰ মন্দিৰ অনুষ্ঠানৰ আজি ৯২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। উল্লেখ্য যে তদানীন্তন অবিভক্ত দৰং আৰু বৰ্তমান শোণিতপুৰৰ তেজপুৰৰ এক ঐতিহাসিক অঞ্চল মাজগাঁৱত স্থানীয় কেইগৰাকীমান সাংস্কৃতিক, ক্ৰীড়ানুৰাগী তথা সমাজ হিতৈষী ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাত প্ৰতিষ্ঠা লাভ কৰা শ্ৰীশ্ৰী শংকৰ মন্দিৰ অনুষ্ঠানৰ আজি এই ৯২ সংখ্যক প্ৰতিষ্ঠা দিৱসত উপস্থিত থাকি শৈশৱৰ স্মৃতি ৰোমন্থন কৰি নষ্টালজিক হৈ পৰে বহুকেইজন লোক। দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা শংকৰ মন্দিৰ অনুষ্ঠানৰ এজন জ্যেষ্ঠ সদস্য ড° প্ৰবীণ শৰ্মাই আজি ইয়াত অনুষ্ঠিত অন্তৰংগ আলাপ আৰম্ভ কৰি তেওঁ ১৯৪৮ত অভিনয় কৰা একলব্য নাটৰ বিষয়ে উল্লেখ কৰি তেতিয়া শংকৰ মন্দিৰ অনুষ্ঠানত প্ৰদৰ্শিত নাটকৰে জড়িত হোৱাৰ সেই মধুৰ মহূৰ্তক স্মৰণ কৰে। সভাত অনুষ্ঠানটোৰ প্ৰাক্তন সভাপতি তথা প্ৰবীণ অভিনেতা জ্যোতিপ্ৰসাদ শইকীয়াই স্মৃতি ৰোমন্থন কৰি কয় যে ইয়াতে তেওঁ অভিনয়ৰ শিক্ষা এসময়ত ৰাজ্যৰ ভ্ৰাম্যমাণ নাটকৰ প্ৰখ্যাত অভিনেতা প্ৰয়াত তুলসী দাসৰ পৰা লাভ কৰিছিল। তেজপুৰৰ লগতে ৰাজ্যৰ বহু ঠাইত অভিনয় কৰাৰ সুযোগ লাভ কৰা বুলি উল্লেখ কৰি শংকৰ মন্দিৰ অনুষ্ঠানৰ পৰাই নাট্যযাত্ৰা আৰম্ভ কৰিছিল বুলিও শইকীয়াই উল্লেখ কৰে। তেওঁ কয় যে শংকৰ মন্দিৰৰ দৰে অনুষ্ঠান গঢ় দিয়াৰ বাবেহে সেয়া সম্ভৱ হ'ল আৰু সেয়ে এই অনুষ্ঠান তেওঁৰ বাবে সদায়েই শ্ৰদ্ধাৰ। অতীতৰ সুমধুৰ স্মৃতি ৰোমন্থন কৰি প্ৰবীণ শিল্পীজনে কয় যে মঞ্চত কৰা



অভিনয়ৰ পাছতে সেই অভিনয় আৰু সংলাপ পাহৰি যোৱা উচিত, নহ'লে একে সংলাপ আৰু অভিনয়ে দৰ্শকক আমোদৰ পৰিৱৰ্তে আমনিহে দিব। ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী শংকৰ মন্দিৰ অনুষ্ঠানৰ আন এজন বৰ্ষীয়ান সদস্য তথা গীতিকাৰ আৰু সুৰকাৰ বংকিম শৰ্মাই অন্তৰংগ আলাপ অনুষ্ঠানত অংশগ্ৰহণ কৰি কয় যে অনুষ্ঠানত কেৱল নাট্য চৰ্চাই নহয়, ইয়াত সংগীতৰো চৰ্চা কৰা হৈছিল।

## ঐতিহ্যময় সময়ৰ সাক্ষী

এইখন মজিয়াৰ পৰাই তেজপুৰৰ বহু গায়ক- গায়িকা, বাদ্যযন্ত্ৰী সৃষ্টি হোৱা বুলি তেওঁ কয়। ইয়াৰ ৰঙালী বিহুৰ অনুষ্ঠান অন্যতম আছিল বুলি মন্তব্য কৰি তেওঁ শ্ৰীশ্ৰী শংকৰ মন্দিৰ অনুষ্ঠানৰ এখন ইতিহাস ৰচনা কৰাৰ বাবে আহ্বান জনোৱাৰ উপৰি বৰ্তমান বাণ থিয়েটাৰৰ সভাপতি শৰ্মাই বাণ থিয়েটাৰৰ ইতিহাস সম্বলিত এখন গ্ৰন্থ শংকৰ মন্দিৰলৈ আগবঢ়ায়। জ্যেষ্ঠ খেলুৱৈ গোপেন ভূঞা, নাট্যকৰ্মী হৰেন বৰুৱা, দিলীপ শৰ্মা, কৰুণা গোস্বামী, বৰ্ষীয়ান সদস্য টংকেশ্বৰ বৰা, যুৱ সমাজকৰ্মী হিৰণ্য ভূঞা আদিয়ে তেওঁলোকৰ বক্তব্যত শ্ৰীশ্ৰী শংকৰ মন্দিৰ অনুষ্ঠানৰ জৰিয়তে নাট্য চৰ্চা, ক্ৰীড়া আৰু সমাজ সেৱা কৰাৰ এক সুন্দৰ শিক্ষা লাভ কৰিবলৈ সক্ষম হোৱাৰ বিষয়ে স্মৰণ কৰে। বৃহত্তৰ অঞ্চল সামৰি অৰ্থাৎ মাজগাঁৱৰ চৈধ্য চুবুৰি সামৰি গঠন হোৱা শ্ৰীশ্ৰী শংকৰ মন্দিৰ অনুষ্ঠানৰে সকলো জড়িত আছিল বুলিও বিভিন্নজন বক্তাই সদৰী কৰে যে জনসংখ্যা বৃদ্ধিৰ লগে লগে প্ৰতি অঞ্চলত গঢ় লৈ উঠা বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ বাবে অধিকাংশই নিজ নিজ অঞ্চলত ব্যস্ত হৈ পৰাৰ বাবে সেই পৰিৱেশ পাছলৈ ম্লান পৰে। আজি পুৱা ১০ বজাত অনুষ্ঠানৰ স্থায়ী সভাপতি তোলন ভূঞাই ৯২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰাৰ লগতে প্ৰয়াত সকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আৰম্ভ কৰে বৰ্ষীয়ান সদস্য ড° প্ৰবীণ শৰ্মাই। অনুষ্ঠানৰ সাধাৰণ সম্পাদক নগেন্দ্ৰ শইকীয়া আঁতধৰা অনুষ্ঠানত পৰম্পৰা ৰক্ষা কৰি ভকতসকলে নাম-প্ৰসংগ কৰে। সন্ধিয়া ৯২ গছি বন্তি প্ৰজ্বলন কৰি প্ৰতিষ্ঠা দিৱসৰ সামৰণি পেলোৱা হয়। উল্লেখ্য যে ক'ভিড সৃষ্ট পৰিৱেশৰ বাবে এই প্ৰতিষ্ঠা দিৱস সীমিত সংখ্যাক সদস্যৰ উপস্থিতিত অনুষ্ঠিত কৰাৰ লগতে সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠান বাতিল কৰা হয়।



# হাজোৰ শ্ৰীশ্ৰী দেৱদামোদৰ ধাম সেৱাশ্ৰমত ৩৪ সংখ্যক মহাভাগৱত পাঠ মহোৎসৱ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২০ জানুৱাৰী ঃ** কামৰূপ জিলাৰ তীৰ্থনগৰী হাজোৰ কুলহাটীৰ দেৱ দামোদৰ ধাম সেৱাশ্ৰমত ৩৪ সংখ্যক মহাভাগৱত পাঠ মহোৎসৱৰ আৰম্ভ হৈছে। এই উপলক্ষে বাসুদেৱ দেৱালয়ৰ পৰা বন্তি প্ৰজ্বলন কৰি দেৱ দামোদৰ ধাম সেৱাশ্ৰমলৈ শোভাযাত্ৰা উলিওৱা হয়। বৃহত্তৰ কুলহাটী ৰাইজৰ সহযোগত আৰু দেৱ দামোদৰ ধাম সেৱাশ্ৰম পৰিচালনা সমিতিৰ ব্যৱস্থাপনাত অনুষ্ঠিত মহাভাগৱত পাঠত বিভিন্ন ঠাইৰ ভকত, বৈষ্ণৱৰ আগমন হয়। ইয়াৰ পাছতে বন্তি প্ৰজ্বলন, বিষ্ণু পূজা, লগতে ধৰ্মধ্বজা উত্তোলন কৰে বিনন্দি ভকতে। হনুমান ধ্বজা উত্তোলন কৰে সূৰ্য বৈষ্ণৱে, ভাগৱত বন্দনা আৰু ভাগৱত পাঠ কৰে আচাৰ্য ফণীধৰ বৈষ্ণৱ ধাৰেশ্বৰ বৈষ্ণৱ, গোপী ৰাম বৈশ্য আৰু চিৰিশ পাঠকে। সাতদিনীয়াকৈ অনুষ্ঠিত মহাভাগৱত পাঠৰ প্ৰতিদিনাই ভাগৱত পাঠ, অন্নপূৰ্ণ পূজা, মাহ প্ৰসাদ বিতৰণ, মহাভোগ বিতৰণ আৰু সন্ধিয়া আৰতি হ'ব। ইফালে, সামৰণিৰ দিনা ভাগৱত পাঠ, ধৰ্মালোচনী সভা, আয়তীসকলৰ নাম প্ৰসংগ আৰু নিশাৰ আৰতিৰে অনুষ্ঠানৰ সামৰণি পৰিব। বিশ্ব শান্তিৰ হকে আয়োজন কৰা মহাভাগৱত পাঠ অনুষ্ঠানত সকলো ধৰ্মপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে কুলহাটী গাঁও উন্নয়ন সমিতিৰ লগতে দেৱ দামোদৰ ধাম সেৱাশ্ৰম পৰিচালনা সমিতিয়ে।

# প্ৰবীণ অগপ নেত্ৰীৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**নগাঁও, ২০ জানুৱাৰী ঃ** নগাঁও চহৰৰ সমীপৱৰ্তী হুজ ৰঙাগড়া নিবাসী অসম গণ পৰিষদৰ প্ৰবীণ নেত্ৰী তথা দুবাৰকৈ পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধি শুৱলা দাস (৪৯)ৰ পৰহি নিশা নিজ বাসভৱনত মৃত্যু হয়। বিগত কিছুদিন ধৰি অসুস্থ হৈ ঘৰতে চিকিৎসা সেৱা গ্ৰহণ কৰি থকা অৱস্থাতে তেওঁ মৃত্যুক আঁকোৱালি লোৱাত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। অসম গণ পৰিষদৰ জন্মলগ্নৰে পৰা জড়িত হৈ থকা শুৱলা দাসৰ মৃত্যুত অগপৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত দাসে চাৰিজন পুত্ৰক ইহসংসাৰত এৰি যায়।

# সমাজকৰ্মী প্ৰফুল্ল শৰ্মাৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২০ জানুৱাৰী ঃ** নলবাৰী জিলাৰ পিপলিবাৰী গাঁও নিবাসী অৱসৰী শিক্ষক, জ্যোতিষী, সমাজকৰ্মী প্ৰফুল্ল চন্দ্ৰ শৰ্মা (৮৮)ৰ আজি পুৱা ৮-৩০ বজাত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। ১৯৯৭ৰ ৩০ ছেপ্টেম্বৰত অৱসৰ গ্ৰহণ কৰি সমাজসেৱাৰ লগতে জ্যোতিষ চৰ্চাতো জড়িত হয়। স্থানীয় ভকত সমাজৰ লগতো জড়িত প্ৰয়াত শৰ্মাই স্থানীয় নামঘৰৰ লগত জড়িত হৈ পৰিছিল। মৃত্যুৰ সময়ত তেওঁ পতনীৰ উপৰি তিনি পুত্ৰ, দুগৰাকী কন্যাক এৰি যায়।

# অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ২০ জানুৱাৰী ঃ** বোকাখাতৰ কৰৈআটি মিলনপুৰ বিসী অৱসৰপ্ৰাপ্ত প্ৰাথমিক শিক্ষয়িত্ৰী, ৰাজ্যিক কৃতী শিক্ষক বঁটাপ্ৰাপ্ত হীৰদা শইকীয়া (৭২)ৰ আজি পুৱা নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ স্বামীসহ তিনিজন পুত্ৰ এগাকী কন্যাক এৰি যায়। তেওঁ মইনা পাৰিজাত, মহিলা সমিতি, নামঘৰ আদি বিভিন্ন সামাজিক কামত জড়িত আছিল। তেওঁৰ বিয়োগত সন্ধানী লেখিকা সমিতি, চিৰন্তন যুৱক সংঘ, কৰৈআটি বৰ নামঘৰ পৰিচালনা সমিতি আদিয়ে শোক প্ৰকাশ কৰিছে।

# মাটিয়াত আৰক্ষীয়ে জব্দ কৰা নটা চোৰাং গৰু চাপৰ গোশালালৈ প্ৰেৰণ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২০ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত অসাধু চক্ৰই গৰুৰ চোৰাং কাৰবাৰ অব্যাহত ৰখাৰ অভিযোগ উত্থাপিত হৈছে। ইপিনে, মাটিয়া আৰক্ষীয়ে জব্দ কৰা নটাকৈ চোৰাং গৰু আজি চাপৰ গোশালালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে যোৱা ১৬ জানুৱাৰীৰ নিশা ন বজাত এ এছ-২৫ ডি চি-১৯৭১ নম্বৰৰ বলেৰ' পিকআপ ভেন এখনেৰে নটাকৈ চোৰাং গৰু লৈ সিধাবাৰীৰ পৰা নবিলাবড়ী হৈ কাৰিপাৰা অভিমুখে প্ৰচণ্ড গতিবেগেৰে গৈ থকা অৱস্থাত নবিলাবড়ীত দুৰ্ঘটনাত পতিত হৈ বলেৰ' পিকআপখন খাৱৈত বাগৰি পৰে। পাছত মাটিয়া আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পিকআপ ভেনসহ চোৰাং গৰুকেইটা জব্দ কৰি থানালৈ আনে। এই সন্দৰ্ভত মাটিয়া আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ২৭৯/৩৩৭/৪২৭/৩৭৯/৪১১ ধাৰাৰ লগতে আৰ ডব্লিউ। জন্তুৰ নৃশংসতা প্ৰতিৰোধী আইন ১৯৬০ আৰু আৰ ডাব্লিউ ১৩ (১) অসম পশুধন প্ৰতিৰোধ আইন ২০১১ অধীনত ১৪/২২ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰি গৰুকেইটা আজি চাপৰ গোশালালৈ প্ৰেৰণ কৰিছে।

# নুমলীগড়ত পৰিৱেশ সজাগতা সম্পৰ্কীয় বাটৰ নাট প্ৰদৰ্শন



**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ২০ জানুৱাৰী ঃ** আজি নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইক' আৰু যুথ ক্লাবৰ উদ্যোগত পৰিৱেশ সজাগতাৰ আন এক কাৰ্যসূচীৰূপে বাটৰ নাট প্ৰদৰ্শন কৰা হয়। প্ৰণৱ শইকীয়াই ৰচনা আৰু পৰিচালনা কৰা নাটখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰে। গছ কটা বন্ধ কৰক, পৰিৱেশ প্ৰদূষণ ৰোধ কৰক, প্লাষ্টিক জাতীয় সামগ্ৰীৰ ব্যৱহাৰ বন্ধ কৰক আদি বাৰ্তাৰ যোগেদি পৰিৱেশ সম্পৰ্কে সজাগতা সৃষ্টিৰ এক পদক্ষেপ গ্ৰহণ কৰা হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ক্ৰমে পৰশজোতি কছাৰী, অপৰাজিতা কুমাৰ, নেহা দেৱী, নীহাৰিকা বৰুৱা, নয়ন কুমাৰ, আকাশ তাঁতী, নিশিতা বৰুৱাই নাটত অভিনয় কৰে। নাটখনে সকলোৱে সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। বিদ্যালয়খনে পৰিৱেশ সজাগতাৰ বাবে গ্ৰহণ কৰা এনে পদক্ষেপৰ বাবে স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰিছে। ইতমধ্যে কে'বাখনো বাটৰ নাটৰ লগতে স্থানীয় বিদ্যালয়ত পৰিৱেশ সজাগতাৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে।

# অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিনোদ গোস্বামীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া,২০ জানুৱাৰী ঃ** নগাঁও জিলাৰ চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা হাতীচোং মৌজাৰ মাজগাঁৱৰ নিবাসী বিনোদ চন্দ্ৰ গোস্বামীৰ যোৱা ১৮ জানুৱাৰীৰ নিশা পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৩ বছৰ। বিজ্ঞান আৰু গণিত বিষয়ৰ একালৰ জনপ্ৰিয় শিক্ষকগৰাকীৰ মৃত্যুৰ বাতৰিয়ে তেওঁৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক মৰ্মাহত কৰি তুলিছে। ১৯৯৮ত তেওঁ চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষৰ আসনত উপবিষ্ট হৈ ২০০০ত অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ মাজ-জাজৰি বিমলা প্ৰসাদ চলিহা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ লগতো জড়িত হৈ আছিল। কৃতী শিক্ষকগৰাকীৰ মৃত্যুত চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক তথা তেওঁৰ একালৰ ছাত্ৰ শোণিতৰঞ্জন হাজৰিকাই কয় যে শিক্ষণ পদ্ধতি অতি আকৰ্ষণীয় হোৱাৰ সুবাদতে তেওঁ তুলনামূলকভাৱে কঠিন গণিত আৰু বিজ্ঞান দুয়োটা বিষয়কে ছাত্ৰ-ছাত্ৰীৰ মনোগ্ৰাহী কৰি তুলিব পাৰিছিল। বিনোদ গোস্বামীৰ বিয়োগত চকলাঘাট শাখা সাহিত্য সভা, চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়, অগ্ৰগামী যুৱক সংঘ, বেবেজীয়া প্ৰেছ ক্লাব, বৰগছ আদি বিভিন্ন অনুষ্ঠানেও গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ, এগৰাকী বিবাহিতা জীয়ৰী, জাঁৱাই আৰু বহু আত্মীয় কুটুম্বক এৰি গৈছে।








# মহিলাৰ বৰ্ষশ্ৰেষ্ঠ দলত ভাৰতৰ দুই ক্ৰিকেটাৰ মিতালী-গোস্বামী

**ডুবাই, ২০ জানুৱাৰী ঃ** ভাৰতৰ দুই মহিলা ক্ৰিকেটাৰ মিতালী ৰাজ আৰু ঝুলন গোস্বামীয়ে 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ এদিনীয়া দলত স্থান লাভ কৰিছে। উল্লেখ্য যে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে (আই চি চি) আজি 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ মহিলাৰ এদিনীয়া দলটো ঘোষণা কৰিছে। দলৰ অধিনায়িকা হ'ল ইংলণ্ডৰ নাইট। উল্লেখ্য যে ইয়াৰপূৰ্বে ভাৰতৰ স্মৃতি মান্ধানাই বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-20 দলত স্থান লাভ কৰিছিল। ভাৰতৰ একমাত্ৰ সদস্যা হিচাপে স্মৃতি মান্ধানাই 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-20 দলত স্থান লাভ কৰে। আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে ঘোষণা কৰা দলত আছে ইংলণ্ডৰ পাঁচগৰাকী মহিলা ক্ৰিকেটাৰ। কিন্তু আই চি চিৰ এদিনীয়া দলত স্থান লাভ কৰিছে ভাৰতৰ দুই মহিলা ক্ৰিকেটাৰ মিতালী ৰাজ আৰু ঝুলন গোস্বামীয়ে।

# অষ্ট্ৰেলিয়ান অপেনৰ পৰা বিদায় ল'লে ইউ এছ অপেনৰ চেম্পিয়ন ৰাডুকানুই

## তৃতীয় ৰাউণ্ডত জাপানৰ নাওমি অ'ছাকা

**মেলবৰ্ণ, ২০ জানুৱাৰী ঃ** চলিত অষ্ট্ৰেলিয়ান অপেনত আজি প্ৰথমটো অঘটন ঘটে। গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ইউ এছ অপেনৰ চেম্পিয়ন এমা ৰাডুকানু বছৰৰ প্ৰথমখন গ্ৰেণ্ডশ্লাম চলিত অষ্ট্ৰেলিয়ান অপেনৰ দ্বিতীয় ৰাউণ্ডতে বিদায় লৈছে। মহিলাৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত ডানকা ক'ভিনিকে তিনিটা ছেটৰ অন্তত 6-4, 4-6, 6-3 ৰ ব্যৱধানত ৰাডুকানুক পৰাস্ত কৰি মেলবৰ্ণৰ পৰা বিদায় দিয়ে। ইফালে, দ্বিতীয় ৰাউণ্ডতে বিদায় লৈছে গাৰ্বিন মুগুৰাজাও। মহিলাৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত এলিজ ক'ৰ্নেটে 6-3, 6-3 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে গাৰ্বিন মুগুৰাজাক। কিন্তু জাপানৰ নাওমি অ'ছাকাই দ্বিতীয় ৰাউণ্ডৰ মেচত 6-0, 6-4 ৰ ব্যৱধানত জয়ী হৈ হেলাৰঙে তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। উল্লেখ্য যে ইয়াৰপূৰ্বে মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত



প্ৰৱেশ কৰিছিল নাওমি অ'ছাকা, ছিমনা হালেপ আৰু গাৰ্বিন মুগুৰাজাই। হালেপে 6-4, 6-3 ৰ পোনপটীয়া ব্যৱধানত জয়ী হোৱাৰ বিপৰীতে মুগুৰাজাই 6-3, 6-4 ৰ পোনপটীয়া ব্যৱধানত জয়ী হৈ অগ্ৰগতি লাভ কৰিছিল। আনহাতে, জাপানৰ অ'ছাকাই প্ৰথম ৰাউণ্ডৰ মেচত 6-3, 6-3 ৰ ব্যৱধানত পৰাস্ত কৰিছিল কামিলাক। ইফালে, বিশ্ব ৰেংকিঙৰ শীৰ্ষস্থানৰ মহিলা টেনিছ খেলুৱৈ অষ্ট্ৰেলিয়াৰ বাৰ্টি চলিত অষ্ট্ৰেলিয়ান অপেনৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। উল্লেখ্য যে মহিলাৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত বাৰ্টিয়ে 6-1, 6-1 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ইটালীৰ লুছিয়াক। ঘৰুৱা সমৰ্থকৰ সন্মুখত খেলা বাৰ্টিয়ে মাত্ৰ 52 মিনিটতে দ্বিতীয় ৰাউণ্ডৰ মেচখনত জয়লাভ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰতিযোগিতাৰ প্ৰথমদিনা মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত অষ্ট্ৰেলিয়াৰ বাৰ্টিয়ে প্ৰতিদ্বন্দ্বী লেছিয়াক 6-0, 6-1 ৰ ব্যৱধানত পৰাস্ত কৰিছিল।



## এদিনীয়া দলত নাই এজনো সদস্য

# বিশ্বশ্ৰেষ্ঠ টেষ্ট দলত ৰোহিত, অশ্বিন, ঋষভ

**ডুবাই, ২০ জানুৱাৰী ঃ** ভাৰতৰ তিনিগৰাকী ক্ৰিকেটাৰ ৰোহিত শৰ্মা, ৰবিচন্দ্ৰন অশ্বিন আৰু ঋষভ পণ্টে 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টেষ্ট দলত স্থান লাভ কৰিছে। উল্লেখ্য যে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে (আই চি চি) আজি 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ পুৰুষৰ টেষ্ট দলটো ঘোষণা কৰিছে।



দলৰ অধিনায়ক হ'ল নিউজিলেণ্ডৰ কেন উইলিয়ামছন। আনহাতে, ঘোষিত দলত আছে কৰুনাৰত্নে, লাবুচেং, জ' ৰুট, আলম, জেমিছন, হাছান আলী আৰু শ্বাহীন আফ্ৰিদী। উল্লেখ্য যে 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টেষ্ট দলত ভাৰতৰ তিনিগৰাকী ক্ৰিকেটাৰে স্থান লাভ কৰিছে যদিও এদিনীয়া দলত এজনো ভাৰতীয় সদস্যই স্থান লাভ নকৰিলে। ইয়াৰপূৰ্বে কালি আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে (আই চি চি) বিগত বৰ্ষৰ টি-20 দলটো ঘোষণা কৰিছিল। কিন্তু 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-20 দলত নাছিল এজনো ভাৰতীয় ক্ৰিকেটাৰ। উল্লেখ্য যে যোৱাবৰ্ষত ভাৰতীয় ক্ৰিকেট দলে আই চি চি টি-20 বিশ্বকাপৰ লগতে অন্য শৃংখলাতো আশানুৰূপ প্ৰদৰ্শন কৰা নাছিল। যাৰবাবে টীম ইণ্ডিয়াৰ এজনো ক্ৰিকেটাৰ আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে ঘোষণা কৰা এদিনীয়া আৰু টি-20 ৰ 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ দলত অন্তৰ্ভুক্ত নহ'ল।

## ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা

# আয়াৰলেণ্ডক হৰুৱাই ক্ৰমাগত দ্বিতীয় জয় ভাৰতৰ



**ত্ৰিনিদাদ, ২০ জানুৱাৰী ঃ** ভাৰতে 19 বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ক্ৰমাগত দ্বিতীয় বিজয় সাব্যস্ত কৰিছে। যোৱানিশা অনুষ্ঠিত হোৱা মেচত ভাৰতৰ 19 বছৰ অনূৰ্ধ্ব দলে 174 ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে আয়াৰলেণ্ডক। পোনতে বেটিং কৰা ভাৰতে নিৰ্ধাৰিত 50 অভাৰত পাঁচ উইকেটত সংগ্ৰহ কৰে 307 ৰাণ। দলৰ হৈ দুই অপেনাৰ হৰমন সিঙে 88 ৰাণ আৰু ৰঘুবংশীয়ে 79 ৰাণ কৰে। প্ৰত্যুত্তৰত, আয়াৰলেণ্ডে 39 অভাৰতে 133 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে এই মেচত ভাৰতীয় দলৰ অধিনায়ক য়াছ ধুলসহ পাঁচগৰাকী ক্ৰিকেটাৰ কৰ'নাত আক্ৰান্ত হোৱাত খেলিব নোৱাৰিলে। তথাপি দলে সহজ জয় অৰ্জন কৰে। ভাৰতে চলিত 19 বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছিল। উল্লেখ্য যে গ্ৰুপ 'বি'ৰ নিজৰ প্ৰথম মেচত ভাৰতে 45 ৰাণত পৰাস্ত কৰিছিল দক্ষিণ আফ্ৰিকাক। টছত পৰাস্ত হৈ পোনতে বেটিং কৰা ভাৰতে 50 অভাৰৰ পূৰ্বেই 46.5 অভাৰত 232 ৰাণত ইনিংছ সামৰে। ভাৰতৰ 19 বছৰ অনূৰ্ধ্ব দলৰ অধিনায়ক য়াছ ধুলে 82 ৰাণৰ অনবদ্য ইনিংছ খেলে। প্ৰত্যুত্তৰত, দক্ষিণ আফ্ৰিকাই 45.4 অভাৰত 187 ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ হৈ বিকি অষ্টাবলে পাঁচটা উইকেট দখল কৰে আৰু মেচৰ শ্ৰেষ্ঠ হয়। আনহাতে, চাৰিটা উইকেট পায় ৰাজ বাৱাই। বিপৰীতে আয়াৰলেণ্ডে নিজৰ প্ৰথম গ্ৰুপ মেচত 39 ৰাণত পৰাস্ত কৰিছিল উগাণ্ডাক। ভাৰতে গ্ৰুপ 'বি'ৰ তৃতীয় মেচত অহা 22 জানুৱাৰীত মুখামুখি হ'ব উগাণ্ডাৰ।

## সদৌ অসম প্ৰাইজমানি ক্ৰিকেট

# দিলচান ইলেভেন কোৱাৰ্টাৰ ফাইনেলত

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২০ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত নগাবন্ধা মিনি ষ্টেডিয়ামত চলি থকা সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত জাগীৰোডৰ দিলচান ইলেভেনে এম সিঙৰ শতৰাণৰ সহায়ত দন্দুৱা ক্ৰিকেট ক্লাবক 69 ৰাণত হৰুৱাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। দ্বিতীয় ৰাউণ্ডৰ খেলখনত দিলচান ইলেভেনে পোনতে বেট ধৰি এম. সিঙৰ অপৰাজিত 113, ৰাণৰ উল্লেখনীয় অৱদানৰে 15 অভাৰত তিনিটা উইকেটৰ বিনিময়ত 223 ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দন্দুৱা ক্ৰিকেট ক্লাবে বেট ধৰি 15 অভাৰত সাতটা উইকেট হেৰুৱাই 154 ৰাণহে কৰিবলৈ সক্ষম হয়। শুক্ৰবাৰে প্ৰথমখন কোৱাৰ্টাৰ ফাইনেল খেলত পবিতৰা ইলেভেন ষ্টাৰ ক্লাবে দিলচান ইলেভেনৰ বিৰুদ্ধে প্ৰতিদণ্ডিতা কৰিব বুলি আয়োজক সমিতিৰ মুখ্য প্ৰচাৰ সম্পাদক নেকিবুৰ ৰহমান ছিদ্দিকীয়ে জনাইছে।

## দক্ষিণ আফ্ৰিকাৰ লক্ষ্য দ্বিতীয় জয়েৰে এদিনীয়া শৃংখলা দখল কৰা

# আজি পাৰ্লত মৰণপণ মেচত টীম ইণ্ডিয়া

**পাৰ্ল, ২০ জানুৱাৰী ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন মেচ কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত 31 ৰাণত জয়লাভ কৰি শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছে। সেয়েহে কাইলৈৰ দ্বিতীয়খন এদিনীয়া ভাৰতৰ বাবে কাৰ্যতঃ মৰণপণ মেচ। কাইলৈ পৰাস্ত মানেই শৃংখলা হেৰুৱাব ভাৰতীয় দলে। বিপৰীতে দক্ষিণ আফ্ৰিকাৰ লক্ষ্য কাইলৈৰ মেচত জয়ী হৈ তিনিখনীয়া এদিনীয়া শৃংখলা দখল কৰা। উল্লেখ্য যে ভাৰতে প্ৰথম টেষ্টত জয়লাভ কৰাৰ পাছতো তিনিখনীয়া টেষ্ট শৃংখলাটো দখল কৰিব নোৱাৰিলে। দ্বিতীয় আৰু তৃতীয় টেষ্টত ভাৰতক পৰাস্ত কৰি ঘৰুৱা দল দক্ষিণ আফ্ৰিকাই 2-1 ৰ ব্যৱধানত দখল কৰিছিল তিনিখনীয়া টেষ্ট শৃংখলা। এতিয়া ঘৰুৱা দলৰ লক্ষ্য তিনিখনীয়া এদিনীয়া শৃংখলাটো দখল কৰা। উল্লেখ্য যে প্ৰথম মেচত পৰাস্ত হোৱাৰ পাছত চাপৰ সন্মুখিন হৈছে ভাৰত। দ্বিতীয় আৰু তৃতীয় টেষ্টত ব্যৰ্থতাৰ পাছত এয়া টীম ইণ্ডিয়াৰ ক্ৰমাগত তৃতীয় পৰাজয় দক্ষিণ আফ্ৰিকাত। বেটিং সমস্যাৰ সমাধান নহোৱা ভাৰতীয় দলৰ নতুন চিন্তা হ'ল বলিং ব্যৰ্থতা। দক্ষিণ আফ্ৰিকাৰ বেটছমেনে অসুবিধা অবিহনে খেলিছে ভাৰতীয় বলাৰক। দ্বিতীয় আৰু তৃতীয় টেষ্টৰ দ্বিতীয় ইনিংছত যি হৈছিল এদিনীয়া শৃংখলাৰ প্ৰথম মেচতো সেয়াই হৈছে। পাৰ্লত হোৱা মেচখনত পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই ভাৰতৰ সন্মুখত 297 ৰাণৰ বিজয়লক্ষ্য ৰাখিছিল। কিন্তু ভাৰতে নিৰ্ধাৰিত 50 অভাৰত আঠ উইকেট হেৰুৱাই 265 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। প্ৰথমখন মেচত দক্ষিণ আফ্ৰিকাক নেতৃত্ব দিয়া বাভুমাই 110 ৰাণ কৰি আউট হোৱাৰ বিপৰীতে ডুছানে 96 বলত 129 ৰাণ কৰি অপৰাজিত থাকে। উভয়ৰ মাজত 202 ৰাণৰ যুটি হয়। উল্লেখ্য যে নতুন অধিনায়ক লোকেছ ৰাহুলৰ নেতৃত্বত খেলিছে ভাৰতীয় দলে। ভাৰতৰ এদিনীয়া দলটো হ'ল ঃ লোকেছ ৰাহুল, শিখৰ ধাৱন, ৰিতুৰাজ গাইকোৱাড, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, সূৰ্য কুমাৰ যাদৱ, ভেংকটেশ আয়াৰ, ঋষভ পণ্ট, ঈশান কিষণ, ৰবিচন্দ্ৰন অশ্বিন, যুজবেন্দ্ৰ চাহাল, জয়ন্ত যাদব, যশপ্ৰীত বুমৰাহ, ভুবনেশ্বৰ কুমাৰ, দীপক চহৰ, প্ৰসিদ্ধ কৃষ্ণ, শাৰ্দূল ঠাকুৰ, মহম্মদ ছিৰাজ আৰু নৱদীপ ছাইনী।

## শচীন-সৌৰভ-দ্ৰাৱিড়ৰ অভিলেখ ভংগ কৰিলে বিৰাট কোহলিয়ে

**পাৰ্ল, ২০ জানুৱাৰী ঃ** ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক বিৰাট কোহলিয়ে যোৱানিশা দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত শচীন তেণ্ডুলকাৰ, সৌৰভ গাংগুলী আৰু ৰাহুল দ্ৰাৱিড়ৰ অভিলেখ ভংগ কৰে। বিদেশত এদিনীয়া মেচত সৰ্বাধিক ৰাণ কৰা ভাৰতীয় ক্ৰিকেটাৰ হোৱাৰ গৌৰৱ লাভ কৰে বিৰাটে। তেওঁ ভংগ কৰে শচীনে (5065] গঢ়া অভিলেখ। আনহাতে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে সৰ্বাধিক ৰাণ কৰা ভাৰতীয় ক্ৰিকেটাৰ হিচাপে বিৰাটে ভংগ কৰে সৌৰভ গাংগুলী আৰু ৰাহুল দ্ৰাৱিড়ৰ অভিলেখ। কিন্তু এই অভিলেখ এতিয়াও শচীনৰ নামতে আছে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই চলিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত 31 ৰাণত জয়লাভ কৰি শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছে। পাৰ্লত হোৱা মেচখনত পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই ভাৰতৰ সন্মুখত 297 ৰাণৰ বিজয়লক্ষ্য ৰাখিছিল। কিন্তু ভাৰতে নিৰ্ধাৰিত 50 অভাৰত আঠ উইকেট হেৰুৱাই 265 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। প্ৰথমখন মেচত দক্ষিণ আফ্ৰিকাক নেতৃত্ব দিয়া বাভুমাই 110 ৰাণ কৰি আউট হোৱাৰ বিপৰীতে ডুছানে 96 বলত 129 ৰাণ কৰি অপৰাজিত থাকে। উভয়ৰ মাজত 202 ৰাণৰ যুটি হয়। ভাৰতৰ হৈ অপেনাৰ শিখৰ ধৱনে 79, বিৰাট কোহলিয়ে 51 আৰু শ্বাৰ্দুল ঠাকুৰে অপৰাজিত 50 ৰাণ কৰাৰ বিপৰীতে ব্যৰ্থ হয় ৰাহুল (12], ঋষভ পণ্ট (16], শ্ৰেয়াছ আয়াৰ (17] আৰু ভেংকটেশ আয়াৰ (2]¼ উল্লেখ্য যে ধৱন আৰু বিৰাটে বেটিং কৰি থকালৈকে ভাৰতৰ জয়ৰ আশা আছিল যদিও উভয় বেটছমেন একেলগে আউট হোৱাত দলৰ



# কঠিন পৰিস্থিতিয়ে মোক অধিক শক্তিশালী কৰি তোলে ঃ ধৱন



**পাৰ্ল, ২০ জানুৱাৰী ঃ** 'কঠিন পৰিস্থিতিয়ে মোক অধিক শক্তিশালী কৰি তোলে। মই যুঁজ দি ভালপাওঁ। মোৰ কেৰিয়াৰত কেবাবাৰো বেয়া সময় আহিছে। কিন্তু মই মানসিকভাৱে দৃঢ় হৈ প্ৰত্যাৱৰ্তন কৰি সফলতা লাভ কৰিছো।' এই মন্তব্য ভাৰতীয় ক্ৰিকেট দলৰ জেষ্ঠ সদস্য শিখৰ ধৱনৰ। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই চলিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত 31 ৰাণত জয়লাভ কৰি শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছে। পাৰ্লত হোৱা মেচখনত পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই ভাৰতৰ সন্মুখত 297 ৰাণৰ বিজয়লক্ষ্য ৰাখিছিল। কিন্তু ভাৰতে নিৰ্ধাৰিত 50 অভাৰত আঠ উইকেট হেৰুৱাই 265 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ এই পৰাজয়ৰ পাছতো আশাৰ খবৰ হ'ল দীৰ্ঘ বিৰতিৰ পাছত দললৈ প্ৰত্যাৱৰ্তন কৰা জেষ্ঠ সদস্য শিখৰ ধৱনৰ অনবদ্য বেটিং। উল্লেখ্য যে যোৱানিশাৰ মেচত ভাৰতৰ হৈ অপেনাৰ শিখৰ ধৱনে 79, বিৰাট কোহলিয়ে 51 আৰু শ্বাৰ্দুল ঠাকুৰে অপৰাজিত 50 ৰাণ কৰাৰ বিপৰীতে ব্যৰ্থ হয় ৰাহুল (12], ঋষভ পণ্ট (16], শ্ৰেয়াছ আয়াৰ (17] আৰু ভেংকটেশ আয়াৰ (2]¼ উল্লেখ্য যে ধৱন আৰু বিৰাটে বেটিং কৰি থকালৈকে ভাৰতৰ জয়ৰ আশা আছিল যদিও উভয় বেটছমেন একেলগে আউট হোৱাত দলৰ পৰাজয় নিশ্চিত হয়। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন মেচ কাইলৈ অনুষ্ঠিত হ'ব। দ্বিতীয়খন এদিনীয়া ভাৰতৰ বাবে কাৰ্যতঃ মৰণপণ মেচ। কাইলৈ পৰাস্ত মানেই শৃংখলা হেৰুৱাব ভাৰতীয় দলে।



# মিক্সড ডাবলছৰ দ্বিতীয় ৰাউণ্ডত ছানিয়া-ৰাজীৱ

**মেলবৰ্ণ, ২০ জানুৱাৰী ঃ** চলিত অষ্ট্ৰেলিয়ান অপেনৰ পৰা ভাৰতৰ দুই তাৰকা ছানিয়া মিৰ্জা আৰু ৰোহন বোপান্না পুৰুষ-মহিলাৰ ডাবলছ শাখাৰ পৰা বিদায় লৈছে যদিও ছানিয়াই মিক্সড ডাবলছৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে মিক্সড ডাবলছৰ প্ৰথম ৰাউণ্ডৰ মেচত ছানিয়া আৰু তেওঁৰ আমেৰিকাৰ সংগী ৰাজীৱ ৰামে 6-3, 7-6 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে নিকোলা আৰু কৰুনিক যুটিক। ইফালে, পুৰুষৰ ডাবলছ শাখাৰ পৰা বিদায় লৈছে যদিও ৰোহন বোপান্নাই মিক্সড ডাবলছত খেলিব। উল্লেখ্য যে চলিত বৰ্ষতে অৱসৰ লোৱাৰ কথা ইতিমধ্যে ঘোষণা কৰিছে ছানিয়া মিৰ্জাই।

# দ্বিতীয় ৰাউণ্ডত পৰাস্ত হৈ বিদায় ল'লে এণ্ডি মাৰে

**মেলবৰ্ণ, ২০ জানুৱাৰী ঃ** দীৰ্ঘ বিৰতিৰ পাছত টেনিছ ক'ৰ্টলৈ প্ৰত্যাৱৰ্তন কৰা ইংলণ্ডৰ এণ্ডি মাৰে চলিত অষ্ট্ৰেলিয়ান অপেনৰ দ্বিতীয় ৰাউণ্ডৰ পৰাই বিদায় লৈছে। পুৰুষৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত মাৰেক 4-6, 4-6, 4-6 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ডেনিয়েলে। উল্লেখ্য যে 2017 ৰ পাছত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনত জয়ৰ মুখ দেখিছিল মাৰেৰে। প্ৰথম ৰাউণ্ডৰ মেচত মাৰে পাঁচটা ছেটৰ অন্তত 6-1, 3-6, 6-4, 6-7, 6-4 ৰ ব্যৱধানত পৰাস্ত কৰিছিল নিক'ল'জক। তিনি ঘণ্টা 52 মিনিট ধৰি চলে মেচখন। ইফালে, ডানিল মেডভেদেৱে দ্বিতীয় ৰাউণ্ডৰ মেচত জয়লাভ কৰি হেলাৰঙে তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। নিকৰ বিৰুদ্ধে 7-6, 6-4, 4-6, 6-2 ৰ ব্যৱধানত জয়লাভ কৰে ডানিলে। ইয়াৰপূৰ্বে প্ৰথম ৰাউণ্ডৰ মেচত ডানিলে 6-1, 6-4, 7-6 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল হেনৰীক। উল্লেখ্য যে চলিত অষ্ট্ৰেলিয়ান অপেনত ইতিমধ্যে দ্বিতীয় ৰাউণ্ডৰ মেচত জয়লাভ কৰি দুই তাৰকা ৰাফেল নাডাল আৰু আলেজান্দাৰ জেৰভ হেলাৰঙে তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। পুৰুষৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত স্পেইনৰ নাডালে 6-2, 6-3, 6-4 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে হানমানক। উল্লেখ্য যে কেৰিয়াৰৰ 21 সংখ্যক গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাৰ খিতাপ জয়ৰ লক্ষ্য লৈ মেলবৰ্ণলৈ আহিছে নাডাল। বছৰৰ প্ৰথমখন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনৰ প্ৰথমদিনাৰ খেলত শীৰ্ষ বাছনিৰ নাডালে প্ৰথম ৰাউণ্ডৰ মেচত 6-1, 6-4, 6-2 ৰ ব্যৱধানত পৰাস্ত কৰিছিল মাৰ্কাছক। আনহাতে, পুৰুষৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত জাৰ্মানীৰ তাৰকা জেৰভে 6-4, 6-4, 6-0 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে মিলমানক। ইয়াৰপূৰ্বে পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত জেৰভে দেশৰে সতীৰ্থ [illegible] কৰিছিল।



## বিলাসনন্দন চ'ৰা




# দেছভক্ত ভাইৰাছ

**দিল্লীৰ** দৰবাৰত এখন মিটিং বহিছে। মিটিঙৰ বিষয়বস্তু হ'ল— ভাইৰাছ। কেৱল ভাইৰাছ বুলি ক'লেই আজি-কালি হৈ যায়, যদিও এই দুনিয়াত বহু ভাইৰাছ আছে; কিন্তু এতিয়া ভাইৰাছ বুলি ক'লেই এটা ভাইৰাছকে বুজে। সেয়া হ'ল কৰ'না ভাইৰাছ। এই ভাইৰাছক লৈয়ে দিল্লীৰ দৰবাৰত জৰুৰী মিটিং বহিছে। বাদশ্বাহেই পাতিছে মিটিং। মিটিঙত বহু ডাক্তৰ আহিছে। ডাক্তৰবোৰৰ মাজত যথেষ্ট টেনছন হৈছে। টেনছন আকৌ কিয় হৈছে? আগেয়েতো বহুবাৰ ভাইৰাছক লৈ বাদশ্বাহৰ লগত ডাক্তৰবোৰে মিটিং কৰিছিল। তেন্তে কিহৰ টেনছন? টেনছনৰ কাৰণ বেলেগ একো নাই। ভাইৰাছক লৈ জানিবলৈ বাদশ্বাহে মিটিং পাতে ঠিকেই, ডাক্তৰবোৰকো মাতি আনে, কিন্তু ক'বলৈ কাকো নিদিয়ে। ভাইৰাছ কি, কেনেকুৱা সেইবোৰ কথা বাদশ্বাহেহে বকি থাকে, ডাক্তৰবোৰে ক'বলৈ একো চান্সেই নাপায়। কোনোবাদিনা বাদশ্বাহে ক'ব যে এই ভাইৰাছটো ব'ৰ্ডাৰ ক্ৰছ কৰি আহিছে। এই কথা হুৰেও কৈছে বুলি বাদশ্বাহে ডাক্তৰবোৰক জনায়। ডাক্তৰবোৰে তেতিয়া বাদশ্বাহক বুজাব খোজে যে হুৰে কোৱাটো সঁচা। হুৰে কৈছে যে ভাইৰাছটোৰ ইনফেকচন বহু বেছি। এটা সময়ত ই ব'ৰ্ডাৰ ক্ৰছ কৰি যাব। তাৰ মানে এয়াতো নহয় যে ভাইৰাছটোৱে ব'ৰ্ডাৰ ক্ৰছ কৰি আমাৰ দেছত এণ্ট্ৰি মাৰিছে। কিন্তু কাকোৱে ক'বলৈ চান্স নিদিয়ে বাদশ্বাহে। তেওঁ এফালৰ পৰা কৈ যায় যে ব'ৰ্ডাৰ ক্ৰছ কৰি অহা এই ভাইৰাছে উচিত শিক্ষা পাব। তাৰ বাবে সৱ ডাক্তৰকে তেওঁ ছাৰ্জিকেল ষ্ট্ৰাইক কৰিবলৈ সাজু থাকিবৰ বাবে আহ্বান জনায়। ছাৰ্জিকেল ষ্ট্ৰাইক কৰিবলৈ সৱকে তেওঁ ছাৰ্জন হ'বলৈও কয়।

কোনোবাদিনা আকৌ বাদশ্বাহে কয় যে এই ভাইৰাছটো সঁচা অৰ্থত দেছভক্ত। সেই কাৰণে ই আহি নিমিষতে বহু হাস্পতাল বনাই পেলাইছে, অক্সিজেনৰ এৰেঞ্জমেণ্ট কৰিছে। দেছভক্ত হোৱা কাৰণেই ভাইৰাছটোৱে ইমানখিনি চিন্তা কৰিছে। কোনোবাদিনা আকৌ বাদশ্বাহে ডাক্তৰবোৰক হুকুম দিয়ে ভাইৰাছটোৰ লগত ইটালীৰ কিবা কানেকছন আছে নেকি তাৰ অনুসন্ধান কৰিবলৈ। কিয়নো প্ৰথমতে ভাইৰাছটোৱে ইটালীত বৰ উৎপাত কৰিছিল। এতিয়া ইটালীত একো নাই। সৱ ঠাণ্ডা। তাৰ মানে ইটালীৰ লগত ভাইৰাছটোৰ বুজাবুজি হৈছে। বুজাবুজি কৰি ভাইৰাছটোক বাৰে বাৰে ইণ্ডিয়ালৈ পঠিয়াই দিব পাৰে উৎপাত কৰিবলৈ, যাতে বাদশ্বাহৰ বদনাম হয়। ইটালীৰ লগত ভাইৰাছৰ এই কানেকছনটো যদি কেনেবাকৈ ফাদিল কৰি দিব পৰা যায়, তেতিয়া আৰু চিন্তা নাই। ডাক্তৰবোৰে কিবা ক'ব খোজে, বাদশ্বাহে চান্স দিলেহে।

দিল্লীৰ বাদশ্বাহে মিটিং আৰম্ভ কৰিলে। ডাক্তৰবোৰে কাণ থিয় কৰি থাকিল। শুনিবহে লাগিব, ক'বলৈতো নাপায়েই। বাদশ্বাহ এইবাৰ অলপ বেলেগ মুডত আহিছে। নিজে একো নক'লে, ডাক্তৰবোৰকহে সুধিলে, 'বৰ্তমান কেনে?'



ঃ বৰ ভাল।

ঃ কি ভাল?

ঃ যথেষ্ট দুৰ্বল হৈছে।

ঃ আৰু?

ঃ আগৰ শক্তিও নাই।

ঃ আৰু?

ঃ আগৰ ক্ষমতাও নাই।

ঃ আৰু?

ঃ আগৰ দৰে চৰ্চাও নাই।

ঃ আৰু কি নাই?

ঃ পাব্লিচিটী নাই।

ঃ আৰু?

ঃ কেপাচিটিও নাই।

ঃ আৰু?

ঃ আগৰ দৰে ই অবিসম্বাদীও হৈ থকা নাই। নতুন নতুন ওলাই গৈছে ইয়াক চেলেঞ্জ দিবলৈ।

ঃ আৰু কি কি হৈছে?

ঃ ইয়াক আগৰ দৰে ভয়ো নকৰে।

ঃ আৰু?

ঃ আজি কালি বহুতে ইয়াক দুই নম্বৰী বুলিও কয়।

ঃ আৰু ?

ঃ মুখাপিন্ধা বুলিও কয়।

হঠাতে বাদশ্বাহে উত্তেজিত হৈ সিংহাসনৰ পৰা উঠি দিলে, 'হেৰা, তোমালোকক মোৰ কথা ক'বলৈ দিয়া নাইহে।'

ঃ আমি ভাইৰাছৰ কথাহে কৈ আছো।

ঃ হয় নেকি? তেনেহ'লে ঠিক আছে।

বাদশ্বাহ বহি পৰিল, ডাক্তৰবোৰে কৈ গ'ল!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# তেজপুৰত ছাত্ৰীক অপহৰণ কৰি মুক্তিপণ দাবীৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২০ জানুৱাৰী ঃ** আজি তেজপুৰৰ পৰা এগৰাকী একাদশ শ্ৰেণীৰ ছাত্ৰীক অপহৰণ কৰা আৰু ছাত্ৰীগৰাকীৰ মুক্তিৰ বিনিময়ত পাঁচ লাখ টকা দাবী কৰা বুলি অভিযোগ উত্থাপিত হৈছে। ইতিমধ্যে এই ঘটনা সন্দৰ্ভত অপহৃত বুলি দাবী কৰা ছাত্ৰীৰ মাতৃয়ে তেজপুৰ সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। পৰিস্মিতা দেৱী নামৰ দৰং মহাবিদ্যালয়ৰ বাণিজ্য শাখাৰ ছাত্ৰীগৰাকীক অপহৰণ কৰা বুলি অভিযোগ উত্থাপন কৰা ছাত্ৰীগৰাকীৰ মাতৃ মৃদুলা দেৱীয়ে আজি বিয়লি উল্লেখ কৰা মতে, মহাবিদ্যালয়ত শ্ৰেণী শেষ কৰি ঘৰলৈ উভতিবলৈ লোৱা বুলি পৰিস্মিতাই মাতৃক দিনৰ প্ৰায় এক বজাত ফোনযোগে জনাইছিল। কিন্তু ইয়াৰ আধাঘণ্টা পাছত পস্মিস্মিতাৰ ৬০০১৬৯৯৩২৮ নম্বৰ ফোনৰ পৰাই এজন যুৱকে পৰিস্মিতাক অপহৰণ কৰা বুলি উল্লেখ কৰি মুক্তিপণ পাঁচ লাখ টকা দাবী কৰে। ইতিমধ্যে ঘটনা সন্দৰ্ভত মাতৃ মৃদলাই তেজপুৰ সদৰ থানাত এজাহাৰ দাখিল কৰিছে। সম্প্ৰতি এই ৰহস্যজনক ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও ছাত্ৰীগৰাকীৰ সন্ধান ওলোৱা নাই।

# অতিমাৰী শেষ হোৱাৰ লক্ষণ নাই

## অ'মিক্ৰনৰ লঘু নকৰিবলৈ সতৰ্কবাণী 'হু'ৰ

আমেৰিকাৰ বিপৰ্যস্ত প্ৰদেশসমূহত সেনাবাহিনীৰ স্বাস্থ্যকৰ্মীসকলক নিয়োজিত কৰা হ'ব বুলি ঘোষণা কৰিছে ৰাষ্ট্ৰপতি জ' বাইডেনে। মাজতে শুনা গৈছিল যে ইউৰোপৰ দৰে আমেৰিকাতো সংক্ৰমণ নিম্নমুখী হৈছে। অৱশ্যে বৰ্তমানৰ তথ্যই সেই বাতৰিক নস্যাৎ কৰিছে।

**নিউজ ব্যুৰ'**

**ৱাশ্বিংটন, ২০ জানুৱাৰী ঃ** ক'ভিড অতিমাৰী শেষ হোৱাৰ দিশলৈ আগবঢ়া বুলিয়েই বহু বিশেষজ্ঞই মত প্ৰকাশ কৰিছে। ইউৰোপে ইতিমধ্যেই ঘোষণা কৰিছে যে এতিয়াৰ পৰা ক'ভিড লাহে লাহে সাধাৰণ জ্বৰত পৰিণত হ'ব। অৱশ্যে ইয়াৰ বিপৰীত অৱস্থান গ্ৰহণ কৰিছে বিশ্ব স্বাস্থ্য সংস্থাই। 'হু'ৰ মুৰব্বী টেড্ৰ'ছ এধানম ঘেব্ৰিয়েছাছে পুনৰ দাবী কৰিছে, 'অতিমাৰী শেষ হোৱাৰ কোনো লক্ষণ নাই।' আনহাতে, অধিকাংশই অ'মিক্ৰনক লঘু কৰি দেখুওৱা প্ৰসংগত তেওঁ কয়, 'কোনো ভুল নকৰিব। অ'মিক্ৰনত হাস্পতালত ভৰ্তি হ'বলগীয়াও হৈছে, মৃত্যুও হৈছে। গড়ে হয়তো অধিকাংশ লোকেই কম ভুগিছে, কিন্তু যিদৰে ইয়াক লঘু কৰি দেখুওৱা হৈছে সেয়া ভুল। ইয়াৰ ফলত ভুল বাৰ্তা গৈছে। মানুহে প্ৰাণৰ মূল্য দিবলগীয়া হৈছে।'

ইপিনে, কৰ'না ভাইৰাছৰ ডেল্টা প্ৰজাতিৰ তুলনাত আপাদদৃষ্টিত নীৰিহ যেন ধাৰণা হ'লেও অ'মিক্ৰনৰ প্ৰভাৱ ক'ত গৈ থমকি ৰ'ব সেই বিষয়ত আমেৰিকা চিন্তিত হৈ আছে। এক নতুন সমীক্ষাত দাবী কৰা হৈছে যে মাৰ্চৰ মাজভাগলৈ আৰু কমেও ৫০ হেজাৰৰ পৰা তিনি লাখ মানুহৰ প্ৰাণহানি হ'ব পাৰে আমেৰিকাত। ইতিমধ্যেই আমেৰিকাত ক'ভিডত আক্ৰান্ত হৈ আঠ লাখ মানুহৰ মৃত্যু হৈছে। সমগ্ৰ বিশ্বত ক্ষতিৰ তালিকাত আমেৰিকা শীৰ্ষত আছে। নৱেম্বৰৰ পৰা আমেৰিকাত পুনৰ সংক্ৰমণ বাঢ়িবলৈ ধৰে। একে লগে আহিছে ডেল্টা আৰু অ'মিক্ৰনৰ ঢৌ। ক্ৰমে অ'মিক্ৰনেই এতিয়া মূল সংক্ৰামক হৈ পৰিছে। বিশেষজ্ঞসকলে দাবী কৰিছে যে টিকাকৰণে ক্ষয়ক্ষতি বহুখিনি হ্ৰাস কৰিছে। সেয়ে বিগত বছৰৰ দৰে মৃত্যুৰ ঢল নমা নাই। যদিও বহু হাস্পতালত এতিয়াই বিছনাৰ অভাৱ ঘটিছে আৰু সংক্ৰমিত হৈছে অসংখ্য স্বাস্থ্যকৰ্মী। আমেৰিকাৰ বিপৰ্যস্ত প্ৰদেশসমূহত সেনাবাহিনীৰ স্বাস্থ্যকৰ্মীসকলক নিয়োজিত কৰা হ'ব বুলি ঘোষণা কৰিছে ৰাষ্ট্ৰপতি জ' বাইডেনে। মাজতে শুনা গৈছিল যে ইউৰোপৰ দৰে আমেৰিকাতো সংক্ৰমণ নিম্নমুখী হৈছে। অৱশ্যে বৰ্তমানৰ তথ্যই সেই বাতৰিক নস্যাৎ কৰিছে। এক প্ৰতিবেদনত দাবী কৰা হৈছে যে সম্প্ৰতি গড়ে দৈনিক সংক্ৰমণ চাৰে সাত লাখ হৈছে। অধিকাংশ প্ৰদেশতে সংক্ৰমণ বাঢ়িছে। ইয়াৰ মাজতে একাংশ নাৰ্ছে নিজৰ দাবীত ধৰ্মঘট অব্যাহত ৰাখিছে। ফলত আমেৰিকাৰ স্বাস্থ্য বিভাগতো এতিয়া হাহাকাৰ অৱস্থা হৈছে।






# ১৬ কোটিৰ সাহায্যৰে চিকিৎসা কৰালে ৰাইজে


## স্নায়ুৰ বিৰল ৰোগত আক্ৰান্ত শিশু

**নিউজ ব্যুৰ'**

**ছিংগাপুৰ, ২০ জানুৱাৰী ঃ** এটি ভাৰতীয় বংশোদ্ভৱ শিশুৰ চিকিৎসাৰ ব্যয় বহন কৰিলে ছিংগাপুৰবাসীয়ে। দুবছৰীয়া শিশুটিৰ চিকিৎসা ব্যয়ৰ বাবদ প্ৰায় ১৬ কোটি টকা দান কৰিলে ছিংগাপুৰৰ বাসিন্দাসকলে। এই ঘটনা শিশুটিৰ ৰোগৰ দৰেই বিৰলৰূপে চিহ্নিত হৈছে। যাৰ ফলত খোজ কাঢ়িব নোৱৰা শিশুটি সম্প্ৰতি সুস্থ হৈ উঠিছে। ভাৰতীয় বংশোদ্ভৱ ডেভ দেৱৰাজ আৰু তেওঁৰ চীনা বংশোদ্ভৱ পত্নী ছু ওৱেনৰ একমাত্ৰ সন্তান দেৱদান দেৱৰাজ। পিতৃ এজন চৰকাৰী কৰ্মচাৰী আৰু মাতৃ এগৰাকী ইণ্টেৰিয়ৰ ডিজাইনাৰ। শিশু দেৱদান এক বিৰস স্নায়ৱিক ৰোগত আক্ৰান্ত হৈছিল। মাত্ৰ এমাহ বয়সতে শিশুৰ মেৰুদণ্ডৰ পেশীৰ এট্ৰ'ফী ধৰা পৰে। এই ৰোগে বয়স বৃদ্ধিৰ লগে লগে শৰীৰৰ সমস্ত পেশী দুৰ্বল কৰি তোলে। এই স্নায়ৱিক ৰোগৰ বাবে শিশুটিৰে খোজকাঢ়িবলৈ সক্ষম হোৱা নাছিল। চিকিৎসাৰ পাছত দেৱদানে এতিয়া খোজকাঢ়িবলৈ সক্ষম হৈছে। 'ৰে অৱ হোপ' নামৰ এটা দাতব্য সংস্থাই দেৱদানৰ হৈ চিকিৎসাৰ খৰচ সংগ্ৰহৰ কামত ব্যস্ত হৈছিল। যোৱা বছৰৰ আগষ্টৰ পৰা ছিংগাপুৰৰ অগণন লোকে শিশুটিৰ চিকিৎসাৰ বাবে মুক্তমনে ধন দান কৰে। ফলত সংস্থাটোৱে সংগ্ৰহ কৰে মুঠ ২৮.৭ লাখ ছিংগাপুৰ ডলাৰ বা ভাৰতীয় মুদ্ৰাত ১৫ কোটি ৮৪ লাখ টকা। উক্ত সংস্থাৰ মহাপ্ৰবন্ধক টেন এনে কয় যে তেওঁলোকৰ সংস্থাৰ মাধ্যমত কাৰোবাৰ চিকিৎসাৰ বাবে আগতে কেতিয়াও ইমান টকা উঠা নাছিল। দেৱদানৰ চিকিৎসাৰ বাবে 'জোলগেনছমা' নামৰ এবিধ ঔষধ ব্যৱহাৰ কৰা হৈছে, যি বিশ্বৰ সবাতোকৈ দামী ঔষধসমূহৰ অন্যতম। এই সন্দৰ্ভত দেৱদানৰ মাতৃয়ে কয়, 'আমি সকলোকে তেওঁলোকৰ অনুদানৰ বাবে ধন্যবাদ জনাইছো। সকলো সময়তে তেওঁলোকৰ প্ৰতি কৃতজ্ঞ হৈ ৰ'ম।'


# ঐতিহাসিক ডিব্ৰু-শদিয়া পথত পুনৰ ৰেল চলোৱাৰ দাবী

## ২৬ জানুৱাৰীৰ পাছৰ পৰা অভিনৱ প্ৰতিবাদৰ সকীয়নি




**অগ্ৰদূত বাৰ্তা**

**তালাপ, ২০ জানুৱাৰী ঃ** 'প্ৰাক্ স্বাধীনোত্তৰ কালতেই স্থাপন হোৱা উত্তৰ-পূবৰ ঐতিহাসিক ডিব্ৰু-শদিয়া ৰেলপথত ৰেল সেৱা বন্ধ কৰি সম্পূৰ্ণ ৰেলপথ ছোৱাকে উঠাই নিয়াৰ গভীৰ ষড়যন্ত্ৰ কৰিছে ৰেল বিভাগে। উত্তৰ-পূবৰ প্ৰথমটো ৰেল জংচন মাকুম জংচনৰ অন্তৰ্গত ডিব্ৰু-শদিয়া ৰেলপথত দীৰ্ঘদিন ধৰি ৰেল চলাচল বন্ধ ৰাখি ৰেলপথটোৰ অস্তিত্বৰ প্ৰতি ভাবুকি মাতিছে উত্তৰ-পূব সীমান্ত ৰেলে। দীৰ্ঘদিন ধৰি ৰেল সেৱা বন্ধ হৈ থকা ঐতিহাসিক ডিব্ৰু-শদিয়া ৰেলপথত ৰেল সেৱা প্ৰৱৰ্তন কৰোৱাৰ ক্ষেত্ৰত সাংসদ প্ৰদান বৰুৱা, কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, সৰ্বানন্দ সোণোৱাল তথা শদিয়াৰ বিধায়ক বলিন চেতিয়াৰ সদিচ্ছাৰ অভাৱ পৰিলক্ষিত হৈছে।' এই অভিযোগ তিনিচুকীয়া জিলাৰ ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাৰ। আজি ডাঙৰীস্থিত ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ত তথা ছহিদ ভৱনত ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাই এক সংবাদমেল সম্বোধন কৰি ৰেল বিভাগৰ বিৰুদ্ধে সৰৱ হৈ উঠে। দেশৰ নিৰাপত্তাৰ দিশৰ পৰা অতিকৈ গুৰুত্বপূৰ্ণৰূপে এই ডিব্ৰু-শদিয়া ৰেলপথটো বিবেচিত হোৱাৰ উপৰি বৃহত্তৰ ডাঙৰী, ছৈখোৱা, শদিয়া আদিৰ ৰাইজৰ আৰ্থসামাজিক ক্ষেত্ৰতো এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি অহা এই ৰেল সেৱা দীৰ্ঘদিনে বন্ধ হৈ থকাটো অতিকৈ দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি অহা ২৬ জানুৱাৰীৰ ভিতৰত এই ডিব্ৰু-শদিয়া ৰেলপথত পুনৰ ৰেল চলোৱাৰ ব্যৱস্থা কৰিবলৈ উত্তৰ-পূব সীমান্ত ৰেল কৰ্তৃপক্ষক আজিৰ এই সংবাদমেলযোগে শেষ সময় সীমা বান্ধি দিছে ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাই। অন্যথা অহা ২৬ জানুৱাৰীৰ পাছত ৰাইজৰ সহযোগত তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি ডাঙৰী ছাত্ৰ সন্থাই সংবাদমেলত সকীয়াই দিয়ে।



উল্লেখ্য যে দীৰ্ঘদিনে বন্ধ হৈ থকা এই ডিব্ৰু-শদিয়া ৰেলপথত পুনৰ ৰেল সেৱা প্ৰৱৰ্তনৰ দাবীত বিগত ২০২১ৰ ১৮ ডিচেম্বৰত ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাই ঐতিহাসিক ডাঙৰী ৰেল ষ্টেছনত অৱস্থান ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে যোৱা ছয় জানুৱাৰীত ডিব্ৰু-শদিয়া ৰেলপথৰে অন্তৰ্গত তালাপ ৰেল ষ্টেছনত মুখত ক'লা কাপোৰ বান্ধি ৰেল বিভাগৰ বিৰুদ্ধে বিক্ষোভ কাৰ্যসূচী আৰু ১৩ জানুৱাৰীত তালাপত ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ প্ৰতিকৃতি দাহ কৰিছিল। তৎসত্বেও আজি পৰ্যন্ত কোনো ধৰণৰ গুৰুত্ব প্ৰদান কৰা নাই ৰেল কৰ্তৃপক্ষই। তাৰেই পৰিপ্ৰেক্ষিতত আজি পুনৰ এক সংবাদমেল অনুষ্ঠিত কৰি ৰেল কৰ্তৃপক্ষৰ বিৰুদ্ধে পুনৰ সৰৱ হৈ উঠে ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থা। ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা তথা তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক পুহেশ্বৰ সোণোৱালে আঁত ধৰা আজিৰ এই সংবাদমেলত ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি নীলোৎপল সোণোৱাল, সহকাৰী সাধাৰণ সম্পাদক ৰিদীপ সোণোৱাল, কাৰ্যালয় সম্পাদক চন্দন সোণোৱাল আদি উপস্থিত থাকে।



# ছলপুৰত ষ্ট্ৰবেৰীৰ খেতিৰে স্বাৱলম্বন দুই যুৱকৰ

## পুনেৰ পৰা আনিছে বীজ

যি সময়ত একাংশ শিক্ষিত যুৱকে চাকৰিৰ নামত হাবু-ডুবু খাইছে তেনে সময়তে শিক্ষিত যুৱকৰ মনত সাহস যোগাবলৈ কৃষি কৰ্মৰে বাট দেখুৱাইছে মুছলপুৰৰ যুৱকে। তেওঁলোকে কয়, 'ভৱিষ্যতে যি হয় হ'ব কিন্তু বৰ্তমানৰ অমূল্য সময়খিনি নষ্ট কৰিব নালাগে।' মন কৰিলেই চন, বাকৰি মাটিতো ধন, এই আপ্তবাক্যশাৰীৰ সফল প্ৰয়োগ কৰিছে মুছলপুৰৰ দুই যুৱকে। বাগ্সাৰ মুছলপুৰত ষ্ট্ৰবেৰী খেতিৰে স্বাৱলম্বনৰ প্ৰয়াস কৰিছে যুৱকদ্বয়ে।

**■কাৰ্তিক দাস**

**মুছলপুৰ, ২০ জানুৱাৰী ঃ** যি সময়ত একাংশ শিক্ষিত যুৱকে চাকৰিৰ নামত হাবু-ডুবু খাইছে তেনে সময়তে শিক্ষিত যুৱকৰ মনত সাহস যোগাবলৈ কৃষি কৰ্মৰে বাট দেখুৱাইছে মুছলপুৰৰ যুৱকে। তেওঁলোকে কয়, 'ভৱিষ্যতে যি হয় হ'ব কিন্তু বৰ্তমানৰ অমূল্য সময়খিনি নষ্ট কৰিব নালাগে।' মন কৰিলেই চন, বাকৰি মাটিতো ধন, এই আপ্তবাক্যশাৰীৰ সফল প্ৰয়োগ কৰিছে মুছলপুৰৰ দুই যুৱকে। বাগ্সাৰ মুছলপুৰত ষ্ট্ৰবেৰী খেতিৰে স্বাৱলম্বনৰ প্ৰয়াস কৰিছে যুৱকদ্বয়ে। নিজৰ লগতে আনৰ মাটি লীজত লৈ মুছলপুৰৰ দুই যুৱক দীপুল বড়ো আৰু সুভাম বডোচাই বিগত সাত বছৰে কৰি আহিছে ষ্ট্ৰবেৰীৰ খেতি। প্ৰথম অৱস্থাত দুই বিঘা মাটিত এই খেতিবিধ কৰিছিল যদিও এইবছৰ সাত বিঘা মাটিত কৰিছে ষ্ট্ৰবেৰীৰ খেতি। তেওঁলোকে জনোৱা মতে, এই খেতিৰ বাবে দুই বিঘা মাটিৰ বাবে বীজ মহাৰাষ্ট্ৰৰ পুনেৰ পৰা আনিছে। ঘৰ আহি পোৱালৈ প্ৰতিটো পুলিত পৰিছে আঠ টকা। বাকী পাঁচ বিঘা খেতিৰ বাবে পুলি বাগ্সা জিলা কৃষি বিভাগৰ পৰা পুলি লাভ কৰিছে। উদ্যমী যুৱক দীপুল বড়োৱে কয়, 'মাজতে দুবছৰ তলাবন্ধৰ বাবে উৎপাদিত ষ্ট্ৰবেৰীবোৰৰ আমি উপযুক্ত বজাৰ নাপালো। স্থানীয়ভাৱে য'তে-ত'তে বিক্ৰী কৰিব লগা হৈছিল। আমাৰ বহু টকা লোকচান হৈছিল। বাগ্সা জিলা কৃষি বিভাগক আমি জনোৱাত তেওঁলোকে আমাক এইবাৰ বিনামূলীয়াকৈ কিছু পুলি দিছে। ইয়াৰ বাবে আমি যথেষ্ট সকাহ পাইছো।' প্ৰায় ৫০ দিনৰ মূৰত ফলবোৰ লাগিব ধৰাত এতিয়া মুখত হাহি বিৰিঙিছে দুই যুৱকৰ। সম্প্ৰতি প্ৰতি কিলোত চাৰিশ টকাকৈ বিক্ৰী কৰি আহিছে উৎপাদিত ষ্ট্ৰবেৰী। কিছুদিন পাছত ইয়াৰ উৎপাদন যথেষ্ট বৃদ্ধি পাব বুলি কয় বড়োয়ে। সম্প্ৰতি স্থানীয় বজাৰ যেনে মুছলপুৰ, বৰিমাখা, বৰবৰী, বৰমা আদিত উৎপাদিত ষ্ট্ৰবেৰীবোৰ বিক্ৰী কৰি আহিছে যদিও অধিক উৎপাদন হ'লে ষ্ট্ৰবেৰীবোৰ গুৱাহাটীকে ধৰি আন ঠাইলৈ পাইকাৰীভাৱে প্ৰেৰণ কৰিব। বড়োৱে প্ৰকাশ কৰা মতে, কম মাটিত অধিক লাভৰ বাবে এই খেতি লাভজনক। প্ৰতিপালনো খুব বেছি কৰিব নালাগে। মাজে মাজে ঘাঁহ বনবোৰ গুচাই দি পানী দি থাকিলেই হ'ল। ক'ভিডৰ বাবে বিগত সময়ত তেওঁলোক লোকচানৰ সন্মুখীন হৈছিল যদিও এইবাৰ পুনৰ তলাবন্ধ নহ'ব বুলি আশাবাদী। বড়োৱে কয়, এইবাৰ মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে যদি পুনৰ তলাবন্ধ নহয় আৰু বতৰ যদি ঠিকে থাকে তেন্তে আমি সাত লাখ মান টকা পাম। পূৰ্বৰ ধাৰ কমিব। আমাৰ উৎসাহ বাঢ়িব।' এই দুই যুৱকক দেখি এতিয়া আন যুৱকে এই খেতিৰে আগবাঢ়িলেহে বাগ্সাৰ কৃষি অৰ্থনীতি টনকিয়াল হ'ব। পিছে বাগ্সাৰ বজাৰত এই ফলবিধৰ কদৰ নাই। ৰাইজে বজাৰৰ পৰা বৰ আগ্ৰহ দেখুৱাই ফলবিধ নিকিনে। তদুপৰি ছিঙাৰ দুদিন পাছতে এই ফল বিধ পচিব ধৰে। তাৰবাবে শীতল গৃহৰ দৰকাৰ যদিও বাগ্সাত অদ্যাপি নাই এটাও শীতল গৃহ। গতিকে কৃষি বিভাগৰো এইক্ষেত্ৰত যথেষ্ট কৰণীয় আছে। এইবিধ খেতিৰ বাবে কৃষি বিভাগে কৃষকৰ মাজত সজাগতামূলক কাৰ্যসূচীৰ লগতে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলে হয়তো বাগ্সাত ষ্ট্ৰবেৰীৰ খেতি বৃদ্ধি পাব। উল্লেখ্য যে বিটিচিৰ কৃষি বিভাগৰ প্ৰাক্তন কাৰ্যবাহী সদস্য অনচুমৈ খুংগুৰ বড়োৰ উদ্যোগত প্ৰথমে মুছলপুৰ অঞ্চলৰ বৰিমাখাত এই ষ্ট্ৰবেৰীৰ খেতি কৰা হৈছিল ।



অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com